# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ২৯/১১/২০২৫ শনিবাৰ

ইংৰাজী ২৯ -১১-২০২৫ তাৰিখে অসম বিধান সভাৰ শীতকালীন অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ৯.৩০ বজাত আৰম্ভ হয়।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ৮১, সন্মানীয় সদস্য শ্ৰী কৰিম উদ্দিন বৰভুঞা।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী কৰিম উদ্দিন বৰভুঞা, সোনাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, সোণাই সমষ্টিৰ ভাগপুৰৰ পৰা সৎকৰাকাণ্ডি লৈ যোৱা পথত যিখন দলং, এই দলংখন additional list ত অন্তৰ্ভূক্ত কৰা হৈছে। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আহ্বান কৰিব বিচাৰিম যে দলংখনৰ গুৰুত্ব বহুত আছে। এই দলংখনত এখন গাঁৱৰ নহয় কেইবাখন গাঁৱৰ, হস্পিতাল যোৱা ৰাস্তা হওঁক, administrative office বিলাকৰ connectivity য়ে হওঁক, একেবাৰে দুটা zone ৰ লগত এই দলংখন অত্যন্ত গুৰুত্ব। সকলোতকৈ ডাঙৰ কথাটো হ'ল কোনো connectivity নথকাৰ কাৰণে এই অঞ্চলবোৰত ভাগপুৰ, গৈবিন্দপুৰ, আলগাপুৰ, বাছকান্দি, বগীহাৰী, এই অঞ্চলৰ মানুহখিনিৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত সাংঘাটিক ধৰণে অসুবিধা হৈ আছে। এজন ছাত্ৰই যদি কলেজ পাবলগীয়া হয়, degree college নাই। এতিয়া মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এতিয়া মাত্ৰ এখন হাইস্কুল হায়াৰ চেকেণ্ডাৰীলৈ upgrade কৰা হৈছে। গতিকে তাত মেট্ৰিকৰ পিছত বহুত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা drop কৰে।

মোৰ অনুৰোধ এইটো যে priority basis ত বাগপুৰ সৎকাৰকাণ্ডি দলংখন ল'ব লাগে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ special effort ত বহুত ঠাইত ৰাস্তা কেইটা double line কৰা হৈছে, সেই কাৰণে এই দলংখন অতি গুৰুত্বপূৰ্ণ, লগতে লক্ষিপুৰৰৰ মানুহখিনিও নতুনকৈ যিটো integrated DC office হৈ আছে, মেডিকেল কলেজে হওঁক, বা সোণাৰি চহৰতে হওঁক, এই কাৰণে geographically এই দলংখনৰ অতি প্ৰয়োজন।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় সদস্যগৰাকী জনৰ লগত একমত যে দলংখন হ'ব লাগে। এই দলংখন হ'ব লাগিলে যিটো আমাৰ Assam Vigilance Rural Bridge ৰ যিটো আছে, সেইটো World Bank ৰ project। গতিকে এই project ত আমাৰ যিখিনি দলং কৰিবলগীয়া আছে, সেই দলং কেইখনৰ ভিতৰত সদস্যগৰাকীয়ে যিখন দলংৰ কথা কৈছে বৰাক নদীৰ ওপৰত , সেই দলংখন এইবাৰ 2nd phase ত সোমাই দিয়া হৈছে। কিন্তু এটা কথা আছে যে World Bank য়ে যেতিয়া PWD বিভাগৰ লগত কথা পাতিছিল, World Bank য়ে কৈছে যে perferably দলং বিলাক ১০০ মিটাৰ দৈৰ্ঘ্যৰ দলং কৰিব। কিন্তু আপুনি যিখন দলংৰ কথা কৈছে, সেই দলংখনত দৈৰ্ঘ্য আছে ৩৫০ মিটাৰ। গতিকে যিটো World Bank ৰ norms আছে, সেই মতে ১০০

মিটাৰৰ পৰিবৰ্তে ৩৫০ মিটাৰ হ'ল, কিন্তু PWD বিভাগে এটা special request কৰিছে World Bank ক যে এই দলংখন ল'ব লাগে। গতিকে আপোনাৰ এই বিষয়টো এটা priority আছে আৰু লোৱা হৈছে।

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, সোনাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, অহা মাৰ্চ মাহৰ ভিতৰত এই দলংখনৰ foundation তৈয়াৰ কৰাৰ বা কাম আৰম্ভ কৰা সম্ভৱ হ'ব নেকি, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদস্যগৰাকীক কওঁ যে এই দলংখনৰ বাবে world bank ত দিছো আৰু এতিয়া world bank ৰ পৰা অনুমোদন আহিলে, তেতিয়া আধাৰশিলা স্থাপন কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া প্ৰশ্ন নং ৮২, সন্মানীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাঁও** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নসমূহৰ উত্তৰ হিচাপে যি তথ্য দিয়া হৈছে, তাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে, এক ভয়ংকৰ হাৰত অসমত গৰু ম'হৰ ছিণ্ডিকেট চলি আছে। বিভাগে দিয়া তথ্য মতে এই কথা স্পষ্ট যে অভিযোগ আহিছে, সেয়া সঁচা। ছিণ্ডিকেট চলি আছে কাৰণে, নাথাকিলে ইমান বৃহৎ পৰিমানৰ গৰু ম'হ জব্দ নহ'ল হেতেন। মই বৰ আঁচৰিত হৈছে যে অসমৰ মাজেৰে গৰু ম'হ সৰবৰাহ কেনেকৈ হৈ আছে। ২০২১ চনৰ পৰা এতিয়ালৈকে ১৬,২৮১ টা গৰু ম'হ জব্দ হ'ল। কিন্তু ধৰা নপৰাকৈ বা আৰু কিমান গৰু ম'হ থাকি গ'ল।

এতিয়া প্ৰশ্ন হ'ল যে ইমান বৃহৎ পৰিমানৰ গৰু ম'হ যে জব্দ হ'ল, ইয়াৰ অন্তৰালত আৰু বিশেষ বেলেগধৰণৰ কথা আছে নেকি?

মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় কথা আহি থাকে ৰাজস্থান, হাৰিয়ানা, উত্তৰ প্ৰদেশ, পশ্চিম বঙ্গৰ পৰা চোৰংকৈ গৰু ম'হ অসমলৈ আহে, অসমৰ পৰা বাংলাদেশলৈ চালান দিয়ে। শ্ৰীৰামপুৰ সীমান্তৰে অসমলৈ অহা গৰু ম'হ ট্ৰাকৰ পৰা কোকৰাঝাৰ জিলাত এক বৃহৎ পৰিমানৰ দুৰ্নীতি হয়।

মাননীয় অধ্যক্ষ মহোদয়, Assam Cattle Prevention Act. 2021 ৰ পিছত কেনেকৈ গৰুৰ চোৰাং বেহা এনেকৈ চলি আছে, অসমৰ মাজেৰে বাংলদেশলৈ লৈ চোৰাং গৰু ম'হৰ সৰবৰাহ হৈ থকা যিটো অভিযোগ আহি আছে, সন্মুখত সীমান্তৰে এই চোৰাং বেহা সঁচাকৈ চলি আছে নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে এই চোৰাং যিটো ব্যৱসায় সেইটো বন্ধ কৰাত চৰকাৰে যথেষ্টখিনি সফল হৈছে। সফল এই কাৰণে হৈছে যে আজিৰ দিনত প্ৰায় ১৬,০৫৬ টা গৰু ইতিমধ্যে কৰায়ত্ব কৰা হৈছে আৰু ২২৫ টা ম'হ জব্দ কৰা হৈছে । চৰকাৰে ইমান strongly ব্যৱস্থা লোৱাৰ কাৰণে আজি ইমানখিনি গৰু ম'হ ধৰিবলৈ সক্ষম হৈছে। যিখন Assam Cattle Prevention Act. 2021ৰ মতে গো-ৰক্ষাৰ যিটো সুবিধা আছে বা provision আছে, সেইমতে কামখিনি কৰা হৈছে।

দ্বিতীয় কথাটো হ'ল, মাননীয় সদস্য গৰাকীয়ে যে কৈছে যে বেঙ্গলৰ পৰা কৰবাৰ পৰা

কোকৰাঝাৰৰ পৰা এই বিলাক কৰবাৰ পৰা কিবা গণ্ডগোল হৈ আছে নেকি? সেইটো বৰ্তমান তেনেকুৱা গণ্ডুগোল নাই।

আৰু এটা কথা যে অসম আৰক্ষীক ধন্যবাদ দিব লাগিব যে এতিয়ালৈকে ৪,৮২৫ জন ব্যক্তিক তেওঁলোক কৰায়ত্ব কৰিছে। গতিকে ইমান সংখ্যক গেপ্তাৰ কৰা মানুহখিনি আমাৰ যদি কিবা গণ্ডগোল থাকিলেহেতেন, তেতিয়া পুলিচে ইমান সংখ্যক মানুহক গেপ্তাৰ নকৰিলে হয়। পুলিচে সম্পুৰ্ণভাৱে নজৰ ৰাখি আছে আৰু অসমৰ পুলিচকো আমাৰ সদনে ধন্যবাদ দিব লাগিব যে এনেকুৱা এটা ব্যৱস্থা তেওঁলোকে ল'ব পাৰিছে আৰু এই কেইজন মানুহক গ্ৰেপ্তাৰ কৰিব পাৰিছে, ইমান গৰু তেওঁলোকে জব্দ কৰিব পাৰিছে। গতিকে অসম পুলিচক মই আজি এই বিধান সভাত ধন্যবাদ দিম যে তেওঁলোকে কঠোৰ হাতেৰে এই গোটেই বিষয়টো চাইছে।

এতিয়া বাংলাদেশ বোৰ্ডাৰ ক্ষেত্ৰত যিটো কথা কৈছে, তাতো vigilance সম্পূৰ্ণৰূপে ৰখা হৈছে। গোটেই বাংলাদেশ বোৰ্ডাৰৰ ফালেও কোনো গৰু বা ম'হ কাৰো পৰা বৰ্তমান সৰবৰাহ কৰিব পৰা নাই। তাৰে ভিতৰত যদি কৰবাত কিবা গৈছে, আপোনাৰ হাতত তথ্য যদি আছে, গোটেইখিনি আমাৰ লগত সহযোগ কৰিলে, গৃহ বিভাগে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাঁও** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে দুৰ্নীতিৰ ক্ষেত্ৰত কয় zero tolerance, অৰ্থাৎ শূণ্য সহনশীল নীতিৰ কথা কয়। কিন্তু গো-মাতাক লৈ আমি সকলোৱে গম পাওঁ যে এটা ডাঙৰ চক্ৰ জড়িত হৈ আছে, আমি এইটো জানিব বিচাৰিম অবৈধভাৱে সৰবৰাহ কৰাৰ বাবে গৰু বা অন্য পশুধন সমূহ জব্দ কৰাৰ পিছত, পশুধনসমূহৰ চোৰ চিতাৰ দায়িত্ব যিদৰে গোশালক দিয়া হৈছে, গো-শালাত আমাৰ গৰু ম'হ এইবিলাক সুৰক্ষিত নে? আমি কেতিয়াবা চাইছো নে। আমাৰ যি তথ্য দিছে, এই তথ্যই আমি চাইছো। তাত গৰু যিমান হিচাপত জব্দ হৈ আছে, সিমান হিচাপত তাতকৈ বহুত গৰু বৰ্তমান কম মজুত আছে। তাৰ তন্ন তন্নকৈ আমি বিচাৰ কৰিছো নে, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাম যে এই গো-শালা সমূহ এবাৰ ভ্ৰমণ কৰাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক নিৰ্দেশ কৰিব লাগে, কিবা এটা ব্যৱস্থা কৰিব লাগে বুলি।

আৰু এটা কথা যোৱা ১১ অক্টোবৰ তাৰিখে, ধুবুৰী জিলাৰ গৌৰীপুৰত ১৪ টাকৈ উট জব্দ কৰা হৈছিল। তাত ইটা ভাটা এটা উট নমোৱাৰ দৃশ্য মানুহে দৃশ্যমান। তথ্য কি আছে, মন্ত্ৰী মহোদয়ে আপোনাৰ জৰিয়তে জনাব।

মোৰ খ আৰু গ প্ৰশ্নত যেনেকুৱা কৈ কোৱা হৈছে, জব্দ কৰা গৰু ম'হ গো-শালাত ৰখা হৈছে। কোৱা হৈছে ১৫,১৭৭ টা গৰু তাৰে ২২৫ টা ম'হ শালত ৰখা হৈছে। আনহাতে ৮৮৭ গৰু জিম্মাত দিয়া হৈছে। ২৩ টা গো-শালাত গৰু আৰু ম'হ কি দৰে ৰখা হৈছে, পৰিবেশ ভাল হয় নে নাই, তেওঁলোকৰ কথাটো আমি কৈ থাকো, তেওঁলোকক আমি পূজা কৰাৰ কাৰণেও কথা কৈ থাকো, সেইদৰে তাৰ ব্যৱস্থা কৰিছে, নে নাই, এই গো-শালাসমূহ চোৱা চিন্তা কৰিবলৈ আমি কিবা ব্যৱস্থা লৈছো নেকি?

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা ইয়াৰ উত্তৰ পোনপতীয়াকৈ জানিব বিচাৰিছিলো আৰু গৰু ম'হৰ ক্ষেত্ৰত এটা সাংঘাটিক ভাৱে যি অভিযোগ আহি থাকে চোৰাং সৰবৰাহ, এইটোৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যি দৰে উত্তৰ দিছে, মই সন্তুষ্ট হ'ব পৰা নাই আৰু অলপ বহলকৈ কবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে গৰু-ম'হৰ ক্ষেত্ৰত ডাঙৰ এটা ৰেকেট থকাৰ যিটো কথা কৈছে, সেই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে বৰ্তমান যদি কিবা ৰেকেট আছিল, সেই ৰেকেট সমূহ পুলিচে সম্পূৰ্ণৰূপে কৰায়ত্ত কৰিছে। প্ৰায় ৪,৬৪৯ জন মানুহ গ্ৰেপ্তাৰ কৰা হৈছে। তাৰ জৰিয়তে এই কথাটো স্পষ্ট হৈছে যে অসম পুলিচ অতি সক্ৰিয়। এনেধৰণৰ যি কথা তেখেতে উল্লেখ কৰিছে, সেইধৰণে সন্দেহ কৰিবলগীয়া বিষয় নহয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱে আমাৰ চৰকাৰ অহাৰ পিছত ২০২১ চনত এই গৰু-ম'হৰ সৰবৰাহকাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা ল'বলৈ গৃহ বিভাগক নিৰ্দ্দেশ দিছিল। এই বিষয়ে আপোনালোকো জ্ঞাত আৰু বহু মানুহে সেই সময়ত কৈছিল যে মানুহবোৰক এনেকৈ কিয় গুলীয়াব লাগে বা এনেধৰণৰ কঠোৰ ব্যৱস্থা কিয় ল'ব লাগে বুলি সমালোচনা কৰিছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সমালোচনা কৰাৰ পিছতো গৃহ বিভাগক এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা ল'বৰ বাবে নিৰ্দ্দেশ দিছে। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়, গৃহ বিভাগ আৰু পুলিচক এইখিনি কৰিবলৈ সক্ষম হোৱাৰ বাবে ধন্যবাদ জনাইছো। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে গো-শালাসমূহত ১৫,১৭৮ টা গৰু ৰখা হৈছে। আমি তাত পশু বিভাগৰ মানুহ পঠিয়াইছো আৰু পশু বিভাগৰ বিষয়া আৰু পুলিচেও সেই গো-শালাসমূহ পৰিদৰ্শন কৰিছে। তেওঁলোকে এই গো-শালাসমূহ পৰিদৰ্শন কৰাৰ পিছত তাত থকা গৰুবোৰৰ স্বাস্থ্য ভালে থকা বুলি ৰিপোৰ্ট দিছে। মালিকে যেতিয়া এই গৰুসমূহৰ বাবে এপীল কৰিছে, তেতিয়া কোৰ্টে ১৫,১৭৮ টা গৰুৰ ভিতৰত ৮০০ টা গৰু মালিকৰ জিম্মাত দিছে। আমাৰ বিধায়ক ৰেকিবুদ্দিন আহেমদ ডাঙৰীয়া যদিও ছয়গাঁৱৰ, তেওঁ গুৱাহাটীৰে মানুহ আৰু তেওঁ গুৱাহাটীৰ গো-শালাত গৰুবিলাক কেনেকৈ ৰাখিছে সেই বিষয়ে ভালকৈ জানে। আমি কটন কলেজীয়েট হাইস্কুলৰ ছাত্ৰ আৰু তেখেতে গুৱাহাটীৰ গো-শালাত গৰুবিলাক কেনেকৈ ৰাখে সেইটো ভালকৈ জানে। এইটো সুধিবলগীয়া কথাই নহয়।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ লগত বিতৰ্কত আহিবলৈ মোৰ অলপ অসুবিধা হয়। মই ১৯৯০ চনৰ কলেজীয়েটত পঢ়া, তেখেত তাৰ আগতে পঢ়া। তেখেতৰ বহুত টেলেণ্ট আছে আৰু তেখেতৰ লগত কথা ক'লে আমি পাট্টা নাপাওঁ। কিন্তু গো-শালাসমূহত গৰুসমূহ সুৰক্ষিত নহয় বুলি মই ভাৱো। তেনেক্ষেত্ৰত গৰুবোৰৰ প্ৰতি আমাৰ এটা দায়িত্ব আছে। চোৰাং কাৰবাৰ গৰুৰ লগত জড়িত হৈ আছে। চোৰাং সৰবৰাহকাৰীক গুলী মাৰোতে আমি বেয়া পোৱা বুলি কেতিয়া কৈছো? প্ৰকৃত দোষীক গুলী নহয় ফাঁচী দিয়ক। কিন্তু সকলোৰে ক্ষেত্ৰত একেধৰণৰ ব্যৱস্থা ল'ব লাগিব। মাননীয় মন্ত্ৰী মহোদয়ে এইখিনি কথা স্পষ্ট কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আইনৰ দৃষ্টিত সকলো সমান আৰু মাননীয় সদস্য গৰাকীয়ে এনেকুৱা ধৰণৰ প্ৰশ্ন কৰিব নাপায়। আমি আপোনাৰ পৰা এনেকুৱাধৰণৰ প্ৰশ্ন নিবিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য হাফিজ ৰফিকুল ডাঙৰীয়াই কওঁক।

**হাফিজ ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলে যোৱা পাঁচ বছৰৰ এটা ৰিপোৰ্ট দিছে যে ১৬,০৫৬ টা গৰু জব্দ কৰিছে আৰু এই গৰুবিলাকক গো-শালাত ৰখা হৈছে। কিন্তু এই গো-শালাত দিয়া গৰুবিলাক ঠিকেই আছে নে নাই, বৰ্তমান তাৰ এটা

ৰিপোৰ্ট ল'বলৈ মাননীয় মন্ত্ৰী মহোদয়দক অনুৰোধ কৰিছো। আমি মাজে মাজে শুনিবলৈ পাওঁ যে গো-শালাত থকা গৰুবিলাকৰ খাদ্য, ঔষধ, পানী আদিৰ অভাৱত বহু দুৰৱস্থাত আছে। আপোনালোকে জব্দ কৰিছে, সেইটো ঠিকেই কৰিছে। এই ক্ষেত্ৰত মোৰ এটা পৰামৰ্শ থাকিল যে আমাৰ বহুতো দুখীয়া কৃষক আছে। সেই কৃষকসকলক যদি বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে এই গৰুবিলাক দিয়ে, তেতিয়া তেওঁলোকে গৰুবিলাক ভালকৈ ৰাখিব আৰু আপোনালোকৰ ওপৰতো বুজা নাথাকিব। মোৰ দ্বিতীয় পৰামৰ্শটো হৈছে যে আমাৰ অসমত Cattle Preservation Bill থাকিলেও সেই বিলখন বিহাৰ, উত্তৰ প্ৰদেশ আদি অন্য ৰাজ্যসমূহৰ নিচিনা ইমান কঠোৰ নহয়। ইয়াৰ পিছতো ধেমাজি, লখিমপুৰ, যোৰহাট, শিৱসাগৰ আদি আপাৰ আসামৰ জিলাসমূহত গৰু বিক্ৰীৰ ক্ষেত্ৰত বহু হাহাকাৰৰ সৃষ্টি হৈছে। যিটো গৰুত আগতে ৭০ হাজাৰ টকা পাইছিল, এতিয়া ৩০ হাজাৰো নাপায়। সেই কৃষকসকলে কেতিয়াবা এযোৰ গৰু বিক্ৰী কৰিয়েই ল'ৰা-ছোৱালীক শিক্ষা-দীক্ষা, বিয়া-বাৰু আদি পাতিবলগীয়া হয়। আপোনালোকৰ যিখন এক্ট আছে, সেইখন পালন কৰক। কিন্তু এই ক্ষেত্ৰত কিছু শিথিলতা আনিব লাগে আৰু ৰাজ্যৰ ভিতৰত গৰুৰ যাতায়ত ব্যৱস্থাটো মুকলি কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যে গো-শালাত গৰুবিলাক ভালে আছে নে নাই সেই বিষয়ে লক্ষ্য ৰাখিব লাগে। এইটো তেখেতে ভাল কথা কৈছে আৰু এইটো লক্ষ্য ৰখা হৈছে। গৰুবিলাকে খাদ্য আদিও পাই আছে আৰু স্বাস্থ্য-পাতিও ভালে আছে। এইক্ষেত্ৰত কেৱল পুলিচেই লক্ষ্য ৰাখিছে, তেনেকুৱা নহয়। ইয়াত পশু বিভাগকো অন্তৰ্ভূক্ত কৰা হৈছে। পশু চিকিৎসকলেও গৈ গৰুবিলাকৰ স্বাস্থ্য পৰীক্ষা কৰে। মাননীয় সদস্য জনে এটা ভাল কথা কৈছে যে গো-শালাত গৰুবিলাক ভালকৈ থাকিলেও যদি দুখীয়া কৃষকসকলক গৰুবিলাক দিব পৰা যায়, সেইটো ভাল কথা হ'ব। কিন্তু আজিয়েই মই এইটো কৰি দিব পাৰিম বুলি ক'ব নোৱাৰো। কাৰণ এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সিদ্ধান্ত ল'ব। আপুনি যিটো সমস্যাৰ কথা কৈছে, মই ও সেইটো অনুভৱ কৰো যে এখন জিলাৰ পৰা আন এখন জিলালৈ গৰু Migrate কৰিব নোৱাৰি। এইটোৰ কাৰণে দুয়োটা কথা contradict হৈছে। গৰুবিলাক Migrate কৰিব লাগে, নহ'লে কৃষকসকলৰ অসুবিধা হৈছে। কিন্তু Migrate কৰিলে কোৱা হয় যে গৰুবিলাক বাংলাদেশ আদিলৈ পঠিয়াই আছে। এই দুটা contradict অৱস্থাত চৰকাৰ বৰ্তমান উপনীত হৈছে। আপুনি যিটো কথা কৈছে, আমি সেই বিষয়ে বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৰুৰ চোৰাং সৰবৰাহ লৈ পূৰ্বতেও বিধান সভাত বহু বিতং আলোচনা হৈছে। ৪০০০ তকৈ অধিক অপৰাধী ধৰা পৰিছে, কোনোবাই ভৰিত গুলী খাইছে, কোনোবাই জেলত আছে আৰু কোনোবাই পলাই ও গৈছে। কিন্তু এতিয়াও দুৰ্ভাগ্যজনকভাৱে গৰুৰ সৰবৰাহ চলি আছে। মই পূৰ্বতেও সদনত কৈছিলো যে শ্ৰীৰামপুৰ গেটৰ পৰা আমিনগাঁৱলৈ যিসকল SP, থানাৰ OC আছে, তেওঁলোক Political Patronage নহ'লে এনেকুৱা কৰিব পৰা নগ'লহেঁতেন। মই আগতেও Political Patronage ৰ কথা কৈছিলো আৰু জেৰাত এইবোৰ কথা আহিছে। ৰাইজৰ মাজতো এইবোৰ কথা বিয়পি আছে। কিছুমান মানুহ এই গৰু সৰবৰাহৰ লগত involve হৈ আছে। মোৰ প্ৰশ্নটো হৈছে যে এই

Patronigation চলি আছে নেকি? মাননীয় মন্ত্ৰী মহোদয়ে পুলিচৰ বহু প্ৰশংসা কৰিছে। কিন্তু পুলিচৰ নিষ্ক্ৰিয়তাৰ কাৰণে গৰু সৰবৰাহ চলি থাকে। মই ৰাষ্ট্ৰীয় ঘাই পথৰ কাষতেই থাকো। ৰাতি ১২ টা বজাৰ পিছত ট্ৰাকে ট্ৰাকে যদি গৰু গৈ থাকে, সেইয়া বন্ধ কিয় নকৰে? এতিয়ালৈকে ১৬০০০ গৰু ধৰিছে। কিন্তু লাখে লাখে গৰু এতিয়াও গৈ আছে। কঠোৰভাৱে বন্ধ কৰাৰ চৰকাৰে কিবা পদক্ষেপ ল'ব নেকি? এইক্ষেত্ৰত কঠোৰ পদক্ষেপ ল'ব লাগে। নহ'লে গৰু চালান বন্ধ নহ'ব। ইয়াৰ দ্বাৰা ৰাজনীতিৰ লগত জড়িত আৰু উচ্চ বিষয়া কিছুমান লাভৱান হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে ইয়াত কিবা political patronize আছে নেকি। মই সদনত এই কথা দৃঢ়তাৰে কওঁ যে there is no patronize at all. যদি political patronize থাকিল হৈ তেতিয়াহ'লে চৰকাৰে এনেকুৱা ধৰণৰ ব্যৱস্থা ল'ব নোৱাৰিলেহেতেন। আজি ৪০০০-৪৫০০ মানুহক যে গ্ৰেপ্তাৰ কৰিছে, সেইটো নকৰিলেহেতেন, আজি যে মানুহ গুলীবিদ্ধ হৈছে গৰু চোৰাং ব্যৱসায়ৰ লগত সেইটো নহ'লহেতেন। কথাটো হ'ল আপুনি সৰভোগৰ কাষতে থাকে, ৰাস্তাৰ ওচৰতে থাকে, আপুনি কোৱা মতে। কেতিয়াবা ইখন জিলাৰ পৰা সিখন জিলালৈকে আমাৰ জনিয়া সমষ্টিৰ বিধায়ক ডাঙৰীয়াই কোৱা মতে গৰু বিক্ৰী কৰাৰ কাৰণে তেনেকৈ মানুহে লৈ যায় আৰু ধৰা পৰিলে যেতিয়া জানিব পাৰে যে এইটো বাহিৰলৈ নাযায়, বঙাইগাওঁৰ পৰা বৰপেটালৈ আহিছে তেনেকুৱা পৰিস্থিতিৰ গাড়ী হয়তো দুই এখন দেখিছে আৰু ভাবিছে এইটো political patronize বুলি। আপুনি যিটো কথা কৈছে strict action ল'ব নে নলয়? মই মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক কৈছো এই ক্ষেত্ৰত strict action লৈ আছে আৰু চৰকাৰ এই ক্ষেত্ৰত দৃঢ়।

**মাননীয় অধ্যক্ষ ঃ** Last supplementary শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গো-শালা সম্পৰ্কে মন্ত্ৰী ডাঙৰীয়াই ইয়াত যুক্তি সহকাৰে কৈছে কিন্তু মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক কওঁ আমাৰ কিন্তু সন্দেহ আছে। গো-শালাত যিটো ১৫,১৭৮ টা গৰু থকা বুলি কৈছে, আজিৰ তাৰিখত যদি চৰজমিন তদন্ত কৰা যায় এই সংখ্যাটো তাত নাপায়। গো-শালা সম্পৰ্কত ২০২৩-২৪ বিত্তীয় বৰ্ষত ৬ টা গো-শালাত ১০ লাখ ১০ লাখ টকাও দিয়া হৈছে। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাম যে বিধানসভাৰ পৰা এটা আপুনি গঠন কৰি দিয়া প্ৰতিনিধিৰ দল গো-শালাসমূহত যাব লাগে পৰ্য্যবেক্ষণ কৰিব লাগে, পৰ্য্যাপ্ত গৰু আছে নে নাই। যিটো সংখ্যা তেওঁলোকে দিছে সেই সংখ্যাটোৰ প্ৰতি আমাৰ সন্দেহ আছে। অধ্যক্ষ ডাঙৰীয়া মোৰ প্ৰশ্নটো হ'ল ২০২১ চনৰ পৰা আজিৰ তাৰিখলৈকে অসম আৰক্ষীয়ে গৰুৰ ছিণ্ডিকেটৰ লগত জড়িত ৪,৮২৭ জন চোৰাং গৰুৰ বেপাৰীক গ্ৰেপ্তাৰ কৰিছে। এতিয়া প্ৰশ্ন হ'ল গৰুৰ ছিণ্ডিকেটৰ লগত জড়িত ৪,৮২৭ জন ৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আদালতত কিমান চাৰ্জশ্বীট দাখিল কৰিছে আৰু চাৰ্জশ্বীট দাখিল কৰাৰ পিছত কিমানজনক মাননীয় আদালতে শাস্তি বিহিছে আৰু গৰুৰ ছিণ্ডিকেটৰ লগত জড়িত ৪,৮২৭ জন চোৰাং বেপাৰী, ছিণ্ডিকেটৰ লগত জড়িত ব্যক্তি কিমানে শাস্তি পাই জেলৰ ভিতৰত আছে আৰু কিমান বাহিৰত আছে লগতে অকল গ্ৰেপ্তাৰ কৰিলেই নহ'ব, গ্ৰেপ্তাৰ কৰাৰ পিছত দ্বিতীয় পদক্ষেপত অসম আৰক্ষীয়ে কি পদক্ষেপ লৈছে কাৰণ অধ্যক্ষ ডাঙৰীয়া আৰক্ষীৰ সহযোগ নাথাকিলে কেতিয়াও ছিণ্ডিকেট হ'ব নোৱাৰে, আৰক্ষীৰ সহযোগ

নাথাকিলে কেতিয়াও গুলী খোৱাৰ পিছতো গৰুচুৰৰ চোৰাং বেহা চলি থাকে অসমৰ মাজেৰে লৈ যায়। ইয়াৰ ওপৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে হ'ব। সন্মানীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে ছিণ্ডিকেটৰ, মই কওঁ যে ছিণ্ডিকেট নাই। ইয়াত আমি যি তথ্য দিছো এইটো সদনৰ documents, যিমান গৰু থকাৰ কথা কোৱা হৈছে। এইটো মোৰ ব্যক্তিগত documents নহয়। This is a property of the house. Government য়ে ভুল তথ্য নিদিয়ে। Government য়ে যেতিয়া কৈছে যে গৰুৰ স্বাস্থ্য ভালে আছে, Veterinary য়ে চাইছে খাদ্য-পাতি পাইছে, আমাৰ উত্তৰ গৃহ বিভাগৰ পৰা দিয়ে আৰু এইটো অকল গৃহ বিভাগৰ documents, This is a property of the house. গতিকে সদনত চৰকাৰে কেতিয়াও অসত্য কথা নকয়। এই ছিণ্ডিকেটৰ কথাটো আপোনাক কওঁ যে ছিণ্ডিকেট এতিয়া নাই, এইটো দৃঢ়তাৰে কৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে গো-শালা বিলাকে যিবিলাক গো-ধন ৰাখিছে এনেধৰণে পুজা কৰি ৰাখিছে তাৰ বাবে দুই এটা ধন্যবাদ ল'বহে লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৮৩।

**শ্ৰী ৰূপেশ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Supplementary.

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক মন্ত্ৰী মহোদয়ে জনাইছে যে কাৰাগাৰ সমূহত পঞ্জীয়নভূক্ত ক্ষমতা ১১,৩৭২ আৰু এই সংখ্যাৰ বিপৰীতে বৰ্তমান কাৰাবন্দীৰ সংখ্যা ১১,২৪১, কিন্তু এতিয়া দেখা গৈছে যে বন্দী হৈ থকা অপৰাধীৰ সংখ্যা মুঠ ৭০০০। যদি ০১-০১-২০২৫ ৰ পৰা ০১-১১-২০২৫ লৈ চাওঁ ১৩৪০ জন, যিসকল গোচৰত অপৰাধী হিচাপে বিবেচনা হৈ শাস্তিমূলক ব্যৱস্থাত কাৰাবন্দী হৈ আছে। কিন্তু বিচাৰাধীন হৈ চলি আছে ২৯,৮,৮২ জন আৰু পৰ্য্যায়ক্ৰমে চালে ১,৮০,০০০ কাৰাবন্দী বিচাৰাধীন হৈ আছে আৰু বন্দী হৈ থকাৰ পৰা যি convict হৈছে তাৰ সংখ্যা হ'ল ৭০০০ জন। তথ্য দিছে ১১,৩৭২ জনৰ capasity আৰু এটা বছৰতে ২৯,৮৮২ জন। সেই গতিকে মহোদয় exessive আছে। দ্বিতীয়তে মই একেবাৰে কৈ দিছো মহিলা কয়দী সকলৰ বাবে আচুতীয়া স্থান যথেষ্ট কম। আমি মাননীয় DRSC সমিতিৰ অধ্যক্ষ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নেতৃত্বত গুৱাহাটীৰ কাৰাগাৰ পৰিদৰ্শন কৰোতে পাইছিলো খুৱ কম এটা পৰিসৰত মহিলা কাৰবন্দী সকলক ৰখা হৈছে। সিহঁতৰ মুক্তভাৱে চলা-ফুৰা কৰিবলৈ কোনো ঠাই নাই। গতিকে এইটো মহোদয় Prison reforms ৰ ভিতৰত যদি তেওঁলোককো সমানে সুবিধা দিয়া হয় তেতিয়াহলে ভাল হ'ব আৰু অন্য এটা Prison reforms আনি support to co-prisoners মাত্ৰ এজন convict ক দিয়া হৈছে বা এজন under trial ক দিয়া হৈছে। বেছি ভাগেই যেতিয়া তেওঁলোকে District legal service Authority ৰ সাহায্য ল'ব লাগে, State legal service Authority ৰ সাহায্য ল'ব লাগে, তেওঁলোক নিশ্চয় ধনী নহয়, সেই গতিকে বহুত আছে দিবলগীয়া। এই ক্ষেত্ৰত কি ব্যৱস্থা ল'ব জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰী ৰূপেশ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো তথ্য দিছো, আমাৰ যি capasity ১১,৩৭২ আৰু তাৰ বিপৰীতে কাৰাগাৰসমূহত ১১,২৪১ গৰাকী আছে। যিটো প্ৰশ্ন সন্মানীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াই শুধিছে তাত আচলতে আমি বিচাৰাধীনৰ কথাহে কৈছো, গতিকে আমাৰ তথ্যটো একেবাৰে শুদ্ধ তথ্য। তেওঁ যিখিনি কথা কৈছে আমাৰ যিসকল দুখীয়া prisoner আছে, তেওঁলোকেক সহায় কৰাৰ কাৰণে বিভিন্ন সময়ত বিভাগৰ তৰফৰ পৰা legal assistance দিয়া হয় ।আমাৰ Prison reforms ৰ বাবে এটা আঁচনিও আছে support to co-prisoner বুলি। সেই আঁচনিৰ যোগেদি আমি ইতিমধ্যে under trial ত থকা ২২ গৰাকী আৰু এজন convicted লোকক আমি প্ৰায় মুঠ ২,৮৩,০০০ টকাৰ আৰ্থিক সাহ্যৰ্য্য প্ৰদান কৰিছো। ইয়াৰ উপৰিও কেইদিনমান আগত আমাৰ বিভাগৰ বিষয়া সকলক নিজৰ তৰ ফৰ পৰাও নিৰ্দ্দেশ দিছো আৰু তেওঁ যিটো কথা কৈছে হয় বহুত এনেকুৰা দুখীয়া prisoner আছে, যিসকলৰ টকা-পইচা নথকাৰ বাবে, জামিনদাৰ নথকাৰ বাবে তেওঁলোক জেলৰ ভিতৰতে থাকিব লগা হয়, তেনেকুৰা এটা তথ্য প্ৰস্তুত কৰাৰ কাৰণেও আমি কাম কৰি আছো। আজি কোনোবা লোক যদি দুখীয়া হোৱাৰ কাৰণে তেওঁ জামিনৰ পৰা বঞ্চিত হৈ আছে বা তেওঁ সুবিধাবিলাক পোৱা নাই, সেই কামবিলাক আমি কৰি যাবলৈ চেষ্টা কৰি আছো আৰু জেলৰ ভিতৰত যিমান reform কৰিব পৰা যায়, সেইখিনি কৰি যাবলৈ আমি চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, (খ) আৰু (গ) ৰ উত্তৰৰ সামঞ্জস্যতাটো বুজাই দিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰূপেশ গোৱালা , মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিচৰাধীন হৈ থকা মানে বিচাৰ চলি থকা সকলৰ কথা কৈছে। জেলৰ ভিতৰত থকা সকলৰ সংখ্যাটো স্পষ্টভাৱে দিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** এওঁলোক জেলত নাই নেকি? এই **২৯,৮৪২** জন। এইটোৱেই জানিব বিচাৰিছো।

**শ্ৰী ৰূপেশ গোৱালা , মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী ঃ** জেলত যিসকল আছে, তেওঁলোকৰ সংখ্যা ১১,২৪১ গৰাকী আৰু কোন জেলত কিমান আছে, সেইটো আমাৰ হাতত যদি আপুনি জানিব বিচাৰে তথ্য দি দিম।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মহোদয়, হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মানৱ ডেকা।

**শ্ৰী মানৱ ডেকা, লক্ষীমপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰাগাৰৰ লগত থকা যিটো প্ৰশ্ন কৰিছে, ইতিমধ্যে কাৰাগাৰ বিলাকত জোখতকৈ বেছি আচামী হওঁক বা কয়দীয়েই হওঁক বেছিকৈ থাকে। ইতিমধ্যে অসম চৰকাৰে নতুনকৈ জেলবিলাক বনোৱাৰ যি অভিলাষী আঁচনি লৈছিল, তাৰ ভিতৰত লক্ষীমপুৰ কাৰাগাৰৰ আমাৰ বন্ধু শ্ৰী সুশান্ত বৰগোঁহাইৰ শিৱসাগৰ কাৰাগাৰ খনত আছিল। দুবছৰৰ আগত টাউনৰ ভিতৰত লক্ষীমপুৰ কাৰাগাৰখনৰ ৭-৮ বিঘা মাটি, আমি ১০০ বিঘা মাটি দি সম্পূৰ্ণ যিখিনি তেওঁলোকক প্ৰাক্কলন বনাবলৈ গোটেইখিনি ব্যৱস্থা কৰি দিয়া হৈছিল, প্ৰাক্কলন বনোৱা হৈছে কিন্তু আজি এবছৰৰ পৰা আমি কিয় sanction পোৱা নাই মন্ত্ৰী মহোদয়ে কেতিয়া এই

নতুন কাৰাগাৰ কেইখনৰ জমা দিয়া কাৰাগাৰ কেইখনৰ tender কৰিব বা sanction দিব সেইটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী ৰূপেশ গোৱালা , মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে ৭ খন জিলা কাৰাগাৰ নতুনকৈ নিৰ্মাণ কৰিবৰ কাৰণে ব্যৱস্থা হাতত লৈছো। প্ৰায়বিলাক কাৰাগাৰ নগৰৰ মাজত থকাৰ কাৰণে যিখিনি স্থানান্তৰ কৰিবৰ কাৰণে proposal লোৱা হৈছে ইতিমধ্যে DPR প্ৰস্তুত কৰা হৈছে আৰু আমি গড়কাপ্তানী বিভাগলৈ প্ৰেৰণ কৰিছো। পুঁজি সাপেক্ষে এই কাৰাগাৰ সমূহ পৰৱৰ্তী সময়ত নিৰ্মাণ কৰা হ'ব। নামকেইটা হৈছে শিলচৰ, তেজপুৰ, ধুবুৰী, শিৱসাগৰ, উত্তৰ লক্ষীমপুৰ, মঙ্গলদৈ আৰু গোৱালপাৰা। এই ৭ খন নতুনকৈ নিৰ্মাণ কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এইমাত্ৰ যিটো কথা পাতিলো জেল বিলাকত Inmate ৰ সংখ্যা বেছি হৈছে। মই তথ্য সংগ্ৰহ কৰোতে এইটো পোহৰলৈ আহিল যে আমাৰ বহুত কয়দী আছে। এই কয়দী সকলৰ জেলৰ term শেষ হ'ল কিন্তু জেলৰ term শেষ হোৱাৰ পাছতো এতিয়া সমস্যা হৈছে তেওঁলোকক কোনেও নিবলৈ নাহে। এই সমস্যাটো কেনেকৈ সমাধান কৰিব পাৰে মই মন্ত্ৰী মহোদয়ক এইটো এটা সুধিছো, দ্বিতীয়তে বহুত কয়দী হস্পিতাললৈ যায়, GMCH, JMCH লৈ যায় আৰু তেওঁলোক যেতিয়া ঘুৰি আহে, ঘুৰি অহাৰ পিছত তেওঁলোকৰ treatment ৰ কাৰণে, অসুখটো ভাল হ'বৰ কাৰণে বহুত দৰৱৰ তাত প্ৰযোজন হয়। এই দৰৱখিনি সময়মতে বৰ্তমান supply টো নাই। তৃতীয়তে, কাগজ কলমৰ যিটো তথ্য সংগ্ৰহ কৰিবলৈ যাওঁতে মই গম পালো জেলত পেন নাই, কাৰ্বন পেপাৰ, কম্পিউটাৰৰ বস্তু নাই , এনেকুৱা ধৰণৰ যিখিনি নৃত্য ব্যৱহাৰযোগ্য অফিচৰ সামগ্ৰী এইখিনি কিনিবৰ কাৰণে বছৰেকত এটা পুঁজি আহে, এই পুঁজিটো মোকলাই দিয়া নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এইটো কেনেকৈ সমাধান কৰিব পৰা যায়।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰূপেশ গোৱালা , মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি ডাঙৰীয়াই যিটো কথা কৈছে, আমাৰ হাতত তেনেকুৱা কোনো তথ্য নাই। যদি কেতিয়াবা ক'ৰবাত কোনোবা release হোৱাৰ পাছত যদি প্ৰয়োজন হয়, জেল কতৃপৰ্ক্ষই সেইখিনি সহায় কৰি আহিছে আৰু কেতিয়াবা কাগজ কলমৰ নাটনি সেইটো যিকোনো কাৰ্য্যালয়তে হ'ব পাৰে কিন্তু specific কোনো report নাই যে, এনেকুৱা ক'ৰবাত অসুবিধা হৈছে তথাপও আমি এটা চেষ্টা কৰিছো পৰৱৰতী সময়ত PT case ৰ কাৰণে জেল বিলাকত এটা cross দিব পাৰি নেকি তাৰ কাৰণে চিন্তা-চৰ্চা কৰা হৈছে আৰু এইবাৰ আমি সেইটো প্ৰস্তাৱ দিছো। তেওঁ আৰু এটা মেডিকেলৰ কথা সুধিছিল। আমাৰ প্ৰতিখন জেলত প্ৰায়বিলাক জেলত ডাক্তৰ আছে, পেৰামেডিকেল ষ্টাফ আছে, পুৰুষ আৰু মহিলাৰ কাৰণে বেলেগ ward আছে আৰু কাৰাগাৰসমূহত মই নিজে যেতিয়া যাওঁ, মই মেডিচিনৰ ষ্টক চেক্ কৰো আৰু প্ৰায়খিনিতে মেডিচিনৰ ষ্টক ভাল পাইছো। ক'তো তেনেকৈ specific complain নাই, কিন্তু যদি শ্ৰীভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াৰ হাতত কিবা তথ্য আছে, সেইখিনি দিলে নিশ্চয় চাম।

**শ্ৰী দ্বিপায়ন চক্ৰৱৰ্তী, শিলচৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা supplemantary আছে। আমাৰ শিলচৰৰ জেলখন স্থানান্তৰ কৰিলে এই মাটি যিটো আছে, এই মাটিৰ ওপৰত মই আপোনাৰ

জৰিয়তে মন্ত্ৰী মহোদয়ক সুবিধ বিচাৰিছো চৰকাৰৰ কিবা plan আছে নেকি ? যদি নাথাকে, কাৰণ শিলচৰখন এখন ডাঙৰ চহৰ আৰু এই চহৰত আমাৰ District Sports Complex ও আমি কৰিব পৰা নাই। যদি ইয়াত এটা mini stadium কৰিব পাৰে, তেনেহ'লে ভাল হ'ব এইটো আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাটিতো লাগে নে নালাগে ?

**শ্ৰী ৰূপেশ গোৱালা , মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰথমতে স্থানান্তৰৰ কথাটো চিন্তা কৰিছো। ইতিমধ্যে DPR আদি প্ৰস্তুত হৈছে। নিৰ্মাণৰ কাৰণে আমি PWD লৈ প্ৰেৰণ কৰিছো। পুঁজি সাপেক্ষে আমি নিৰ্মাণো কৰিম কিন্তু পৰৱৰ্তী সময়ত সেই ঠাইখিনিত কি কৰা হ'ব, এই সিদ্ধান্তটো পৰৱৰতী সময়ত ল'ম। এতিয়া কোনো ধৰণৰ কোনো সিদ্ধান্ত আমাৰ হাতত নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। শ্ৰী তৰংগ গগৈ। প্ৰশ্ন নং- ৮৪

**শ্ৰী ৰূপেশ গোৱালা , মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ণ বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী তৰংগ গগৈ, নাহৰকটীয়া** ঃ মাননীয় অধ্যক্ষ মহেদায়, উত্তৰটো পাইছো আৰু উত্তৰত লিখা আছে ২০০৫ চনৰ পৰা ২০২৩ চনলৈকে ৫১ টকাৰ পৰা ২৫০ টকালৈ ব্ৰহ্মপুত্ৰ ভেলীত দৰমহা বৃদ্ধি হৈছে আৰু বৰাকভেলীত ৪৬.২৫ আছিল. এতিয়া ২২৮ টকা হৈছে। আমি যদি চাওঁ যে আৰু যদি দুটা ভাগত বিভক্ত কৰো, যিসময়ত কংগ্ৰেছ চৰকাৰ আছিল, সেই ১০ বছৰত ৬৬ টকা বাঢ়িছিল আৰু ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ অহাৰ পৰা ব্ৰহ্মপুত্ৰ ভেলীত ১৩৫ টকা বাঢ়িছে আৰু বৰাকভেলীত ৫১ টকা আৰু আমাৰ চৰকাৰ অহাৰ পৰা ১৩৪ টকা। যদিও আঢ়ৈ শ টকা হৈছে কিন্তু এতিয়াও চাহ জনজাতি শ্ৰমিকসকলে আশা কৰে যে দৰমহাটো আৰু বৃদ্ধি হ'ব লাগে আৰু ইয়াত মন্ত্ৰী মহোদয়ে জনাইছে। ২০২৫ চনৰ ২১ নৱেম্বৰত ভাৰত চৰকাৰে এখন অধিসূচনাৰ জৰিয়তে 2019 Code on Wagses, 2019 চনৰ জৰিয়তে পৰৱৰ্তী সময়ত দৰমহা বৃদ্ধি কৰা হ'ব। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কি ধৰণে অধিসূচনাৰ জৰিয়তে দৰমহা বৃদ্ধি কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী ৰূপেশ গোৱালা, মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ণ বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচাৰ শ্ৰমিকৰ মজুৰি বিষয়টো আমি সকলোৱে গম পাওঁ, ২০১৮ চনত ৩০ টকা, ২০২১ চনত ৩৮ টকা, ২০২২ চনত ২৭ আৰু ২০২৩ চনত ১৮ টকা মজুৰি বৃদ্ধি কৰা হৈছে আৰু বৰ্তমান আমি মজুৰি বৃদ্ধি বিষয়টো বিবেচনা কৰি আছো। ইতিমধ্যে উপদেষ্টা সমিতি গঠন কৰা হৈছে আৰু আমি ভাৱো যে জানুৱাৰী মাহত ভিতৰত শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰিব পাৰিম। কিন্তু তাৰ লগত আৰু এটা কথা মই জনাব খুজিছো যে আমি সকলোৱে গম পাওঁ যে দেশত শ্ৰম আইন সমূহ ক্ষেত্ৰত এটা ডাঙৰ reform চলি আছে আৰু ইতিমধ্যে যোৱা ২১ তাৰিখে দেশৰ কেন্দ্ৰীয় শ্ৰম মন্ত্ৰী Hon'ble Minister Shri Mansukh Mandaviya ডাঙৰীয়াই তেখেতে এখন press meet ৰ জৰিয়তে যিখন Labour Code অনা হৈছিল, সেই Labour Code খন বলবৎ কৰাৰ কথা কোৱা হৈছে আৰু যিমানবিলাক শ্ৰম আইন এতিয়ালৈকে আছিল দেশত, সকলোবিলাক সমাহিত কৰি চাৰিটা code কৰা হৈছে আৰু এই চাৰিটা code হোৱাৰ পাছত যিটো code on wages, সেই code on wages minimum wages কেনেকৈ

ঠিক কৰিব, সেই বিষয়ে উল্লেখ কৰা আছে আৰু ভৱিষ্যতে National floor wages ৰ কথা ও কেন্দ্ৰীয় চৰকাৰে চিন্তা কৰি আছে। গতিকে আমি সেই গোটেই কথাখিনি বিবেচনা কৰি পৰৱৰ্তী সময়ত চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ কাৰণে ব্যৱস্থা ল'ম আৰু এইক্ষেত্ৰত ইতিমধ্যে প্ৰস্তুতি চলাইছো আৰু আমি ভাবো জানুৱাৰী মাহৰ ভিতৰত চাহ শ্ৰমিকৰ মজুৰি আমি বৃদ্ধি কৰিব পাৰিম।

**শ্ৰী তৰংগ গগৈ, নাহৰকটীয়া ঃ** মাননীয় মন্ত্ৰী মহোদয়লৈ মোৰ এটাই অনুৰোধ যে জানুৱাৰী মাহৰ কথা কোৱা হ'ল। যাতে ৩৫১ টকা আশা কৰে মই ভাৰো তাৰ দিশলৈ আগবাঢ়িব লাগে আৰু এটা কথা যদি আমাৰ চৰকাৰ খনে নকৰে মই নাভাবো আকৌ যদি কেনেবাকৈ কেতিয়াও ভৱিষ্যতে বেলেগ চৰকাৰ আহে চৰকাৰ আহে চাহবাগিচা বৃদ্ধি আমি দেখা পাইছো ৬৬ টকা আৰু ক'ত ১৩৫ টকা। ভাৰতীয়া জনতা পাৰ্টী চৰকাৰ অহাৰ পাছৰ পৰা বাগানত যি কাম হ'ল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি মাটিৰ পট্টাৰ কথা কৈছে, ৰাষ্টাৰ কথা কৈছে চাহ বাগানত মই তেনেকৈ ভাবো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত দৰমহা বৃদ্ধি হ'ব। মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰো অন্যান্য কি ধৰণে এই শ্ৰমিক সকলক সহায় কৰো। ৰেচনৰ ক্ষেত্ৰতেই হওঁক বা অন্য কি সুবিধা আমি এই শ্ৰমিক সকলক সহায় কৰিছে মই জানিব বিচাৰিছো।

**শ্ৰী ৰূপেশ গোৱালা, মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ণ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিক সকলক যেনেদৰে সহায় কৰি থকা হৈছে industry কো সহায় কৰিবৰ কাৰণে চৰকাৰে যত্ন কৰিছে। যিসকল বাগিচাৰ মালিকে orthodox চাহ উৎপাদন কৰিছে তেওঁলোকক orthodox subsidy চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে প্ৰতি কেজি ১০ টকাকৈ। ইয়াৰ উপৰিও বিভিন্ন সহায়, যিবিলাক সহায় শ্ৰমিকৰ মাধ্যমেৰে বাগিচা বিলাকত গৈছে ৰাস্তা পদুলি নিৰ্মাণ হৈছে বা অন্যান্য যিবিলাক কাম কৰিবলৈ চেষ্টা কৰা হৈছে। কেইদিনমান আগত চাহ শ্ৰমিক প্ৰোৎসাহান যোজনাৰ অধীনত চাহ বাগিচা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত যিবিলাক প্ৰাথমিক বিদ্যালয় আছে, সকলোবিলাক নতুনকৈ নিৰ্মাণ কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা পুঁজি আগবঢ়োৱা হৈছে। প্ৰায় ৮৭ লাখ টকা এখন এখন বিদ্যালয়ক প্ৰদান কৰা হৈছে যাতে বিদ্যালয়বিলাক নতুনকৈ নিৰ্মাণ হয়, প্ৰতিটো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শ্ৰেণীকোঠা থাকে, তাৰবাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে। ইয়াৰ উপৰিও মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমি আৰু এটা কাম কৰিব খুজিছো। বাগিচাৰ যিসকল মহিলা শ্ৰমিক আছে, তেওঁলোকে কামৰ সময়ত যথেষ্ট কষ্ট পায় বিশেষকৈ দুপৰীয়া আহাৰৰ সময়ত। সেই অসুবিধা বিলাকৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লক্ষ্য ৰাখি প্ৰতিখন বাগিচাত আমি Ruskin shed বনোৱাৰ ব্যৱস্থা লৈছো। যিবিলাক বাগিচাত ৫০০ হেক্টৰৰ তলত তাত এখন, ৫০০ ৰ পৰা ৭০০ হেক্টৰ হ'লে তাত দুখন আৰু ৭০০ হেক্টৰতকৈ বেছি হ'লে তিনিটাকৈ Ruskin shed বনোৱাৰ ব্যৱস্থা হাতত লৈছো। ইতিমধ্যে তাৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা, ডুলিয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো খুব ভাল লাগিছে। ৬৫ বছৰত ১১৫ টকা মজুৰী বৃদ্ধি হৈছিলে শ্ৰমিকৰ আৰু যোৱা ৫ বছৰত ২৫০ টকা, অৰ্থ্যাৎ ১৩৫ টকা মজুৰী আমি বৃদ্ধি কৰিছো। তাৰবাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু এখন ৰাজ্য, এক আইন ব্যৱস্থা, এক চাহ কিন্তু বৰাকত যদি চায় তাত মজুৰী এতিয়াও ২২৮ টকা আৰু ব্ৰহ্মপুত্ৰত

২৫০ টকা। একেখন ৰাজ্যত ইমান পাৰ্থক্য কিয়? গতিকে মই ভাৰো পৰৱৰ্তী সময়ত যেতিয়া মজুৰী বৃদ্ধিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব সমগ্ৰ অসমত একে পৰিমাণৰ যাতে মজুৰী বৃদ্ধি হয় তাৰকাৰণে বিবেচনা কৰিব নেকি?

**শ্ৰী ৰূপেশ গোৱালা, মন্ত্ৰী ঃ** সন্মানীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই যিটো কথা কৈছে যে ব্ৰহ্মপুত্ৰ ভেলীত ২৫০ টকা আৰু বৰাক ভেলীত ২২৮ টকা মজুৰী। এই মজুৰীৰ যি তাৰতম্য সেইটো আমাৰ কাৰ্য্যকালত হোৱা নাই। তেতিয়াৰ পৰা কেনেকৈ এই practice আৰম্ভ হ'ল মই নাজানো কিন্তু আমি এই পাৰ্থক্যটো ভৱিষ্যত দিনত নিশ্চয় কম কৰিবলৈ চেষ্টা কৰিম। কাৰণ National Floor Wage যিটো আহিছে, তাৰবাবে সমগ্ৰ দেশতে wage ৰ structure একে নিচিনা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মিহিৰ কান্তি সোম।

**শ্ৰী মিহিৰ কান্তি সোম, উদাৰবন্দ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰাক ব্ৰহ্মপুত্ৰৰ wage ৰ পাৰ্থক্যটো বহু বছৰৰ পৰা আছে। মন্ত্ৰী মহোদয়ে যদি ইয়াৰ ওপৰত ব্যৱস্থা লয় ভাল হ'ব। কাৰণ পৰিশ্ৰম সকলোৱে একে কৰে। গতিকে বৰাকৰ শ্ৰমিক সকলৰ মজুৰী বৃদ্ধি হ'ব লাগে আৰু বৰাক-ব্ৰহ্মপুত্ৰ দুয়োটাৰে wage সমান হ'ব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ(উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰো প্ৰশ্নটো কৈ দিওঁ, একলগে উত্তৰ দিব পাৰিব। লগতে আৰু দুটামান কথা ক'ব খুজিছো, বৰাকত কেইখনমান এনেকুৱা বাগান আছে, য'ত encroachment হৈছে। সেইবিলাক আমি যেতিয়া encroachment মুক্ত কৰিবলৈ যাওঁ, তেওঁলোকে হাইকোৰ্টলৈ গুছি যায়। বাগানৰ ভালে সংখ্যক ঠাই এটা বিশেষ সম্প্ৰদায়ৰ মানুহে দখল কৰি লৈছে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে এই wage ৰ পাৰ্থক্যটো আপুনি নাইকীয়া কৰি দিয়ক লগতে যিটো encroachment হৈছে সেইটো কেনেকৈ উদ্ধাৰ কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী ৰূপেশ গোৱালা, মন্ত্ৰী ঃ** সন্মানীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন তুলিছে তাৰ উত্তৰটো চাগে মই দিব নোৱাৰিম। তথাপিও এনেদৰে যদি ক'ৰবাত encroachment হৈছে, যদি মোক লিখিতভাৱে বা ব্যক্তিগতভাৱে জনায়, আমি নিশ্চয় এইক্ষেত্ৰত ব্যৱস্থা ল'বলৈ প্ৰয়াস কৰিম। লগতে মজুৰীৰ যিটো তাৰতম্য সেইটো আমি সকলোৱে চিন্তা কৰি আছো যে সেইটো কেনেকৈ দূৰ কৰিব পাৰি। অহাবাৰ আমি যেতিয়া minimum wage fix কৰিবলৈ যাম, তেতিয়া নিশ্চয় এই কথাখিনি নজৰত ৰাখি documents fix কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question No-85.শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে বৰপেটা জিলাৰ চেঙা সমষ্টি ত বহু ৰাস্তা মই বিধায়ক হোৱাৰ পাছতে মুকলি কৰিছিলো। কিছুমান ৰাস্তা ২০২২-২৩ চনতো কৰা আছিল। যেনেকৈ BT Road to Bohori reserve, হৰিপুৰ তিনিআলি ৰাস্তা, এই ৰাস্তাবিলাক ২০২২-২৩ ৰ পাছত ২০২৩-২৪ গ'ল, ২০২৪-২৫ গ'ল, ২০২৫-২৬ গ'ল, এতিয়া ২০২৬-২৭ আহি আছে। এই ৰাস্তা সমূহ progress এতিয়াও ২০ ৰ পৰা ২৫ শতাংশ। একেদৰে ২০২৩-২৪ ৰ ৰাস্তা শিমলুবাৰী, ভলঙ্গাপাৰা, কাৰাইখেতি , বাঘেৰচ'কৰ progress মাত্ৰ ১০ শতাংশ। এই ৰাস্তাবিলাকৰ কাৰণে বাৰে বাৰে বিভাগক কৈ থকাৰ পাছাতো গুৰুত্ব নিদিয়ে। তেওঁলোকে ঠিকাদাৰকো বাধ্য কৰাব নোৱাৰে। কিয় তেওঁলোকক কামৰ পৰা আঁতৰাই দিব নোৱাৰে। এই ৰাস্তাসমূহ যিবোৰ গাৱঁৰ মাজেৰে গৈছে তাত আমি যাব নোৱাৰো। ৰাইজে এনেদৰে কয় যে লাজ থকা মানুহে তাত যাব নোৱাৰে। যদি তাত এতিয়া Engineer সমূহ যায়, তেওঁলোকক গছত বান্ধিব আৰু আমাক খবৰ দিব। এনেকুৱা ধৰণৰ পৰিস্থিতি। কাৰণ Engineer সকল ঠিকাদাৰ সদলৰ লগত মিলি আছে। এইটো ১০০ শতাংশ সত্য। গতিকে এই pending কাম সমূহ কিহৰ বাবে তেওঁলোকে সম্পূৰ্ণ কৰিবলৈ ঠিকাদাৰক pressure নিদিয়ে। এই বিষয়টো স্পষ্ট কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেঙা সমষ্টিৰ বিধায়ক ডাঙৰীয়াই যিটো কথা কৈছে যে বৰপেটা জিলাত যিখিনি কাম হোৱা নাই, annexure খন যিহেতু আপুনি পাইছে, মই গোটেইখিনি নকওঁ, কিন্তু কাম নোহোৱাৰ কাৰণকেইটা হৈছে যে বাৰিষাৰ সময়ত মাটিৰ অভাৱ হয়, গতিকে মাটিৰ অবাৱৰ কাৰণে বহু ৰাস্তাৰ কাম নহয়। ঠিক তেনেদৰে material ৰ অভাৱৰ কাৰণেও কিছুমান ৰাস্তাৰ কাম নহয়। আপুনি জানি সুখ পাব যে বৰপেটা জিলাত ৫৫ টা ৰাস্তা একেবাৰে বেয়া অৱস্থাত আছিল। এতিয়া বিভাগে কেইবাজনো ঠিকাদাৰক কামৰ পৰা আঁতৰাই explanation call কৰি, pressurise কৰি সেই ৫৫ টাৰ পৰা এতিয়া ৩৫ টা লৈকে আহিছে যাৰ performance এতিয়ালৈকে ভাল হোৱা নাই। গতিকে এই যিটো কথা কৈছে যে ঠিকাদাৰ আৰু ইঞ্জিনিয়াৰ সকলৰ মিলাপ্ৰীতিৰ কাৰণে এই কামবোৰ হোৱা নাই, মই এইটো কথা নাভাৱো যে তেনেকৈ মিলাপ্ৰীতি কৰি কামবোৰ কৰিছে। ঠিকাদাৰৰ হয়তো কিবা interest থাকিব পাৰে, কিন্তু engineer সকলে তেনেদৰে কৰিব পাৰে বুলি মই নাভাৱো। ------হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে উত্তৰটো শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যাৰ performance একেবাৰে বেয়া, মই এই সদনত assurance দিছো যে PWD বিভাগে তেওঁলোকৰ ওপৰত action ল'ব। যিসকলৰ performance 4% বা 5% হৈছে তেওঁলোকৰ ওপৰত নিশ্চয় action লোৱা হ'ব।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে ARRB ৰ অধীনত ২০২৩ চনত কৈছিল যে আমি ১০০০ খন নতুন দলং বনাম। ২০২২-২৩ চনৰ পৰা বৰ্তমানলৈকে তেখেতসকলে ৪৯৬ দলঙৰ অৰ্ডাৰ জাৰী কৰিছে। বাকী দলং সমূহৰো খুব সোনকালে অৰ্ডাৰ জাৰী কৰিলে ভাল হয়। মোৰ সমষ্টিৰ কাচমৰা আণ্ডামালাত এনেকুৱা এখন দলঙৰ দুবাৰ দুবাৰ টেণ্ডাৰ হ'ল, পিছত দেখা গ'ল যে এবাৰ টেণ্ডাৰ হোৱাৰ পাছত মাটি ৫-১০ মিটাৰকৈ বাঢ়ি যায়। এইবাৰ আকৌ ২০ মিটাৰ বঢ়াই দিলে। আচলতে কাৰিকৰী কি অসুবিধাৰ বাবে তেওঁলোকে বাৰে বাৰে টেণ্ডাৰ কৰিবলগীয়া হৈছে আৰু মাটিটো বঢ়াই দিছে। তাত না erosion আছে, না আন কিবা অসুবিধা আছে। কাচমৰা আণ্ডামালা এই দলংখন অতি ক্ষিপ্ৰতাৰে আকৌ টেণ্ডাৰ প্ৰক্ৰিয়াৰে যাব লাগে আৰু যিহেতু এই ARRB ৰ অধীনত পুঁজিও মজুত আছে, সেইকাৰণে বহুত ঠাইত যথেষ্ঠখিনি দলঙৰ প্ৰয়োজন আছে তাৰ সৈতে ৰাস্তাও আছে বা ভৱিষ্যতে ৰাস্তাও যাব কিন্তু দলঙটো sanction হৈছে, কিন্তু এই মূহুৰ্তত হৈ থকা নাই গতিকে কাচমৰাৰ আণ্ডামালাৰ এই দলঙখনৰ ওপৰত গুৰুত্ব দিবলৈ অনুৰোধ জনালো। মন্ত্ৰী মহোদয়ে যেনেদৰে কৈছিল যে ৫%, ৩% ৰাস্তাৰ কামত progress নহয়। ১০%, ২০%, ২৫%, ৩০% কৰি ৪ বছৰৰ পৰা পেলাই থৈছে। তাত আমি যাব নোৱাৰো, যিহেতু eleciton আহিছে তাত আমি ভোট আনিব যাব লাগিব। আমি তাত গ'লে যদি অসন্মান কৰি পঠায়, যিহেতু আমি শুনিছো যে এই সদনৰ এজন সদস্যৰ কণিষ্ঠ ভাতৃ আৰু শুনিছো মন্ত্ৰী মহোদয়ে তেওঁলোকক লিখি দিছিল যাৰ কাৰণে কামবোৰ পাইছিল আৰু আজি তেওঁলোকে কামবোৰ কৰিবলৈ নাযায় আৰু ২ নম্বৰী কাগজ-পাতি দি কাম-কাজবোৰ আনিছিল। এইবোৰ ভালদৰে examine কৰি তদন্ত কৰিব লাগে। শেহতীয়াকৈ যিবোৰ tender কৰিছে সেইবোৰৰ এটাও হোৱা নাই। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰথম যিটো প্ৰশ্ন কাছমাৰি দাণ্ডাভাণ্ডা দলঙৰ যি কেইটা কথা কৈছে, সেই দলংখন PWD এ ১০০ মিটাৰ দৈৰ্ঘ্যৰ এখন দলঙৰ DPR কৰি tender কৰিলে। কিন্তু এইবাৰ আকৌ তাতে ২৫ মিটাৰ নদীৰ পানীয়ে ভাঙিলে। গতিকে সেইখন আকৌ দীঘল কৰিব লগীয়া হৈছে। গতিকে বৰপেটাৰ বেকী নদীয়েই হওঁক বা অন্যান্য নদী সমূহেই হওঁক সোঁত বহু সময়ত সলনি কৰি থকাৰ কাৰণে এইবাৰ original ২৫ মিটাৰৰ যি ব্ৰীজ আমি বনাম বুলি ভাৱিছিলো তাত আকৌ ২৫ মিটাৰ ভাঙি লৈ গ'ল। গতিকে আকৌ নতুনকৈ DPR বনাব লগীয়া হৈছে। দলং খন যিহেতু sanction হৈছে গতিকে ২৫ মিটাৰেই ভাঙক বা ৫০ মিটাৰেই ভাঙক তাত DPR কৰি দলং খন হ'ব আৰু এইটো খাটাং। আপুনি কোৱাৰ দৰে মানুহে গালি নাপাৰে। আপুনি এই প্ৰশ্নৰ উত্তৰখন লৈ গৈ দেখাই দিব যে এইয়া চাওঁক বিধানসভাৰ উত্তৰ। গতিকে আপোনাক আৰু গালি নাপাৰে। যিহেতু মই বৰপেটাৰ গাৰ্জেন মিনিষ্টাৰ গতিকে চেঙা সমষ্টিৰ মিটিঙত মইতো কমেই যে এওঁক গালি পাৰিব নালাগে, এওঁ কামবোৰত লাগি আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ওৱাজেদ আলী চৌধুৰী ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ( দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলাসীপাৰা division ৰ অন্তৰ্গত ফুলকাটাৰি দলং খনৰ বিষয়ে মই প্ৰত্যেক বিধানসভাতেই প্ৰশ্ন কৰো কাৰণ ইতিমধ্যে ১০ বছৰ অতিক্ৰম কৰিলে। যোৱা বিধানসভাত মন্ত্ৰী মহোদয়ে reply দিছিল যে অতি সোনকালে সম্পূৰ্ণ কৰা হ'ব । কিন্তু কাম লেহেমীয়া গতিত চলি আছে, গতিকে এই দলং খন

কেতিয়া সম্পূৰ্ণ কৰা হ'ব, কি কাৰণে লেহেমীয়া হৈছে, তাৰ contractor জন হৈছে Gautam Construction আৰু তাৰ মালিক হৈছে বিজেপি দলৰ ex- MLA. গতিকে তেওঁ টানকৈ ক'বও পৰা নাই আৰু কামটো cancel ও কৰিব পৰা নাই। তেওঁৰ ইচ্ছামতে লাহে লাহে কাম চলাই আছে। ৰাইজে মোৰ ওপৰত প্ৰেচাৰ দিছে কাৰণ সেই দলং খনৰ ওপৰত এক লাখ মানুহৰ যাতায়ত নিৰ্ভৰ কৰিছে। মানুহবোৰে নাঁৱেৰে পাৰ হ'ব লগা হয়। গতিকে দলংখনৰ বিষয়ে কি সিদ্ধান্ত লৈছে বিধানসভাত জনাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Gautam Construction ৰ এই দলং খনৰ কথা মই যোৱা বিধানসভাতো কৈছিলো। আজি PWD ৰ উচ্চ পদস্থ বিষয়া সকল বিধানসভাত উপস্থিত আছে। আপোনাৰ প্ৰশ্ন আৰু আমাৰ উত্তৰ তেখেতসকলে শুনিছে। সেয়ে সদন শেষ হোৱাৰ পিছত মই Commissioner আৰু Chief Engineer ক ক'ম যাতে Gautam Construction ৰ সিংঘীক কৈ অতি সোনকালে কামটো কৰা ব্যৱস্থা কৰে আৰু মই ব্যক্তিগত ভাৱে গৌতমক কামটো সোনকালে কৰি দিবলৈ ক'ম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অভিভাৱক মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিৰ জলজলি নদীৰ প্ৰতিখন দলঙৰ বিষয়ে জানে। ২০১৬ চনৰ পৰা মই বিধানসভাত বহু প্ৰশ্ন বিভিন্ন device ত উত্থাপন কৰিছো আৰু বাৰে বাৰে মই উত্তৰ পাই আছো যে "হ'ব কৰিম, হ'ব কৰিম"। আজি শেষ বৰ্ষৰ শেষ অধিৱেশনত আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা direct answer বিচাৰিছো যে এই কামটো কেতিয়া কৰিব, কোন তাৰিখে কৰিব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে যিটো কথা কৈছে জলজলি নামটো মোৰ মুখস্থ হৈ গৈছে। মই লগ পালেই কওঁ জলজলিৰ কিবা development হৈছে নে? এতিয়া জলজলিৰ ওপৰত দুজনকৈ অভিভাৱক হ'ল। এইমাত্ৰ ৰেকিবুদ্দিন ডাঙৰীয়াই মোৰ ওচৰলৈ আহি কৈছে যে এইবাৰ কিন্তু জলজলি খন হ'ব লাগিব কিয়নো মোৰ সমষ্টিত পৰিছে। অধ্যক্ষ মহোদয় জলজলি খন বকো সমষ্টিত আছিল কিন্তু de-limitation হৈ যোৱাৰ পিছত ৰেকিবুদ্দিন ডাঙৰীয়াৰ সমষ্টিলৈ গ'ল। আপোনালোকে চিন্তা নকৰিব, জলজলিৰ দলং খন অতি সোনকালে হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Next Question No. 86. Dr. Rafiqul Islam.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

Dr. Rafiqul Islam (Jania): মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ পৰা জনিয়া হৈ State Highway ৰ ওপৰত যিখন বেকী নদীৰ দলং তাৰ কেইবাটাও খুটি বহি গ'ল। যাৰ ফলত যাতায়ত ব্যৱস্থা বন্ধ হৈ আছে আৰু তিনি বছৰৰ পৰা গধুৰ যান-বাহনৰ চলাচল বন্ধ হৈ আছে। যোৱা দুমাহৰ পৰা দলঙৰ পোষ্টৰ ক্ষেত্ৰত ক'তো নঘটা ঘটনা এটা ঘটি গ'ল। সৰভোগ- বৰপেটাৰ যিখন ব্ৰীজ আমাৰ জন্মৰ আগৰ সেইখন কিন্তু এতিয়াও বহি যোৱা নাই। মাত্ৰ বাৰ বছৰীয়া ব্ৰীজখনৰ চাৰিটা পোষ্ট একেবাৰে বহি দাবী গ'ল, য'ত কেৱল খোজ কাঢ়ি যাব পাৰি আৰু বাইক চলি আছে । গতিকে তাত চাৰিচকীয়া বাহন চলাৰ ব্যৱস্থা সুচল কেতিয়ালৈকে হ'ব এইখিনিৰ উত্তৰ মই আপোনাৰ পৰা বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ সমস্যাটো

ভালদৰে জানো। এইক্ষেত্ৰত চৰকাৰ বহু চিৰিয়াচ। আজি ইয়াত অহাৰ সময়ত গাৰ্জেন মিনিষ্টাৰ হিচাপে মই মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াক কৈছো যে আপুনি যেনেতেনে ৪ কি.মি আগত up stream ত যিটো মথাউৰি ভাঙিছে kindly সেই মথাউৰিটো সম্পূৰ্ণ কৰিলে ভাল পাম। আপুনি জানি ভাল পাব যে তেখেতে এটা শব্দত ক'লে যে "এইটো done". গতিকে যদি আমি মথাউৰিটো নাবান্ধো তেতিয়া বেকী নদীৰ পানীয়ে এই খুঁটা বোৰত খুউব জোৰে খুন্দিওৱাৰ ফলত ৩ নং খুঁটাটো বহি গৈছে। গতিকে মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই এই মথাউৰিটো কৰি দিয়াৰ লগে লগে আমাৰ এই সমস্যাটোৰ সমাধান হ'ব আৰু লগতে ৰাস্তাৰ কাষত যিখিনি ভাঙিছে সেইখিনি বিপদজনক হৈ আছে সেইখিনিও তেখেতে চাম বুলি কৈছে।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় মন্ত্ৰী মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো যে তেওঁ জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক জনাইছে। যোৱাকালি মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰি চিঠি পঠিয়াইছো, তেখেতে ইতিমধ্যে Chief Engineer লৈকে লিখিছেও। গতিকে নদীৰ এই protection ৰ লগ লগে ব্ৰীজখন ঠিক কৰা ৰ যিহেতু প্ৰতিশ্ৰুতি দিছে মই আশাবাদী যে কামটো সোনকালে হ'ব যিহেতু মানুহে যাতায়তৰ ক্ষেত্ৰত বহুত দুৰ্ভোগ ভূগিছে। এইটো বঙাইগাঁও, বৰপেটাৰ lifeline. গতিকে অতি সোনকালে কামখিনি হ'ব লাগে। এইখিনিকে কৈ মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূন্যকালীন ঘন্টা।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order. Sir, Regarding violation of the Rules of this House.

**মাননীয় অধ্যক্ষ ঃ** Rule no. টো কওঁক তেতিয়া চাব। আপুনি কোনটো ৰুলৰ কথা কৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত উত্থাপন কৰা বুলি কৈ যদি lay কৰা নহয়, Sir, অসত্য কথা ক'ব পাৰি নেকি? Misguiding the Assembly. Fact টো শুনিলে আপুনি গম পাব।

**মাননীয় অধ্যক্ষ ঃ** কোনটো Rule আপুনি আগতে কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৫ নৱেম্বৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো তিৱাৰী কমিশ্যনৰ কথা ক'লে, এইটো মই কাৰ্য্যসূচীত চালো ক'তো নাই।

**মাননীয় অধ্যক্ষ ঃ** Please tell me the specific Rule, under which Rule.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আনকি ৰেকৰ্ডতো চালো ক'তো নাই। সেইকাৰণে this is latent life misguiding the House. মই এটা specific বিচাৰিছো। তিৱাৰী আয়োগৰ প্ৰতিবেদন আচলতে lay হ'ল নে নাই? যদি হৈছে তেনেহ'লে ৰেকৰ্ডত কিয় নাই?

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শূন্যকালীন ঘণ্টাত আছিল, আমি ক'ম নে?

**মাননীয় অধ্যক্ষ ঃ** শূন্যকালীন ঘণ্টাত মাননীয় বিধায়ক শ্ৰী চক্ৰধৰ গগৈ আছে। Please কি আছে আপোনালোকে লিখি দিয়ক।

**ড° ৰফিকুল ইছলাম, জনিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, নেলীৰ যিটো গণ হত্যা হৈছিল, ইয়াৰ ওপৰত এটা CBI enquiry চৰকাৰৰ ফালৰ পৰা দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আপোনাক মই ৰুলিং দি আছো। আপোনাৰ যিখিনি ক'বলগীয়া আছে সেইখিনি লিখি দিয়ক। আপুনি verbally ক'লে কেনেকৈ হ'ব। কি হৈছে সেই বিষয়ে আপুনি লিখি দিয়ক।

এতিয়া মাননীয় বিধায়ক শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাৰ সময়টো আগতে আমাক দিব লাগে।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ...................................

**মাননীয় অধ্যক্ষ ঃ** এই শূন্যকালীন ঘণ্টাৰ সময়ত মই মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক সদনৰ পৰা suspend কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি zero hour ত notice দিছিলো। এইবিষয়ে ক'ব লাগে ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক যাবলৈ দিয়ক।

**শ্ৰী আশ্ৰাফুল হুছেইন,চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়া বহু দিনৰ মূৰত আহিছে, তেখেতক থাকিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** হাউচৰ নিয়মৰ মাজেৰে নগ'লে বা ইয়াত কোনোবাই distrub দিলে তাত no issue. House চলিব দিব লাগে, কোনো এজন ব্যক্তিৰ বাবে সদনৰ সময় নষ্ট হ'ব নোৱাৰে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শূন্যকালীন ঘণ্টাত তেজপুৰ বিশ্ববিদ্যালয় আৰু বীজ নিগমৰ ওপৰত ক'বলগীয়া আছে। এই দুয়োটা বিষয় আমি সময়মতে দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** তেজপুৰ বিশ্ববিদ্যালয়ৰ বিষয়টো কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বিষয়।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি অনুসৰি অসমত কেন্দ্ৰীয় বিশ্ববিদ্যালয় দিয়া হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আপোনলোকে Education Bill খনৰ সময়ত এইটো বিষয়ৰ ওপৰত ক'ব পাৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মহোদয়, এইটো প্ৰাসঙ্গিক বিষয়। অসম চুক্তিক অসম চৰকাৰে সন্মান জনাম বুলি কয়। এইবিষয়ে যদি আজি আলোচনা নকৰো, আজি দুমাহত কৈ অধিক সময় ধৰি বিশ্ববিদ্যালয়খন বন্ধ হৈ আছে। বিভিন্ন দূৰ্নীতি হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** চেণ্ট্ৰেলৰ বিষয়ত অসম চৰকাৰে একো কৰিব নোৱাৰে। সেইকাৰণে আজি Education Bill আছে, তেতিয়া আপোনালোকে ক'ব পাৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো বিশেষভাৱে ল'ব লাগে। তাত বহুত দূৰ্নীতি হৈ আছে। এখন সাধাৰণ চকীত ৫ হাজাৰ টকা আৰু এখন সাধাৰণ বিচনাত ১৮ হাজাৰ টকা..............

**মাননীয় অধ্যক্ষ ঃ** এইটো কেন্দ্ৰৰ বিষয়।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক অসম চুক্তিৰ অধীনত, অসমৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত। এইটো আমি কেনেকৈ অৱজ্ঞা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এই বিশ্ববিদ্যালয়খন Central Government ৰ Act ৰ অধীনত। ৰাজ্যই সেইটো কৰিব নোৱাৰে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে অসমত অবৈধ কাম কৰি থাকে, আমি প্ৰতিবাদ নকৰিম নেকি? তাত যোৱা ৭০ দিন ধৰি lock-out হৈ আছে। গতিকে এই বিষয়টো allow কৰক ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** আজি শিক্ষা বিভাগৰ বিল আছে, তাত আপোনালোকে বিষয়টো দৃষ্টি আকৰ্ষণ কৰিব পাৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য গৰাকী পলাতক হৈ আছে। জুবিন গাৰ্গক ভুৱা ডক্টৰেট ডিগ্ৰী দিয়া বুলি তেখেতে ঘোষণা কৰিছে। অসম চৰকাৰে তেওঁৰ মৃত্যুত সকলো অনুষ্ঠান-প্ৰতিষ্ঠান তিনিদিনৰ কাৰণে বন্ধ দিছিল। কিন্তু সেই সময়ত তেওঁ তাত বিশ্ববিদ্যালয়ৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰিছে, বিশ্ববিদ্যালয়ৰ কাৰ্য্য-কলাপ কৰিছে। আমি বিধান সভাত সকলোৱে কিমান ভালকৈ জুবিন গাৰ্গৰ বিষয়ে আলোচনা কৰিছো। আপুনি জুবিন গাৰ্গৰ বিষয়ে কিমান ভাল কথা ক'লে। কিন্তু উপাচাৰ্য্য গৰাকীয়ে এনেকৈ অপমান কৰি বিশ্ববিদ্যালয় চলাই আছে। অসম বিধান সভাই এই কথাটো কেনেকৈ সহ্য কৰিব পাৰে? গতিকে আমাক এইবিষয়টো আলোচনা কৰিবলৈ দিয়ক।

**শ্ৰী ৰেকিব উদ্দিন আহমেদ, ছয়গাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ দলপতিক বিষয়টো ক'বলৈ অনুমতি দিব লাগে।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ,সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো শূন্যকালীন ঘণ্টাত ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনালোকক অনুৰোধ কৰিছো কথাটো আপোনালোকে ক'ব হে লাগে। বিভাগৰ বিল আছে, বিভাগৰ ওপৰত আলোচনা কৰিব, তেতিয়া কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আৰু এটা বিষয় বীজ নিগমৰ ওপৰত দিছিলো। CAG ৰিপোৰ্টত আছে। আপুনি যোৱাকালি মোক কৈছে যে CAG report বিলাক চাব লাগে। আমি আজি এইটো বিষয় ও শূন্যকালীন ঘণ্টাৰ সময়ত নাপালো। যদি বিশ্ববিদ্যালয়ৰ বিষয়টো নিদিয়ে আমি বিধান সভাৰ পৰা workout কৰিছো ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে বিলৰ সময়ত বিষয়টো দৃষ্টিগোচৰ কৰক। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব। এতিয়া মাননীয় বিধায়ক শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাৰ মজিয়াত শূন্যকালীন ঘণ্টাত অসমৰ কৃষক সকলৰ এটা বিশেষ স্বাৰ্থ জড়িত বিষয় মোক উপস্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক মই ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই কথাখিনি ক'বলৈ লওঁতে কংগ্ৰেছ দলৰ মাননীয় বিৰোধী দলপতিকে ধৰি সদস্যসকলে যি ধৰণে উৎপাত কৰিলে সেইটোৱে মোক অলপ ব্যথিত কৰিছে কাৰণ মই মোৰ ব্যক্তিগত কথা ক'বৰ বাবে ইয়াত থিয় হোৱা নাই। অসমৰ হাজাৰ হাজাৰ কৃষকৰ কথা ক'বৰ বাবে মই ইয়াত থিয় হৈছো। কিন্তু মই এইখিনি কথা ক'বলৈ লওঁতে তেখেতসকলে মোক বাধা প্ৰদান কৰিছে। গতিকে মোৰ ফালৰ পৰা তেওঁলোকক মই ধিক্কাৰ দিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাজনৈতিক পথাৰখনত শাসক-বিৰোধী। আমি সকলোৱে ৰাজনৈতিক পথাৰখনত সংগ্ৰাম কৰি থকাৰ মাজতে কিন্তু অসমৰ গ্ৰাম্য জন-জীৱনত এচাম কৃষকে নিৰলস ভাৱে অসমৰ গ্ৰাম্য অৰ্থনীতিটোক আগুৱাই লৈ যাবৰ কাৰণে বিভিন্ন কৰ্মৰ পথাৰত সংগ্ৰাম কৰি আহিছে। এই কৃষক সকলে কামৰ ভিতৰত বিভিন্ন কৃষি কৰ্মত নিয়োজিত হয়, বিভিন্ন পশু পালনত নিয়োজিত হয় আৰু তাৰ যোগেদি অসমৰ কৃষি অৰ্থনীতিটোক

তেখেতসকলে শক্তিশালী কৰি আহিছে। কিন্তু অতি দুৰ্ভাগ্যজনক ভাৱে যোৱা কিছুমাহ ধৰি অসমত গাহৰি পালক সকলৰ অৱস্থা একেবাৰে নাজল-নাথল হৈ পৰিছে। তেওঁলোকৰ শ-হাজাৰ হিচাপত গাহৰিৰ মৃত্যু হৈছে আৰু এই গাহৰিৰ মৃত্যুৰ পিছত কৃষকসকলে যিটো ধৰণে চকু পানী মচি মচি দিন কটাব লগীয়া হৈছে এই কথাখিনি ওচৰৰ পৰা নেদেখিলে কোনেও অনুভৱ কৰিব নোৱাৰিব। বিশেষকৈ গাওঁ অঞ্চলত বাস কৰা আমাৰ প্ৰত্যেকটো য়জাতি-জনগোষ্ঠীয়ে আজিকালি গাহৰি পালন কৰে। অন্যহাতে আমি দেখা পাওঁ যে যিসকল বক্তিয়ে পূৰ্ব্বতে যদি গাহৰি মাংস গ্ৰহণ কৰাও নাছিল বা খোৱাও নাছিল তেনে ব্যক্তিয়েও আজিকালি ব্যৱসায়িক স্বাৰ্থত গাহৰি পালন কৰিবৰ কাৰণে আগভাগ লৈছে। তেনেধৰণে আমাৰ গাওঁ অঞ্চলত বাস কৰা আহোম, কছাৰী, চুতীয়া, মিচিং, দেউৰী, কোঁচ আদি সকলো জাতি-জনগোষ্ঠীৰ মানুহে আনকি মাননীয় অধ্যক্ষ মহোদয়, বড়োলেগুটো বড়ো লোক সকলে গাহৰি পালন কৰে। কিন্তু এতিয়া আমাৰ যিটো অৱস্থা হৈছে যে এটা অচিন ৰোগত পৰি গাহৰি বিলাক সাংঘাটিক ধৰণে মৰিছে। তাৰপিছত আৰু যি দহ-চাৰিটা বাকী থাকে বা নমৰাকৈ থাকে সেই গাহৰি বিলাককো আমাৰ পশু পালন বিভাগে গৈ কাৰেণ্ট দিয়ে হওঁক বা আন বেলেগ ধৰণৰ ব্যৱস্থা কৰি মাৰি পেলায়। গতিকে ইয়াৰ বাবে গাহৰি পালক সকল সাংঘাটিক ধৰণে ক্ষতিগ্ৰস্ত হৈছে। কাৰণ আমি দেখা পাওঁ যে গাওঁ অঞ্চলত কেতিয়াবা এটা গাহৰি বিক্ৰী কৰি এজনী ছোৱালী বিয়া দিয়ে বা এটা গাহৰি বিক্ৰী কৰি কোনোবাই দেউতাকৰ শ্ৰাদ্ধ পাতে। তেনে অৱস্থাত  গাহৰিৰ শ-হাজাৰৰ হিচাপত যিধৰণৰ মৃত্যুৰ হাৰ সি আমাক ব্যথিত আৰু চিন্তিত কৰি তুলিছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আজি মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে মই এটা কথা জানিব বিচাৰিছো যে আমাৰ যিসকল কৃষক ক্ষতিগ্ৰস্ত হৈছে তেখেতসকলৰ ক্ষতিপূৰণৰ বাবে কি ব্যৱস্থা কৰিছে, তেখেতসকলক কি ধৰণে ক্ষতিপূৰণ দিবৰ বাবে ব্যৱস্থা কৰিছে? যিবিলাক গাহৰি খোলা ঠাইত ঘূৰি ফুৰে বা মেলি থোৱা থাকে সেইবিলাকক মাৰি পেলালে মোৰ ক'বলগীয়া নাই। কিন্তু যিবিলাকক ফাৰ্মত আৱদ্ধ কৰি ৰাখে, তাত গৈ যেতিয়া ভাল গাহৰি কেইটাক মাৰি পেলায় তেতিয়া আমাৰ মনত বহুত দুখ লাগে আৰু মই এইটো এদিন নিজ চকুৰে প্ৰত্যক্ষ কৰি নিজে চকু পানী টুকিব লগীয়া এটা অৱস্থা হৈছে। গতিকে এই গাহৰিখিনিক মাৰি নেপেলাই সেই ফাৰ্মখনৰ ভিতৰতে যদি থাকিব দিয়া যায়, মই এনেকুৱাও দেখিছো যে ৫০ টা গাহৰিৰ ভিতৰত ৩০ টা হয়তো মৰি গৈছে বা ১৫ টা বা ২০ টা বাচি যায়। কিন্তু তেনেকুৱা সন্দেহ বা শংকা থকাৰ পিছতো আমি কিয় গাহৰি কেইটাক বেমাৰ নোহোৱাকৈয়ে জীয়াই জীয়াই মাৰি পেলাওঁ? এই প্ৰশ্নটোৰ মই আজি উত্তৰ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা উত্তৰ আপোনাৰ জৰিয়তে আজি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ পৃথিৱীত এতিয়া কেঞ্চাৰ ৰোগৰো প্ৰতিৰোধী ভেকচিন ওলাইছে। ক'ভিডৰো দুই প্ৰকাৰৰ ভেকচিন আমাৰ ভাৰতবৰ্ষতে নিৰ্মাণ কৰা হৈছে। কিন্তু কিয় আজিলৈকে  এই আফ্ৰিকান চোৱাইন ফ্লু টোৰ ভেকচিন নিৰ্মাণ কৰিব পৰা নাই? যদি প্ৰয়োজন হয় ইয়াত research and development ৰ ব্যৱস্থা কৰি  এক শ কোটি টকাৰো যদি  project লাগে, তাত এটা project ল'ব লাগে।  অসম চৰকাৰে এটা নমুনা সৃষ্টি কৰিব লাগে আফ্ৰিকাত পৰা নাই, ইউৰোপত পৰা নাই, আমি অসমত কিয়  নোৱাৰিম। মোডীজীয়ে যদি লগ লাগি ক'ভিডৰ  vaccine নিৰ্মাণ কৰিব পাৰে, আমি অসমত swine flu ৰ vaccine কিয় নিৰ্মাণ কৰিব  নোৱাৰো? গতিকে এনেকুৱা এটা মনৰ দৃঢ়তাৰে অসমৰ পশুপালন বিভাগটো যদি আগবাঢ়ে মই ভাবো অনাগত দিনত অসমীয়া গাহৰি পালকসকলে উৎসাহ পাব আৰু তেওঁলোকে জীয়াই থকাৰ এটা পৰিবেশ নিৰ্মাণ কৰিব পাৰিব। গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ

জৰিয়তে বিনম্ৰভাৱে অসম চৰকাৰৰ মাননীয় মন্ত্ৰীক অনুৰোধ জনাব খোজো যে গাহৰি পালন কৰি নিবনুৱা সমস্যাটো দূৰ কৰিবৰ কাৰণে অহোপুৰুসাৰ্থ কৰা অসমীয়া যুৱক সকলক কেতিয়া আৰু কেনেকৈ, কি ধৰণে ইয়াৰ পৰা সকাহ দিব পাৰিম সেই বিষয়ে কিছু কথা আমি জানিব খুজিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী

**শ্ৰী কৃষ্ণেন্দু পাল, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, খোৱাং বাৰ্তা ত প্ৰচাৰিত বাতৰিৰ ওপৰত যি কথা আমাৰ বিধায়ক চক্ৰধৰ গগৈ ডাঙৰীয়াই তুলি ধৰিছে এইটো খুব গুৰুত্বপূৰ্ণ । African swine flu এটা অতি সংক্ৰমিত ভাইৰাচ, যি আমাৰ পশুপালক সকলৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। এই ৰোগ মানুহৰ মাজত সংক্ৰামিত নহয়, কিন্তু এই সংক্ৰামিত গাহৰিৰ ক্ষেত্ৰত এশ শতাংশ মৃত্যুৰ হাৰৰ কাৰণ হৈ থাকে । যাৰ ফলত বিশ্বৰ গাহৰি পালক উদ্যোগৰ বাবে ভয়াবহ প্ৰত্যাহ্বান হৈ পৰিছে। বিশেষকৈ আমাৰ অসমত ২০২০ বৰ্ষৰ মে মাহৰ পৰা উজনি অসমৰ ধেমাজি,লক্ষীমপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, মাজুলী, শিৱসাগৰ আৰু যোৰহাট জিলাত এই ভাইৰাচ চিনাক্ত হৈছিল। পৰৱৰ্তী সময়ত অসমৰ প্ৰায় জিলালৈ এই ৰোগ সম্প্ৰসাৰিত হৈছে। এই বছৰ ২০২৫ চনত ASF ৰ সংক্ৰমন আজি বহুত বাঢ়িছে। এই কথা খোৱাংৰ পৰা সম্প্ৰচাৰিত যি বাৰ্তাত প্ৰকাশিত হৈছিল যে বাকতলি পথাৰত অতুল দিহিংগীয়া নামৰ যুৱকজনৰ ফাৰ্মত African swine fever ৰোগটো ধৰা পৰাটো সত্য। অতুল দিহিংগীয়াৰ গাহৰিৰ বেমাৰৰ খবৰ পোৱা মাত্ৰেই নিকটৱৰ্তী পশু চিকিৎসালয়ৰ পৰা পৰীক্ষাৰ বাবে ৯-১১-২০২৫ তাৰিখে নমুনা সংগ্ৰহ কৰা হৈছিল আৰু ১০-১১-২০২৫ তাৰিখে গুৱাহাটীৰ পৰীক্ষাগাৰলৈ NERDDL পঠোৱা হয়। সেইটো পজিটিভ হোৱাৰ পিছত ১২-১১-২০২৫ তাৰিখে উক্ত নমুনা গুৱাহাটী পোৱাৰ পিছত উক্ত দিনাই পৰীক্ষা কৰি যে যিহেতু গাহৰিৰ সংক্ৰমন ধৰা পৰিলে, আৰু লগে লগে আমাৰ বিভাগ তাতে গৈ প্ৰায় ৩৪ টা ডাঙৰ আৰু ২৬ টা সৰু মুঠ ৬০ টা গাহৰি আছিল। African swine fever ৰ ৭ টা সৰু গাহৰি আৰু ১০ টা ডাঙৰ গাহৰিৰ চেম্পোল সংগ্ৰহ কৰা হৈছিল, তাৰে ১০ টা গাহৰি মৃত্যু মুখত পৰে। তাৰে যিটো ক্ষতিপুৰণ সেইটোৰ ব্যৱস্থা আমাৰ বিভাগৰ পৰা এতিয়া আমি হাতত লৈছো। বিশেষকৈ আমাৰ গোটেই অসমত এই বছৰ ২০২৫ চনত এতিয়ালৈকে প্ৰায় ১৮৬৫৪ গাহৰিৰ মৃত্যু হৈছে। অসমৰ যিটো আমাৰ প্ৰধান অৰ্থনৈতিক ভিতি, তাত গাহৰি এটা Animal Husbandry Department ৰ গাহৰিৰ উৎপাদন এটা ডাঙৰ suport, আমাৰ GDP এটা ডাঙৰ suport দি থাকে, আৰু আমাৰ Backyard farmer অতি কমেও ৮ লাখ মান আছে। তেওঁলোকৰ যিমান গাহৰি ASF ৰ জৰিয়তে মৃত্যু হৈছে আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিছো আৰু বিভাগে এটা সিদ্ধান্ত লৈছে যে যেতিয়াই গাহৰিৰ ASFৰ জৰিয়তে মৃত্যু হয়, সেইটো যাতে geo-tag কৰি তেওঁলোকে যাতে ফটো টো ৰাখে। বিভাগক যাতে তেওঁলোকে লগে লগে জনাই দিয়ে। যাতে আমি calculation কৰিব পাৰো। কিমান গাহৰিৰ মৃত্যু হৈছে, আৰু আমি যাতে কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্য চৰকাৰৰ যিটো share মিলাই আমি তেওঁলোকক Financial suport কৰিব পাৰো। বিশেষকৈ piglet ৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিদ্ধাৰিত যিটো টকা দিয়া হয়, সেই টো ২২০০ টকা। এনেকুৱা যদি ১০০ কেজিৰ ওপৰত হয় তেতিয়াহ'লে ১৫০০ টকা এটা গাহৰিৰ ওপৰত আমাৰ চৰকাৰৰ ফালৰ পৰা এটা Financial suport গাহৰি পালকক দিয়া হয়। এতিয়া মই ৰোগৰ প্ৰাদুৰ্ভাৱৰ কাৰণে বিশেষকৈ ৭ খন জিলাৰ ইতিমধ্যে ban কৰা হৈছে। কামৰূপ, দৰং

,ধেমাজি,লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ আৰু চৰাইদেউ । লগতে এটা central Team ইয়ালৈ গাহৰিৰ মৃত্যু কিহৰ কাৰণে হৈ আছে আৰু কিয় ASF ৰ প্ৰাদুভাৱ বাঢ়িছে এই বিষয়ে অধ্যয়ণ কৰাৰ কাৰণে আহিছে। সেই Team টো Lead কৰিছিল ড০ বিজয় কুমাৰ দহোটীয়া, Joint Commissioner, Govt. of India, ড০ মলয় কুমাৰ দাস, Govt. of India আৰু তেওঁলোকে অধ্যয়ন কৰি কৈছে, যাতে আমি এই ASF ৰ পৰা গাহৰি কেনেকৈ ৰক্ষা কৰা যায়। আমাৰ মাননীয় বিধায়ক মহোদয়ে এটা মূল্যবান কথা কৈছে, ASF vaccine procurement ৰ কথা। যোৱা ২৮-১১-২০২৫ তাৰিখে Animal Husbandry Department ৰ কৃষি ভৱনত এখন জৰুৰীকালীন Conference হৈছে আৰু তাতে কেনেকৈ আমি অতি সোনকালে vaccine production কৰিব পাৰিম তাৰ কাৰণে আলোচনা চলি আছে। অসমত এটা vaccine production কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া, খুমটাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শূণ্যকালীন ঘন্টাত মোক ক'ব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মই যোৱাকালি প্ৰতিদিন কাকতত প্ৰকাশিত এটা বাতৰিৰ আত ধৰি মই সদনৰ দৃষ্টিগোচৰ কৰিব খুজিছো। বাতৰিটো আছিল, " ফুট গধুলীতে এন্ধাৰ পোটাশালত বন্দী হৈ পৰে ইতিহাস প্ৰসিদ্ধ ৰংঘৰৰ বাকৰি"। পোহৰৰ ব্যৱস্থাৰ অভাৱত ৰাজপথৰ পৰাই ৰংঘৰ প্ৰত্যক্ষ কৰি বিফল মনোৰথেৰে দৈনিক উভতে, ছাত্ৰ-ছাত্ৰী, দেশী-বিদেশী পৰ্য্যটক। ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া , ব্যৱস্থাগ্ৰহণৰ দাবী। প্ৰৱেশ মাচুল সংগ্ৰহ কৰিয়েই দায়িত্ব সামৰিছে পোৰাতত্ব বিভাগে। মাননীয় অধ্যক্ষ মহোদয়, ৰংঘৰ হৈছে আমাৰ অসমৰ এটা সম্পদ আৰু অসমৰ গৌৰৱ। শিৱসাগৰৰ ৰূপহী পথাৰত অৱস্থিত এই ৰংঘৰ ১৭৪৬ ত প্ৰথম ৰূদ্ৰসিংহ মহাৰাজে তাক বাঁহ কাঠেৰে বনাইছিল আৰু তাৰ পাছত মহাৰাজ প্ৰেমত্ত সিংহই তাক আজিৰ যি ৰূপ সেইটো ৰূপ দিছিল আৰু ইয়াক First pavilion of Asia আৰু Colosseum of the East বুলিও কোৱা হয়। মাননীয় অধ্যক্ষ মহোদয় এই অসমৰ গৌৰৱ এই যি সুন্দৰ ধাম ৰূপহী পথাৰত অৱস্থিত, আজি তাৰ বিষয়ে যদি এখন কাকতত প্ৰথম পেজত খবৰ ছপা হৈছে, সেইটো আমাৰ কাৰণে নিশ্চয় বহু দুখৰ কথা। আৰু মই এইটোও আচৰিত হওঁ যে আমাৰ মাজত সন্মানীয় বিধায়ক অখিল গগৈ ডাঙৰীয়া আছে। তেখেতে সদায় অদৰকাৰী কথাত মাত মাতি থকা শুনো, বেলেগ বেলেগ সমষ্টিৰ কথাত সদায় intervention কৰি থাকে। সকলোৰে ভুল তেওঁৰে শুদ্ধ। কিন্তু তেওঁৰ সমষ্টিটে এই পৃথিৱীৰ এটা গৌৰৱ ৰংঘৰ সমস্যা তেওঁ সমাধান কৰিব বিচৰাই নাই বা তেওঁৰ হয়তো দৃষ্টি গোচৰ হোৱা নাই। এইটো যেতিয়ালৈকে আমাৰ চৰকাৰৰ অধীনত আছিল এইটো ভালধৰণে চলি আছিল আৰু যেতিয়া পুৰাতত্ব বিভাগে ইয়াক ল'লে তাৰ পাছত ইয়াৰ অৱস্থা বেয়া হৈছে আৰু যিখিনি তাত চলাৰ লাইটৰ ব্যৱস্থা কৰা হৈছিল সেইখিনিও বৰ্তমান according to the news বেয়া হৈ আছে। সেইখিনি ভাল কৰিবৰ কাৰণে Archeological Survey of India ৰ সময় নাই। তেন্তে এই বিভাগটোক কিয় এই দায়িত্ব দিয়া হৈছিল? প্ৰয়োজন হ'লে সেই বিভাগটোৰ পৰা আমাৰ আকৌ সেই Site টো লৈ ল'ব লাগে। তেওঁলোকৰ ভিতৰত যিখিনিArcheological Building আছে সেইখিনিৰ দায়িত্ব তেওঁলোকে লওঁক। বাহিৰৰ যিটো সৌন্দৰ্য বৰ্ধন, য'ত আমাৰ পৰ্যটক সকল যায় সেইখিনি আমাৰ প্ৰশাসনে ল'ব লাগে। অসম চৰকাৰে পৰ্যটকক আকৰ্ষন কৰিবৰ কাৰণে চেষ্টা কৰি আছো, অসম খনক এখন পৰ্য্যটন থলী হিচাপে গঢ়িবৰ কাৰণে চেষ্টা কৰি আছো। দেশ বিদেশৰ পৰ্য্যটকক আকৰ্ষন কৰিবলৈ

চেষ্টা কৰি আছো। এই সময়তে পৃথিৱীৰ ভিতৰত বিখ্যাত, এছিয়াৰ ভিতৰত গৌৰৱ, এছিয়াৰ প্ৰথমটো Pavillionৰ এনেকুৱা অৱস্থা কেতিয়াও আমি হ'ব দিব নোৱাৰো । সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আজি আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যাতে অতি সোনকালে এই ৰংঘৰটো আটক ধুনীয়া কৰিব লাগে যাতে দিনে ৰাতিয়ে Tourist ৰ তাত আগমন হয়। সৰ্বাঙ্গ সুন্দৰ হৈ থাকে সেই ৰূপহী পথাৰ, সেই সুন্দৰ নামৰ পথাৰখন যি ৰূপহী আমাৰ এটা সম্পদ আছে সেইটোক যাতে আমি চিৰকালৰ বাবে, আমি সুন্দৰ ভাৱে Preserve কৰিব পাৰো, ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ Hon'ble Minister Culture.

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰংঘৰ আহোম যুগৰ গৌৰৱ আৰু স্থাপত্য সাংস্কৃতিৰ কেন্দ্ৰ। ই ঐতিহ্যৰ পৰিচয় দিয়ে। ৰংঘৰ অসমৰ আহোম ৰাজ বংসৰ অন্যতম শ্ৰেষ্ঠ স্থাপত্যৰ নিদৰ্শন আৰু Asia ৰ ভিতৰতে আটাইকৈ পুৰণা Amphitheatre বুলি স্বীকৃত। শিৱসাগৰ জিলাৰ ৰংঘৰ পৰা প্ৰায় তিনি কিলিমিটাৰ দূৰত অৱস্থিত এই ঐতিহাসিক স্থানটো আহোম সকলৰ ৰাজত্বৰ বিভিন্ন ৰূপ প্ৰতিফলিত কৰে।

**মাননীয় অধ্যক্ষ ঃ-** Please অখিল গগৈ আপুনি নিজৰ চিতত বহক।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ-** সেই সম্প্ৰীতিৰ প্ৰতিফলন আৰু অসমৰ সেই ৰংঘৰ সম্প্ৰীতিৰ প্ৰতীক। গতিকে এই সম্প্ৰীতি সমন্বয়ৰ প্ৰতীক এই ৰংঘৰ, গতিকে সেই ৰংঘৰৰ নিমাৰ্ণৰ ঐতিহাসিক কাহিনী আছে। প্ৰথম অৱস্থাত স্বৰ্গদেউ ৰুদ্ৰ সিংহই ১৬৯৬ চনত ৰঙালি বিহু ....

.

**শ্ৰী বিমল বৰা,মন্ত্ৰী ঃ-** ছাৰ, এজন বিধায়কে আমনি কৰি ঘুৰি আছে। গুৰুত্বপূৰ্ণ ৰংঘৰৰ ওপৰত আলোচনা হৈ আছে তেখেতক নিজৰ ঠাইত বহিব দিয়ক। তেওঁৰ সমষ্টিৰ ওপৰতে আলোচনা হৈ আছে। তেওঁৰ কথা গাট লগা নাই।

**মাননীয় অধ্যক্ষ ঃ-** Please বহক। গুৰুত্বপূৰ্ণ ৰংঘৰৰ ঐতিহ্যৰ ওপৰত আলোচনা হৈ আছে।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ-** অকল অসমীয়াই নহয় সমগ্ৰ বিশ্বৰ এটা ঐতিহ্যৰ ক্ষেত্ৰ। এতিয়াও আজিৰ দিনতো হাজাৰ হাজাৰ দেশ বিদেশী পৰ্য্যটক আহি তাতে ৰংঘৰ চাবলৈ আহে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰী Educational Tour ত গৈ তাতে চাই। গতিকে এই ৰংঘৰৰ ঐতিৰ্য্যৰ সম্পৰ্কে আমি নিশ্চয় সকলো জানো আৰু ইয়াত এনেকৈ সৌন্দৰ্য বৰ্ধন কৰিব লাগে। আজি তাৰিখত আমাৰ কেন্দ্ৰীয় চৰকাৰে আৰু অসমৰ মাননীয় মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ে কিমান খিনি আঁচনি লৈছে ইয়াতে Amphitheatre ৰ দৰে এটা ঐতিহ্যৰ ক্ষেত্ৰখনৰ নিমাৰ্ণৰ কামো চলি আছে। গতিকে এই কথা বিলাকো আমি সকলোৰে share কৰিব লাগে। মই ভাবো ইতিহাসত উল্লেখ আছে যে প্ৰথম অৱস্থাত স্বৰ্গদেউ ৰুদ্ৰ সিংহ য়ে ১৬৯৬ চনত ৰঙালি বিহুৰ সময়ত ম'হৰ যুঁজ, চৰাই যুঁজ, হাতীৰ যুঁজ সেইবিলাক চলিছিল। প্ৰথম অৱস্থাত এটা অস্থায়ী পাহাৰত ৰংঘৰ সজাইছিল। পাছলৈ তেওঁৰ উত্তৰাধিকাৰী স্বৰ্গদেউ প্ৰমত্ত সিংহ য়ে ১৭৪৬ চনত এটা স্থায়ী ২ মহলৰ দ্বিতীয়তো ইটা চিমেণ্টে ৰংঘৰ নিমাৰ্ণ কৰিছিল। এই কামত মুখ্য ভূমিকা লৈছিল সেই সময়ৰ প্ৰধান মন্ত্ৰী গড়গঞা বৰগোহাই আৰু স্থাপত্য কোন্দুৰাম নামৰ এজন কাৰিকৰে। ৰংঘৰৰ দৈৰ্ঘ্য আমি জনা উচিত যে প্ৰায় ৫০ মিটাৰ, প্ৰস্থ ২৭ মিটাৰ,আৰু উচ্চতা ১০ মিটাৰ।

ইয়াৰ স্থাপত্য আৰু বৈশিষ্ট্য আছে। ৰংঘৰৰ চাদ দুখন উলতি খোৰা নাৱৰ দৰে আকৃতিৰ। যাক আহোমৰ ভাষাত দুই চালা বা দুপাল চালা বোলা হয় টাই ভাষাত। এই ধৰণৰ চাদ আহোমৰ ৰাজপ্ৰসাদৰ কাৰেং ঘৰৰ পৰাই অনুমানিত, আৰু এই বিলাক কাৰেং ঘৰ সমূহৰ পৰাই ইয়াৰ আৰ্হি লৈছিল। এই বিলাক নিমাৰ্ণত মজিয়া ওপৰ ফালে বিশাল মুকলি ঠাই আৰু ওপৰত ৰজা -ৰানী আৰু অভিজাত শ্ৰেনী বিশেষকৈ তাত অভিজাত শ্ৰেনীৰ বিশেষভাৱে আসনৰ ব্যৱস্থা থাকে। সেইটো আমি Royal Box বুলি কওঁ আজিৰ তাৰিখত। প্ৰৱেশ দ্বাৰত ২ টা শিলৰ ম'হৰ মূৰ্তি সুন্দৰ কৈ সজোৱা আছে। আৰু দেৱালয়ত ম'হৰ আকৃতিৰ ভাস্কৰ্য্য আছে। ভিতৰৰ দেৱালয়ত আহোমৰ ৰজা সকলৰ নাম আৰু বিভিন্ন অনুষ্ঠানৰ বৰ্নণা খোদিত আছে। যদিও এতিয়া বহুখিনি নষ্ট হৈ গৈছে। এতিয়া Archeology Department য়ে যিহেতু এইটো এটা Central Archeology Site তাতে ব্যৱস্থা কৰি আছে আৰু এই ৰংঘৰৰ কাৰুকাৰ্য্যৰ ক্ষেত্ৰত ইয়াৰ সাংস্কৃতি আছে বিহুৰ সময়ত ইয়াত ৰাজকীয় ম'হ যুঁজ, হাতী যুঁজ, চৰাই যুঁজ ,বিহুনৃত্য আদি অনুষ্ঠিত হৈছিল। আৰু বিহুক ৰাজকীয় মৰ্য্যদা দিছিল । সেই সময়তে স্বৰ্গদেউ সকলে সেই ৰংঘৰতে বিহুক ৰাজকীয় মৰ্য্যদা দিছিল। আগতে গছ তলত বিহু আছিল। তাৰ পাছতে ৰাজকীয় মৰ্য্যদাৰে ৰংগ মঞ্চলৈ আহিল। এনেধৰণৰ ৰাজকীয় মৰ্য্যদা স্বৰ্গদেউ সকলে সেই ৰংঘৰতে সুনাম কৰিছিল। ৰজা-ৰানীয়ে একেবাৰে ওপৰৰ পৰা সকলোবোৰ উপভোগ কৰিছিল। ওপৰত থাকি তলৰ খেল, হাতীযুঁজ , চৰাইযুঁজ সেইবিলাক উপভোগ কৰিছিল। সাধাৰণ ৰাইজে তলত সুন্দৰকৈ থকা এই মুকলি ঠাইত বহিব পাৰিছিল। গতিকে বিদেশী অতিথি আৰু দূত সকলো যেতিয়া আহিছিল সেই সময়ত অহোম ৰাজ্যৰ শক্তি আৰু সমৃদ্ধি দেখুৱাবলৈ ইয়াত আমন্ত্ৰণ জনাইছিল বা আহোমৰ culture দেখুৱাবৰ কাৰণে সেইবিলাক পৰম্পৰাক দেখুৱাবলৈ স্বৰ্গদেউ সকলে আমন্ত্ৰণ জনাই আনিছিল। তেওঁলোকৰ কাৰণেও সুকীয়াকৈ শাসন দিয়া হৈছিল। এতিয়া বৰ্তমান অৱস্থাত ১৯৫০ চনৰ ভূমিকম্প আৰু পাছৰ বিভিন্ন প্ৰাকৃতিক দূৰ্যোগৰ ফলত ৰংঘৰৰ যথেষ্ট ক্ষতিসাধন হৈছিল। বৰ্তমান ভাৰত চৰকাৰৰ পুৰাতত্ব বিভাগ Archeology Survey of India ইয়াৰ সংৰক্ষিত স্মৃতি শৌধ হিচাপে ঘোষণা কৰি ৰক্ষণা-বেক্ষণ কৰি আছে। প্ৰতি বছৰে হাজাৰ হাজাৰ পৰ্য্যটকে ইয়াত ভ্ৰমণ কৰে। পোহৰৰ খেলা, আমি যিটো Light & Sound Show ৰ জৰিয়তে আহোম যুগৰ গৌৰৱময় ইতিহাস জনসাধাৰণৰ আগত সেইবিলাক দেখুৱাই জীয়াই ৰখা হয় আৰু ৰংঘৰ কেৱল এটা স্থাপত্য নহয় আহোম সকলৰ শিল্প-সংস্কৃতি, ক্ৰিড়া বিনোদন আৰু ৰাজকীয় জীৱন শৈলীৰ জীৱন্ত সাক্ষী, অসমৰ গৌৰৱৰ পৰিচয় অন্যতম আৰু প্ৰতীক হিচাপে ই চিৰকালৰ কাৰণে জিলিকি থাকিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ-** ছাৰ, সমস্যা বিলাক ৰংঘৰৰ কথা পাতোতে শেষ হ'ব নেকি? মোক এক মিনিত ক'ব দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ-** Please, বহক, মন গ'লে যা তা কথা ক'ব নোৱাৰে নহয়। Rull ৰ কথা আছে। Please বহক, Hon'ble Minister.

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ-** শেহতীয়াকৈ অসম চৰকাৰে ৰংঘৰৰ সৌন্দৰ্য্যবৰ্দ্ধন, আৰু সংৰক্ষণৰ বাবে ৰংঘৰ প্ৰকল্প নামেৰে এক গুৰুত্বপূৰ্ণ উদ্যোগ লৈছে। যিয়ে আহোম যুগৰ প্ৰতিকী স্মৃতি শৌধ

ৰংঘৰক সৌন্দৰ্য্য বৰ্দ্ধন কৰি বিশ্ব পৰ্য্যটনৰ মানচিত্ৰত স্থান দিবলৈ লক্ষ্য ৰাখিছে। এই প্ৰকল্পৰ জৰিয়তে ৰংঘৰক আধুনিক সুবিধাৰে সমৃদ্ধি কৰি ইয়াক এক আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটন কেন্দ্ৰ হিচাপে বিকাশ কৰা হৈছে। ১৭৪৪ খৃষ্টাব্দত স্বৰ্গদেউ প্ৰমোত্ত সিংহৰ নিৰ্মিত এই Amphitheatre সংৰক্ষণ কৰি প্ৰচাৰৰ বাবে এক বিহীত ব্যৱস্থা কৰা হৈছিল। প্ৰকল্পটো আৰম্ভনিতে ২০২৩ চনৰ এপ্ৰিল মাহত মাননীয় ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আমাৰ দেশৰ আদৰ্শবাদী নেতা হিচাপে প্ৰস্তাৱ উত্থাপন কৰে আৰু ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ভূমি পুজনেৰে প্ৰকল্প অনুষ্ঠানিক ভাৱে আৰম্ভণি কৰে। আমাৰ শিৱসাগৰৰ ওচৰৰ জয়সাগৰ পুখুৰীৰ দক্ষিণ পাৰত অৱস্থিত ৰংঘৰ, উত্তৰ পশ্চিম দিশত ২৬ একৰ ৮৩ বিঘা মাটি আমি ইতিমধ্যে বিকাশৰ বাবে লৈছো ।ইয়াৰে ৫ বিঘা চৰকাৰী আৰু প্ৰায় ৭০ বিঘা স্থানীয় ৰাইজৰ পৰা লিজলৈ লোৱা হৈছে। আমাৰ বাজেটত প্ৰথম অৱস্থাত ২৪ কোটি টকা আছিল পিছত ইয়াক ১৪০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা ৯৮.৭৬ কোটি টকা বিনিয়োগ কৰিছে আৰু ইয়াৰ উদেশ্যটো হৈছে ৰংঘৰৰ সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্ধণ আৰু ৰংঘৰ ২০০০ বছৰৰ লৈকে আমি সংৰক্ষণ কৰি জীয়াই ৰাখিব লাগিব। ভূমিকম্প আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ পৰা সুৰক্ষিত কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে এই আঁচনিৰ জৰিয়তে। পৰ্য্যতন আৰু প্ৰশাৰ ৰংঘৰক বিশ্বমানৰ পৰ্য্যতন কেন্দ্ৰ হিচাপে বিকশিত কৰি অসমৰ সংস্কৃতি আৰু ঐতিহ্য বিশ্বত প্ৰচাৰিত কৰিব লাগিব। অৰ্থনিতিৰ ক্ষেত্ৰত ইয়াত বিকশিত ভাৱে গাওঁৰ যি সকল কাৰিগড় আছে, কাৰিগড়ী আৰু ইয়াৰ স্থানীয় খাদ্য পোচাক আদি পৰিবেশণ কৰা আৰু ইয়াৰ উন্নতি কৰণ কৰা। সংস্কৃতিক পথাৰত বিহু যিহেতু অসমীয়াৰ বাপোতি সাহোণ, সেই বিহুক আমি ঐতিহ্য গত ভাৱে আমি আধুনিকিকৰণ কৰিব লাগিব। আৰু এই প্ৰকল্পটো ৰ জৰিয়তে ইয়াত আধুনিক থিয়েটাৰ বাবে ৩ হেজাৰ খন আসন ৰখা হৈছে য'ত সাংস্কৃতিক প্ৰদৰ্শণ আৰু বিভিন্ন খেল ধেমালিৰ আয়োজন কৰা হৈছে। কাৰিকৰী গাওঁ, আৰু স্থানীয় হস্তশিল্প আৰু ঐতিহ্যগত পোচাক আৰু অসমীয়াৰ খাদ্য সংৰক্ষণৰ বাবে ব্যৱস্থা কৰা হৈছে যিয়ে স্থানীয় কাৰীকৰ সকলক অৰ্থনৈতিক সুবিধা প্ৰদান কৰিব। অতিথিগৃহ, পৰ্য্যতকৰ সুবিধা, নৌকাবিহাৰ, নৌকা ঘৰ আৰু অন্যান্য জলক্ৰীড়া আদিৰ বহুখিনিৰ সুবিধা ইয়াত কৰা হৈছে। মাননীয় সকস্য জনে যিটো কথা সধিছিল যে আন্ধাৰ হৈ থকা কথাটোৰ বাতৰিত প্ৰকাশ হৈছে কিন্তু কি ভিত্তিক বাতৰিটো প্ৰচাৰ কৰিছে আমি নাজানো। কেন্দ্ৰীয় পূৰাতত্ব বিভাগে সূৰ্য্য উদয়ৰ পৰা সূৰ্য্য উদয়লৈকে হে এইবিলাক ঐতিহ্য ক্ষেত্ৰ পৰিদৰ্শণ কৰিবলৈ দিয়ে। আন্ধাৰ হলে তাত কোনো পৰ্য্যতক যাব নোৱাৰে অকল ৰংঘৰটো ৰাস্তাৰ পৰাহে চাব পাৰে। বাকী ভিতৰত থকা বাগিছা আদিত কেন্দ্ৰীয় চৰকাৰৰ Archaelogy বিভাগৰ আইন মতে যাব নোৱাৰে। আৰু ইয়াৰ পৰিদৰ্শনৰ বাবে অনলাইনত ২০ টকা লয় আৰু অফলাইনট ২৫ টকা লয় সেইখিনি কেন্দ্ৰীয় চৰকাৰৰ ফাণ্ডলৈ যায়। অসমত এনেকুৰা ধৰণৰ বহুতো কেন্দ্ৰীয় Archaelogy বিভাগৰ স্থান আছে আৰু সেইবোৰৰ ক্ষেত্ৰত তেওঁলোকে পুঁজি দিয়ে এই স্থানবোৰ মেৰামতি কৰা বা তাত থকা বাগিছা চাফ চিকুন কৰাৰ বাবে। এতিয়া এই স্থানলৈ ৰাতিপুৱাৰ পৰা গধুলিৰ লৈকে বিভিন্ন ছাত্ৰ ছাত্ৰী গৈ ৰংঘৰৰ পৰিবেশটো উপভোগ কৰে, এই বোৰ কাম চলি আছে। আৰু গোটেই নিশা ৰংঘৰৰ চাইদত মানুহে বাহিৰৰ পৰা সৌন্দৰ্য্য উপভোগ কৰে।

**শ্ৰী অখিল গগৈ, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অকন মান কব পাৰিম নেকি যিহেতু বিষয়টো মোৰ সমষ্টিৰে ।

**অধ্যক্ষ** ঃ আপুনি অনুগ্ৰহ কৰি বহক। যদি আপোনাৰ নিজৰে সমষ্টি এতিয়াহে মনত পৰিল নেকি

আপোনাৰ। আপুনি বহক। এতিয়া শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়া খহনীয়া সংস্থাপন দিয়াৰ দায়ত্ব চৰকাৰৰ আৰু ২০ বছৰত লুইতৰ বুকুত জাহ গ'ল ৩ লাখ ৬৪ হেজাৰ ৩ শ ২৮ বিঘা মাটি। এই বিষয় টো শূন্য কালীন ঘন্টাত আলোচনা কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। এই সমস্যাটো অসমৰ ভূমিপুত্ৰ, জনজাতীয় লোক, সংখ্যাগুৰু, ধৰ্মীয় সংখ্যালঘু, ভাষিক সংখ্যালঘু অসমত যিমান জাতি জনগোষ্ঠি আছে প্ৰতেকৰ কাৰণে এটা দাঙৰ সমস্যা। যুগ যুগ ধৰি গৰাখহনীয়াই যি তান্দব সৃষ্টি কৰি আহিছে তাৰ ফলত, আজি ইয়াত যি খিনি সংখ্যা দিয়া আছে যে ৩ লাখ ৬৪ হেজাৰ ৩ শ ২৮ বিঘা এইটো আজি ৫ বছৰৰ আগৰ তথ্য। গতিকে এই গড়াখহনীয়া গ্ৰস্ত লোক সকল অসমৰ বিভিন্ন জিলাত আছে। বহুবছৰৰ পৰাই ব্ৰহ্মপুত্ৰ, জিয়াভৰালী, আৰু আন আন নদী সমূহৰ গড়াখহনীয়াই এই জনজাতীয় লোক বা অসমৰ সকলো জাতি জনগোষ্ঠীৰ লোককে বিপদৰ মুখলৈ লৈ গৈছিল। তেওঁলোক গৃহহাৰা হৈছে, ভূমিহিন হৈছে। অসমৰ বিভিন্ন ঠাইৰ লগতে মোৰ সমষ্টিটো ২০১৬ চনৰ পৰা ২০১৯ চনলৈকে ২ নং আৰু ৩নং বৰগুলীত প্ৰায় ৩ কি মি যোৰা পট্টাৰ মাটি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত জাহ গল। ১১০০ পৰিয়াল আৰু ২২ হেজাৰ হেক্টৰ ভূমি আমাৰ বৰগুলী, গুৰবন্ধাকে ধৰি এই ভূমি খিনি গড়খহনীয়াত জাহ গ'ল আৰু বৰগুলীৰ যি ১১০০ পৰিয়াল আছিল সেই ১১০০ পৰিয়ালৰ ভিতৰত আজি আমাৰ ৰাজহমন্ত্ৰী সমষ্তিত আছিলে, সমষ্টি পুনৰ নিৰ্ধাৰণ কৰাৰ পিছত মোৰ সমষ্টিলৈ আহিছে, সেই ১১০০ পৰিয়ালৰ মাত্ৰ ৩০০ পৰিয়ালেহে ৯৫ হেজাৰ টকাকৈ ক্ষতিপূৰণ পালে বাকী পৰিয়াল বিলাকে আজি লৈকে পোৱা নাই। আমাৰ বগামুখ, গুৰবন্ধা আদি বিভিন্ন অঞ্চলত গড়খহনীয়া হৈছে। শোনিতপুৰত গড়াখহনীয়াৰ ফলত প্ৰায় ৫ হেজাৰ মানুহ গৃহহীন হৈছে। সেই গৃহহীন মানুহখিনিৰ পট্টাৰ মাটি জিয়াভৰালী নদীয়ে লৈ গল ফলত এই মানুহখিনি যতে ততে বসবাস কৰিছে। যেতিয়া সেই অঞ্চল খিনি চৰ পৰিছে তেতিয়া মানুহ খিনি তাত আকৌ বহিছে। কিন্তু তাৰ পিছত তাৰ পৰা উচ্চেদ কৰা হ'ল। মৰিগাওঁ জিলাৰ লাহৰীঘাট সমষ্টিটো প্ৰায় বিচিন্ন হৈ গৈছে গৰাখহনীয়াৰ বাবে মোৰ ৰূপহীহাট সমষ্টিয়ে হওক বা অসমৰ বিভিন্ন অঞ্চলত গড়াখহনীয়াৰ সৃষ্টি হৈছে। আৰু এই গড়খহনীয়াৰ বাবে ১৩ লাখ পৰিয়াল গৃহহীন ভূমিহীন হৈ তেওঁলোকে যতে চৰকাৰী মাটি পাইছে তাত বসবাস কৰিছে। কিন্তু সেই সকলোবোৰ মানুহ ভাৰতীয় নাগৰিক আৰু অসমীয়া।অসমৰ মাটিত বসবাস কৰা ভাৰতীয় নাগৰিক এজনক চৰকাৰে গড়াখহনীয়াত আক্ৰান্ত হোৱাৰ লগে লগে সংস্থাপনৰ কোনো ব্যৱস্থা নকৰিলে যে সেই মানুহ খিনি কত থাকিব। গতিকে থকা ঠাই বিচাৰিয়ে তেওঁলোকে কৰবাত বনবিভাগৰ মাটিত বহিছে বা চৰকাৰী মাটিত বহিছে। এইফালে অসমৰ গোৱালপাৰা, নগাওঁ, মৰিগাওঁ, গোলাঘাট আদি বিভিন্ন জিলাত উচ্চেদ কৰা হৈছে। মই চৰকাৰক অনুৰোধ জনাম যে যি সকল লোকে বন বিভাগৰ মাটিত বহিছে উচ্চেদ কৰক কিন্তু তাৰ আগতে চাব লাগে যে তেওঁলোক ভাৰতীয় নাগৰিক হয় নে নহয়। যদি তেওঁলোক ভাৰতীয় নাগৰিক তেতিয়া হ'লে চৰকাৰে তেওঁলোকক সংস্থাপন দিয়ক তাৰ পিছত তেওঁলোকক বনবিভাগৰ মাটিৰ পৰা উচ্চেদ কৰক। কিন্তু সেইটো নকৰি আজি অমানবীয় ভাৱে মানুহ বিলাকক উচ্চেদ কৰা হৈছে। আৰু সেই পৰিয়াল সকলে কোনোবাই মঠাউৰিত কোনোবাই গছৰ তলত বাস কৰি আছে। আজি এনেকুৱা এটা পৰিবেশ সৃষ্টি হৈছে যে তেওঁলোক মানুহে নহয় গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে মানবীয়তাৰ দৃষ্টিৰে চৰকাৰে এইখিনি বিবেচনা কৰি এই লোক সকলক যি সকল ভাৰতীয় নাগৰিক হয় তেওঁলোক প্ৰতেকজন উচ্চেদিত মানুহক সংস্থাপনৰ কাৰণে ব্যৱস্থা কৰক। আৰু মই শুনি আছো মোৰ সমষ্টিৰ

Grazing reserve ত বোলে উচ্ছেদ হব আজি সেইবোৰ Grazing reserve হৈ থকা নাই আৰু আজি Grazing reserve ত যি সকল লোক বহিছে তাত শিক্ষানুস্থান আছে গছ গছনি আছে আৰু আজি ৫০/৬০ বছৰে তেখেত সকলে বসবাস কৰি আছে আজি তেখেত সকলক উচ্ছেদ কৰিব, মই আজি সদনত বিনম্ৰভাৱে অনুৰোধ জনাইছো যে ৰূপহীহাট বিধান সভা সমষ্টিত যিটো শুনি ক'ৰবাত ক'ৰবাত উচ্ছেদ হ'ব, তেনেহলে উচ্ছেদটো বন্ধ কৰে, যি সকল মানুহ আছে তাত প্ৰত্যেকজন ভাৰতীয় নাগৰিক তাত কোনো ধৰণৰ সন্দেহ নাই। কোনো ধৰণৰ সন্দেহ নাই প্ৰত্যেকজন মানুহ ভাৰতীয় নাগৰিক।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, ধন্যবাদ।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** আজি আমাৰ এই নাগৰিক সকলক সন্দেহ কৰি সংখ্যালঘু সকলক উচ্ছেদ কৰা হয়।

**মাননীয় অধ্যক্ষ** ঃ Please, হৈছে। ৫ মিনিটৰ ঠাইত আপোনাৰ ৭ মিনিট হ'ল। হৈছে। মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব। বহুত বিল আছে। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীপদ্ম হাজৰিকা ঃ** অধ্যক্ষ ডাঙৰীয়া, শোণিতপুৰ জিলাত ৫,০০০ মানুহ জিয়াভৰালীত খহনীয়াত গৈছে বুলি কৈছে, খিলঞ্জীয়া মানুহৰ মাটি গৈছে।

**মাননীয় অধ্যক্ষ** ঃ Please, হৈছে, হৈছে। মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** তেওঁলোকৰ যে মাটি গৈছে তথ্য আছে।

**মাননীয় অধ্যক্ষ** ঃ Please, বহক। মন্ত্ৰীয়ে উত্তৰ দিব এতিয়া। কথাটো ৰেইচ কৰি দিয়ক।

**শ্ৰীগনেশ কুমাৰ লিম্বু, বৰছলা** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই ভুল তথ্য দাঙি ধৰিছে। সেই কাৰণে মই কব খুজিছো। শোণিতপুৰত কোনো তেনেকুৱা উচ্ছেদ হোৱা নাই, যি সকল ব্ৰহ্মপুত্ৰৰ গড়খহনীয়া হৈ ক্ষতিগ্ৰস্থ হোৱা কোনো পৰিয়ালক উচ্ছেদ হোৱা নাই আৰু যি তেখেতে তথ্য দিছে ৫ হাজাৰ, সেইটো ভুল তথ্য হয়। সেই কাৰণে মই বিচাৰিছো যাতে সেই ভুল তথ্যটো বিধান সভাত যাব নালাগে আৰু শোণিত পুৰত যিমান ব্ৰহ্মপুত্ৰৰ গড়খহনীয়াই লৈ গৈছে কোনো মানুহৰ মাটি গড়খহনীয়াই লৈ যোৱা নাই তাত অন্যসম্প্ৰদায়ৰ হে মানুহৰ মাটি লৈ গৈছে। আজি যি সকল চৰত আছে তেওঁলোকৰ কোনো ভূমি নদীয়ে লৈ যোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

(হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ Please. মন্ত্ৰীয়ে উত্তৰ দিব, উত্তৰটো দিব দিয়ক। যদি উত্তৰ নালাগে মই বেলেগ আইটেমত গুচি যাম।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আমাৰ সন্মানীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াই আজি যিটো শূণ্যকালীন ঘন্টাত বিষয় উত্থাপন কৰিছে এখন বাতৰি কাকতৰ উদ্ধৃতি দি, ২০ বছৰত খহনীয়াত লুইতৰ বুকুত জাহ গ'ল ৩ লাখ ৬৪ হাজাৰ ৩২৮ বিঘা মাটি। গতিকে এই বিষয়টোৰ ক্ষেত্ৰত তেখেতে যদি সামগ্ৰিক ভাৱে গোটেই বিষয়টোলৈ অনা নাই তেখেতে তেখেতৰ বৰ্তমানৰ সমষ্টি ৰূপহীহাট বিধান সভা সমষ্টিৰ অন্তৰ্গত এলেকাৰ কথা কৈছে আৰু তাৰে ইটো পাৰত থকা শোণিতপুৰৰ কথা কৈছে। মই সদনৰ সকলোৰে বুজিবৰ কাৰণে বিষয়টো থৈছো, এই ঠাইটো হৈছে আপোনালোকে যেতিয়া কলিয়াভোমোৰা দলঙৰে তেজপুৰলৈ পাৰ হয় বাওঁফালে দলঙৰ ওচৰৰ পৰা কিছু কেই কি.মিটাৰ মান ২০১৮-২০১৯ চনৰ পৰা কিছু খহনীয়া হ'ল। খহনীয়া হোৱাৰ ফলত তাত কিছু লোক আছিল এতিয়া যদি মই সচাঁ কথাটো সদনত কব লাগে তেতিয়া

মই কব লাগিব সেই অঞ্চল সমূহ চৰ আছিল। চৰটো ভাঙি আহিল, ভাঙি আহি গাঁৱতে কিছু খহনীয়া হৈছে। এই গোটেই ঠাইটো দলং খনৰ ইফালেদি আপোনালোকে যেতিয়া বাওঁহাতে চাব তাত কিছু চৰ আছিল। চৰত মানুহে খেতি-বাতি কৰিছিল কিন্তু তাত স্থায়ী বাসী নহয়, কাৰণ বাৰিষা খেতি নকৰে, বাকী সময়ত কৰে। তেনেকুৱা এটা অঞ্চল সেই ব্ৰহ্মপুত্ৰৰ মাজৰ চৰটো খহাই অনাত তেতিয়া মাটিৰ হিচাপ হাজাৰ হাজাৰ বিঘা ওলাইছে। আচলতে গাঁও খনত ইমান হাজাৰ হাজাৰ বিঘা মাটি খহোৱা নাই। এই যি সকল লোকে তাত খেতি কৰি আছিল এই সকলৰ গাঁও খনত ম্যাদি পট্টাৰ মাটিৰ বাসস্থান আছে। সৰহ সংখ্যকৰ আছে, সকলোৰে নাই। তাৰো মই হিচাপ উলিয়াইছো কিমানৰ আছে কিমানৰ নাই। কম সংখ্যাকৰ হয়তো তেওঁলোকৰ alternative মাটি আৰু নাছিল, কিন্তু সৰহ সংখ্যকৰ তেওঁলোকৰ মাটি আছিল। এতিয়া আমি যদি ভগাই দিও চামুগুৰি চাৰ্কোলৰ ভিতৰত ৯৫৩ টা পৰিয়ালৰ ক্ষতিগ্ৰস্থ হৈছে আৰু কলিয়াবৰ চাৰ্কোলৰ ভিতৰত ৩১৫ টা পৰিয়ালৰ হৈছে। এই মিলি হাজাৰৰ ওপৰ হৈছে। গতিকে এইটো হৈছে আমাৰ চৰকাৰী হিচাপে পোৱা তথ্য। ইয়াৰে যোৱাবাৰো কিছু পৰিয়ালক তাত পুনৰ সংস্থাপনৰ কথা ৰাজহ বিভাগৰ তৰফৰ পৰা দিয়া হৈছে আৰু ইয়াৰ আগতেও দিয়া হৈছে। এতিয়া এটা নতুন যিটো কেন্দ্ৰীয় চৰকাৰৰ কালি মই বিধান সভাত কৈ গৈছিলো যে এটা যিটো clusterৰ কথা, এই cluster ৰ যিটো প্ৰপোজেল আমি প্ৰায় ১০১৮ টা ঘৰৰ clusterৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰক আমি যিটো প্ৰপোজেল দিছো সেই প্ৰপোজেলটোত আমাক তাতো ১৪৫ টা ঘৰ অন্তৰ্ভূক্ত হৈছে, গোটেই অসমৰ হৈছে, প্ৰত্যেক জিলাতে হৈছে। মাজুলীত সৰহকৈ হৈছে ৪৭৩ টা বা ধেমাজীত ২৭৩ টা, ডিব্ৰুগড়ত ৩৮ টা, কামৰূপত ৩৩ টা, হোজাইত ১৮ টা, কাছাৰত ২২ টা ঠিক তেনেধৰণে ইয়াতো ১৪৫ টা ঘৰৰ সেইখন clusterত অন্তৰ্ভূক্ত হৈছে আৰু এই অন্তৰ্ভূক্ত হোৱাৰ উপৰিও আমি যিখিনি নিয়মৰ ভিতৰত যিখিনি সাহাৰ্য্য আগবঢ়াবলৈ পাৰিছো যিটো এতিয়া ৯৫ হাজাৰ টকা আছিল এটা ঘৰৰ ক্ষতি হলে, এতিয়া ১ লাখ ২০ হাজাৰ হৈছে এতিয়ালৈ। গতিকে এই কথাখিনিৰো আমি তাত ব্যৱস্থা লোৱা হৈছে। আমাৰ Water Resource Minister Pijush Hazarika ডাঙৰীয়াও আছে, তেখেতে জানে যে এই বিভাগৰ পৰাও আমি যোৱা বছৰো ৮ কোটি টকাৰ কাম কৰিছো porcupineৰ, য'ত এতিয়া বালি পৰিছে আৰু খহনীয়াটো এতিয়া নাই। তাৰ আগতেও প্ৰায় গোটেই কেইটাত কেইবাটাও আঁচনি দি প্ৰায় ১০০ কোটি টকাৰ ওচৰা ওচৰি কাম হৈছে। মানে এই দলং খনৰ পৰা কলিয়াভোমোৰা দলঙৰ ওচৰৰ পৰা গোটেই যিটো লাইন অন্যান্য আঁচনি ক'ৰোবাত এ ডি পি আছে, ক'ৰোবাত বিশ্ববেংক আছে আদি বেলেগ বেলেগ আঁচনি তেনেকুৱা ধৰণে সেই কামখিনি হৈছে। হোৱাৰ ফলত এই গোটেই অঞ্চলটোত এতিয়া খহনীয়া নাই, গোটেই অঞ্চলটোত এতিয়া বালি পৰিছে। গোটেই অঞ্চলটোত এতিয়া মাটি ওলাবলৈ লাহে লাহে আৰম্ভ কৰিছে। কিন্তু সেই সময়ত যি খিনি মানুহ তাৰ পৰা ওলাই আহিল, যাৰ নিজৰ নিজৰ পট্টাৰ মাটিত ঘৰ আছে তেওঁলোকে ঘৰত থাকিল। কোনোবাই ওচৰতে মাটি এক, ডেৰ কঠা কিনি লৈ তাত তেনেকৈ থাকিল। মঠাউৰীতো এতিয়া কেইঘৰমান আছে। যিটো আমাৰ গড়বন্ধা মঠাউৰী এক নম্বৰ, দুই নম্বৰ, তিনি নম্বৰ, চাৰি নম্বৰ গড়বন্ধা এই মঠাউৰীটোতো কিছু লোক এতিয়া বাস কৰি আছে। গতিকে এনেধৰণে গোটেইখিনি এতিয়া মানুহখিনি adjust হ'ল। মই এনে কোৱা কথা নহয় যে হাহাকাৰ কৰি কোনোবা আছে। কোনো হাহাকাৰ কৰি তাত থকা নাই। কাৰণ সেই অঞ্চলখিনিত মইয়ো নিজে তেখেতে যেনেকৈ গৈ পাইছে মইয়ো গৈ পাইছো। সেই অঞ্চললৈ তেখেতে হয়তো delimitationৰ পিছত এতিয়া আহিছে আজি এক বছৰ ৬ মাহৰৰ

ভিতৰত। মই সেই অঞ্চলটোত আজি ২৫/৩০ বছৰ ধৰি মই নিজেই খোজ কাঢ়ি ঘুৰি আছো। কাৰ ঘৰ গ'ল মই নাম সুধিলেই কব পাৰো। কি হ'ল কাৰ কি অৱস্থা হৈছে, কাক মই ব্যক্তিগত ভাৱেও চৰকাৰী সহায়ৰ বাদেও সহায় কৰিছো। গতিকে তেনে অঞ্চলটোৰ কথা মই ভালকৈ জানো। আজি আমাৰ শোণিতপুৰ জিলাত যি ৫ হাজাৰ মানুহৰ কথা কৈছে এতিয়া শোণিতপুৰ জিলাৰ দুজন পদ্ম হাজৰিকা আৰু গনেশ কুমাৰ লিম্বু দুয়ো গৰাকীয়ে কৈছে যে তাত তেনেধৰণৰ কোনো লোকৰ মাটি যোৱা নাই । তাত খিলঞ্জীয়া লোক আছিল, নেপালী সম্প্ৰদায়ৰ লোক আছিল, এইখিনি মানুহৰহে মাটি তাত গৈছিল । ঠিক আছে আপোনাৰ তথ্যটো আমি অধ্যক্ষ মহোদয়ৰ জৰিয়তে পাম । গতিকে এই যিখিনি কথা আপুনি অতি গুৰুত্বপূৰ্ণভাৱে সদনত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। এই বিষয়টোত চৰকাৰে বিভিন্ন ধৰণৰ ভূমিকা গ্ৰহণ কৰিছে । অন্তত যিটো পাৰ্মানেন্ট চেফ্টী সেইটো ৰাটাৰ ৰিৰ্চোচৰ যোগেৰে তাত লোৱা হৈছে । বৰ্তমান তাত দুই বছৰধৰি গড়াখহনীয়া হোৱা নাই । এতিয়া¨ তাত মাটি নতুনকৈ ওলাইছে ।¨ আমি ৰাজহ বিভাগৰ তৰফৰ পৰাও তাত যিখিনি গড়খহনীয়াত আক্ৰান্ত মানুহ আছিল তাত তেওলোকক পৰ্য্যায়ক্ৰমে আমি বহুখিনি অনুদান দিছো। । তথাপিও মই বিভাগক ক'ম যে, এতিয়াও যদি তাত কিবা পেণ্ডিং আছে আমি যাতে মানুহখিনিক সহায় কৰিব পাৰো তাৰ ব্যৱস্থাটো কৰিব । ইয়াত এটা সমস্যা হৈছে যে, আইনখনত এনেকুৱা কথা আছে যে, চৰকাৰী মাটিত থকা মানুহক আমি ঘৰৰ পইচা বা ঘৰটো বনাই দিব নোৱাৰো । গতিকে এই বিষয়টো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও অলপ ৰেহাই দিবলৈ চেষ্টা কৰিছে গতিকে এই বিষয়টো আমি চেষ্টা কৰি আছো । যদি কিবা প্ৰপোজেল আছে আমগুৰি চাৰ্কোল আৰু কলিয়াবৰ চাৰ্কোলত, এইখিনি পুনৰ বিবেচনা কৰি এইখিনি লোকক আমি সহায় কৰিবলৈ আমি চেষ্টা কৰিম । ইয়াৰে মথাউৰী এটাত কেইঘৰ মান মানুহ এতিয়াও আছে যাৰ কোনো ম্যাদী পট্টাৰ মাটিও নাই , আৰু চৰকাৰী মাটিতো বহা নাই । তেওঁলোকে মথাউৰীত বহি আছে । গৰাখহনীয়া হোৱা বহু মানু হ এতিয়া চৰকাৰী মাটিতে বহি আছে । তাৰে কিছুমানে এক কঠা - ডেৰ কঠা মাটি কিনি ঘৰ বনাই আছে । ভৱিষ্যতে আমি এই মথাউৰীত থকা এই কেইঘৰ মানুহকো মাটি দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আইটেম নং - ২ Report on the participation of Assam State Branch at the 67 th Commonwealth Parliamentary Conference in Sydney, Australia 26 th October - 10 November, 2024 প্ৰতিবেদনখন সদনত দাখিল কৰিলো । এতিয়া আইটেম নং- ৩ অনাৰেবল মিনিষ্টাৰ পাৰ্লিয়ামেণ্টৰী এফয়াৰচ ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ , ২০২৩-২৪ বৰ্ষৰ অসম চৰকাৰৰ সম্পৰ্কীয় ৰাজ্যিক বিত্তৰ, ২০২৫ বৰ্ষৰ প্ৰতিবেদন নং- ১ সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং - ৪ , অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ, ২০২৩ বৰ্ষৰ মাৰ্চত সমাপ্ত হোৱা বছৰটোৰ বাবে অসম চৰকাৰৰ সম্পৰ্কীয় ৰাজ্যিক ৰাজহ সম্পৰ্কত ২০২৫ প্ৰতিবেদন নং-৩ খন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** আইটেম নং -৫

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মই ভাৰতৰ নিয়ন্ত্ৰক আৰু

মহাহিচাপ পৰীক্ষকৰ, ৩১ মাৰ্চ ২০২৩ সমাপ্ত হ'বলগীয়া বছৰটোৰ বাবে অসম চৰকাৰৰ সম্পৰ্কীয় সামাজিক, অৰ্থনৈতিক আৰু সাধাৰণ খণ্ডৰ ২০২৫ বৰ্ষৰ প্ৰতিবেদন নং-৪ খন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল চেয়াৰমেন, পাব্লিক একাউন্টচ কমিটি- শ্ৰীনুৰুল হুদা

**শ্ৰীনুৰুল হুদা, সভাপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৯৩ তম আৰু ১৯৪ তম প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীতেৰচ গোৱালা, সভাপতি, আবেদনসমূহৰ সমিতি।

**শ্ৰীতেৰচ গোৱালা, সভাপতি ঃ** মই অসম বিধান সভাৰ আবেদনসমূহৰ সমিতিৰ ৫২ নং প্ৰতিবেদনখন দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীপোনাকণ বৰুৱা, সভাপতি, অসম বিধান সভাৰ অধীনস্থ বিধায়ন সমিতি।

**শ্ৰীপোনাকণ বৰুৱা, সভাপতি,** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ অধীনস্থ বিধায়ন সমিতিৰ ২৯ তম প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীচক্ৰধৰ গগৈ , সভাপতি, অসম বিধান সভাৰ স্থানীয় নিকায়সমূহৰ সমিতি।

**শ্ৰীচক্ৰধৰ গগৈ , সভাপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ স্থানীয় নিকায়সমূহৰ সমিতিৰ১৩ আৰু ১৪ তম প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী সুমন হৰিপ্ৰিয়া , সভা নেত্ৰী , অসম বিধান সভাৰ মহিলা আৰু শিশু কল্যাণ সমিতি।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া , সভানেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ মহিলা আৰু শিশু কল্যাণ সমিতিৰ ১১ তম প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** আইটেম নং- ১১ শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) ৰুল- ৫৪ ।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ) মানকাছাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰুল - ৫৪ নিয়মৰ অধীনত মোক ক'বলৈ সময় দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো । আজি ৰুল -৫৪ মই যিটো বিষয় আনিছো , মই বিধায়ক হোৱাৰ পিচত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ মোৰ জিলাৰ এইচ. এম পথটোৰ বিষয়ে লিখিছিলো - এই সম্পৰ্কে মই বিভিন্ন সময়ত মেম্বাৰচ আৱাৰচ, -৩০১ , তৰাচিহ্নিত আৰু তৰাবিহীন প্ৰশ্ন , কাট মোশ্যন ইত্যাদিত ডিভাইচত বিগত দিনত আনিছিলো আৰু আজিও ৰুল -৫৪ আনিছো । এই বিষয়টোৰ উল্লেখ কৰাৰ ক্ষেত্ৰত কোনো এটা ডিভাইচ বাদ দিয়া নাই । মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ লিখিতভাৱে দিয়াৰ পিচত সেইটো পাচ হৈ আহিছে । তাৰ পৰৱৰ্ত্তী সময়ত ইয়াৰ ওপৰত টেণ্ডাৰ হ'ল কিন্তু কি কাৰণত এই পথটোৰ কাম বাতিল হ'ল মই নাজানো । যোৱাবাৰ যেতিয়া আকৌ বিষয়টো আনিছিলো তেতিয়া আমাৰ মাননীয় বিত্ত মন্ত্ৰী আৰু পাটোৱাৰী ডাঙৰীয়া , এতিয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰী, তেখেতসকলে মোক মাতি লৈ গৈ কৈছিল যে আপোনাৰ ৰাস্তাটো হৈ গৈছে । মই খুব ভাল পালো । এইবাৰো দেখিছো আসাম মালাত টেণ্ডাৰ হৈছে। কিন্তু টেণ্ডাৰ হোৱাৰ পিচত সকলো ঠাইৰ টেণ্ডাৰ একচেপ্ট হৈছে কিন্তু মোৰ এতিয়ালৈকে হৈ উঠা নাই । আমাৰ এই ২২ কি.মি পথটো অতিক্ৰম কৰোতে প্ৰায় আঢ়ৈ ঘন্টা সময় লাগে যে পথটোৰ ইমানেই বেয়া অৱস্থা । ১৯৫৭ চনতে এই ৰাস্তাটো হৈছিল । কিন্তু আজিলৈকে এই ৰাস্তাটো সম্পূৰ্ণ হৈ উঠা নাই । কেৱল ৰিপেয়েৰিঙহে চলি আছে সম্পূৰ্ণৰূপে কনষ্ট্ৰাকশ্যন কৰা নাই । এই ৰাস্তাটো আমাৰ জিলাৰ লাইফ লাইন । এই পথটোৰে আমি চলি আছো । কোনো আৰু বেলেগ ৰাস্তা নাই । এটা বৰ্ডাৰ ৰোড আছে কিন্তু সেইটোৰে মিনিষ্টাৰ-

বিধায়ক আৰু বিষয়াসকলহে যাব পাৰে সাধাৰণ ৰাইজে সেই পথেৰে যাব নোৱাৰে । উত্তৰ পাৰৰ পৰা দক্ষিনপাৰলৈ যাব পৰা পথ মাত্ৰ এটাই । এতিয়া মোৰ কথাটো হ'ল যে, এই পথটোৰ বিষয়ে বহুবাৰ কৈছো, লিখিত ভাৱেও দিছো - কিন্তু এতিয়া কোৱাৰ আৰু কোনো ভাষাই নাই । এই ৰাস্তাটো আজিলৈকে কিয় হোৱা নাই , কি আখেজ আছে, কি পাপ কৰিছো , ইমানবাৰ কোৱাৰ পিচতো মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ পিচতো , মন্ত্ৰীয়ে কোৱাৰ পিচতো আজিলৈকে ৰাস্তাটো নহ'ল । এইবাৰ আকৌ টেণ্ডাৰ হৈছে গতিকে মই অনুৰোধ কৰিম যে, এইবাৰ যাতে এই পথটো অন্ততঃ কনষ্ট্ৰাকশ্যনৰ অপেনিংটো কৰাৰ বাবে চীফ ইঞ্জিনিয়াৰক ক'ব লাগে । গতিকে আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো যে যাতে এই ৰাস্তাটো অনতিপলমে আৰম্ভ কৰে । যিহেতু এই ৰাস্তাটো ২০২৩ চনত ষ্টেট হাইৱে বুলি ঘোষণা কৰিছে আৰু এইবাৰ অসম মালাতো ধৰিছে গতিকে কামটো সোনকালে আৰম্ভ কৰিব লাগে। দ্বিতীয়তে হাট শিঙিমাৰীৰ পৰা দক্ষিন শালমাৰা মানকাছাৰ জিলাখনৰ কোনো এটা পথৰ লগত আন জিলাৰ কানেক্টিভিটি নাই । অসমৰ কোনো জিলালৈ ওলোৱা আমাৰ কোনো ৰাস্তা নাই । আমি মেঘালয়ৰ ফালেৰে অসমৰ বেলেগ জিলালৈ ওলাই যাব লাগে । বেলেগ কোনো বিকল্প নথকাৰ বাবে আমাৰ চিনিওৰ বিধায়ক ৰাজেদ আলি চৌধুৰী ডাঙৰীয়া, বিধায়ক আফটাবউদ্দিন মোল্লা ডাঙৰীয়া , আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াৰ লগতে আমি ৫ জন বিধায়কে মুখ্যমন্ত্ৰী ডাঙৰীলৈ লিখিত দিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই কৈছিলে আপোনালোকে ৫ জন বিধায়কে লিখি দিয়ক যে, হাটশিঙিমাৰীৰ পৰা ফকীৰগঞ্জ হৈ চাউথ শালমাৰা হৈ জলেশ্বৰ হৈ পশ্চিম গোৱালপাৰাৰ পৰা গোৱালপাৰালৈ কানেক্টিভিটি বঢ়াবৰ বাবে এটা প্ৰপোজেল দিয়ক । প্ৰপোজেল আমি সেইমতেই দিছো । এইটো ভাৰতমালাত দিয়াৰ বাবে কৈছিলে কিন্তু আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ বাবে ৫ জন বিধায়কে প্ৰপোজেল দিলো । প্ৰাক্তণ মুখ্যমন্ত্ৰী সোণোৱাল ডাঙৰীয়াই তেখেতৰ কাৰ্য্যকালত মেটাৰটো টেকআপ কৰিছিল । ৪৯৮ কোটি টকা আৰু ডি পি আৰ পৰ্য্যন্ত হৈছিল । কিন্তু কাম আজিলৈ নহ'ল- এই ৰাস্তাটো হ'লে আমাৰ গৰাখহনীয়াও প্ৰটেকশ্যন হ'ব , ধুবুৰী ফুলবাৰী ব্ৰীজ কানেক্টিভিটি হৈ যাব লগতে পঞ্চৰত্ন ব্ৰীজ কানেক্টিভিটি হৈ তিনিখন জিলা মানকাছাৰ জিলা, ধুবুৰী জিলা আৰু গোৱালপাৰা জিলা কানেক্টিভিটি হোৱাৰ লগতে ৫ টা বিধানসভা সমষ্টিও কানেক্টিভিটি হ'ব । নহ'লে আমি যাতায়তৰ বাবে মেঘালয়ৰ ওপৰত ডিপেণ্ড কৰিব লাগে । আজিলৈকে ৪৯৮ কোটি টকাৰ DPR ৰো হৈছিল কিন্তু আজিলৈকে ৰাস্তাটোৰ কাম কোনোধৰণে আৰম্ভ নহ'ল। যিটো ৰাস্তা হ'লে গৰাখহনীয়া Protection পাই যাব। ধুবুৰী ফুলবাৰী Bridge connect হৈ যাব আৰু লগতে পঞ্চৰত্ন Bridge connect হৈ তিনিখন জিলাত- দক্ষিণ শালমৰা মানকাচাৰ, ধুবুৰী আৰু গোৱালপাৰা এই গোটেই কেইখন জিলা Connect হ'ব লগতে পাঁচটা সমষ্টিও Connect হ'ব। নহ'লে আমি মেঘালয়ৰ ওপৰত Dependent হ'ব লাগিব। এই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ বুলি আমি আগতে বিছাৰিছিলো। দ্বিতীয়তে আমি NH connectivity ও বিছাৰিছিলো । সেইটো আমাৰ আগিয়াৰ পৰা মানকাচাৰ হৈ মহেন্দ্ৰগঞ্জ লৈকে যদি Connect কৰিব পাৰে- আজি বাংলাদেশৰ লগত আমাৰ দুটা দুটা Land port আছে, মানকাচাৰ Land port আৰু মহেন্দ্ৰগঞ্জ Land port। বাংলাদেশৰ লগত আমাৰ বাণিজ্যক কেন্দ্ৰ আছে। এই দুৰা বাণিজ্যক কেন্দ্ৰ Connect কৰিব কাৰণে কোনোধৰণ বাট নাই। এইটো কাৰণে আমি এটা আবেদন কৰিছিলো কেইবাবাৰো যে NH ৰাস্তাটো যদি আগিয়াৰ পৰা Extend কৰি যদি মানকাচাৰ Land port টোৰ পৰা আমাৰ মহেন্দ্ৰগঞ্জ Land port টো হয় তেনেহলে ব্যৱসায়ীৰ ক্ষেত্ৰত, নামনি অসমৰ যথেষ্ট

পৰিৱৰ্তন আহিব আৰু NH ৰ অৱস্থাও ভাল হ'ব। লগতে আমি National threat ৰ কথাও কইছো, যিহেতু আমাৰ বাংলাদেশৰ লগত সম্পৰ্কটো অত্যন্ত তিক্ততা পূৰ্ণ সম্পৰ্ক আৰু যদি কেতিয়াৱা যুদ্ধৰ পৰিৱেশ এটা হয়, তেনেহলে আমাৰ অস্ত্ৰ-শস্ত্ৰবোৰ কোনফালে আনিব আৰু Connect কেনেকৈ কৰিব ? এইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ National threat আৰু সেই কাৰণে এই ৰাস্তাটো নিৰ্মাণ কৰাৰ বাবে আমি  বাৰে বাৰে কৈ আহিছো  । আমি আৰু এটা ৰাস্তাৰ কথা কৈছিলো যে, মানকাচাৰ পৰা হাতশিঙিমাৰিলৈ যাওঁতে Main road ৰ বিকল্প এটা Road, যিহেতু তাতে এটা Fencing আৰু কাঁইট থকা কাযেৰে International road এটা আছে, কিন্তু This road is not used by the public. এই ৰাস্তাটোয়ে অকল Officer আৰু BSF ৰ মানুহবোৰে অহা যোৱা কৰিব পাৰে, কিন্তু জনসাধাৰণ মানুহ অহা যোৱা কৰিব নোৱাৰে। যিহেতু তাতে আমাৰ মাটি অধিগ্ৰহণ কৰা আছে, এই মাটিখিনিত যদি এটা বিকল্প ৰাস্তা বনাই দিব পাৰো, তেনে হ'লে আমাৰ দুটা বিকল্প ৰাস্তা হ'ব। এইটো এটা অত্যন্ত Important issue. এইখিনিতে মই আৰু এটা কথা ক'ব খুজিম, যিহেতু যোৱা কালি এই যাৰ কথা কোৱা হৈছে যে ইতিমধ্যে ৪ হাজাৰ ৰাস্তা সম্পূৰ্ণ হৈছে আৰু এই পাঁচ বছৰত আমাৰ  এক হাজাৰ Water resource ৰ ৰাস্তা নিৰ্মাণ হৈছে। নাগাৰবান্ধাৰ ৰাস্তাটো যদি আমি ২ কিঃমিঃ আগুৱাই দিব পাৰো, তেনে হ'লে যিটো South Salmara আৰু মানকাচাৰ যিটো Inter-erosion, একদম হাজিৰাটৰ পৰা আৰম্ভ কৰি বেৰাবাংগা, বান্দৰপাৰা চোকশৰ, নাৱাৰেশ দিশপুৰ, বাংৰেশৰ, কালিদালগা, বালিদালগা ইত্যাদি যিমান খিনি ঠাইত Erosion হৈ আছে, এই Erosion টোৰ কাৰণে যদি নাগাৰবান্ধা বান্ধটো যদি ১.৫ কিঃমিঃ যদি আগুৱাই যদি দিব পাৰো তেনেহ'লে এইটো এটা এক প্ৰকাৰৰ Protection হৈ যাব।

**শ্ৰী দূৰ্গাদাস বড়ো , সভাপতি ঃ** ধন্যবাদ আপুনি কথাখিনি অলপ চুটি কৰক।

**আমিনুল ইছলাম, কনিষ্ঠ (মানকাচাৰ) ঃ** দ্বিতীয়তে নোমাজেশপুৰৰ যিটো Protection road সেইটোৰ পৰা যদি আমি মাত্ৰ ৩ কিঃমিঃ ৰ মথাউৰি এটা কালিদালগালৈ যদি আমি দিব পাৰো তেনেহলে আমাৰ District headquater টো বাছি যায় লগতে আমাৰ ১৪ টা GP বাছি যায়, বাংলাদেশৰ লগত Merge হোৱাৰ পৰা বাছি যায় আৰু লগতে National threat টো নোহোৱা হৈ যায়। তাতে Fencing নাই, উন্মুক্ত হৈ আছে আৰু সেই খিনি জেগাৰ  Protection কৰিবৰ বাবে এই ৰাস্তা কেইটা নিৰ্মাণ হোৱা লগতে আমাৰ Water resouce ৰ যি দুটা Point কলো, এই খিনি যদি কৰি দিব পাৰে আমাৰ অত্যন্ত সুবিধা হ'ব, ধন্যবাদ।

**শ্ৰী দুৰগা দাস বড়ো , সভাপতি ঃ** Next।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ মানকাচাৰৰ সম্মানীয় বিধায়ক শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) তেখেতে যিটো ৰাস্তাৰ কথা কৈছে, আমাৰ বিত্তীয় মন্ত্ৰী, পঞ্চায়ত মন্ত্ৰী আৰু মই আমি তিনিজনে আলোচনা কৰি আছিলো যে এই ৰাস্তাটো যিমান পাৰে সোনকালে হ'ব লাগে। বিত্তীয় মন্ত্ৰীয়ে কৈছে যিয়ে নহওঁক এই ৰাস্তাটো হ'ব লাগে। আমাৰ PNRD বিভাগৰ মন্ত্ৰীয়েও কৈছে যে ৰাস্তাটো অতি সোনকালে হ'ব লাগে। PNRD মন্ত্ৰীৰ Upto-date information আছে, যে এইটো ইতিমধ্যে Assam Mala ত হৈছে। এই ৰাস্তাটোৰে যোৱা অভিজ্ঞতা আমাৰ সকলোৰে আছে, মোৰটো বহু বছৰে পৰা আছে, তেতিয়া মই AGP ত আছিলো,

AGP মন্ত্ৰী আছিলো, আমাৰে সমষ্টি আছিল মানকাচাৰ যিটো এতিয়া আপুনি দখল কৰি ল'লে তাৰ পৰা আমিনুল ইছলাম ডাঙৰীয়াইও মন্ত্ৰীও হৈছে।

**শ্ৰী ৰণজিৎত কুমাৰ দাস (মন্ত্ৰী)** ঃ মই তাত পতাকাৰ উত্তোলন কৰিছিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ হয়, তেখেতেওঁ তাত পতাকাৰ উত্তোলন কৰিছিল। তাতে আমাৰ মুখ্য মন্ত্ৰীয়ে সকলোকে নিৰ্দেশ দিছিল যে, সকলোৱে এবাৰ হ'লেও সকলোৱে মানকাচাৰ Visit কৰিব লাগিব। আমাৰ সকলো মন্ত্ৰীয়ে মানকাচাৰত গৈ নিজৰ নিজৰ বিভাগৰ কথাখিনি চাইছে, মই তাতে যোৱা সময়ত পানী আছিল আৰু এই যিটো Border road ৰ কথা কৈছে, সেইটো যদি ভাঙি যায় তেনেহ'লে বাংলাদেশৰ পৰা মানুহখিনি চিধা আমাৰ তাত সুমাব পাৰিব আৰু সেই বাবে তাৰ মানুহখিনিও সেই কথাটো আপত্তি কৰিছে। মই আহিয়ে শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াক কলো যে, এইটোৰ ওপৰত কিবা ব্যৱস্থা কৰিব লাগে। তেখেতে ক'লে মই পিছ দিনাই মই তাত যাম আৰু গৈ তেখেতে তাৰ Immediately ব্যৱস্থা লৈছে, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই দিয়া নিৰ্দেশ মতে আমি কামখিনি কৰিব চেষ্টা কৰি আছো। মই যেতিয়া Transport Minister আছিলো, প্ৰথম Visit ত গৈ তাত DTO মানকাচাৰ office এটা নিৰ্মাণ কৰি দিছিলো, যিটো তাত নাছিল। মই কথা নিদিও চাই লম, মই Forest Minister হিচাপে আপোনালোকে দিয়া হোৱা প্ৰস্তাৱটোৰ ওপৰত কিবা কৰিব পাৰো নেকি চাওঁ। আপুনি যিটো ৰাস্তাৰ কথা কৈছে সেই ৰাস্তাটো হাতশিঙিমাৰি মানকাচাৰ পথটো নিশ্চিত দিয়া হৈছে, আপুনি এই কথাটো ভালদৰে জানে। আপুনি ইয়াতেই, বাৰে বাৰে কৈছে যে ৰাস্তাটো দিয়ে কিন্তু হৈ নুঠে। কথাটো হয়তো প্ৰথমতে NESSED দি তাত DPR প্ৰস্তুত কৰি, ভাৰত চৰকাৰক দিয়া হ'ল, কিন্তু ভাৰতৰ Doner Ministry য়ে এই ৰাস্তাটো Approve নকৰিলে। Approve নকৰা পিছত পৰৱৰ্তী সময়ত ৰাস্তাটোতো নিৰ্মাণ কৰিবই লাগিব। গতিকে এই বাৰ ৰাস্তাটো Assam Mala 3.0. ত ধৰা হৈছে। গতিকে ২০২৫-২৬ বৰ্ষত ৰাস্তাটোৰ কাম আৰম্ভ হ'ব। ইতিমধ্যে Tender টো Assam Mala 3.0 হৈ গৈছে। এতিয়া Administrative approval পাবলগীয়া আছে আৰু তাৰ Against ত পইচায়ো থাকিব লাগিব তেতিয়া হ'লে হে আমি Administrative approval পাম। Finance Minister য়ে অনা ২০ হাজাৰ কোটি টকাৰ যিটো Supplementary আনিলে, এই Supplementary টোত, এই PWD ৰ পইচাখিনিত আপোনালোকৰ ৰাস্তাও পইচাও আছে। গতিকে অহা ডিচেম্বৰৰ ভিতৰত মই আশ্বস্ত কৰিলো এই গোটেই কামখিনিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব । এইষাৰ কথা মই আজি আপোনাক জনাই থলো। এইষাৰ কথাক লৈ আপুনি আৰু মই নিশচতভাৱে সুখী। আমিও মানকাচাৰ গ'লে মেঘালয়ৰ মাজেদি যাবও আমাৰ অসুবিধা হয়। দ্বিতীয়তে আপুনি কলে যে আপোনালোক যে দুৰ্ভগীয়া মই ভাৱো আপোনালোক ভাগ্যৱান। এই কাৰণে ভাগ্যৱান বুলি ভাৱো আপোনালোকৰ ধুবুৰী ফুলবাৰি দলংখন যিখন ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'ল ২২ কিঃমিঃ দীঘলীয়া দলং, সেই দলংখন পোৱা সৌভাগ্য ১২৬ জন সদস্যৰ ভিতৰত অকল আপুনি। এই দলংখনৰ নিৰ্মাণৰ কাম খুব ক্ষীপ্ৰ গতিত চলি আছে।

**শ্ৰী দুৰ্গাদাস বড়ো , সভাপতি** ঃ মন্ত্ৰী মহোদয় ডাঙৰীয়া, আপোনি ঠিক কথা কৈছে আমি All party গৈ দলংখন চাই আহিছো সেইখন দেখি আমাৰ অলপ হিংসাও হৈছে। এতিয়া আপুনি Continue কৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** কিছুমান ঠাইত ২ কিঃমিঃ ৰ দলংও নিৰ্মাণ হোৱা নাই, কিন্তু আপোনাৰ তাত ২২ কিঃমিঃ ৰ দলং নিৰ্মাণ হৈছে। গতিকে আপোনালোক কেনেকৈ দুৰ্ভগীয়া হ'ল? এই খন দলং ভাৰতবৰ্ষত সকলোৱে জানিব আৰু পৃথিৱীৰ Road map ত Asia ৰ আট ইতকৈ দীঘলীয়া দলং বুলিও আহিব। গতিকে আপোনাৰ গোৱালপাৰা ৰাস্তাৰটোক লৈ যিটো Concern সেইটো আমি সকলোৱে জানো, মই আগতে কোৱাৰ নিচিনা গুৰুত্বপূৰ্ণ কথা আৰু এইবাৰ আপুনি সমষ্টি গ'লে এই ভাল খবৰটো লৈ যাব।

**আমিনুল ইছলাম, কনিষ্ঠ (মানকাচাৰ)** ঃ মাননীয় সভাপতি মহোদয়, এই খিনিতে মই আৰু দুটা কথা কব বিছাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** ইমান ভাল খবৰটো দিয়া পিছতো আপোনি আৰু কিবা কব নেকি?

**আমিনুল ইছলাম, কনিষ্ঠ (মানকাচাৰ)** ঃ মই ভাল কথাটো গুণ গাব বিছাৰিছো। মোৰ কথাটো শুনি খুব ভাল লাগিছে যে, ডিচেম্বৰৰ ভিতৰত এই কামখিনি কৰি দিব বুলি। এনেকুৱা ধৰণৰ আশ্বাস মই এই সদনত ৭ বাৰকৈ পাইছো । যোৱাবাৰ Finance Minister আৰু Parliamentary Affairs মন্ত্ৰীয়ে মোক মাতি কিনি কৈছে যে কামখিনি হৈ গল। ইয়াতে বৰ্তমান Chief Enginner ও আছে আৰু মই ইয়াতে কব বিছাৰিছো যে মোক ৰাস্তাটো দিয়ক।

**শ্ৰী দূৰ্গাদাস বড়ো , সভাপতি** ঃ ঠিক আছে, হ'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয়া পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় সভাপতি মহোদয়, বিত্ত বিভাগৰ মন্ত্ৰীক মই কৈছিলো, সেই মতে NESEED ত ৰাস্তাটো পঠিয়ালো। ভাৰত চৰকাৰৰ DoNER Ministry য়ে যেতিয়া ৰাস্তাটো cancel কৰিলে, সেইটো আমিটো নাজানো। এইবাৰ তেনেকুৱা আশ্বাস আৰু নহয়, এইবাৰ ৰাস্তাটো অসম মালাত ধৰি অসম চৰকাৰে কৰিছো, গতিকে এইবাৰ cancel হোৱাৰ কথা নাহে, এইটো হ'ব।

**মাননীয় সভাপতি** ঃ ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ১২, (বিশেষ উল্লেখ) মাননীয় সদস্য দিপলু ৰঞ্জন শৰ্মা ডাঙৰীয়াই "Establishment of TA ST Plan" শীৰ্ষক বিষয়টো উত্থাপন কৰিব।

**শ্ৰী দিপ্লুৰঞ্জন শৰ্মা, (চামগুৰি)** ঃ মাননীয় সভাপতি মহোদয়, এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় আৰু ৩ কোটি ৫০ লাখ অসমবাসীৰ আত্ম গৌৰবৰ এটা বিষয় লৈ মই সন্মানীয় সদনত এটা বিষয় ৰাখিব বিচাৰিছো। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয় সদনত উপস্থিত আছে।

Semi Conductor Industry, এই Semi Conductor Industry ৰ জৰিয়তে অসমত এটা উদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে বিশ্বৰ মানচিত্ৰত এই Semi Conductor অসমৰ যিটো প্ৰভূত্ব, সেই প্ৰভূত্ব স্থাপন কৰিবৰ বাবে আমি আগবাঢ়িছো।

মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ মাৰ্কদৰ্শন আৰু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যি প্ৰচেষ্টা, যি ভৰিষ্যৎ দ্ৰষ্টা যি সপোন, তাক বাস্তৱ কৰি পেলাই আজি গোটেই উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে আজি আমি ইয়াতে Semi Conductor Industry স্থাপন কৰিবলৈ সক্ষম হৈছো।

মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই এখন press meet ত কৈছিল যে total project cost 27,000 crore আৰু যিটো employment generation হ'ব, direct job 15,000, indirect job 12,000, আৰু total employment over 27,000 to 30,000 আৰু 48 million chips per day, that is a massive operation। অৰ্থাৎ অনাগত সময়ত আমি যিটো কথা কৈছিলো মাননীয় সভাপতি মহোদয়, বহুত দিন আগতে এটা পঢ়িছিলো ১৯৩৩ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি আছিল Franklin D. Roosevelt, তেতিয়া আমেৰিকাত great depression আছিল, গোটেই আমেৰিকাৰ অৰ্থনৈতিক অৱস্থাটো এটা ভয়ানক গতিৰ দিশে গতি কৰিছিল। সেই সময়ত Franklin D. Roosevelt গোটেই আমেৰিকানবাসীক বিশ্বাস দিয়াৰ কাৰণে এটা কথা কৈছিল the only thing we have to fear is the fear itself। অৰ্থাৎ এই ভয় শব্দটোৰ পৰা ওপৰত গৈ পেলাই আমি যদি কাম কৰো, এইটোৱে আমাৰ সকলো প্ৰতিবন্ধকতা আতঁৰাই দিব। আমি ভৰা নাছিলো যে অসমত Semi Conductor Industry আমি স্থাপন কৰিব পাৰিম আৰু আজি Semi Conductor ৰ যিটো assemble, এই উদ্যোগে গোটেই অসমতে উদ্যোগীকৰণৰ এটা পৰিৱেশ গঢ়ি তুলিছে। শদিয়াৰ পৰা ধুবুৰীলৈকে, কৰিমগঞ্জৰ পৰা কোকৰাঝাৰলৈকে আমাৰ যুৱ প্ৰজন্মৰ মনত এটা আত্ম বিশ্বাস, আত্ম প্ৰত্যয় গঢ়ি তুলিছে। সেই কাৰণে মাননীয় প্ৰধানমন্ত্ৰী, নৰেন্দ্ৰ মোডী ডাঙৰীয়া, মাননীয় মুখমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকে ধৰি মাননীয় উদ্যোগ মন্ত্ৰীকে ধৰি সকলোৰে এই ক্ষেত্ৰত প্ৰশংসাৰ পাত্ৰ, আগন্তুক ১০০ বছৰৰ সপোন, ১০০ বছৰৰ ভৱিষ্যৎ life line আমি প্ৰস্তুত কৰিছো।

কোনোবাই হয়তো ক'ব পাৰে আৰু আটাইতকৈ দুখৰ কথা যে এই বিধান সভাত থাকি কৈছে যে অসমতে এই সদনত বহি থকা বহু সংখ্যক ব্যক্তিৰ দলৰ এজন মানুহে কলে যে Semi Conductor ... (interruption).. যে এবাৰ নহয়, খুব দুখৰ কথা, আমি ১২৬ জন বিধায়কে ইয়াত বহি আছো, অসমত ৩.৫০ লাখ জনসাধাৰণক প্ৰতিনিধিত্ব কৰি। অসম হৈছে সম্ভাৱনাৰ দেশ, অসম হৈছে যুৱ প্ৰজন্মৰ talent থকা দেশ, এই অসমে গোটেই বিশ্বক সপোন দেখুৱাব পাৰে। আমি জানো ১৭ বাৰ মোগলক পৰাস্ত কৰা আমি অসমীয়া আৰু এই অসমবাসীৰ হাতত talent নাই বুলি এটা সম্পূৰ্ণৰূপে এটা biased comment দিলে, এবাৰ নহয় দুবাৰ। তেওঁলোকে যিয়ে comment নিদিয়ক কিয়, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাৰ কাৰণে যিটো উপমা দিব লাগে, সুন্দৰভাৱে দিছে।

মাননীয় সভাপতি মহোদয়, মই প্ৰসংগৰ পৰা ফালৰি কাটি কৈছো, মই পঢ়িছিলো ১৯৮০ চনত যেতিয়া মাৰুতি উদ্যোগৰ assemble হৈছিল, সেই সময়ত মাত্ৰ ৮৩৩ জন কৰ্মচাৰীৰ দ্বাৰা গোটেই উদ্যোগটো আৰম্ভ হৈছিল। লাহে লাহে এই উদ্যোগে manufacturing আৰম্ভ কৰিলে আৰু আজিৰ দিনত আমি চাইছো এই গোটেই মাৰুতি উদ্যোগৰ জৰিয়তে যিটো এটা automobile industry, তাৰ যিটো value chain আছিল, প্ৰায় ২ কোটিতকৈ অধিক employment বিভিন্ন প্ৰকাৰে দিবলৈ সক্ষম হৈছিল। কৰবাত down stream industry হৈছে, কৰবাত হয়তো motor parts ৰ দোকান খুলি আমাৰ থলুৱা খিলঞ্জীয়া যুৱক এজন উপকৃত হৈছে। অৰ্থাৎ এই value chain ত প্ৰায় ২ কোটিতকৈ ওপৰত যিটো employment হৈছে, ৮৩৩ জনৰ পৰা ২ কোটি, অৰ্থাৎ 50 times বেছি। এইটো আমাৰ GDP ৰ প্ৰায় ৭ শতাংশ আৰু মই সেই কাৰণে মাননীয় উদ্যোগ মন্ত্ৰীৰ পৰা আশা কৰিছো আৰু ইতিমধ্যে

কেইদিনমান আগতে পাইছিলো, আমাৰ নিচিনা যুৱ প্ৰজন্মৰ মাজত অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে উদ্যোগ বিভাগে সপোন জগাইছে। মাজতে এমাহ আগত পঢ়িছিলো যে অসমৰ কেইবাজনো বচা বচা young entrepreneurs আনি অসম চৰকাৰে তেওঁলোকক guide কৰিছে।

মাননীয় কালাম ডাঙৰীয়াই সদায় এটা কথা কয় যে “সপোন সেইটো নহয়, যিটো আমি শুৱতে দেখো, সপোন সেইটো হে যিটো আমাৰ শুৱলৈ নিদিয়ে” । মই সেইকাৰণে মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ক মোৰ জিজ্ঞাসাৰ কাৰণে সুধিব বিচাৰিছো যে এই Semi Conductor Industry লৈ পেলাই যিবোৰ down stream industry আছে, যিখিনিৰ জৰিয়তে অসমত হাজাৰ হাজাৰ নিবনুৱাই আত্মসংস্থাপন পাব পাৰে, এই ক্ষেত্ৰত আমাৰ অসম চৰকাৰৰ কি কি ব্যৱস্থা আছে? কি কি proposal আছে আৰু young generation ৰ মাজত awareness create কৰিবৰ কাৰণে আমাৰ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে। মই মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**সভাপতি ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, Semi Conductor আজিৰ digital যি economy, এই economy ত এটা life changing হিচাপে আজি পৰিগণিত হৈছে। আজিৰ আধুনিক সমাজখন পৰিচালিত হ’ব কাৰণে smart phone ৰ পৰা automobile লৈকে defence system ৰ পৰা medical equipment লৈ, artificial intelligence ৰ পৰা আৰম্ভ কৰি সকলো অত্যাধুনিক সা-সজুলি digital electronics, এই গোটেই বিষয়খিনি without semi conductor ৰ আজি সমাজে একখোজে ইফাল সিফাল কৰিব নোৱাৰে। আমাৰ semi conductor, এই যি technology, পূৰ্বতে আমি পৃথিৱীৰ অন্যান্য দেশ সমূহৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই visionary leadership ৰ জৰিয়তে তেখেতে ভাৰতবৰ্ষখনক আত্মনিৰ্ভৰ ভাৰত আৰু বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ ভাৰত হিচাপে নিৰ্মাণ কৰাত যি সপোন দেখিছিল, সন্মানীয় সদস্যগৰাকীয়ে ইতিমধ্যে কৈছে যে শুই থাকোতে দেখা সপোন কেতিয়াও বাস্তৱ নহয়, বৰঞ্চ সাৰ পাই থকা সপোনহে বাস্তৱতাৰ ৰূপ পায় আৰু মোডী ডাঙৰীয়াই সেই সপোন দিনত দেখি কেনেকৈ এখন শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণ কৰিব পৰা যায়, তাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছিল। তেখেতৰ Make In India, Slogan ৰে অসমৰ লগতে ভাৰতবৰ্ষৰ এই ক্ষেত্ৰখনৰ লগত জড়িত ব্যক্তিসকল উদ্বুদ্ধ কৰিছিল আৰু তাৰ ফলশ্ৰুতিত আমাৰ দেশে indigenous technology Semi Conductor উদ্ভাৱন কৰিবৰ কাৰণে সক্ষম হ’ল আৰু সমান্তৰাল ভাৱে এখন আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীৰে পৰিচালিত আমাৰ যি প্ৰযুক্তি আমাৰ বিজ্ঞানীসকলে আৱিস্কাৰ কৰি উলিয়ালে, ইয়াৰ যি নিৰ্মাণৰ উদ্যোগ সেই উদ্যোগ স্থাপন কৰিবৰ কাৰণেও আমাৰ দেশত Semi Conductor mission আৰু সমান্তৰাল ভাৱে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যে আমাৰ অসমখনক দেশৰ অন্যান্য আগশাৰীৰ ৫ খন ৰাজ্যৰ লগত একেলগে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন কাৰ্য্যসূচীৰ ভিতৰত যি electronic policy আছে, সেই electronic policy ৰ আধাৰত আৰু India ৰ Semi Conductor Mission ৰ আধাৰত আজি আমি জাগীৰোডত ভাৰতৰ ভিতৰতে এটা ডাঙৰ Semi Conductor Assembly and Test, যাক আমি OSAT বুলি কওঁ, আজি আমি ইয়াতে স্থাপন কৰিবৰ

কাৰণে সক্ষম হৈছো। প্ৰায় ২৭ হাজাৰ কোটি টকাৰ বিনিয়োগ আমাৰ ৰাজ্যত পূৰ্বতে কেতিয়াও হোৱা নাছিল। মই ৰাজহুৱা খণ্ডৰ কথা কোৱা নাই। এই যি উদ্যোগ ভাৰতৰ বৃহত্তম উদ্যেগসমূহৰ ভিতৰত অন্যতম। মই ভাবো যে এই অসমে Semi Conductor and Electronic নিৰ্মাণৰ ক্ষেত্ৰত বিশ্বব্যাপি এক পৰিচয় লাভ কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সদায় কয় যে 'North-East হামাৰে দেশ কা অষ্টলক্ষ্মী হ্যায়।' North-East মানে কেৱল NE সেইটো নহয়, এতিয়া দেশৰ New Engine হিচাপে পৰিগণিত হ'বলৈ আগবাঢ়িছে। যেতিয়া Semi Conductor ৰ উৎপাদন আৰম্ভ হ'ব তাত বিশ্বমানৰ যি সুবিধা, যিসমূহ বিশেষত্ব wallbonding, flip chip, integrated system in package এই সমূহ যেতিয়া নিৰ্মাণ হ'ব আৰু এই সমূহ নিৰ্মাণৰ ফলত মটৰ গাড়ী, কৃত্ৰিম বুদ্ধিমত্তা, টেলিকম এইসমূহ উদ্যোগৰ লগত প্ৰত্যক্ষ সম্পৰ্ক আমাৰ অসমত সম্ভৱ হ'ব। South-East Asian ত যিসমূহ দেশ আছে তাত পৃথিৱীৰ ৩০ শতাংশ লোক বসবাস কৰে আৰু অসমৰ ভৌগলিক সুবিধাৰ বাবে প্ৰায় ৩-৪ ঘণ্টা flying duration ত প্ৰায় পৃথিৱীৰ ৩০ শতাংশ মানুহৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰো। এই জাগীৰোডত স্থাপন হোৱা Semi Conductor উদ্যোগৰ ফলত আমাৰ এই ৩০ শতাংশ মানুহৰ লগত অসমৰ সম্পৰ্ক স্থাপন হ'ব আৰু ইয়ে আমাৰ অৰ্থনীতিত বহুখিনি প্ৰভাৱ পেলাব। এইটো কথা নিশ্চিত যে প্ৰতিদিনে আনুমানিক ৪৮ নিযুত chip ইয়াতে উৎপাদন হ'ব। যিসকলে ইয়াত Electronic উদ্যোগৰ লগত জড়িত হৈ আছে, তেওঁলোক অসমলৈ আগবাঢ়ি আহিব। অসমত নৱ-জাগৰণৰ সূচনা হ'ব।

**সভাপতি ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি আপোনাৰ ভাষণটো অলপ সামৰণিৰ ফালে অনাৰ বাবে অনুৰোধ কৰিলো। অন্য বহুতো আৰু বিষয় আছে।

**শ্ৰী ৰেকিবুদ্দিন আহেমেদ, (ছয়গাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, অন্য আৰু কিছু বিষয়ও আলোচনা কৰিবলগীয়া আছে।

**শ্ৰী বিমল বৰা, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ইত্যাদি বিভাগ ঃ** মাননীয় সভাপতি মহোদয়, কংগ্ৰেছ দলে Semi Conductor ৰ কথা ক'লে মাজতে কিবা এটা কৈ দিয়ে। কংগ্ৰেছ দলে অসমত Semi Conductor হ'লে কিয় বেয়া পায়?........interruption....... অসমৰ টেলেণ্টে পৃথিৱীৰ বিভিন্ন ঠাইত কাম কৰি আছে। মোক সময় দিলে মই লিষ্টসমূহ গাই দিব পাৰো। কংগ্ৰেছ দলে Semi Conductor ৰ কথা কিয় ক'ব লাগে বুলি কয় আৰু আনফালে খৰ্গে ডাঙৰীয়াৰ পুতেকেও কৰ্ণাটকত কয় যে অসমত কিয় Semi Conductor স্থাপন কৰিব লাগে? ........interruption....... **(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**সভাপতি ঃ** আপোনালোক সকলোৱে বহক। মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী জাকিৰ হুছেইন সিকাদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Semi Conduct ৰ কথা ক'বলৈ কংগ্ৰেছে কেতিয়াওঁ বাধা দিয়া নাই। এইটো ভুল বাৰ্তা গৈছে।

........interruption....... মাননীয় সাংসদ গৌৰৱ গগৈ ডাঙৰীয়াই এনেকুৱা কথা কোৱা নাই..

........interruption.......**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**সভাপতি ঃ** আপোনালোক সকলোৱে বহক। বিতৰ্ক কৰিলে আচল কথাটো ৰৈ যাব। মাননীয় মন্ত্ৰী ডাঙৰীয়াই চমুকৈ উত্তৰখিনি দিয়ক।

**শ্ৰী বিমল বৰা, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ইত্যাদি বিভাগ ঃ** মাননীয় সভাপতি মহোদয়, Semi Conductor এ অসমত নৱজাগৰণৰ সৃষ্টি কৰিছে। নৱ-প্ৰজন্মই আশাৰ কিৰণ দেখিছে। মাননীয়

মুখ্যমন্ত্ৰী মহোদয়ে যি সাহস আৰু দায়িত্বসহকাৰে জাগীৰোডত Semi Conductor ৰ উদ্যোগ স্থাপন কৰিবলৈ প্ৰয়াস কৰিলে তাৰ বাবে আমি সকালোৰে হাত চাপৰি বজাই তেখেতক ধন্যবাদ জনাব লাগে।

(হাত চাপৰি বজাই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনায়।)

**শ্ৰী বিমল বৰা, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ইত্যাদি বিভাগ ঃ** মাননীয় সভাপতি মহোদয়, এই যি টেলেণ্ট নোহোৱাৰ কথা কৈছে তাৰ তালিকাখন মই আপোনাক কৈ দিছো। ধেমাজিৰ মানস গগৈয়ে Aerospace Technical ত কাম কৰি আছে, তেজপুৰৰ বৈজ্ঞানিক সুতপা দত্ত DRDA ত কাম কৰি আছে, তণয় বৰা ডাঙৰীয়াই গুৱাহাটীৰ আই আই টিত ৰব'টিক ইঞ্জিনিয়াৰিঙত কাম কৰি আছে, তিনিচুকীয়াৰ প্ৰাঞ্জল দাসে ইণ্ডিগ'এয়াৰলাইঞ্চত Aviation Engineer হিচাপে কাম কৰি আছে, বৰপেটাৰ ঋষিকেশ দত্তই A I Scientist হিচাপে Microsoft Research ত কাম কৰি আছে। কংগ্ৰেছে অসমত টেলেণ্ট নাই বুলি কয়। নতুন প্ৰজন্মই Semi Conduct ৰ কাৰণে আশাৰে বাট চাই আছে........interruption.......

**শ্ৰী ৰেকিবুদ্দিন আহমেদ,(ছয়গাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, কংগ্ৰেছে অসমত টেলেণ্ট নাই বুলি কেতিয়া কৈছে? ........interruption.......

**শ্ৰী বিমল বৰা, মন্ত্ৰী, উদ্যোগ, বাণিজ্য ইত্যাদি বিভাগ ঃ** মাননীয় সভাপতি মহোদয়, Semi Conductor ক লৈ আমি অতি আন্তৰিকতাৰে কাম কৰি আছো। যাতে ভৱিষ্যত প্ৰজন্মই নিজৰ দক্ষতা আৰু প্ৰতিভাৰ ভিত্তিত কৰ্ম-সংস্থাপন পাব পাৰে। কাৰণ এই Semi Conduct ৰ উদ্যোগতে ২৭,০০০ তকৈ অধিক যুৱক-যুৱতীয়ে প্ৰত্যক্ষভাৱে ইয়াত নিযুক্তি পাব বুলি আমাক জনাইছে। আমি জাগীৰোডত বিশ্বমানৰ চেটেলাইট টাউনশ্বিপ নিৰ্মাণ কৰিম। যাৰ ফলত সমগ্ৰ বিশ্বৰ Semi Conductor আৰু Electronic ৰ লগত জড়িত উদ্যোগসমূহ ইয়ালৈ আহিব। ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকাদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অফ অৰ্ডাৰ আছে।

**সভাপতি ঃ** মাননীয় সদস্য, আপুনি বিতৰ্কলৈ নাযাব। আপোনালোকে যে কোৱা নাই সেই কথাটো ক'লেই হ'ল। ইয়াত আচলতে আলোচনা নহয়।

**শ্ৰী জাকিৰ হুছেইন সিকাদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ স্থিতিটো স্পষ্ট কৰি দিব বিচাৰিছো যে Semi Conductor ৰ বিষয়ে আলোচনা কৰোতে কংগ্ৰেছে কেতিয়াও বাধা দিয়া নাই। মাননীয় মন্ত্ৰী মহোদয়ে যিটো অভিযোগ আনিছে, তাক আমি নস্যাৎ কৰিছো আৰু প্ৰচিডিঙৰ পৰা এইটো উঠাই ল'ব লাগে। .............interruption.......

**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**সভাপতি ঃ** আপোনালোক সকলোৰে বহক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল আপোনালোকে বহি লওঁক।

............সদনত হুলস্থুলীয়া পৰিৱেশ.............

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে সদনত শুদ্ধ কথা ক'লে ভাল পাওঁ। যোৱাকালি মোক ক'লে যে তাত বোলে কিবা এখন আছে কেন্দ্ৰীয় মন্ত্ৰী পিযুষ গোৱেল ডাঙৰীয়াক যোৱাকালি দিয়া চিঠি। ইয়াত Export ৰ কথা উল্লেখ এ নাই। আমাক মন্ত্ৰী মহোদয়ে কৈছে উল্লেখ আছে বুলি। সদনক খালী বিপথে পৰিচালিত কৰিছে মহোদয়।

..........সদনত হুলস্থুলীয়া পৰিৱেশ.............

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে reply টো দিবলৈ দিয়ক।

..........সদনত হুলস্থুলীয়া পৰিৱেশ.............

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জাগীৰোড সমষ্টিৰ বিধায়ক। মোৰ সমষ্টিত semi-conductor উদ্যোগ স্থাপন হৈছে, মই জানিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল আপোনালোকে ভালদৰে শুনি লওঁক।

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, semi-conductor ৰ আধাৰশীলা মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই স্থাপন কৰিছিল। সেই আধাৰশিলা স্থাপনৰ অনুষ্ঠানত সমগ্ৰ অসমৰ নৱম, দশম আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰী সকলেও যাতে এই দূৰদৰ্শী, আমাৰ ভৱিষ্যৎ পৰিৱৰ্তন কৰা এই উদ্যোগটোৰ উদ্ধোধনী অনুষ্ঠান উপভোগ কৰিব পাৰে তাৰ বাবে আমি ২ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীৰ লগত সংযোগ স্থাপন কৰিছিলো। যাতে এই যুৱ শিক্ষাৰ্থী সকলে বিকশিত ভাৰত, বিকশিত অসমৰ উদ্যম আৰু ৰাজ্যখনৰ উদীয়মান, প্ৰযুক্তিগত যিটো দৃশ্যপট, সেই দৃশ্যপটেৰে আজি তেওঁলোকে নতুন vision ৰে আগুৱাই যাবৰ কাৰণে তেওঁলোকে সাহস পাব পাৰে আৰু সমান্তৰালভাৱে Advantage Assam ৰ সমস্যাৰ পৰৱৰ্ত্তী সময়ত কেন্দ্ৰীয় Electronic Minister অশ্বিনী বৈষ্ণৱ ডাঙৰীয়াইও আহি Semi-conductor ৰ উদ্যোগৰ স্থান পৰিভ্ৰমণ কৰিছিল আৰু লগত প্ৰায় ৫০০ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লগত লৈ তেওঁ সেইটো পৰিদৰ্শন কৰিছিল। এটা কৰ্মদক্ষ শক্তি গঢ়ি তুলিবৰ কাৰণে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অৰ্ধ পৰিবাহী তত্ব আৰু প্ৰয়োগত PG diploma আজি প্ৰৱৰ্তন কৰিছে। গতিকে New Generation ক আজি এই ক্ষেত্ৰত উদ্বুদ্ধ কৰিবৰ কাৰণে সমগ্ৰ অসমৰ শৈক্ষিক প্ৰতিষ্ঠান সমূহেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই Semi-conductor উদ্যোগে আজি পৃথিৱীৰ দৃষ্টি আকৰ্ষণ কৰিছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে কেইদিনমান আগত তালৈ আহিছে। সমান্তৰালভাৱে জাপানৰ এটা Deligation..........

..........সদনত হুলস্থুলীয়া পৰিৱেশ.............

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা পাইছে আৰু ৰাজ্য চৰকাৰে কিমান দিছে আৰু TATA ই কিমান কোটি টকা খৰচ কৰিছে সেইটো হিচাপ দিলে গোমৰ ফাক ওলাই পৰিব।

.........সদনত হুলস্থুলীয়া পৰিৱেশ.............

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য অখিল গগৈ এইটো debate নহয়। মন্ত্ৰীয়ে reply দিছে । This is not a debate. অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গৰাকী বিধায়কে দেশৰ নীতি-নিয়ম একো নাজানে। আজি ইয়াত Semi-conductor হৈছে India ৰ Semi-conductor Mission. আমাৰ অসমৰ Electronics policy.............

........সদনত হুলস্থুলীয়া পৰিৱেশ.............

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী আপুনি reply দি শেষ কৰি দিয়ক।

**শ্ৰী বিমল বড়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Electronics policy ৰ আধাৰতে ইয়াত Semi-conductor Mission হৈছে। গতিকে তাত কিমান টকা দিয়া হৈছে সেই হিচাপ পাব আপুনি। Definitely আমি তেওঁলোকক সহায় কৰিছো, মাটি তেওঁলোকক দিছো।

........সদনত হুলস্থুলীয়া পৰিৱেশ............

**माननীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী আপোনাৰ reply টো দিলেই হ'ব। পৰৱৰ্ত্তী শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩১১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা গুৰুত্বপূৰ্ণ বিষয়টো লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, ছমৰীয়া সমষ্টিৰ তলত উল্লেখ কৰা পথসমূহৰ আৰু দলং সমূহৰ সম্পৰ্কীয় কিছু সমস্যাৰ বিষয়ে সদনৰ জৰিয়তে উত্থাপন কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয় জলজলী নদীৰ ওপৰত দলং নিমাৰ্ণৰ দাবী বহু পুৰণি। এই বিধান সভাত বহুবাৰ সদনত জলজলী নদী দলং নিৰ্মাণৰ ওপৰত আলোচনা হৈছে। মাননীয় মন্ত্ৰী মহোদয় ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও ইয়াৰ এপৰত উত্তৰ দিছিল আমি বিধান সভাত সাক্ষী আছিলো। দলং অবিহনে বৰপেটা গোৱালপাৰা কামৰূপ জিলাৰ সৰ্বসাধাৰণ ৰাইজে তাহানিৰ পৰা জীয়াতু ভুগি আহিছে। বিশেষকৈ কামৰূপ জিলাৰ বকো সমষ্টি বৰ্তমান চমৰীয়া সমষ্টিৰ অন্তৰ্গত ভালেখিনি ঠাইত ইয়াৰ লগত ছয়গাওঁ বকো সমষ্টি জড়িত আৰু বৰ্তমানো চমৰীয়া সমষ্টি জড়িত অন্তৰ্গত ৰঙেশ্বৰী, টোপামাৰী, সোণতলী আদিৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি আহিছে। জনসাধাৰণৰ নিজা প্ৰচেষ্টাৰে নিৰ্মাণ কৰা কাঠৰ দলংখনৰ বৰ্তমান অৱস্থা বহু শোচনীয় ৩৩০ মিটাৰ দীৰ্ঘ্যৰ এখন পকী দলং নিৰ্মাণৰ বাবে সময়ে সময়ে প্ৰস্তাৱ দি অহা হৈছে আৰু সদনত বহুবাৰ আলোচনাও হৈছে আৰু আজি মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী আৰু কামৰূপৰ incharge minister ডাঙৰীয়াও এই দলংখনৰ বিষয়েও খুব ভালদৰে তেখেতে জ্ঞাত। সাম্প্ৰতিক গ্ৰাম্য ৰাষ্টা-ঘাট নিৰ্মাণ আন্তঃগাঁথনি দ্ৰুত উন্নয়ণৰ সময়তে কামৰূপ, বৰপেটা, গোৱালপাৰা জিলাৰ সীমান্তৱৰ্তী অঞ্চলৰ জলজলী নদীৰ ওপৰত থকা দ কুছি, নগৰবেৰা, পাহাৰপাৰা সংযোগী দলং পকীকৰণৰ কথা অতিশয় গুৰুত্বপূৰ্ণ। বৰ্তমান দলংখন পকীকৰণ নোহোৱাৰ ফলত নৈখনৰ উত্তৰ দক্ষিণপাৰে অৱস্থিত অঞ্চলবাসী যেনে সোণতলী, পহুৰাদিয়া, টোপামাৰী, কালাতৰী, গৰৈমাৰী, গুমী আদি অঞ্চলৰ বাসিন্দাৰ লগতে নগৰবেৰা পাহাৰতলী, হেকেৰা আদি অঞ্চলৰ ৰাইজৰ লগতে বৰপেটা, গোৱালপাৰা, কামৰূপ জিলালৈ যাতায়াতৰ যথেষ্ট অসুবিধা হয়। ৰাইজে বহু বছৰৰ পৰা অতি আগ্ৰহ আশাৰে নিৰ্মাণৰ বাবে এই দলঙৰ কামৰ বাবে বাট চাই আছে। মাননীয় অধ্যক্ষ মহোদয়, এই দলংখন হৈ পৰিলে গৰৈমাৰী, কালাতলী, ডেকাচাং , হেকেৰা, নগৰবেৰা মুঠ ৪০ কিলোমিটাৰ দৈঘ্যৰ পথ চমু হোৱাত এটা দীৰ্ঘদিনীয়া সমস্যা সমাপন হ'ব। এই দলঙৰ লগতে কালাতলী, সোণতলী , ৰঙাপানী, পহুৰাদিয়াহৈ, নগৰবেৰাৰ পথৰ মুঠ ২১ কিলোমিটাৰ পথ নিৰ্মাণ হ'লে অঞ্চলটোত যথেষ্ট সহায়ক হ'ব। লগতে শালুখুটি সোণতলী, গাপতলাৰ পৰা চকবজাৰ হৈ নগৰবেৰা পাৰঘাটলৈ পথৰ দৈঘ্য ১৮ কিলোমিটাৰ নিৰ্মাণ হ'লে যাতায়াতৰ পথ সুচল হ'ব। নগৰবেৰা, দকুছি, পাহাৰপাৰা সংযোগ কৰা জলজলীৰ নদীৰ ওপৰত নিৰ্মাণ কৰা কোটি টকীয়া কাঠৰ দলংখন মেৰামতিৰ অভাৱত ভাঙি যোৱা বৰ্তমান ২৫-৩০ গাওঁ তিনি চাৰিখন জিলাৰ লক্ষ মানুহ বিশেষ অসুবিধাৰ বিভিন্ন সময়ত সমস্যা হৈ আহিছে। এখন ঐতিহ্যমণ্ডিত ঠাই নগৰবেৰাৰ সৰ্বস্তৰৰ লোক সকলে স্বৰাজোত্তৰ ফালৰ পৰা জীয়াতু ভূগী আহিছে। চৰকাৰৰ গুৰুত্ব অবিহনে এইখন দলংনিৰ্মাণ সম্ভৱ নহয়। গতিকে মই আজি সদনৰ মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে লোকনিৰ্মাণ বিভাগৰ সন্মানীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিলো। মহোদয়ৰ জ্ঞাতাৰ্থে কোৱা প্ৰয়োজন বিপদসংকুল তুলুঙা নাৰে ৰাইজৰ একমাত্ৰ ভৰষা। নদী পাৰ হোৱাৰ সময়ত বহু

দুৰ্য্যেগৰ সন্মুখীন ৰাইজ হ'বলগীয়া হৈছে। বহু সময়ত ৰাইজে দান বৰঙণি তুলিও এই সমস্যা সমাধান কৰিবলৈ বিচাৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মোৰ শেষ কথা এইটোৱেই হ'ল যে মন্ত্ৰী মহোদয় সদনৰ জৰিয়তে আমি কাতৰভাৱে অনুৰোধ জনাও এই সমস্যা অনতি পলমে সমাধান কৰি জলজলী নদীৰ দলং আৰু লগতে কাষৰীয়া যিখিনি ৰাষ্টা আছে, সেইখিনি নিৰ্মাণ কৰি জনসাধাৰণক আমাৰ তিনিখন জিলাৰ এটা ভাল যোগাযোগ লগতে গোটেইখিনি নতুনকৈ গঠিত চমৰীয়া সমষ্টি আৰু ছয়গাওঁ বকো সমষ্টিৰ গোটেইখিনি অংশ যাতে সকলোকে সহায় সহযোগ কৰি দিয়ে তাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু এটা সুন্দৰ ভাল উত্তৰ পাম বুলি সদনৰ মজিয়াত মই আশা কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰীমতী নন্দিতা দাস, বকো** ঃ চাৰ মই participate কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ নালাগে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছয়গাওঁ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোত আৰু এজনে কোৱাৰ provision থাকে নেকি? তেতিয়াহ'লেতো সকলোৱে ক'ব লাগিব। মই যেতিয়া নিয়ম ৩০১ ত ক'লো লগে লগে provision থাকে নেকি?

**মাননীয় অধ্যক্ষ** ঃ নাথাকে। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই জলজলী দলংখন সম্পৰ্কত শ্ৰীৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে গতিকে এই জলজলীৰ দলংখনৰ সম্পৰ্কত মই জানো ইয়াৰ আগতে এইখন বকো সমষ্টিৰ অন্তৰ্গত আছিল। শ্ৰীমতী নন্দিতা বাইদেউৱে আগতে কৈছিল। গতিকে এই এলেকাত আমাৰ শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াৰ সমষ্টিত গ'ল. গতিকে তেখেত আজি মোক বিধান সভাত অহাৰ পিছত কৈছিল যে জলজলীৰ দলংখন কৰি দিব লাগে। এই দলংখনৰ দৈৰ্ঘ্য প্ৰায় চাৰে তিনিশ মিটাৰৰ ওপৰত আছে। গতিকে মই আগতে ইয়াত আজি অসম বিধান সভাত PWD বিভাগৰ উত্তৰত কৈছে PWD বিভাগৰ উত্তৰ মই কৈছিলো যে আমাৰ যিটো World Bank project আছে, সেইটোত ARRBP Scheme এই World Bank project ত এই দলংখন ধৰিব লাগিব। কাৰণ দলংখন প্ৰায় চাৰিশ মিটাৰৰ ওপৰত আছে। দুয়োফালে ৰাষ্টাও বহুখিনি আছে। আজিৰ দিনটোত এই দলংখনত কম পইচাৰে বা SOP ৰ এই ৰাষ্টাটো সম্ভৱ নহয়। দলংখন যথেষ্ট দীঘলীয়া দলং হ'ব আৰু দলংখন বহুত ডাঙৰ হ'ব। এই দলংখন তিনিখন জিলা সামৰি সংযোজিত দলং। কাম ৰূপ, বৰপেটা আৰু গোৱালপাৰা আছে। গতিকে এই দলংখন আমাৰ এই ARRBP যিটো World Bank project, তাত দিয়াৰ কাৰণে বিভাগে এটা চেষ্টা চলাব। কিন্তু পাৰম্ভিক আলোচনাত World bank ৰ যিখন আঁচনি, এই ARRBP এই আঁচনিখনত World Bank য়ে কৈছে যে আপোনালোকে যিমান পাৰে দলংখন ১০০ মিটাৰৰ ভিতৰত ৰাখিব। তেনেকৈ প্ৰায় ১১ খন দলং অসমত কৰাৰ কথা আছিল। কথাটো হৈছে যে এই ১ হাজাৰখন দলং তাত তেখেতসকল World Bank য়ে PWD বিভাগৰ লগত আলোচনাত কৈছে। আপোনালোকে ১ মিটাৰৰ ভিতৰত দলঙৰ দৈৰ্ঘ্যটো ৰাখিলে ভাল হয়। কিন্তু এই দলঙখনৰ দৈৰ্ঘ্য প্ৰায় ৪ শ মিটিৰমান বা ৪ শতকৈ বেছি হ'ব। দুয়োফালে ৰাষ্টাও থাকিব। যিটো World Bank ARRBP এই project ত এই দলংখন ধৰিব লাগিব। দলংখনৰ কাৰণে এটা special তেখেতসকলক অনুৰোধ কৰিব লাগিব PWD বিভাগ আৰু অসম চৰকাৰৰ পৰা আৰু সেইটো তেওঁলোকে যদি agree কৰে, তেতিয়াহ'লে দলংখন সোনকালে হ'ব।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** এইটো World Bank ৰ priority no. 1 ত আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ঃ** বাইদেউ মই কৈ আছো। Priority no. 1 ত দিলেও তেওঁলোকৰ condition টো হ'ল first phase ত দলং কিছু গ'ল, 2nd phase বনাই আছে। তেওঁলোকৰ কথা হৈছে যে ১ শ মিটাৰৰ ভিতৰত হ'ব লাগে। World Bank ৰ norms বিলাক অসম strict. এই দলংখন চাৰে চাৰিশ মিটাৰতকৈ অলপ বেছি হ'ব। দুয়োকাষে ৰাস্তা বনাব লাগিব। এই দলংখন প্ৰায় ৩২০ মিটাৰ, ৩৫০ দৈৰ্ঘ্যৰ ভিতৰত দলংখন আছে। কিন্তু World Bank ৰ norms ১ শ মিটাৰ। গতিকে বিভাগৰ লগত আৰু আমি আলোচনা কৰিছো। উচ্চপদস্ত বিষয়া সকল গেলাৰীত আছে। গতিকে আজি আমি চেম্বাৰত এই কথাখিনি আলোচনা কৰিছে। এই দলংখন আমি যেনেতেনে PWD বিভাৰত তৰফৰ পৰা এই ARRBP তাত আমি এই দলংখন সোমোৱাব পাৰো নেকি? গতিকে তাত এই দ্বিতীয় পৰ্য্যায়ত যি আঁচনি যাব, Commissioner PWD আৰু আমাৰ Chief Engineer এই কথাটো একমত হৈছে। গতিকে এইবাৰ World Bank ৰ project ত এইখন হয়তো তেওঁলোকে project কৰিব। তাৰ আগতে এটা PWD department ৰ পৰা এটা consultency কৰিব। যিটো consultency কৰিলে World Bank ক আমি approach কৰাত সুবিধা হ'ব। এইটো এটা ডাঙৰ কথা। গতিকে সেইটো কথা PWD বিভাগে বৰ্তমান মনত চিন্তা কৰিছে. যদি আমি এটা consultency কৰো আৰু consultency কিছুমান থাকে যে world bank ৰ approve consultant কিছুমান থাকে। Consultancy firm থাকে। গতিকে এনেকৈ যদি consultancy ৰ জৰিয়তে যদি আমি এই গোটেই bridge খন আমি যদি চাৰ্ভে report ত দিব পাৰো তেতিয়াহ'লে অলপ সুবিধা হ'ব। গতিকে সেই কাৰণে আমাৰ PWD বিভাগ একমত আছে। আমিও একমত আছো।

গতিকে এইবাৰ World bank ৰ project ত হয়তো এইখন কৰিব। কিন্তু তাৰ আগতে PWD বিভাগৰ পৰা এটা consultancy কৰিব যিটো কৰিলে World Bank ক approach কৰিবলৈ আমাৰ সুবিধা হ'ব। এইটো এটা ডাঙৰ কথা। এইটো কথা বৰ্তমান PWD বিভাগে মনেৰে চিন্তা কৰি আছে। এনেকুৱা এটা consultancy ৰ জড়িয়তে যদি আমি দলঙসমূহৰ টা চাৰ্ভে ৰিপোৰ্ট দিব পাৰো তেতিয়াহ'লে সুবিধা হ'ব। PWD ৰ লগতে আমি আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াও এইক্ষেত্ৰত একমত। গতিকে এই প্ৰজেক্টৰ ভিতৰত এই দলঙখন দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ,ছয়গাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো, তৎকালীনভাৱে যাতে ব্যৱস্থা লয়।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি দেখিবলৈ পাইছো যে যুৱ সমাজক আমি skill ৰ মাজেৰে এটা গতি দিবলৈ চেষ্টা কৰিছো কৌশল বিকাশৰ জড়িয়তে। আজি আমি জাগিৰোডত চেমি কণ্ডাক্টৰৰ জড়িয়তে ২০-৩০ হাজাৰ যুৱকক সংস্থাপন দিবলৈ গৈ আছো বা অন্তত training দিবলৈ গৈ আছো। তেনে ক্ষেত্ৰত সেই চেমি কণ্ডাক্টৰে যিমান টকা

পাইছে, কিমান টকাৰ ভাগ বিতৰণ চলিছে ----interruption----

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ বিষয়টো কওক।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংগতি আছে। যিহেতু মই skill ৰ ওপৰতে ক'বলৈ গৈ আছো। মোৰ বিষয়টোৱে skill. মই এটা কথা সদনত জনাবলৈ বিচাৰিছো যে যেতিয়া আমাৰ প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই Ministry of Skill Development Entrepreneurship গঠন কৰিলে, তাৰ আগতে আগৰ চৰকাৰসকলে বা কংগ্ৰেছৰ দিনৰ চৰকাৰে,কেতিয়াও কোনেও কিয় ভৰা নাছিল যে এনেকুৱা এটা বিভাগ গঠন কৰি যুৱ সমাজক আমি এটা গতি দিব পাৰো যাতে তেওঁলোকে চাকৰি বিচাৰি হাহাকাৰ নকৰি নিজে এটা skill লৈ ব্যৱসায় কৰি উদ্যোগী হ'ব পাৰে। সেই কথাটো ভাৱি আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই Department বনালে, Ministry বনালে। গতিকে আমি নতুন প্ৰজন্মক আগুৱাই লৈ যাবলৈ এটা direction পাইছো। ৭০ বছৰত দেশত মাত্ৰ ১০,০০০ ITI আছিল আৰু আমাৰ প্ৰধান মন্ত্ৰীৰ দিনত এই ৮ বছৰৰ ভিতৰতে ৫,০০০ ITI গঢ়িবলৈ সক্ষম হৈছে। গতিকে ভাৱক কিমান সংখ্যক লৰা-ছোৱালী trained হ'বলৈ গৈ আছে বেলেগ বেলেগ trade ত। সকলোৱে আজি দলঙৰ উন্নয়ণ, ৰাস্তাৰ উন্নয়ণৰ কথা কৈ আছে। দলঙৰ ওপৰেৰে যদি এজন নিৱনুৱা পাৰ হৈ যায়, দুখ লাগিব নে নালাগিব কওক। গতিকে এই skill development, এই semi conductor এইখিনি কথা আজিলৈকে কিয় কোনেও ভৰা নাছিল?

আমাৰ আগৰ Skill Development Minister জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াৰ ওচৰত যাওঁতে তেখেতে কৈছিল কেনেকুৱা ধৰণৰ পদক্ষেপ লৈছে। এতিয়া Employement exchange টো online হৈ গ'ল। আগতে তাত দীঘল লাইন হৈছিল। এতিয়া সেই বিভাগৰ লগত আমি MoU sign কৰিছো naukri.com ৰ লগত। আপোনালোকে দেখিছে নে নাই নাজানো, এতিয়া কিছুমান বাচত বেলেগ বেলেগ trade ৰ বিষয়ে, বেলেগ বেলেগ skill ৰ বিষয়ে লগোৱা থাকে। এই বাচবিলাক দেখি লৰা-ছোৱালীবিলাকে এতিয়া skill ৰ বিষয়ে জানিব পাৰিছে যে আমি কি শিকিব পাৰিম earn while you learn. স্কুলতে যেতিয়া এই লৰা-ছোৱালীবিলাকে বেলগ বেলেগ skill ৰ বিষয়ে জানিব পাৰিছে তাৰবাবে মই এই বিভাগক ধন্যবাদ জ্ঞাপন কৰিছো আৰু Skill Industry খনে নিশ্চয় এইধৰণৰ আশা পূৰণ কৰিব।

মই শলাগ লৈছো আমাৰ Tata Technology Limited ৰ লগত যিটো আমি MoU sign কৰিছো skill employment আৰু Entrepreneurship of Government of Assam য়ে যাতে এই polytechnic আৰু ITI বিলাকক আমি আৰু বেছি আগুৱাই লৈ যাব পাৰো, গতিকে এনেকুৱা ধৰণৰ বহুত আছে। আমাৰ বিভাগে যিসমূহ কাম কৰি আছে, সেয়া এখন ডাঙৰ সাগৰ স্বৰূপ।

আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই skill ক আৰু বেছি minute পৰ্য্যায়লৈ লৈ গৈ আছে। এতিয়া CMAAA আৰু মহিলা উদ্যমিতা আঁচনি শব্দ হৈ থকা নাই। মহিলা উদ্যমিতা আঁচনিৰ জড়িয়তে self help group বিলাকে একেলগ হৈ বেলেগ বেলেগ ব্যৱসায়ত লিপ্ত হৈছে। তাতো এনেকুৱা ধৰণৰ skill ৰ প্ৰয়োজন আছে। CMAAA ত এতিয়ালৈকে যিসকল যুৱক-যুৱতীক enrol কৰা হৈছে, DC সকলক শুধিলে বিৰোধীয়ে গম পাব যে Agriculture,

Fishery, Food Processing আদিত এক বেলেগ ধৰণৰ পৰিৱেশ হ'বলৈ গৈ আছে। গতিকে skill ক আমি সেই পৰ্য্যায়লৈ লৈ যাব লাগিব। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে semi conductor ৰ ক্ষেত্ৰত অৰ্দ্ধ শিক্ষিত বা শিক্ষিত সকলক নিয়োগ কৰিবলৈ কি ব্যৱস্থা লৈছে আৰু স্কুল বিলাকতো এই বিষয়ে training দিবৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ কেইটামান suggestion আছে, tourism হওক বা P&RD হওক, Fishery,Agriculture, Horticulture আদিত য'তে যি লাগে গোটেইখিনি আমি এটা Fold ৰ ভিতৰত আনিব নোৱাৰো নেকি? যদি Under one umbrella আনিব পাৰো, আমি বেছি লাভজনক হ'ব পাৰিম বুলি মোৰ বিশ্বাস।

দ্বিতীয়তে, Districtwise Skill Development ৰ এটা centre হ'লে ভাল হয়। এতিয়া skill development centrally চলি আছে। এতিয়া CMAAA নামৰ এটা অভিলাষী আঁচনি আহিছে মহিলাসকলক সক্ষম কৰিবৰ কাৰণে।

ইয়াৰ উপৰিও3rd party NGO যিবিলাক empanelled হৈ আছে,তেওঁলোকে training দিয়ে। এই 3rd party NGO বিলাক কিমান competent, সেইটো আমি চাব লাগে। District wise ITI বিলাকৰ curriculum বেলেগ বেলেগ হ'ব লাগে। যেনেকৈ হাজোত floriculture, fishery আদিৰ সুবিধা আছে, ঠিক তেনেদৰে বেলেগ বেলেগ জিলাত সেই ঠাইৰ সুবিধা অনুযায়ী বেলেগ বেলেগ trade হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী প্ৰশান্ত ফুকন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Rule-301 ৰ under ত মাননীয় বিধায়িকা শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়াণীয়ে যিটো বিষয় আনিছে, তাৰবাবে মই তেখেতক সদনত অৱগত কৰিব বিচাৰিছো যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অধীনত নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ত আমাৰ দুটা শাখা আছে- কাৰিকৰী প্ৰশিক্ষণ শাখা আৰু নিয়োগ শাখা । অসম চৰকাৰৰ দক্ষতা বিকাশ প্ৰক্ৰিয়া শক্তিশালী কৰাৰ লগতে যুৱক-যুৱতী সকলক কৰ্ম সংস্থাপনৰ সুযোগ বৃদ্ধি কৰা উপলক্ষ্যে পদক্ষেপ গ্ৰহণ কৰিছে।

বৰ্তমান ৰাজ্য চৰকাৰক ২৯,১৬০ খন চিটত শাসনৰ ক্ষমতাৰে ১৫০ খন ITI আছে, য'ত আমাৰ ৪৫ খন চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয় আৰু ৬ খন অকল মহিলাৰ কাৰণে আছে আৰু এখন আছে অকল দিব্যাংগ সকলৰ কাৰণে ডিব্ৰুগড়ত। Engineering আৰু non engineering আধুনিক প্ৰযুক্তিৰ ক্ষেত্ৰত Industrial Robotic আদি বিভিন্ন ধৰণৰ ব্যৱস্থা হাতত লৈছো। তাৰে ৪৩ টা ITI ৰ ভিতৰত ৩৪ টা polytechnic লৈ উন্নীত কৰা হৈছে আমাৰ চৰকাৰৰ দিনত আৰু ৫ টা Centre of excellency কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছো।

অধ্যক্ষ মহোদয়, সদনে শুনি ভাল পাব গোগামুখত LNT ৰ দ্বাৰা প্ৰায় CSTC (Constructions Skill Training Centre), আজিকালি যিবিলাক মিস্ত্ৰী লগায়, তওঁলোকে গতানুগতিকভাৱে যোগালী হিচাপে থাকি মিস্ত্ৰী হয়, তাৰবাবে আমি যুৱক সকলক training দিয়াৰ ব্যৱস্থা কৰিছো যিটো গোগামুখত আছে। তেনেকুৱা আমি প্ৰায় ৫২০ জনক LNT ৰ সহযোগত training দিয়াৰ ব্যৱস্থা কৰিছো। তাৰে ইতিমধ্যে ৩২০ জনে LNT ৰ সহযোগত চাকৰি পাবলৈ সক্ষম হৈছে। ২০২৪ চনৰ ১৪ আগষ্টত আধাৰশিলা স্থাপন কৰা নলবাৰী, ধমধমাত

নতুন CSTC স্থাপনৰ কাৰণে PWD বিভাগৰ জড়িয়তে বাকী যিখিনি কাম আছে, সেয়া সোনকালে কৰাৰ ব্যৱস্থা হাতত লৈছো। অতি সোনকালে এই কামখিনি হ'ব বুলি আমি ভাৱিছো। আমাৰ এই আন্তঃ গাঁথনিৰ পাছত দক্ষতা বিকাশৰ ক্ষেত্ৰত আমি উদ্যমিতা বিভাগৰ অধীনত অসম চৰকাৰৰ নিয়োগ আৰু উদ্যমিতা বিভাগৰ অন্তৰ্গত অসম দক্ষতা বিকাশ অভিযান (ASDM) ৰ ২০১৮ চনত District Skill Committee খন গঠন কৰি আমি গোটেই প্ৰক্ৰিয়াটো তৰান্বিত কৰাৰ ব্যৱস্থা হাতত লৈছো আৰু আগন্তুক দিনত এইখিনি কথাৰে placement ৰ ব্যৱস্থা কৰা হয়। অধ্যক্ষ মহোদয়, placement linked skill development training program, য'ত যুৱক-যুৱতী সকলক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনিৰ কাৰণে Skill Development Department এ ব্যৱস্থা কৰিছে। আপোনালোকে শুনি ভাল পাব যে 750 skilled tour guide of gypsy owner in Kaziranga- এইটো আমাৰ Skill Development Department ৰ দ্বাৰাই তেওঁলোকক train কৰা হৈছে । একেদৰে পবিতৰাতো ৪০ জন tour guide of gypsy owner ক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনেধৰণে North-East Skill Centre ৰ দ্বাৰা আমি বিভিন্ন আঁচনি হাতত লোৱাৰ ব্যৱস্থা কৰিছো। আপুনি শুনি ভাল পাব যে ASDM ৰ জৰিয়তে প্ৰায় ২৬০ জন যুৱক-যুৱতীক আমি ভাৰতবৰ্ষত আৰু দেশৰ বাহিৰত ছিংগাপুৰৰ নিচিনা ঠাইতো আমাৰ training ৰ জৰিয়তে placement ৰ ব্যৱস্থা কৰিছো। মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়া আৰু মই তেওঁলোকক সম্বৰ্ধনা জনোৱাৰ এটা ব্যৱস্থা হাতত লৈছিলো। আমাৰ Skill University ত যিখিনি training দিয়া হৈছে, আগতে আমাৰ দিনত এনেকুৱা আছিল যে মানুহজন বি.এ পাছ। কিন্তু কেৱল বি.এ পাছ হ'লে নহ'ব তেওঁ মেজৰ লৈ পাছ কৰিব লাগিব, বা আমাৰ দিনত আছিল Honours লৈ পাছ কৰিব লাগিব। কিন্তু বৰ্তমান আপুনি যিমানেই ডিগ্ৰী নলওঁক কিয় তাৰ লগত আপোনাক আনুষংগিক দক্ষতাৰ ওপৰত আপোনাৰ বিশেষ পাৰদৰ্শিতা থাকিব লাগিব। আপোনালোকে শুনি ভাল পাব যে মংগলদৈত আমাৰ যিখন Skill University হৈ আছে আজিৰ তাৰিখত তাৰ building construction ৰ কাম পূৰ্ণ গতিত চলি আছে। যিখিনি mechinary আনিব লগীয়া আছিল সেই সকলোখিনি আহি পাইছে। তাত আমি বিশেষভাৱে ৯টা item হাতত ৰাখিছো। সেইখিনি হ'ল- Diploma in digital manufacturing woods, specialization in outsourcing, semi conductor, Diploma in electric vehicle. আজিৰ তাৰিখত বহুত ল'ৰাই B.Tech, Graduation, Engineering কৰাৰ পিছতো বাহিৰলৈ training ল'বলৈ যাব লগীয়া হয়। সেইব্যৱস্থা আমি কৰিছো B.Tech in Civil Engineering, Honours degree on Transmission and Construction and colaboration with L&T. এনেকৈ ৯ টা item ৰ ভিতৰত প্ৰত্যেকতে আমি ৩০ জনকৈ student ক already enrollment কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু আমি আপ্ৰাণ চেষ্টা কৰিছো যাতে অহা ১ জানুৱাৰীৰ পৰা মংগলদৈ ৰ Skill University ত class আৰম্ভ হয়। সেইকাৰণে আজি আমি সদনত এই কথাটো জনাইছো যে যিমান সোনকালে পাৰো আমি এইখিনি কাম আৰম্ভ কৰিবৰ কাৰনে চেষ্টা কৰি আছো। আপোনালোকে শুনি ভাল পাব যে ভাৰতৰ এইখন ৩ নং Skill University. প্ৰায় ১০০০ কোটি টকা ব্যয়ৰে আমি এই কাম খিনি কৰাৰ ব্যৱস্থা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। পাৰিলে Political Skill Course দিব পাৰি নেকি সেইটোও চাব যিহেতু diploma নহ'লে MLA হ'ব নোৱাৰে। এতিয়া ড০ আছিফ মঃ নাজাৰ।

**ড° আছিফ মহম্মদ নাজাৰ, (লাহৰিঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে জানো যে জনসাধাৰণে বহুত আশা আকাংশাৰে জনপ্ৰতিনিধি নিৰ্বাচন কৰে যাতে শিক্ষা স্বাস্থ্যৰ ক্ষেত্ৰত সমাজ খনক আগবঢ়াই লৈ যাব পাৰে আৰু যাতায়তৰ জৰিয়তে যাতে অঞ্চল টোৰ বা সমষ্টিটোৰ উন্নতি কৰিব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰ খনে উন্নয়নৰ নামত ফটা ঢাক-ঢোল বজাই আছে। গুৱাহাটী চহৰ খনক চমক ভমক দেখুৱাবলৈ কেইখনমান over bridge বনাই গোটেই ৰাজ্যৰ উন্নতি নুবুজায়। আমি যদি চাওঁ গুৱাহাটীৰ পৰা বাহিৰলৈ উজনি অসমলৈ যদি আমি এটা ঐতিহাসিক ৰাস্তা ধোঁদৰ আলিয়েদি যাওঁ প্ৰায় হাজাৰৰ ওপৰত গাঁত পাব। ৰাস্তাত যাব নোৱাৰি। গাওঁ অঞ্চলবোৰত ইমান বেয়া যে আমি তাত যাব নোৱাৰো আৰু আমি সকলোৰে এইটোৰ বিষয়ে অৱগত। পৰিবেশ এনেকুৱা হৈছে যে বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি এনে অৱস্থাত আছে। আমাৰ এনেকুৱা লাগে যে বিৰোধী বিধায়ক সকলক মাহী আইৰ চকুৰে চোৱা হয় নেকি? কাৰণ বিৰোধী বিধায়ক বোৰৰ allocation কম। চৰকাৰী পক্ষৰ বিধায়কৰ allocation বেছি। তাৰ মাজতো preference দিয়া হয় যে first preference, second preference তাৰ উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মানৰ ২০২৫-২৬ ৰ বিত্তীয় বৰ্ষৰ অন্তৰ্গত RIDF-XXXI (NABARD) ৰ জৰিয়তে কিছুমান আচঁনি দিয়া হৈছিল । সেইবোৰ হৈছে-

1. Improvement and widening of Morigaon Moin bari road from moirabari new seconddary school to lali RCC bridge.
2. Improvement and widening of Nagaon bhuragaon road from lalighat to Bagalipara 3.40 k.m.
3. Construction of road from Batalimari PMGSY road to bhuragaon natun bazar.
4. Construction of road from Nagabandha PWD Road to Sapkati PMGSY road via Mohmara bridge.
5. Construction of road from Duwamari PMGSY road to Duwamari PMGSY road via Dewaguri LP school.
6. Reconstruction of road from Tengaguri to Hatilorua

প্ৰায় ১২ কোটি টকাৰ estimate জমা দিছো মহাশয় কিন্তু অনুমোদন হোৱা নাই। মই যদি Chief Engineer Shyam ডাঙৰীয়াক ফোন কৰো এখেতে কয় আজি হ'ব, কাইলৈ হ'ব কিন্তু এতিয়ালৈকে তেখেতে কোৱা নাই যে সেই ৰাস্তা বোৰ কেতিয়া হ'ব। ইয়াৰ পিছত মোৰ সমষ্টিৰ মূল পথ নগাওঁ ভূৰাগাওঁ গড়কপ্তানী পথৰ মৈৰাবাৰীৰ পৰা বজাৰৰ পৰা ভূৰাগাওঁ বজাৰলৈ মুঠ ২১.৫০ কি.মি. ৰাস্তা আছে, তাৰ ভিতৰত ১৫ কি.মি. ৰাস্তাই বেয়া। তাৰ পিছত লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী বজাৰৰ পৰা বৰবৰী চাৰিআলিলৈকে প্ৰায় ১১ কি.মি. ৰাস্তা আছে গোটেই ৰাস্তা একেবাৰে জৰাজীৰ্ণ। ৰাস্তাত potholes আছে যাৰ বাবে মানুহ যাব নোৱাৰে আৰু গাড়ী চলাব নোৱাৰে। মৈৰাবাৰী বজাৰৰ পৰা গৰৈমাৰীলৈকে প্ৰায় ১২ কি.মি. ৰাস্তা আছে আৰু ৰাস্তা একেবাৰেই বেয়া। ইয়াৰ ওপৰিও PWD ৰ লগত আৰু এটা বিষয় লাগি আছে সেইটো হৈছে ঠিকাদাৰৰ মইমতালি। এই PWD বিভাগটোক ঠিকাদাৰে চলাই আছে নে PWD বিভাগে ঠিকাদাৰক চলাই আছে মই নিজেই বুজিব পৰা নাই। যদি আপুনি চায় এই ঠিকাদাৰ বোৰে কাৰ আৰ্শীবাদত পুষ্ট যে গুৰু গোঁসাই একোৰেই নামানে। তাৰ পিছত বিভাগক বুঢ়া আঙুলি দেখুৱাবলৈ

কুণ্ঠাবোধ নকৰে বুলি মই ভাবো। উদাহৰণ স্বৰূপে লাহৰীঘাট সমষ্টিৰ RCC bridge No. 10/1 on Goroimari to Dewaguri Road, RCC bridge No. 2/1 over Naharkati jaan, RCC bridge No. 1/1 on Lahorighat singaheura road, RCC bridge No. 2/1 Borunguri Road, RCC bridge No. 2/1 on Bechamariduba road প্ৰায় ৫ খন দলং ২০১৮-১৯ চনতে RIDF আচঁনিত অনুমোদন দিছিল North East Plantation & Commercial Pvt. Ltd ক দিয়া হৈছিল। তাৰ পিছত আমাৰ কাৰ্য্যবাহী অভিযন্তা, মৰিগাওঁ য়ে এইবোৰ cancel কৰিব বিচাৰিছিল কিন্তু এতিয়ালৈকে cancel হোৱা নাই। ইয়াৰ পিছত PMGSY-II ৰ আঁচনিৰ অধীনত AS-17-231 Lahorighat to Moirabari পথটো ২০১৯ চনতে আৱণ্টন দিয়া হৈছিল, ছয়বছৰ পাৰ হৈ গ'ল, সেই ঠিকাদাৰক terminate কৰা হৈছে, তাৰ পিছত আকৌ একেই ঠিকাদাৰ North East Plantation & Commercial Pvt. Ltd ক দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ৬ বছৰ পাৰ হৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ।

**শ্ৰী আছিফ মহম্মদ নাজাৰ, লাহৰিঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপ ক'ব দিয়ক। দুই মিনিট ক'বলৈ দিয়ক ছাৰ। ৰাস্তাৰ নামটো ক'ব দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** ৰাস্তাৰ নামটো mention কৰি দিয়ক।

**শ্ৰী আছিফ মহম্মদ নাজাৰ, লাহৰিঘাট ঃ** ছয় বছৰ পাৰ হৈ গ'ল, এই ঠিকাদাৰক terminate কৰা হৈছে। তাৰপিছত আকৌ North East Plantation and Commercial Private Limited ৰ ঠিকাদাৰক দিয়া হৈছে। লাহৰিঘাটৰ অন্তৰ্গত শলমাৰী ওজাগাঁৱলৈ মথাউৰি নিৰ্মাণৰ কাৰণে ২ বছৰ ধৰি কৈ আছো। একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। M/S Premdhar Construction ক দিয়া হৈছে। এতিয়ালৈকে কাম হোৱা নাই। RCC Bridge n0 47/1 A of Nagaon Bhuragaon Road RIDF-XXIX আঁচনিৰ অধীনত ২০২৪ চনত আৱণ্টন দিয়া হৈছিল। ঠিকাদাৰৰ নাম হৈছে ঋষভ জৈন। কিন্তু এতিয়ালৈকে কাম কৰা নাই। ২০২২-২৩ বৰ্ষত বৰশীবন্ধাৰ পৰা দিখৌমুখ, টেঙাগুৰিৰ পৰা ফলিহামাৰী পথ, ১ নং বটালিমাৰীৰ পৰা লালীঘাটলৈকে ঋষভ জৈন নামৰ ঠিকাদাৰক কাম দিয়া হৈছে। কিন্তু এতিয়া লৈকে কাম আৰম্ভ কৰা নাই। ইয়াৰ পিছত মুখ্যমন্ত্ৰী পকী পথ নৱীকৰণত ২০২২-২৩ বৰ্ষত নৰসিংবৰি বৰবড়ি পথ, গৰৈমাৰী দেৱাগুৰি লাহৰিঘাট পথ আৰু গৰৈমাৰীৰ পৰা লাহীপামলৈ যোৱা ৰাস্তা গৌতম দাস নামৰ ঠিকাদাৰক দিয়া হৈছে। এতিয়ালৈকে কাম আৰম্ভ কৰা নাই। মই বুজি নাপাওঁ কাৰ সাহসত এই ঠিকাদাৰবোৰে ওভটগোৰে নাচিছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে এই ঠিকাদাৰবোৰক Black listed কৰক। নহ'লে ঠিকাদাৰবোৰে ইমান সাহস পাইছে যে তেওঁলোকে সৰু সুৰা কাম বিলাক কৰিবই নিবিচাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়, আপুনি কি পৰ্য্যায়ত আছে উত্তৰখিনি দিলেই হ'ল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, এইটো ক্ষেত্ৰত চৰকাৰ অৱগত যে ৰাস্তাখিনিৰ অৱস্থা ইমান উন্নত অৱস্থাত নাই। এইটো সত্য কথা। গতিকে এই ৰাস্তাটোৰ উন্নতিকৰণৰ কাৰণে আমাৰ ৬ টা প্ৰজেক্ট RIDF ক দিয়া আছে আৰু এটা SOPD ত দিয়া আছে। SOPD ৰ পইচাখিনিটো অতি সোনকালে হ'ব। কিন্তু RIDF

ৰ পইচাটো নাৰ্বাডৰ পৰা চেংচন অহাৰ পিছত ৰাস্তাৰ ব্যৱস্থা কৰা হ'ব।

**শ্ৰী আছিফ মহম্মদ নাজাৰ, লাহৰিঘাট ঃ** Phase-1 এৰিলে, phase -2 কেতিয়া দিব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Phase-1 আহিল, Phase-2 ও আহিব। গতিকে নাৰ্বাডৰ approval টো পোৱাৰ লগে লগে আপোনাৰ ৰাস্তাখিনিৰ ব্যৱস্থা কৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মই দীঘলীয়া নকৰো। আমাৰ লোকনিৰ্মাণ বিভাগৰ লগতো মই হাউচৰ পিছত কথা পাতি ল'ম যাতে আপোনাৰ কামখিনি অলপ সোনকালে হয়।

**শ্ৰী আছিফ মহম্মদ নাজাৰ, লাহৰিঘাট ঃ** ঠিকাদাৰ ঋষভ জৈন, গৌতম দাস আৰু North East Plantation and Commercial Private Limited এইবোৰক অভিযন্তাই cancel কৰাৰ পিছত আকৌ কিয় কাম দিয়া হ'ল? এতিয়ালৈকে কাম আৰম্ভ কৰা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আপুনি কথাটো কৈছে, মইটো এইবিলাক নাজনো। গতিকে কোন ঠিকাদাৰ, কি কথা আমাৰ বিষয়া সকল গেলেৰীত আছে, তেওঁলোকে আপুনি কোৱা কথাখিনি শুনিছে। গতিকে তেখেতসকলে এইটো ব্যৱস্থা কৰিব। Cancel কৰি আকৌ সেই ঠিকাদাৰক কাম কিয় দিছে সেইটো তেখেতসকলে কৰিব। গতিকে Executive Engneer laevel ত কামটো হৈছে, মুখ্য অভিযন্তাই কথাটো নাজানে গতিকে তেখেতে নিশ্চয় চাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। TheHouse Adjourned till 2 PM.

**মাননীয় অধ্যক্ষ ঃ বিয়লি ২ ঃ০০ বজাৰ পৰা পুনৰ সদনৰ কাম কাজ আৰম্ভ কৰে।**

**মাননীয় অধ্যক্ষ ঃ** Item No-14 **মাননীয় মন্ত্ৰী ।**

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "Assam Educstion (Provincialisation of Services of Teachers and Re-Organisation of Educational Institutions) (Amendment) Bill, 2025" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "Assam Education (Provincialisation of Services of Teachers and Re-Organisation of Educational Institutions) (Amendment) Bill, 2025" বিলখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে, কওঁক "হয়"।

- যি সকল বিপক্ষে আছে কওঁক " নহয় "।

মই ভাবো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া আলোচনা- শ্ৰী আব্দুৰ ৰশিদ মণ্ডল।

সন্মানীয় সদন, Education ৰ আমাৰ ৬ খন বিল আছে, গতিকে সময়ৰ কাৰণে আমি একেলগতে ৬ খন বিলৰ ক'ৰবাত যদি কিবা উল্লেখ কৰিবলগীয়া আছে, সেইখিনি একে বাৰতে কৰক। পিছত আমি বিলকেইখন এখনৰ পিছত এখন পাছ কৰি দিম। মন্ত্ৰী মহোদয়ে একেবাৰতে উত্তৰ দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত যি Item No-14 ইয়াত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় আমি শিক্ষাৰ অধীনত আলোচনা কৰাৰ বাবে সুযোগ পাম। ১৩, ১৪,১৫,১৬, মহোদয়, শিক্ষা বিভাগত চৰকাৰে বহুখিনি প্ৰচেষ্টা হাতত লৈছিল। কেনেকৈ শিক্ষা খণ্ডটোৰ উন্নতি কৰিব পাৰি আৰু তাৰ বাবে যোৱা সময়ছোৱাত বৰ্তমানৰ

মুখ্যমন্ত্ৰী যেতিয়া শিক্ষা মন্ত্ৰী হৈ আছিল, প্ৰাদেশীকৰণৰ কামখিনি বহু বছৰ বিৰতিৰ পিছত আৰম্ভ কৰা হৈছিল। মহোদয়, যি সকল অৱসৰপ্ৰাপ্ত ব্যক্তি তেখেত সকলে কয় যে ২০১১ চনৰ আগতে ১৯৭৪ চনতে Provincialisation হৈছিল। তাৰ পৰৱৰ্তী সময়ত তেনে বিশেষ ধৰণৰ Provincialisation ৰ প্ৰচেষ্টা যিকোনো কাৰণবশত ল'ব পৰা হোৱা নাছিল। কিছুমান মহাবিদ্যালয় হৈছিল সেইবিলাকত কিছুমান পোষ্ট দিয়া হৈছিল, আৰু সেই বিলাকত যিকোনো উপায়েৰে আমি অসমখনৰ শিক্ষা ব্যৱস্থাটো আগুৱাই নিবলৈ যত্ন কৰি আছিলো। মহোদয়, ১১ চনৰ বিলখনৰ পাছত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে আৰু বিল এখন আনিব যিহেতু গুৱাহাটী হাইকোৰ্ট টো বহুতখিনি কোৰ্ট কাছাৰী, মামলা হৈছিল। এই বিলাক হোৱাৰ পাছত আমাৰ চৰকাৰখনে সেই সময়তে প্ৰতিশ্ৰুতি দিছিল যে আমি যিমান প্ৰদৰ্শন চচলত হওঁক, অন্য স্থানত হওঁক, মন্ত্ৰী বিধায়কৰ ঘৰ ঘেৰাওঁকে আদি কৰি বিভিন্ন ধৰণৰ যোৱা সময়ছোৱাত হেঁচা চৰকাৰৰ ওপৰত আছিল। চৰকাৰে আৰু আমাৰো প্ৰশ্নৰ উত্তৰত যিখিনি উত্তৰ দি আছিল আমি ভাবো আজি এই উত্তৰ এটা দিশলৈ চুড়ান্ত কৰিবলৈ আহিছে। আমি যোৱা সময়ছোৱাত আনকি যোৱা ৭ মাৰ্চ ১০২৫ ৰ যি বাজেট অধিবেশন, সেইখিনি সময়ত আমাৰ সদস্য ৰশিদ মণ্ডলৰ যোগেদি Private Members Bill ও আনিছিলো অসমৰ শিক্ষাৰ সংস্কাৰখিনিৰ কাৰণে। যি কি নহওঁক সেই বিলখন মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস দিয়া হৈছিল বিভিন্ন ধৰণৰ বিবেচনা কৰা হ'ব। আমি সেই কাৰণে সেই বিলখন প্ৰত্যাহাৰো কৰিছিলো সেইখিনি সময়ত। এতিয়া যদি আমি চাওঁ এই কেইদিনত আমি যিকেইখন বিল দিছিলো তাত আমি বহুখিনি কথাই উল্লেখ কৰিছিলো যেনেকৈ ১৭ টা এমেণ্ডমেন্টৰ বিলখন আমি এতিয়াও আনিছো, আমি কৈছিলো যে ২০১১ চনৰ আগতে establish হোৱা সকলো বিদ্যালয়কে প্ৰাদেশীকৰণ কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৰ্তমানৰ চৰকাৰী স্কুলটো যিমান থাকিব লাগে,১ঃ৩০, তাতকৈ কমেই আছে কিছুমান অঞ্চলত। সেই গতিকে right to education বা অন্যান্য ক্ষেত্ৰত যিটো আঢ়ৈ কিঃমিঃ ৫ কিঃ মিঃ ৰ ভিতৰত বিদ্যালয় স্থাপন হ'ব লাগে, সেই বিলাক বিবেচনা কৰি কিছুমান বিদ্যালয় যেনেকৈ চলি আছে, সেই বিদ্যালয় সমূহো ঠিক তেনেকৈ চলি থাকিব লাগে। ঠিক তেনেকৈ যিবিলাক দূৰ্গম অঞ্চল বা যি সমূহ অঞ্চলত ছাত্ৰ-ছাত্ৰী যেনে ধৰণে পাব লাগে, তেনেধৰণে নাপাওঁ সেই বিলাক অঞ্চলটো, আৰু কিছুমান criteria release কৰিব লাগে। যি সকলৰ ৫-৯-১১ ৰ আগতে যি সকলে স্কুল প্ৰতিষ্ঠা কৰিছিল, তেখেত সকলৰ ক্ষেত্ৰত যিবিলাক চৰকাৰী সীমা, সেই বিলাক relax কৰিব লাগে। Old pension আঁচনিত অৰ্ন্তভুক্ত কৰিব লাগে। যিহেতু new pension scheme ত তেখেত সকলৰ বহুতখিনি অসুবিধা হয়। মহোদয়, ইয়াৰ উপৰিওঁ আমি যদি চাওঁ বিভিন্ন অঞ্চলত যি কোনো কাৰণ বশত চাহ বাগিচা বা জনজাতি অঞ্চলত শিক্ষা দিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিবলৈ এই ভেঞ্চাৰ স্কুল সমূহে বহুত কাম কৰি আছে। আমাৰ নাজিৰা সমষ্টি আমগুৰি সমষ্টিৰ অৰ্ন্তভুক্তি হ'ল আৰু সেই নাজিৰা সমষ্টি অৰ্ন্তভুক্তি হোৱাৰ পাছত আমগুৰি অঞ্চলৰ বিভিন্ন জনজাতি অঞ্চল বাগিচা অঞ্চল এই বিলাকটো মই দেখা পাইছো কেনেকৈ স্কুল বিলাক প্ৰাদেশীকৰণ কৰিব পৰা নাই। কিন্তু ছাত্ৰ-ছাত্ৰী এতিয়াওঁ কোনো কোনো স্কুলত ৮০ জনলৈকে আছে। তেওঁলোকে এতিয়াওঁ পাঠ গ্ৰহণ কৰি আছে। উদাহৰণ স্বৰূপে আমগুৰি চাহ বাগিচা মধ্য ইংৰাজী বিদ্যালয়, ছাত্ৰ-ছাত্ৰী প্ৰায় ২০ জনৰ ওপৰত। ডুগডৰ উচ্চ বলিকা বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৮৫। বৰুৱা চাহ বাগিচা মধ্য ইংৰাজী বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সংখ্য ৪৭। আহোগ্ৰান জনজাতি প্ৰাথমিক বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩২। এনেকৈ বিভিন্ন চাহ বাগিচা পিছপৰা অঞ্চল, জনজাতি অঞ্চলটো চৰকাৰী সা-সুবিধাৰ ক্ষেত্ৰত আজি কিছুদিন

আগত তেওঁলোকক বঞ্চিত কৰা হ'ল। উদাহৰণ স্বৰূপে আগতে free Mid Day Meal দিয়া হৈছিল। যিহেতু চুপ্রিম কোৰ্টৰ নিৰ্দেশনা আছিল ছাত্ৰ-ছাত্ৰী সকলে পঢ়াশুনাৰ লগতে সু খাদ্য পাব লাগিব আৰু ইউনিফৰ্মৰ কথা আছিল, Text book ৰ কথা আছিল। যোৱা সময় ছোৱাত পৰ্য্যায়ক্ৰমে এই বিদ্যালয় সমূহ যাতে বন্ধ হৈ যায় কিজানি সেই হেঁচা দিবলৈকে এই বিলাকৰ ক্ষেত্ৰত যিখিনি সুবিধা দিব লাগে সেইখিনিৰ পৰা বঞ্চিত কৰা হ'ল। তথাপিটো আজিৰ তাৰিখত মই এই তথ্য বিধান সভালৈ এই কাৰণেই আনিছো যে সেই বিলাক অঞ্চলত যিহেতু চৰকাৰী সুবিধা নাই, এনেধৰণে বে চৰকাৰী ভাৱে কিছু শিক্ষকে নিজৰ ত্যাগৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীক শিক্ষা দিক্ষা লৈ আগুৱাই নিবলৈ যত্ন কৰিছে ।

মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা লগতে সুষম খাদ্য পাব লাগিব। আৰু uniform, textbook ৰ কথা আছিল। যোৱা সময়ত য'ত পৰ্য্যয়িক্ৰমে এই বিদ্যালয় সমূহ যাতে বন্ধ হৈ যায় কিজানি সেই হেঁচা দিবলৈকে সেইবিলাকৰ যিখিনি সুবিধা দিব লাগে সেইখিনি পৰা বঞ্চিত কৰা হ'ল। তথাপিও আজিৰ তাৰিখৰ মই এই তথ্য বিধান সভালৈ সেইকাৰণে আনিছো যি সেইবিলাক অঞ্চলত যিহেটো চৰকাৰী সুবিধা নাই সেইকাৰণে বে-চৰকাৰী ভাৱে কিছু শিক্ষকে নিজৰ ত্যাগৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা-দীক্ষাক আগুৱাই আনিবলৈ যত্ন কৰিছে। সেই কথাবিলাকো আমি লক্ষ্য ৰাখি সেই যিখন বিল আহিছে সেই বিলখন মই ভাৱো যিসকল Stake Holder আছিলে তেখেত সকলৰ দাবী সমূহ ইয়াত অন্তৰ্ভূক্ত হোৱা নাই। সেই গতিকে আমাৰ সতীৰ্থ বিধায়ক সকলে যেনেধৰণে সংশোধনীখিনি আনিছে সেই সংশোধন লৈ যাতে এই বিলখন আইনত পৰিণত কৰে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি অনুৰোধ জনাইছো। দ্বিতীয়তে আমি উচ্চ শিক্ষাৰ কথাটো চাওঁ মই খুব বেচিকৈ ক'ব নিবিচাৰো। উচ্চ শিক্ষাৰ ক্ষেত্ৰত মই note প্ৰস্তুত কৰিছিলো ৰাতিপুৱা এইটোকে মই দাখিল কৰি দিম। আজি যিবিলাক ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ infrastructure শিক্ষকৰ অভাৱ, তাত Research কৰিবলৈ যেনেধৰণে সুবিধা দিব লাগে সেই সুবিধাৰ অভাৱ। আমাৰ বিভিন্ন ধৰণৰ অসুবিধা আছে। এই অসুবিধাৰ মাজতো সেই বিশ্ববিদ্যালয় সমূহত কাম কৰি আছে। মই ভাৱো যে যদি আজি মাধ্যমিক শিক্ষাৰ ওপৰতে আছে, আমি গোটেই মাধ্যমিক শিক্ষাৰ পৰা উচ্চ শিক্ষালৈকে গোটেইখিনি ক্ষেত্ৰত মুখ্য মন্ত্ৰী মহোদয়ে ভাল সিদ্ধান্ত কিছুমান অসমৰ জন-গণ বাবে দিব এই আশা কৰি আমাৰ সংশোধনিখিনি আমি ---

**মাননীয় অধ্যক্ষ ঃ-** মাননীয় মন্ত্ৰী আপুনি তেজপুৰৰ কথাটো কি বা জনাব খুজিছিল ?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি )ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অন্য এটা গুৰুত্বপূৰ্ণ ঘটনা। আজি প্ৰায় ৭০ দিন ধৰি তেজপুৰ বিশ্ববিদ্যালখন নচলা অৱস্থাত আছে। যোৱা কালি মই খবৰ পোৱা মতে ছাত্ৰ-ছাত্ৰী সকলে তাত বন্ধ কৰি দিছে। সেই কাৰণে তাত যিজন VC আহিলে **তেখেতে** ৬০ শতাংশ সময় ৰাজ্যৰ বাহিৰত থাকে। তেখেতৰ নিজৰ quarter থকাৰ পিছতো বহুত মূল্য দি পেলাই repair কৰা পিছটো তেখেতে তেজপুৰ বিশ্ববিদ্যালয় guest house ত থাকে। তেওঁ বিভিন্ন ধৰণৰ অনিয়ম কৰিছে তাত । এখন সাধাৰণ চকী ৫৫০০ টকা, এখন সাধাৰণ বিছনা ১৮০০০ টকা। এনেকোৱা financial বেমেজালি, কিতাপ কিনাত বেমাজালি, Appointment ক্ষেত্ৰত বেমেজালি , Security contract ৰ ক্ষেত্ৰত বেমেজালি। সেইকাৰণে এজন

Pro-VC থকাটো নিয়ম। এই বৰ্তমানো Pro-VC জনৰ অৱসৰ হৈ যোৱা পিছত এজন নতুনকৈ Pro-VC নিদিয়াকৈ তেওঁ এজন নিম্ন অধ্যাপকক দ্বায়িত্ব দি আজি তেওঁ গুছি গৈছে আৰু গোটেই ঘটনাৰ সূত্ৰপাত হৈছিল। যেতিয়াই হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি বনাবলৈ অসমত ৰাষ্ট্ৰীয় সুখ পালন কৰিবৰ বাবে নিৰ্দেশ দিয়া হৈছিল। সেইখিনি সময়ত সেই Vice Chancellor জনে আমি Central University অসম চৰকাৰৰ কথা নামানে বুলি বক্তব্য প্ৰকাশ কৰি সেইখিনি সময়ত নিজৰ কাম-কাজ কৰি গৈছিল। তাৰ ওপৰিও তেখেত সকলে যেনেধৰণে ছাত্ৰ-ছাত্ৰীৰ সকলৰ উন্নতৰ শিক্ষাৰ বাবে যিটো ranking এটা সময়ত গোটেই NIF ৰ ৫ আছিল, আজিৰ সময়ত এইটো ৮০ নম্বৰলৈ গুচি গৈছে। আৰু শিক্ষাৰ মানদন্দ খুব নিম্ন হৈ গৈছে। সেই গোটেই কথা বিলাক ৰাজ্যপাল মহোদয়ক জনোৱা হৈছে তেখেতৰ জৰিয়তে কেন্দ্ৰীয় মানৰ পম্পদ মন্ত্ৰালৈ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰকাশ ডাঙৰীয়াক অৱগত কৰা হৈছে। তেখেতসকলে তদন্ত কৰিলে আৰু ছাত্ৰ-ছাত্ৰীসকলে মাননীয় মুখ্য মন্ত্ৰী মহোদয়কও হস্তক্ষেপ বিচাৰি আবেদন কৰিলে। কিন্তু কোনো পক্ষৰ পৰা কোনোধৰণৰ হস্তক্ষেপ নোপোৱাৰ বাবে তেখেত সকলৰ নিজৰ শিক্ষা আৰু উজ্বল ভৱিষ্যতৰ চিন্তা কৰি আমাকো সেই বিষয়ে অৱগত কৰাত আজি এই পসংগটো আজি আপোনাৰ সহযোগিতাৰ বাবে উত্থাপন কৰিলো, আশা কৰো চৰকাৰে সেইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা ল'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। শ্ৰী উৎপল বড়া।

**শ্ৰী উৎপল বৰা, (গহপুৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটোকে আগবঢ়াই নিবৰ কাৰণে এটা চেষ্টা কৰিছে যাৰ জৰিয়তে আমি আমাৰ উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলক বা শিশু সকলক ভালকৈ শিক্ষা দিবৰ কাৰণে Primary ৰ পৰা Higher Education লৈকে যাতে এটা stream line কৰিব পাৰি তাৰ কাৰণে অসম চৰকাৰেও শিক্ষা জগতখনক এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। আজি Primary Education ইতিমধ্যে Primary, Upper Primary আমি সকলোৱে জানো বা High School & Higher Secondary ত ইতিমধ্যে শিক্ষকৰ Appointment দিছে। তথাপিতো মাননীয় অধ্যক্ষ ডাঙৰীয়া অসমৰ যিটো Geographical Area এই Area বিলাকও এতিয়াও বহুখিনি চৰ- চাপৰি, পাহাৰৰ দাতি কাষৰীয়া অঞ্চল বিলাকো বিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত কিছু প্ৰতি বন্ধকতাৰ সৃষ্টি হৈছে। এটা সময়ত আমাৰ Local Public য়ে বহুবিলাক বিদ্যালয় খুলিছিল, আৰুইতিমধ্যে আগৰ যেতিয়া Provincialization আইনখন আনিছিল। আমাৰ বিভিন্ন বিদ্যালয় বিলাকক তেতিয়া লোৱা হৈছিল। তথাপিও বহু বিদ্যালয় ৰৈ গৈছিল। আৰু তাৰ কাৰণে আজি শিক্ষা বিভাগ এক নতুন আইনৰ জৰিয়তে এইখন আইনৰ জৰিয়তে আজি কিছু শিথিলতা আনি আৰু বিদ্যালয় সামৰি ল'ব বিচাৰিছে যিহেতু আমাৰ teachers & students ৰ যিটো ratio, এইটো এতিয়াও mantain কৰিব পৰা হোৱা নাই। বহু জিলাত ইয়াৰ কিছু Laps আছে, আৰু সেই কাৰণে আমাৰ ভিতৰুৱা অঞ্চল বিলাকত ২০০৬ চনত ১-১-২০০৬ ভিতৰত আগতে যিখিনি বিদ্যালয় বা শিক্ষানুষ্ঠান আৰম্ভ কৰিছিল তাৰ Documents ৰ ওপৰত ভিত্তি কৰি এই আইনখন ইয়ালৈ অনা হৈছে, এতিয়া পৰৱৰ্তী পৰ্য্যায়ত তাত apply কৰিব পাৰিব আৰু তাৰ জৰিয়তে Provincialisation কৰিবলৈ সুবিধা হ'ব যাৰ জৰিয়তে অসমৰ ভিতৰুৱা অঞ্চল, বিশেষকৈ মই আহ্বান জনায় যে আমাৰ কিছুমান অঞ্চল আছে,যে আমাৰ Border এৰিয়াৰ কিন্তু সংলগ্ন হৈ থকা বিদ্যালয় এতিয়াও বাদ পৰি গৈছিল,বা ভিতৰুৱা চাপৰি অঞ্চলত কিছু বিদ্যালয় আছিল বাদ পৰি গৈছিল সেই বিলাক

যাতে ইয়াৰ আওতালৈ আহিব পাৰে, তাৰ কাৰণে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এই আইন খনৰ জৰিয়তে যাতে বিশেষ ভাৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে তাৰ কাৰণে মই আহ্বান জনাইছো, লগতে আজি আমি দেখা পাইছো মাননীয় অধ্যক্ষ ডাঙৰীয়া, শিক্ষা বিভাগে সমগ্ৰ শিক্ষা বিভাগৰ জৰিয়তে হওঁক বা আমাৰ State Budget ৰ পৰাই হওঁক বিভিন্ন বিদ্যালয় বিলাক Addtional Classroom, Science Laboratory, Physics, Chemistry, Mathematics ৰ বিজ্ঞানৰ প্ৰতি ছাত্ৰ -ছাত্ৰী সকলক যাতে সৰুৰ পৰা আৰ্কষিত কৰিব পাৰি তাৰ কাৰণে Higher Secondary বিলাকক Science stream খোলাৰ কাৰণে কিছু প্ৰাৰম্ভিক প্ৰক্ৰিয়া আৰম্ভ কৰিছে। যাৰ জৰিয়তে আমি বিভিন্ন বিদ্যালয় বিলাকত Science Lab পাবৰ বাবে আমি সক্ষম হৈছো। এতিয়া মই আহ্বান জনাব বিচাৰিছো মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক যিবিলাক বিদ্যালয়ত Higher Secondaryত Science, Physics, Chemistry, Mathematics Lab বিলাক তৈয়াৰ কৰা হৈছে। Building Grant কৰি দিয়া হৈছে, কাম আৰম্ভ হৈছে বা Laboratory Equipments আহিবলৈ লৈছে। সেইবিলাক বিদ্যালয়ত যাতে আৰম্ভ কৰিব পাৰি তাৰ কাৰণে শিক্ষা বিভাগে যাতে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিয়নো আজি যিটো Science & Technology **যুগ আহিছে, এই** Science & Technology ৰ যুগত আমি সৰুৰ পৰা Higher Secondary Level ৰ পৰা যাতে আমি বিজ্ঞানৰ প্ৰতি ছাত্ৰ -ছাত্ৰী সকলক আকৰ্ষিত কৰিব পাৰো তাৰ কাৰণে প্ৰতিখন Higher Secondary ত Science ৰ কাৰণে আগবঢ়াবৰ কাৰণে ভাল হয়। লগতে আমি দেখা পাওঁ মোৰ সমষ্টিতো আমি Science ৰ ইতিমধ্যে আগতে Provincialized হৈছে Science Higher Secondary . কিন্তু এনেকুৱা কিছু অঞ্চল আছে, প্ৰায় ৫-৬ খন পঞ্চায়ত সামৰি আমি Higher Secondary পাইছো। Higher Secondary ত Class আৰম্ভ হৈছে কিন্তু Arts Stream টোৱে আৰম্ভ হৈ আছে। সেইবিলাক অঞ্চলত হয়তো Science ৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰী , তেওঁলোকে হয়তো ১০-১৫ কিলোমিটাৰ আতৰত গৈ Science পঢ়িবৰ কাৰণে কিছু অসুবিধাৰ সন্মুখীন হয়। গতিকে এইবাৰ যিবিলাক Higher Secondary Stream যদি ভৱিষ্যতে দিয়াৰ বাবে যদি ব্যৱস্থা গ্ৰহণ কৰে সেই Location বিলাকত অন্তত। বিজ্ঞান পঢ়িবলৈ অসুবিধাৰ সন্মুখীন হয়। গতিকে যিবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভৱিষ্যতে বিজ্ঞান শাখাটো দিয়াৰ ব্যৱস্থা কৰে তেতিয়া সেইবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলা শাখাৰ লগতে বিজ্ঞান শাখাতো দিয়াৰ ব্যৱস্থা কৰে যেন। ছাত্ৰ-ছাত্ৰী সকলে বিজ্ঞান পঢ়াৰ প্ৰতি আগ্ৰহ থকাৰ পিছতো যাতে বঞ্চিত হ'ব লগীয়া নহয় সেই বস্তুটো লক্ষ্য কৰে যেন। ভৱিষ্যতে শিক্ষাবিভাগৰ পৰা বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্বাচিত কৰা সময়ত অঞ্চল বোৰ চাই য'ত ওচৰত কোনো বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই, কেতিয়াবা এনেকুৱা হয় ৫ কিঃ মিঃ ১০ কিঃ মিঃৰ ভিতৰত বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় থাকে, কিন্তু তাৰ পৰা ২০ কিঃ মিঃ দূৰত থকা উচ্চতৰ মাধ্যমিক বিদ্যালয় খনৰ পৰা লৰা ছোৱালী পঢ়িবলৈ অহাত অসুবিধা হয়। গতিকে এই অঞ্চলবোৰ নিৰ্বাচিত কৰা সময়ত বৰ্তমান চলি থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ ওপৰত যাতে ভালকৈ গুৰুত্ব দিয়ে সেইটো মই অনুৰোধ কৰিলো। ২০১৩ চনত প্ৰায় ৬৭ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশীকিকৰণ কৰা হৈছিল আৰু সেই উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰত শিক্ষকৰ যি পদ খালী হৈ আছে সেইবোৰ এতিয়ালৈকে পূৰণ কৰা হোৱা নাই। আনকি কিছুমান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদটো এতিয়ালৈকে Sanction আৰু Creation কৰা হোৱা নাই যদিও উচ্চতৰ মাধ্যমিক বিদ্যালয়

খন প্ৰাদেশীকিকৰণ কৰিলে। যাৰ বাবে সেইবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক জনে এতিয়াও চলাই থাকিবলগীয়া হৈছে। লগতে বাণিজ্য শাখাৰ বাবে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ সময় হৈ গৈছে আপুনি সমাপ্ত কৰক।

**শ্ৰী উৎপল বৰা, গহপুৰ** ঃ অধ্যক্ষ মহোদয়, মই সামৰিম। আমাৰ ছয়দুৱাৰ মহাবিদ্যালয়ত বাণিজ্য শাখা খোলাৰ বাবে ২০১২ চনতে গুৱাহাটী বিশ্ববিদ্যালয়ে অনুমতি দিছিল। কিন্তু Academic অনুমোদন দিয়াৰ পিছতো আৰু লিখি দিয়াৰ পাছতো অসম চৰকাৰলৈ Concurrence ৰ কাৰণে অৰ্থাৎ সেই কামখিনি কাৰ্যকৰী কৰাৰ কাৰণে executive council ৰ জৰিয়তে ২০১৪ চনত, পোৱাৰ পিছতো কিন্তু সেই বাণিজ্য শাখাটো আজিলৈকে প্ৰাদেশীকিকৰণ নহল। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে ছয়দুৱাৰ মহাবিদ্যালয়ত কলা, বিজ্ঞান আৰু intregrated B.Ed ৰ লগতে বাণিজ্য শাখাটো দিয়ে যেন আৰু আজি অসমৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ শিক্ষাজগত খনক আগবঢ়াই নিয়াৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে মই ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰী আশ্ৰাফুল হুছেইন। ঠিক আছে তেখেতে যদি পিছত কয় এতিয়া ড° ৰফিকুল ইছলাম ডাঙৰীয়া ।

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্কুল প্ৰাদেশীকৰণৰ ওপৰত বহুকেইখন বিল আছে teaching and non teaching ইত্যাদিৰ ওপৰত। মই মূলতে " Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) (Amendment) Bill,2025"ৰ ওপৰত মই অলপ বেছিকৈ ক'ম বাকী বোৰত কমকৈ ক'ম। এটা কাম যদি আমি কৰিব পাৰোঁ তেতিয়া হ'লে বহুকেইটা সমস্যাৰ সমাধান হব। এই বিলখনত শিক্ষকৰ পদবোৰ প্ৰাদেশীকিকৰণৰ কথা অনা হৈছে। কিন্তু ২০১১ চনৰ যিখন বিল অনিছিল তাত স্কুল বোৰে Provincialisation কৰাৰ ব্যৱস্থা আনিছিল যাৰ ফলত ২০১৩ চনত স্কুল বোৰ Provincialisation কৰা হৈছিল আৰু তেতিয়া সেই স্কুলত যিমানবোৰ শিক্ষক আছিল, তেতিয়া সেইস্কুল বোৰৰ ছাত্ৰ Enrolment বা ফলাফল কিমান শতাংশ HSLC পৰীক্ষা দিব পাৰিব, আপুনি যদি কলেজত যায় তেতিয়া হ'লে বিভাগ বিলাকৰ বেলেগ বেলেগকৈ Concurence, permission বা Affiliation এই কথাবোৰ তেতিয়া নাছিল। ২০১১ চনত পাছহোৱা বিলখনত। ৰাইজে venture স্কুল পাতি যিহেতু গোটেই অসমতে এই ব্যৱস্থা হৈছিল এই স্কুলবোৰত শিক্ষকবোৰে বহুত সময় দিছে কিন্তু তাৰ পিছত এটা সময়ত গৈ ১০,১৫,২০ বছৰ পিছত চৰকাৰে Provincialisation কৰে। আৰু আগত যিমান Provincialisation হৈছিল তাত গোটেই স্কুলখন Provincialisation হৈছে নে নাই বা তাত বিভাগবোৰ Provincialisation হৈছেনে নে নাই বা কলেজবোৰ Provincialisation হৈছেনে নাই এই খুটি-নাতিবোৰ চোৱা হোৱা নাছিল। তাৰ কাৰণে সকলোৰে পদবোৰ Provincialisation হৈছিল কিন্তু ২০১৭-১৮ চনত যিখন বিল অনাহৈছিল আৰু সেইখনকে মূল হিচাপে ৰাখি আজি যিখন বিল আনিছে ইয়াত পদবোৰে Provincialisation কৰিব বিচৰা হৈছে যাৰ কাৰণে আমি যিমানখিনি মানুহক সকাহ দিব বিচাৰিছিলো তাতকৈ ১০ গুণ মানুহ বঞ্চিত হ'ব। গতিকে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে ২০১১ চনত যি বিল আমি আনিছিলো আৰু যি খন ২০১৩ ৰ পৰা কাৰ্য্যকৰী হ'ল সেই হিচাপে venture স্কুলৰ শিক্ষক সকলৰ আজিৰ দিনত দৰমহা যদি চাই pay-scale তেখেত

সকলে পাই আছে বা অন্যান্য সা-সুবিধা পাই আছে আৰু সেই সময়ত result বা enrolment ৰ কোনো কথা নাছিল আৰু DISE Code ৰ বিশেষ প্ৰভাৱ নাছিল। মাত্ৰ ১ বছৰ পিছৰ স্কুল ২০০৪ লৈকে আমি ল'লো ০১-০১-২০০৪ তেতিয়া permision, recognition বা affiliation ৰ কথা থাকিলেও আমি স্কুল কলেজ খিনি লৈছিলো ২০১১ চনত বিল পাচ কৰি ২০১৩ চনত আৰু তেখেত সকলে সুবিধা পাই আছে। ইয়াৰ পিছত যি সকলক আমি tutor হিচাপে ল'লো বা আজি যিখিনি মানুহক ল'ম ২০১৩ ত যি সকলৰ লাভ হৈছিল সেই সকলতকৈ এই সকল ব্যতিক্ৰম। সমানে তেখেতসকলে শ্ৰম দিয়াৰ পিছতো কোনোবাখন বিদ্যালয় ৬ মাহ ১বছৰ বা ২ বছৰৰ পিছত স্থাপন হৈছিল তাৰ কাৰণে হাজাৰ হাজাৰ শিক্ষক চাটাই হৈ আছে আৰু অনুষ্ঠান বোৰ বাদ পৰি আছে আৰু সুবিধাৰ পৰা বঞ্চিত হৈ আছে। এই সকলক tutor হিচাপে আমি যি দৰমহা দিছো সেইটো হাৰিয়ানা বা মধ্যপ্ৰদেশৰ জব কাৰ্ড Holder এজনে যিখিনি পাৰিশ্ৰমিক পায় তাতকৈ কম। আজি যিটোৰ বৃদ্ধিৰ তালিকা আনিছে তাৰ ফলত ME আৰু হাইস্কুলৰ স্নাতক শিক্ষক সকলে ৫ বছৰ চাকৰি কৰাৰ পিছত ১২/১৩ হেজাৰ বা ১৪ হেজাৰ টকা দৰমহা পাব। সেইটো হাৰিয়ানা বা মধ্যপ্ৰদেশৰ জব কাৰ্ড Holder এজনৰ পাৰিশ্ৰমিকত কৈ কম হ'ব। LP স্কুলৰ ক্ষেত্ৰ আজি যিটো কথা আনিছে DISE Code ৰ ব্যৱস্থা সেইটো নৱম-দশম শ্ৰেণীৰ সৈতে বাধ্যতামূলক ভাৱে আহিছে। ২০১২-১৩ ত আমি যি স্কুল ল'লো আৰু ২০২৫ ত স্কুল লবলৈ আমি গৈ আছো সেই একে DISE Code ৰ ব্যৱস্থা কৰি আছো কিন্তু হাইস্কুলৰ অলপ ব্যতিক্ৰম কাৰণ হাইস্কুলৰ ক্ষেত্ৰত হয়টো DISE Code টো ২০১২-১৩ ৰ কথা কৈছে। যদি LP স্কুলৰ ক্ষেত্ৰত ২০১২-১৩ কৰি দিয়া যায় তেতিয়া হ'লে বহুতো পুৰণি স্কুল বাদ নপৰে। গতিকে মই অনুৰোধ কৰিম যে বৰ্তমান UDISE যোগ হ'ল ২০১৮-১৯ চনৰ পৰা আৰু আমি যদি ২০১৮-১৯ চন ধৰো কাৰণ এতিয়া DISE Code ত নাম ভৰোৱাটো বাধ্যতামূলক, এটা সময়ত DISE Code ৰ বিশেষ গুৰুত্ব নাছিল। DISE Code ত নাম ভৰাব গ'লে নুঠে এই ব্যৱস্থা বিলাকৰ কাৰণে। আৰু এই চৰ্তবিলাক আমি পিছতো আনিব পাৰোঁ, যেতিয়া আমি ২০১১ চনত বিল পাচ কৰিলো, ২০১৮ চনত পাচ কৰিলো তেতিয়াৰ পৰা এইবোৰ হৈছে, যেতিয়া স্কুল পাতিছিল তেতিয়া এইবোৰ নাছিল। গতিকে LP স্কুলৰ ক্ষেত্ৰত এইটো শিথিল কৰিব লাগে আৰু নৱম- দশম শ্ৰেণীৰ যিটো বাধ্যতামূলক কৰিছে সেইটো Cancel কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ আৰু বহুতো বক্তা আছে আপুনি সমাপ্ত কৰক।

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু অলপ সময় ক'বলৈ দিয়ক আমাৰ ৫ জন বক্তা আছে। আমি তিনিজনেহে ক'ম। গতিকে LP স্কুলৰ ক্ষেত্ৰত DISE Code ত শিঠিলতা আনিব লাগে নহলে ২০১২-১৪ চনৰ পৰা লব লাগে তেতিয়া হলে তেখেত সকলে যথেষ্টখিনি সকাহ পাব। হাইস্কুল বিলাকত হিন্দী, সংস্কৃত আৰু আৰবিকৰ শিক্ষক নিযুক্তি দিয়াৰ লগতে গণিতৰ শিক্ষক, বিজ্ঞানৰ শিক্ষক enrolment ৰ কাৰণে drop হৈছে, তেখেত সকলে ২০/২২ বছৰ কাম কৰাৰ পিছতো। গতিকে, মই শিক্ষমন্ত্ৰীক অনুৰোধ কৰিম যে হাইস্কুলৰ হিন্দী, সংস্কৃত আৰু আৰবিক, বিজ্ঞান আৰু গণিতৰ যি সকল drop হল তেখেত সকলকো এই আইনৰ আওতাত আনি নিয়মীয়াকৰণ কৰিব লাগে অকল ফলাফল বা ছাত্ৰৰ enrolment চাই নহয়। ফলাফলৰ ওপৰত গুৰুত্ব দিছে ভাল কথা, স্কুল হৈ যোৱাৰ পিছত আপুনি quality ওপৰত গুৰুত্ব দিয়ক। আমাৰ বহুতো প্ৰাদেশীকৃত স্কুল আছে কিন্তু তেওঁলোকে যিটো ফলাফল দেখুৱাব লাগে সেইটো কৰিব পৰা নাই তাৰ বাবে টো আমি তেওঁলোকৰ স্বীকৃতি বাতিল কৰি দিয়া নাই।

ৰিজাল্ট যিটো হ’ব লাগে কৰিব পৰা নাই। স্কুলৰ পৰা শিক্ষক উলিয়াই দিয়া নাই, মাতি আনি তেখেত সকলেৰেহে কৰিছো, কিন্তু সেই মানুহ সকলে ২০ বছৰে কাম কৰাৰ পিছত ৰিজাল্ট গোটেই ঠিক আছে কোনোবা এটা বছৰৰ ৰিজাল্ট তেখেত সকলে ২০ শতাংশ নাই বুলি এক বছৰৰ ৰিজাল্টৰ কাৰণে ২০ বছৰৰ তেখেত সকলৰ চাৰ্ভিছটো পানীপুৰিৰ দৰে হ’ব নালাগে। Enrollment ১০ জন হ’ব লাগে তাত যদি কোনোবা এটা বা দুটা বছৰত ৮ জন বা ৭ জন আছে, ৭ জন হলেওতো তেখেত সকলে পঢ়াইছে, ৫ জন হলেও পঢ়াইছে, গতিকে ১০ জন হ’ব লাগে ঠিক আছে এতিয়া আপুনি provincialisation কৰাৰ পিছত তেতিয়া Enrollment কম হলে কি শাস্তি, ইমান দিনে ভেঞ্চাৰ ষ্টেজত থাকি নাখায় পেটত গামোছা বান্ধি কাম কৰিছে, গোটেই বছৰ ঠিক আছে কোনোবা এটা, দুটা, তিনিটা বছৰত যদি এজন দুজন ছাত্ৰ-ছাত্ৰী কম আছিল তেখেতেতো সদায় স্কুলত গৈছে এই ৭ জনকো পঢ়াইছে, ১০ জন থাকিব লাগিছিল, তাৰ কাৰণে শিক্ষক জনক বঞ্চিত কৰিব, কেতিয়াও এইবিলাক হ’ব নালাগে। গতিকে এম ই স্কুল, হাই স্কুলৰ পৰা আৰম্ভ কৰি কলেজ হায়াৰ চেকেণ্ডেৰীলৈকে Enrollmentৰ কাৰণে কোনো শিক্ষকক যাতে বঞ্চিত কৰা নহয়, এইখিনি consider কৰি তেখেত সকলক এই সন্মানটো দিব লাগে তেখেত সকলৰ পদটো provincialisation কৰিব লাগে। ৰিজাল্টৰ কাৰণে গুৰুত্বপূৰ্ণ কথা ৰিজাল্ট কোনোবা এটা বছৰ বেয়া হৈছিল বুলি ৰিজাল্টৰ কাৰণে বঞ্চিত কৰিব নালাগে। কলেজৰ ক্ষেত্ৰত মই কৈছো, হাই স্কুলৰ কৈছো, হায়াৰ চেকেণ্ডেৰীৰ এটা সময়ত কলে ৮ জনৰ বেছি শিক্ষক নহ’ব। কিছুমান হায়াৰ চেকেণ্ডেৰীত Economic subject, Anthropology, Mathematics আৰু কিছুমান এনেকুৰা ধৰণৰ বিষয় তেখেত সকলৰ আছিল। ৮ জনৰ পিছত ১০, ১১, ১২ জনলৈকে শিক্ষক আছে, বাকী কেইটা পদ আমি নললো। ৮ জনৰ conditioner দি দিলো। এটা সময়ত এম ই স্কুলত আমি 5 plus লৈছিলো, হাই, এম ই মাদ্ৰাছা 6 plus, কিন্তু পিছত আহি এইটো, তেতিয়া আমি ল’ব পাৰিলোহেতেন, এতিয়া আমি সেইটো 3 plus কৰিলো। তাৰ কাৰণে বঞ্চিত হৈ আছে। এনেকুৰা কতো নহয় সেই ১৩ টাৰে সেই কাৰণে মই কৈছো কমন কথা।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড০ ৰফিকুল ইছলাম ঃ** কলেজৰ বিভাগৰ ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিশ্চয় জানিছে, কলেজৰ কাৰণে শিঠিলতা আনিছে যে permission, recognition, affialiation কিবা এটা থাকিলে ১-১-২০০৬ ৰ আগত ল’ব বুলি কৈছে, আগত concurrence বিচাৰিছিল। কিন্তু এই সকলো স্কুল, কলেজৰ কথা মই কৈছো যিটো ১-১-২০০৬ এইটো শিথিল কৰি এইটো ২০১০ কৰিব লাগে। যিহেতু ২০১১ ত প্ৰথম বিল অনা হৈছিল, গতিকে ০১-১২-২০১০ যদি কৰে আপুনি বহুত খিনি স্কুল, কলেজ তেখেত সকলৰ permission, recognitionত সোমাই যাব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড০ ৰফিকুল ইছলাম ঃ** কলেজেতো পাৰ্মিশ্যন পালে, প্ৰথমদিন কলেজ খুলিয়ে সকলো বিষয়ৰে concurrence নাপায়, সকলো বিষয়ৰে পাৰ্মিশ্যনটো প্ৰথম দিন কলেজ খুলিয়ে নাপায়। কলেজ খুলিবলৈ মাটি লৈ আগতে ঘৰ নিৰ্মাণ কৰিব লাগে, দুটা, চাৰিটা বিভাগৰে আৰম্ভ কৰিছে লাহে লাহে বিভাগ বোৰৰ পাৰ্মিশ্যন বিলাক পাই থাকে। এতিয়া প্ৰত্যেক বিভাগৰ পাৰ্মিশ্যন বেলেগ বেলেগ কৈ recognition খুজি বিভাগ বিলাক চাটাই কৰিছে আৰু এনেকুৰা কলেজৰ বহুত বিভাগৰ পদ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। হ'ব। এতিয়া শ্ৰীদীপায়ন চক্ৰৱৰ্তী।

**ড০ ৰফিকুল ইছলাম ঃ** গতিকে এইখিনি consider কৰিব লাগে, সেই স্কুল, কলেজ যিদিনাখন ধৰিছে বিভাগ আপোনাৰ গোটেই বিভাগখিনি যি খিনি আছে সেই খিনি consider কৰি এই শিক্ষক সকলক ল'ব লাগে। এক মিনিটত শেষ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, হৈছে। সময় নাই।

**ড০ ৰফিকুল ইছলাম ঃ** ছাৰ, ছাৰ, এইটোত আমি দুঘন্টা আলোচনা কৰিলেও একো নাই।

**মাননীয় অধ্যক্ষ ঃ** ২ ঘন্টা নহয়, ৩ ঘন্টাতো শেষ নহ'ব, যিখিনি দিছে। আপোনাৰ ১০ মিনিট হ'ল।

**ড০ ৰফিকুল ইছলাম ঃ** ছাৰ, বিলৰ কাৰণে দীঘলীয়া নকৰি এক মিনিটত শেষ কৰিম। Tutor বা non teaching তেখেত সকল যিটো ষ্টেট স্কেল পে আছে সেই হিচাপে তেখেত সকলক পইচা দিব লাগে আৰু ১০ বছৰৰ ভিতৰত কৈছিল যে তেখেত সকল আমাৰ ভিতৰত আছে। Close by close আমি এই বিলাক দিছো। ৭ বছৰত তেখেত সকলে qualified হৈ আহিব লাগিব। সেইটো তেখেত সকলক ১০ বছৰ দিব লাগে। যি সকলে ইতিমধ্যে qualified হ'ল সেই সকলক অতি সোনকালে লৈ লওঁক। বাহিৰৰ স্কুলৰ কথা কৈ verificationৰ নামত চাৰ্টিফিকেট বিলাক পেলাই থৈছে। বছৰ বছৰ তেখেত সকল qualified হোৱাৰ পিছতো সেই পদ খিনি হোৱা নাই। ২০০৪ চনৰ আগত কলেজৰ advertise কৰি শিক্ষক লৈছিল, কিছুমান শিক্ষকক ললে। এতিয়া ১০০ জন শিক্ষক ২০০৪ ৰ আগত কলেজৰ Governing Body য়ে advertise কৰি লোৱা শিক্ষক একে সময়ৰ শিক্ষক কিছু খিনি হ'ল, ১০০ শিক্ষক এতিয়াও পৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। হ'ব।

**ড০ ৰফিকুল ইছলাম ঃ** ছাৰ, যদিও এই বিলত নাই ইয়াৰ লগত সংগতি ৰাখি কলো। শিক্ষমন্ত্ৰী মহোদয়ে সেই শিক্ষক সকলকো বঞ্চিত নকৰিব। প্ৰাইমেৰীৰ পৰা কলেজলৈকে গোটেইখিনি ২০১১ চনৰ যিটো বিল আছিল তাৰ লগত সংগতি ৰাখি কৰি সকলো স্কুল শিক্ষকক তেখেত সকলক সকাহ দিয়ক এইখিনি অনুৰোধ ৰাখি আমাৰ Close by close amendment দিয়া আছে, মই আশা কৰিম শিক্ষমন্ত্ৰী মহোদয়ে এই Close by close যিখিনি আমি এমেণ্ডমেন্ট দিছো সেইখিনি consider কৰি শিক্ষক খিনিৰ প্ৰতি সদায় মনোভাৱ দেখাই এই অনুৰোধ ৰাখি মোৰ আলোচনা শেষ কৰিছো ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। এতিয়া শ্ৰীদীপায়ন চক্ৰৱৰ্তী।

**শ্ৰী দিপায়ন চক্ৰবৰ্তী ( শিলচর সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজ শিক্ষা বিভাগের অ্যামেন্ডমেন্ট বিলের উপরে আমাকে কিছু বলার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জ্ঞাপন করছি। আসাম রাজ্যে অনেক বেশি সংখ্যায় বেসরকারি সংখ্যলঘু বা আমাদের গ্রামীণ শিক্ষা প্রতিষ্ঠানগুলোর ফী নিয়ন্ত্রনের আওতায় আনার জন্য মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয়ের সরকারকে আজ সত্যিকার অর্থে প্রশংসা করতে হয়। আমরা লক্ষ্য করেছি যে একটি সময় ছিল শিক্ষা বিভাগে কোন স্বচ্ছতা না থাকার জন্য শিক্ষার্থীদের অভিবাবক বা আসাম রাজ্যের শিক্ষার্থীদের অনেক হয়রানির শিকার হতে হয়েছে। এই বিভাগে শিক্ষক নিযুক্তির ক্ষেত্রে , শিক্ষকদের ট্রান্সফারের ক্ষেত্রে কোন স্বচ্ছতা না থাকার জন্য অনেক হয়রানির শিকার হতে হয়েছে। আজ মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয়ের নেতৃত্বাধধীন সরকার। বিভাগীয় মন্ত্রী ড০ রনোজ পেগু মহোদয়ের নেতৃত্বে এই বিভাগে আজ একটি স্বচ্ছতার বাতাবরণ সৃষ্টি হয়েছে। গোটা

আসাম রাজ্যে এই বিভাগের উপর যে বিশ্বাস সেই বিশ্বাসকে ফিরিয়ে আনতে সক্ষম হয়েছে। আমরা লক্ষ্য করেছি, যে প্রাইভেট বিদ্যালয় আসাম রাজ্যে বড় সংখ্যা সৃষ্টি হয়েছে। একটি দিন ছিল সবাই সরকারি বিদ্যালয় থেকে পড়াশোনা করেছে। আজকের এই পবিত্র সদনে যারা আমরা এসেছি আমি ভাবি এখানে **৯৯** শতাংশ সরকারি বিদ্যালয় থেকে আসা। বিভিন্ন সরকারি বিদ্যালয় থেকে পড়াশোনা করে আজ ডক্টর, ইঞ্জিনিয়ার, সাইনটিস্ট হয়েছে। কিন্তু দীর্ঘ বছর এই সরকারি বিদ্যালয়ের যে পরিকাঠামো বা তার স্বচ্ছতা না থাকার জন্য রাজ্যে আজ প্রাইভেট বিদ্যালয়গুলি গড়ে উঠেছে। আর এই প্রাইভেট বিদ্যালয়গুলির মাধ্যমে ছাত্রছাত্রীদের থেকে যে ফী নেওয়া হয় তার কোন স্ট্রাকচার ছিল না। আজ আমি মনে করি আসামের মাননীয় মূখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয়ের এই পদক্ষেপে একটি আশার আলো দেখাবে। এখানে বলা হয়েছে এই ফী যাতে একটা স্ট্রাকচারে আসে তার জন্য আগামী দিনে প্রত্যেক বেসরকারি বিদ্যালয়কে অব্যাহতি পেতে হলে ফী রেগুলেটরী কমিটি থেকে পার্মিশন নিতে হবে। আমরা দেখেছি গ্রামীন বা পঞ্চায়েত এলাকার বিদ্যালয়গুলো শহরের বিদ্যালয় অনুযায়ী এই বিলে **২৫** শতাংশ ছাড় দেওয়া হয় যাতে গ্রামীণ এলাকার গরীব শ্রেণীর ছাত্র-ছাত্রী থাকে তার জন্য যাতে সুবিধা হয়। আমরা আজকের দিনে উচ্চ মানের শিক্ষাকে নিয়ে যাওয়ার জন্য আসাম সরকারের যে বলিষ্ঠ পদক্ষেপ এই পদক্ষেপে যদি আমরা দেখি তাহলে আমরা লক্ষ্য করব একটি দিন ছিল যখন সরকারি বিদ্যালয়ের ইনফ্রাসট্রাকচার ডেভেলপমেন্ট ছিল না। বিদ্যালয়গুলিতে ছাত্রীদের টয়লেট ব্যবস্থার করুণ পরিস্থিতির জন্য অনেক ছাত্রীরা স্কুলে আসার আগে বাড়ী থেকে টয়লেট করে আসত কারন স্কুলের টয়লেটের করুণ পরিস্থিতির জন্য টয়লেট যেতে পারতেন না। তার জন্য অনেক ছাত্রীর শরীরও খারাপ হয়েছে। আর আজ সরকার সেটা চিন্তা করেছেন সেটা উপলব্ধি করে এক একটা সরকারি বিদ্যালয়ে **৭- ৮** কোটি টাকা ব্যয় করে তার ইনফ্রাস্ট্রাকচার ডেভেলপমেন্টের উদ্দ্যোগ নিয়েছেন। আমরা সেটা আজ গর্বের সহিত বলতে পারি যে একটা দিন ছিল সরকারি বিদ্যালয়ের প্রধানরা প্রিন্সিপাল, হেডমাষ্টার, হেডমিস্ট্রেস কংগ্রেস সরকারের সময় **১**লক্ষ, **২** লক্ষ, **৫** লক্ষ টাকা চেয়ে তাদের অবসর পর্যন্ত হয়ে গেছে কিন্তু ইনফ্রাস্ট্রাকচার উন্নতির জন্য সরকারের তরফ থেকে কোন সাহায্য পাননি। সেই জায়গায় দাড়িয়ে আজ আমাদের শিলচার কনস্টিটুয়েন্সিতেও শ্যামাচরণ দেব বিদ্যাপীঠ স্কুল, অধরচাঁদ হায়ার সেকেন্ডারি স্কুল, পাবলিক হায়ার সেকেন্ডারি স্কুল এভাবে বিভিন্ন স্কুলকে **৭** কোটি **৮** কোটি টাকা খরচা করে তার ইনফ্রাস্ট্রাকচার উন্নত করা হয়েছে। এটাতে আমি বিশ্বাস রাখি যে প্রাইভেট বিদ্যালয়ের সাথে কম্পিটিশন করতে সেটা সক্ষম হবে। আর আজ যেভাবে অভিবাবকরা সরকারি বিদ্যালয় থেকে মুখ ফিরিয়ে নিয়েছেন একটা দিন আসবে আবারও মানুষ সরকারি বিদ্যালয়ের মুখোমুখি হবেন। সেটা আজকের দিনে ড০ হিমন্ত বিশ্ব শর্মা মহাশয়ের সরকারের জন্য হবে সেটা আমি বিশ্বাস রাখি। আমরা দেখেছি, ট্রান্সফার বা পোস্টিং এর ক্ষেত্রে কিভাবে দূর্নীতি হয়েছে । কিন্তু আজকের সরকারের বলিষ্ঠ পদক্ষেপের জন্য আন্তরিক ভাবে আমি ধন্যবাদ জ্ঞাপন করছি সরকারকে। আমরা মাননীয় মূখ্যমন্ত্রীকে আন্তরিক ভাবে ধন্যবাদ জ্ঞাপন করতে চাই যে এবার স্বচ্ছতা বজায় রাখার জন্য শিক্ষকদের ট্রেন্সফারের ক্ষেত্রে যারা **১০** বছর চাকুরি করেছেন পুরুষরা তাদেরকে ট্রেন্সফার বা মহিলা শিক্ষকদের ক্ষেত্রে সময়সীমা **৫** বছর করে রাখা হয়েছে তারা আবেদন করতে পারবেন ট্রান্সফারের জন্য। আর এটা আমি করি একটা ট্রান্সপারেন্ট ওয়ে আজ সরকার বলে দিয়েছে। এইভাবে আজ সরকার যে প্রতিটি ক্ষেত্রে উদ্দ্যোগ নিয়েছে যার জন্য শিক্ষার ক্ষেত্রে এই উদ্দ্যোগকে আগামী দিনে আসাম রাজ্যের সরকার

মাননীয় মুখ্যমন্ত্রী  ড০ হিমন্ত বিশ্ব শর্মা মহাশয়কে সদা সর্বদা মনে রাখব। মাননীয় মুখ্যমন্ত্রী ৫ বছরের মাথায় এই শিক্ষাকে এগিয়ে নিয়ে যাওয়ার জন্য প্রচেষ্টা করেছেন  যাতে আসাম রাজ্যের ছাত্রছাত্রীরা পড়াশোনা করে উচ্চ শিক্ষায় শিক্ষিত হয়ে এই রাজ্যকে মাননীয় মুখ্যমন্ত্রীর স্বপ্ন অনুসারে আসাম রাজ্য ভারতের পাঁচটি উন্নত রাজ্যের ভিতরে নিয়ে যেতে পারে তার জন্য এই ব্যবস্থা। ছাত্রীদেরকে উৎসাহ করার জন্য তিনি যেভাবে বিভিন্ন পদক্ষেপ নিয়েছেন সেটা সত্যিকার অর্থে প্রশংসনীয়। আমরা লক্ষ্য করেছি নিযুত ময়না আঁচনির মাধ্যমে যেভাবে ছাত্রীদেরকে উৎসাহিত করেছেন যার জন্য এখন ড্রপ আউটের হার দিন দিন কমে যাচ্ছে। আমরা লক্ষ্য করি যে ছাত্রীদেরকে সুরক্ষা প্রদানের জন্য একটিই শুধু রাস্তা তা হল শিক্ষা ব্যবস্থা। ছাত্রীরা যদি শিক্ষিত হয় তাহলেই সে জীবনকে সুরক্ষিত রাখতে পারবে। তাই এই কথাগুলো বলে আবারও মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয়ের সরকারকে আন্তরিক ধন্যবাদ জ্ঞাপন করে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আব্দুৰ ৰছিদ মণ্ডল ।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** প্ৰথমে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো । অসমৰ হাজাৰ হাজাৰ ভেন্সাৰ স্কুলত কৰ্মৰত শিক্ষকসকলৰ দীৰ্ঘদিনীয়া প্ৰত্যাসাৰ এটা অৱসান ঘটাব বুলি আশা কৰি থকা মানুহৰ বাবে কেইবাটাও বিল অনা হৈছে । মোৰ ওচৰত যথেষ্ঠ ইনৰ্ফমেশ্যন এনেধৰণে আছে  যে সেই শিক্ষকসকলৰ কিছুমান সংগঠনক  যেতিয়া তেওঁলোকে কৰা প্ৰতিবাদস্থলীলৈ গৈ  আমাৰ বিধায়কসকলে তেখেতসকলক সাক্ষাৎ কৰিছিলো আৰু তেতিয়া তেওঁলোকৰ পৰা আমি জানিব পাৰিছিলো যে, শাসকীয় পক্ষৰ বিভিন্ন মন্ত্ৰী বিধায়ক লগতে শিক্ষা মন্ত্ৰীকো তেখেতসকলে লগ কৰিছে । এইসকল ব্যক্তিয়ে তেখেতসকলৰ পৰা সহানুভূতি আৰু মৌখিকভাৱে সমৰ্থনো পাইছিল । কিন্তু আজি যিকেইখন বিল ইয়াত দাখিল কৰা হ'ল এই বিল কেইখন অধ্যয়ণ কৰি আমি যিখিনি গম পালো আৰু এই বিলখিনি ইতিমধ্যে বহুতৰে হাতে হাতে গুছিও গৈছে । আজি হয়তো শাসক পক্ষই হওক বা বিৰোধী পক্ষই হওক আমি সকলোৱে এই বিষয়ে টেলিফোন পাই আছো, মেছেছ পাই আছো । কিন্তু এটা কথা কোনেও তাত সন্তুষ্ট হোৱা নাই । সেই কাৰণে আমাৰ সন্দেহ উপজে  যেতিয়া বিভাগে এই সংসোধনী বিল সদনত দাখিল কৰিছে তাৰ আগতে এই বিলে চুই যোৱা যিসকল ষ্টেক হোল্ডাৰ আছে সেইসকলৰ লগত সঁচা অৰ্থত মত বিনিময় কৰিছেনে নাই । সঁচা অৰ্থত মত বিনিময় কৰা হেঁতেন তেওঁলোকে ইমান দিনৰ পৰা যিবিলাক সমস্যা ভূগী আহিছে মইতো দেখা নাই  এই সংশোধনীয়ে তেওঁলোকক সকাহ দিব পাৰিব  । আমি যি আইনৰ দ্বাৰা প্ৰভিন্সিয়েলাইজেশ্যন বা অন্য দিশেই হওক আমি যি বিবাদ চলাই আছো এই সংশোধনীৰ দ্বাৰা তাত  সামান্য সমস্যাও সমাধান হ'ব বুলি মই অনুভৱ নকৰো । আমি যেতিয়া তেখেতসকলক সাক্ষাৎ কৰিছিলো তেওঁলোকৰ পৰা পোৱা  বিভিন্ন সংগঠনৰ মেমোৰাণ্ডাম আছে । মই  মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত এই মেম'ৰাণ্ডামখিনি লে কৰি বিচাৰিম যে একচুৰেলী তেওঁলোকে বিচৰা কথাবিলাকৰ কিমানখিনি অংশ চৰকাৰে পূৰণ কৰিব পাৰিছে । এই সদনত আইন কাৰ কাৰণে কৰো ? চৰকাৰে আইন প্ৰণয়ন কৰে শিক্ষা বিভাগ আৰু এই  বিভাগৰ লগত জৰিত শিক্ষা প্ৰদান কৰি থকা ব্যক্তিসকলক লগত লৈ পেলাই । ইমান দিনে ভেন্সাৰ স্কুলত শিক্ষাদান কৰি থকা ব্যক্তিসকলৰ সেৱাক আমি নস্যাৎ কৰিব নোৱাৰো । ১৯৭৪ যিটো প্ৰভিন্সিয়েলাইজেশ্যন যিখন এক্ট আছিল তাৰ পিচত ২০১১ চনৰ আগলৈ বিধান সভাই  কোনো প্ৰভিন্সিয়েলাইজেশ্যন আইন প্ৰনয়ণ কৰা নাই । চৰকাৰে বিভিন্ন ৰাৰ্ড অনুসৰি স্কুল কলেজ প্ৰতিষ্ঠা

কৰিছিল । বিষয়া আৰু ব্যক্তি , আৰু সমাজ সকলোৰে এটা ধাৰণা আছিল যিটো অফিচিয়েল কনভেনশ্যন যিটো নীতি আছিল সেই মতে স্কুল কলেজ কৰিছিল আৰু প্ৰভিন্সিয়েলাইজেশ্যনো হৈছিল । ২০১১ চনত প্ৰথম যেতিয়া প্ৰভিন্সিয়েলাইজেশ্যন আইন অনা হৈছিল তেতিয়াহে তাত কিছুমান চৰ্ত অনা হৈছিল । আৰু তেতিয়া বিষয়া ; সমাজ আৰু ব্যক্তিসকলে গম পা য় যে এখন স্কুল বা কলেজ স্থাপন কৰিবলৈ যিখিনি ক্ৰাইটেৰীয়া সেইখিনি আমি পূৰণ কৰিব লাগিব । তেতিয়া কিন্তু ডাইচ কোডৰ ব্যৱস্থা নাছিল । যদিও ১৯৯৪ নেশ্যনেল লেভেলত ডাইচ কোড লন্স হৈছিল যদিও কিন্তু ২০১১ চনত এই ডাইচ কোডৰ কথা পাহৰি পেলোৱা হ'ল । ২০১২ চনত আকৌ এবাৰ ডাইচ কোড জেনেৰেট কৰা হয় । যি আইন মহামাণ্য হাইকোৰ্টে অৱৰ্জাভেশ্যনত আলট্ৰা ফায়াৰচৰ নিচিনা কথাখিনি কৈছে । হাইকোৰ্টৰ যিটো অৱৰ্জাভেশ্যন আছে তাত ২০১১ চনৰ প্ৰভিন্সিয়েলাইজেশ্যন এক্ট যিটো আছে আলট্ৰা ফায়াৰচ বুলি কৈছে অৰ্থাৎ আৰু যি আইনৰ ওপৰত ভিত্তি কৰি এই সমস্যাবিলাকৰ সমাধান কৰিব বিচাৰো এই আইন সম্বন্ধে মহামাণ্য গুৱাহাটী উচ্চ ন্যায়ালয়ে আলট্ৰা ফা য়াৰচৰ নিচিনা শব্দ প্ৰয়োগ কৰিছে । যাৰ বাবে চৰকাৰক নিৰ্দেশনা দিছিল যে খুব কম দিনৰ ভিতৰত আইন অনাৰ কাৰণে, যাৰ ফলশ্ৰুতিত ২০১৭ চনত প্ৰভিন্সিয়েলাইজেশ্যন আইন আহে যাৰ ২০১৮ চনতো এমেণ্ডমেণ্ড আহি যায় । আৰু সেই ২০১৭ চনৰ প্ৰিঞ্চিপুল এক্টৰ এমেণ্ডমেন্টখিনি কৰি যিটো অৱতাৰণা কৰা হৈছে । ছাৰ, ইয়াত বেছিক পাৰ্থক্য ইয়াত একো নাই - যিটো আসাম এডুকেশ্যন প্ৰভিন্সিয়েলাইজেশ্যন অব চাৰ্ভিচেচ ফৰ টিচাৰ্চ ৰিঅৰ্গেনাইজেশ্যন অব এডুকেশ্যন ইনষ্টিটিউশ্যন । ইয়াত ১৭টা এমেণ্ডমেন্ট দিছে যদিও ইয়াত কোনবিলাক মূল এমেণ্ডমেন্ট । ইয়াত মূল এমেণ্ডমেন্ট হৈছে - বেচ ইয়েৰ, যিটো ১-১-২০০৬ । আমি ১-১-২০০৬ ধাৰণা কেনেকৈ উৎপত্তি কৰিলো । ২০১১ চনত অসমৰ বিষয়া আৰু মানুহে নাজানে যে, যে ১-১-২০০৬ ৰ পিচত কোনো স্কুল কলেজ প্ৰতিষ্ঠা কৰিব পৰা নাযাব । প্ৰথম ধাৰণা সৃষ্টি কৰা হ'ল ২০১১ চনত যে এখন স্কুল বা কলেজ ইমান তাৰিখৰ পিচত আৰু প্ৰতিষ্ঠা কৰিব পৰা নাযাব । ২০১১ চনত প্ৰথম ধাৰণা কেনেকৈ আমি বেক ডেটত লৈ যাব পাৰো। কাৰণ ২০০৬ চনৰ পৰা ২০১১ চনলৈ বহু স্কুল - কলেজ স্থাপন হ'ল । এই কাৰণে যে ১-১-২০০৬ ৰ যিটো ধাৰণা মই ভাবো যে সেইটো একেবাৰে অবাস্তৱ ধাৰণা । ২০১১ চনটোৱে হৈ ছে মূল ধাৰণা যিটো নেকি প্ৰথম যদিও হাইকোৰ্টৰ ফালৰ পৰা বাতিল কৰা হৈছিল কিন্তু ৫-৯-২০১১ চনত যিটো ধাৰণা অসম বিধান স ভাৰ জৰিয়তে অসমৰ ৰাইজক ,আমাৰ বিষয়াসকলক আৰু সেইটোৱে আমাৰ ভিত্তি বছৰ হ'ব লাগে যে ০৫-৯-২০১১ চনলৈকে যিমান স্কুল কলেজ প্ৰতিষ্টা হৈছে চৰকাৰী নিয়ম অনুযায়ী সকলোকে provincialize কৰা হওঁক।

DIAS code ৰ ক্ষেত্ৰত আমি সংশোধনী এই কাৰণে বিচাৰিছো, হয়তো ২০১২ চনৰ Act. ত ৯, ১০ কোৱা হৈছিল যদিও সংশোধনীত ১২, ১৩ কৈ আছে। কিন্তু এইটো ২০১৭ চনৰ আইনতহে DIAS code mandatory হ'ল, ২০১২ চনত generate হ'ল ঠিকে কিন্তু DIAS code mandatory হ'ল ২০১৭ চনৰ Act. ত। ২০১৭ চনত mandatory কৰি উঠি back date কেনেকৈ লৈ যায় অমুক চনৰ পৰা mandatory, ২০১১ বা ২০১২ চনত mandatory কৰিব খোজাটো মই ভাৱোযে যুক্তি সংগত নহয়। গতিকে ২০১৭ চন বা ২০১৮ চনৰ পৰা এই DIAS code বা UDIAS বা UDIAS plus সেইটো mandatory হওঁক। এই সংশোধনীখিনি আমি আনিছো।

বাকী result বা enrollment ৰ ক্ষেত্ৰত department wise permission,

recognisation, application এই কথাবিলাক আমাৰ অন্যান্য সদস্যসকলে কৈ গৈছে। গতিকে এই ক্ষেত্ৰত মোৰ সদনত আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰীলৈ আবেদন থাকিল যে খুব লৰালৰীকৈ আজি এই বিলখন পাছ নকৰি, ইয়াৰ কাৰণে বিভাগে যিবিলাক stakeholder আছে, তেওঁলোকৰ লগত পুনৰাই thorough discussion হওঁক, কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেবিনেটত আপোনালোকক sub-committee বনাই দিছিল, আপোনালোকে বিভিন্ন আলোচনা কৰিছে, কিন্তু সেই আলোচনা বা stakeholder যি আবেদন, আমি কিন্তু ইয়াত প্ৰতিফলন দেখা নাই। যাৰ ফলত পুনৰবাৰ যিমান বিলাক stakeholder আছে, সেই সকলৰ লগত চৰকাৰী পক্ষৰ বিতং আলোচনা হৈ, তেওঁলোকৰ যিবিলাক পৰামৰ্শ আছে, তেওঁলোকৰ সমস্যাসমূহক সমাধান কৰিব পৰাকৈ এই আইনখনৰ সংশোধনটো বিবেচনা কৰা হওঁক।

Non-teaching staff ৰ ক্ষেত্ৰত একে। Non-teaching staff সকলক fixed pay ত ৰাখিব খোজা হৈছে। তেওঁলোককো requisit qualification appear কৰাৰ কাৰণে, এই আইনখন যেনেকৈ শিক্ষকৰ ক্ষেত্ৰত ৭ বছৰ সময় দিয়া হৈছে, ঠিক তেনেকৈ Institution provincialization ৰ সময়ত কোনোবা non-teaching staff qualification ৰ অভাৱত তেওঁক service provincialize কৰিব পৰা নাযায়, তেওঁকো এটা নিদিষ্ট সময় allow কৰা যাওঁক। Institution provincialization ৰ সময়ত শিক্ষকৰ বাবে qualification আহৰণ কৰাৰ বাবে যেনেকৈ ৭ বছৰ দিয়া হৈছে, non-teaching staff ৰ ক্ষেত্ৰত একে ৭ বছৰ allow কৰা হওঁক, ৭ বছৰৰ পিছত তেওঁলোকে requisit qualification from recognised institution আহৰণ কৰিব পাৰে আৰু যাতে তেওঁৰ চাকৰিটো নিয়মীয়া হয় আৰু general যিটো দৰমহা সেইটো তেওঁলোকে পাওঁক।

আৰু যিটো fixed pay salary period তেওঁলোকৰ যিটো remuneration fixed কৰিছে, তাত আমি মাত মতা নাই। কিন্তু annual increment যিটো কৈছে, মাত্ৰ 6%, generally, annual increment 10% প্ৰত্যেকজন কৰ্মচাৰী পাই। তেওঁলোকৰ ক্ষেত্ৰত (6%)সেইটো ঠিক নহয়।

Hon'ble Supreme Court ৰ এটা verdict আছে, equal salary for equivalent job. This is verdict of the Hon'ble Supreme Court. এই ক্ষেত্ৰত আমি চৰকাৰী ভাৱে কেনেকৈ ভাৰসাম্য কৰিব পাৰো, কিছুমানে এটা বেলেগ salary পাব আৰু কিছুমানে বেলেগ salary দিম চৰকাৰী ভাৱে। চৰকাৰে Hon'ble Supreme Court ৰ নিৰ্দেশনাক জানো অমান্য কৰা নাই।

Transfer & Posting ৰ ক্ষেত্ৰত এটা আঁচৰিত কথা পাইছো। আপোনালোকে পুৰুষৰ কাৰণে ৭ বছৰ, মহিলাৰ কাৰণে ৫ বছৰ, এইটো আমি অৱশ্যে সংশোধনী বিচাৰিছো যে মহিলাৰ কাৰণে ৩ বছৰ আৰু পুৰুষৰ কাৰণে ৫ বছৰ। কিন্তু মুল কথাটো আহিছে যে আপোনালোকে কিছুমান particular জিলাৰ নাম উল্লেখ কৰি কৈছে যে সেইবিলাক জিলাৰ পৰা কাম কৰা মানুহে transfer পাব। আইন এখনত যদি এনেকুৱা কথা উল্লেখ থাকে, অমুক অমুক জিলাত, remote area ত কাম কৰা মানুহবিলাকে, মহিলা সকলে ৫ বছৰ, পুৰুষসকলে ৭ বছৰ কাম কৰি তেওঁলোকে transfer লৈ যাব পাৰিব। যিটো option আইনগতভাৱে দিয়া হৈ আছে। এইটোৰ সম্পূৰ্ণৰূপে বিৰোধিতা কৰি, এই বাক্যটো delete কৰিব লাগে। transfer ৰ option নামনি অসমৰ পৰা কোনোবা এজনে উজনি অসমত চাকৰি কৰিব পাৰে। তেওঁৰ সেই যিটো

নিৰ্দিষ্ট এটা period চাকৰি কৰাৰ পিছত তেওঁকে সেই অধিকাৰ দিয়া যাওঁক। কেৱল মাত্ৰ নামনি বাংলাদেশ বোৰ্ডাৰ সংলগ্ন জিলা সমূহত কাম কৰা চাকৰিয়ালৰ ক্ষেত্ৰত যিটো transfer rule, opportunity provide কৰিব খোজা হৈছে, আইনগতভাৱে এইটো সম্পূৰ্ণৰূপে বিৰোধিতা কৰিছো আৰু ইয়াৰ সংশোধনী বিচাৰিছো, deletion বিচাৰিছো যে সেই বাক্যটোক delete কৰা হওঁক।

Definition of Venture Education Institution, চৰকাৰীভাৱে অসমত pre-senior Madrasa, senior Madras আৰু আৰবিক কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। পৰৱৰ্তীসময়ত সেই বিলাকত আইন প্ৰনয়ণ কৰা হৈছিল। আইন প্ৰনয়ণৰ দ্বাৰা Madrasa সমূহক স্কুললৈ convert কৰা হৈছিল। তাৰে কিছুমান provincialized হ'ল, কিছুমান provincialized নহ'ল, এই ঠিক venture স্কুলৰ নিচিনা। কিন্তু তেওঁলোককো সেই venture স্কুলৰ definition ত অন্তৰ্ভূক্ত কৰাৰ সংশোধনী আছে, অৰ্থাৎ সেইবিলাকে venture education institution, তেওঁলোক অন্য venture education institution যি criteria ত provincialization হ'ব, converted pre senior Madrasa, senior Madrasa, Arabic College সমূহে provincialization ৰ সুবিধা পাব লাগে।

আৰু Non government educational institution ৰ ক্ষেত্ৰত দেখা পাইছো যে চৰকাৰৰ এটা নীতি আমি লক্ষ্য কৰিছো যে সঁচাই তেওঁলোকে corporate গোষ্ঠীক সদায় পৃথক কৰে। corporate গোষ্ঠীক পৃথক কৰা নীতি এই সংশোধনী বিলত প্ৰকাশ পাইছে, কেনেকৈ গাঁও অঞ্চলত প্ৰতিষ্ঠিত বে-চৰকাৰী স্কুলৰ ক্ষেত্ৰত 25% fees relaxation ৰ ব্যৱস্থা কৰিছে, যিটো আমি দাবী কৰিছিলো 50% relaxation দিয়া হওঁক। চহৰ অঞ্চলত প্ৰতিষ্ঠিত ধনী ধনী corporate গোষ্ঠীয়ে স্থাপন কৰা private education institution ৰ ক্ষেত্ৰত অলপ relaxation ৰ ব্যৱস্থা এই সংশোধনী আইনখনত নাই। কাৰণ চহৰ অঞ্চলত ডাঙৰ ডাঙৰ corporate বিলাকে private educational institution কৰিছে আৰু গাঁও অঞ্চলৰ প্ৰতি দায়িত্বশীল institution স্থাপন কৰে। গাঁৱৰ ব্যক্তিৰ অৱস্থাৰ উন্নতিৰ কাৰণে তেওঁলোক এইবিলাক প্ৰতিষ্ঠা কৰে, তেওঁলোকে ব্যৱসায় কৰা নাই। তেওঁলোকে তেওঁলোকৰ অঞ্চলৰ, তেওঁলোকৰ সমাজৰ প্ৰতি, তেওঁলোকৰ জনগোষ্ঠীৰ প্ৰতি থকা দায়বদ্ধতাৰ কাৰণে তেওঁলোকে venture, private education institute প্ৰতিষ্ঠা কৰি এইবিলাক স্থাপন কৰিছে।

গতিকে ইয়াৰ যে চহৰ অঞ্চলত স্থাপিত চৰকাৰী বে-চৰকাৰী শিক্ষানুষ্ঠাৰ ক্ষেত্ৰতো fees relaxation upto 25% দাবী কৰি পুনৰবাৰ আজি খৰখেদাকৈ বিল সমূহ পাছ নকৰি, প্ৰয়োজনত এক দিনৰ বাবে special session for education department আহ্বান কৰা হওঁক, তাৰ আগতে শিক্ষা বিভাগে যিমানখিনি stakeholder আছে তেওঁলোকৰ লগত thorough discussion কৰি তেওঁলোকৰ মনৰ বেদনাখিনি জানক আৰু আমাৰ বিৰোধী দলৰ পৰা সংগ্ৰহ কৰা যিমানখিনি memorandum, সেইখিনি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰলৈ প্ৰেৰণ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী লৰেন্স ইছলাৰী।

**শ্ৰী লৰেন্স ইছলাৰী, পূব কোকৰাঝাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই যি বিল আনিলে, চৰকাৰৰ হৈ মই প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো।

বহু বছৰৰ পৰা, বহু শিক্ষক, বহু ছাত্ৰ-ছাত্ৰী, বহুতো ৰাইজে আশা কৰি আছিল যে আমাৰ

স্কুলবিলাক কেতিয়া provincialize হ'ব। ভাৰতত এখন আইন আছে, আমি সকলোৱে জানো, Right to Education Act. শিক্ষা সকলোৰে কাৰণে, সকলোৱে শিক্ষা পাব লাগে, এইটো এটা অধিকাৰ, তথাপিও বহু অঞ্চলত venture স্কুলত পঢ়িব লগা হোৱা কাৰণে বহু ছাত্ৰ-ছাত্ৰীয়ে সময়মতে পাঠ্যপুথি যোগান পোৱা নাছিল, তেওঁলোকে mid-day meal ৰ পৰাও বহুসময়ত বঞ্চিত হ'বলগীয়া হৈছিল, তেনেকুৱা Right to Education Act. থকাৰ পিছতো বহু ছাত্ৰ-ছাত্ৰীসকল এই অধিকাৰৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। এজন Philosopher য়ে কৈছে, 'Education is the movement from darkness to light' সেই কাৰণে শিক্ষা আমাক লাগিবই, শিক্ষা সকলোৱে পাব লাগিব। এই অন্ধকাৰৰ পৰা যাতে তেওঁলোকে পোহৰৰ ফালে যাব পাৰে, তাৰ কাৰণে যি অধিকাৰ দিয়া হৈছে, সেই অধিকাৰ সকলোৱে পাব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতত এখন আইন আছে আমি সকলোৱে জানো। সেইখন হৈছে- Right to Education Act. শিক্ষা সকলোৰে কাৰণে, শিক্ষা সকলোৱে পাব লাগে। এইটো এটা অধিকাৰ। তথাপিও বহু অঞ্চলত বহু ছাত্ৰ-ছাত্ৰীয়ে ভেঞ্চাৰ স্কুলত পঢ়িবলগীয়া হোৱাৰ কাৰণে পাঠ্যপুথি সময় মতে পোৱা নাছিল, দুপৰীয়াৰ আহাৰৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছিল। তেনেকুৱা Right to Education Act থকাৰ পিছতো বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল। এজন দাৰ্শনিকে কৈছে যে-Education is the movement from darkness to light. সেইকাৰণে শিক্ষা আমাক লাগিবই আৰু সকলোৱে শিক্ষা পাব লাগিব। এই অন্ধকাৰৰ পৰা তেওঁলোকে যাতে পোহৰৰ ফালে যাব পাৰে তাৰ কাৰণে যি অধিকাৰ দিয়া হৈছে, সেইয়া সকলোৱে পাব লাগিব। বহু সময়ত আমি যেতিয়া বি টি আৰ অঞ্চলৰ ভেঞ্চাৰ স্কুলৰ কথা লৈ ভাৰত চৰকাৰৰ লগত আলোচনা কৰিছিলো, আমি গম পাইছিলো যে অসমৰ বাহিৰত ক'তো ভেঞ্চাৰ স্কুল নাই আৰু তেওঁলোকে ভেঞ্চাৰ স্কুল মানে কি বুজি নাপায়। অসমতহে ভেঞ্চাৰ স্কুল আছে, বাহিৰত চৰকাৰী অথবা বে-চৰকাৰী স্কুল থাকে। ২০২০ চনত যেতিয়া বি টি আৰ চুক্তি কৰিছিলো, সেইসময়ত দীৰ্ঘদিন ধৰি থকা বড়ো, অসমীয়া, বেঙ্গলী আৰু দুখনমান হিন্দী স্কুলৰ কথা কৈছিলো। অসমৰ বিভিন্ন জিলাত থকা যি বড়ো মাধ্যম আছে, সেই মাধ্যমসমূহৰ কথাও আমি কৈছিলো। বড়ো মাধ্যমৰ পিছপৰা অঞ্চলত থকা স্কুলসমূহ যাৰ কাৰণে ষষ্ঠ অনুসূচী দিয়া হৈছে, সেই অঞ্চলৰ স্কুল-কলেজসমূহ বিনা চৰ্ত্তত প্ৰদেশিকীকৰণ কৰিব কৈছিলো। যোৱাকালি মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী, ৰণোজ পেগু ডাঙৰীয়াই কিছুমান কথা কৈছে যে ষষ্ঠ অনুসূচী এলেকাই নিজে আইন বনাব পাৰিব, নিজে স্কুল ল'ব পাৰিব। কিন্তু ইয়াতো কিছুমান কাৰিকৰী অসুবিধা আছে আৰু যিটো অসুবিধা হৈ আছে। সেইকাৰণে এই কথাটো স্পষ্ট হ'ব লাগে যে ষষ্ঠ অনুসূচী অঞ্চলৰ সঁচাকৈয়ে ক্ষমতা আছে নে? কাৰণ প্ৰাদেশিকীকৰণ, নিযুক্তিৰ ক্ষেত্ৰত যেতিয়া দিছপুৰলৈ আহে, তেতিয়া কোৱা হয় যে State Act মতে কৰিব লাগিব। এনেকুৱাধৰণৰ অসুবিধা হৈ আছে। সেয়েহে আমি দাবী কৰিছো যে এই আসোঁৱাহসমূহ দূৰ কৰিব লাগিব। সঁচা অৰ্থত যদি ষষ্ঠ অনুসূচী অঞ্চলত ক্ষমতা দিয়া হৈছে, তেতিয়াহ'লে ষষ্ঠ অনুসূচীত অঞ্চলে নিজে আইন তৈয়াৰ কৰি স্কুল-কলেজ প্ৰাদেশিকীকৰণ কৰিব পাৰিব লাগিব। কাউঞ্চিলে যি স্কুল-কলেজ প্ৰাদেশিকীকৰণ কৰি ল'ব সেইয়া যাতে অসম চৰকাৰে মানি লয়, এইখিনি স্পষ্ট হ'ব লাগিব। সেইকাৰণে আমি ইয়াত সংশোধন বিচাৰিছিলো। হয়, এই আইন অনাৰ বাবে ভাল হৈছে। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এতিয়ালৈকে অসমৰ নিচিনা ৰাজ্যত ভেঞ্চাৰ স্কুল থকাটো ভাল নহয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে অসমখন আমি ভাৰতৰ পাঁচখন আগশাৰী

ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ চেষ্টা কৰি আছো। আমাৰ ইয়াত 'নতুন শিক্ষা নীতি' অহাৰ আগে আগে যাতে এইবোৰ সমস্যা নাথাকে। প্ৰাক্ প্ৰাথমিক শ্ৰেণীৰ পৰা আমাৰ বিশ্ববিদ্যালয় পৰ্য্যায়লৈ আমাৰ যিখিনি সমস্যা আছে, সেইখিনি যাতে সম্পূৰ্ণৰূপে সমাধান হয়। আমি সকলোৰে আশা কৰিছো যে এই কথাবোৰ যাতে চৰকাৰে ভালদৰে বুজি পায়। জনজাতীয় অঞ্চলসমূহ পিছপৰা অঞ্চল আৰু তিনিবাৰকৈ চুক্তি হৈছে। ১৯৯৩ চনত বি এ চি চুক্তি, ২০০৩ চনত বি টি চি চুক্তি আৰু ২০২০ চনত বি টি আৰ চুক্তি হৈছে। সমস্যা থকাৰ কাৰণে বাৰে বাৰে চুক্তি হৈছে। সমস্যা থকাৰ কাৰণে এটা জনগোষ্ঠীৰ লগত নহয় এটা অঞ্চলৰ কাৰণে বাৰে বাৰে তিনিবাৰকৈ চুক্তি হৈ আছে। এই সমস্যাসমূহ যাতে অসম চৰকাৰে বুজি পায়। আমাৰ সৰু সৰু দাবী আছিল। প্ৰথমৰ পৰা যদি চোৱা যায় আমাৰ অঞ্চলসমূহত কলেজ, হস্পিতাল, বিশ্ববিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, কৃষি বিশ্ববিদ্যালয় দিয়াৰ বাবে দাবী আছিল। এইবোৰ দাবীক গুৰুত্ব দিয়া হোৱা নাছিল। এইবাৰ যাতে চৰকাৰে বুজি পায় আৰু সেইকাৰণে আমি সকলোৰে বাবে একেলগে বিচাৰিছো। Once for all যাতে সমস্যাসমূহ সমাধান হয় তাৰ বাবে আমি চৰকাৰক কথাখিনি কৈছো। মাননীয় মন্ত্ৰী মহোদয়ে কালি উত্তৰত ষষ্ঠ অনুসূচীত অঞ্চলসমূহে নিজে কৰি ল'ব পাৰিব বুলি কথা দিছে। এই কথাটো যাতে তেখেতে আইনৰ আওতাত আনি বাস্তৱ সন্মতভাৱে আমাৰ কাউঞ্চিলসমূহে নিজে যাতে স্কুল-কলেজ ল'ব পাৰে তেনেকুৱা এখন আইন আনিব লাগে। আমি চৰকাৰক ধন্যবাদ দিছো যে প্ৰত্যেক জিলাতে চৰকাৰে বিশ্ববিদ্যালয় দি আছে আৰু আমাৰ কোকৰাঝাৰ জিলাতো দুখন বিশ্ববিদ্যালয় হ'ল। চৰকাৰে বিভিন্ন অঞ্চলত আন্তঃগাঁথনি দি আছে তাৰ বাবে আমি চৰকাৰক ধন্যবাদ জনাব লাগিব। কিন্তু ইয়াৰ লগতে যিখিনি সমস্যা আছে, সেই সমস্যাখিনি সমাধান কৰাৰ কাৰণে বাস্তৱ সন্মত পদক্ষেপ অসম চৰকাৰে গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। শিক্ষাৰ এটা নতুন পৰিৱেশ সূচনা কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। ইয়াৰ লগতে মাননীয় শিক্ষামন্ত্ৰী মহোদয় ৰণোজ পেগু ডাঙৰীয়াই যুগান্তকাৰী পদক্ষেপ লোৱাৰ বাবে ধন্যবাদ জনাইছো। ৪০ বছৰ আগতে মই যেতিয়া ব্যক্তিগত প্ৰাথমিক স্কুলত পঢ়িছিলো তেতিয়া আমাৰ চৰকাৰী স্কুলত পঢ়া সতীৰ্থসকলে প্ৰায়েই লগ পালে কৈছিল যে কেন্দ্ৰৰ মিটিং থকাৰ কাৰণে তেওঁলোকৰ ক্লাছ নহ'ল। কেন্দ্ৰৰ মিটিং হৈছে দৰমহা নোপোৱাৰ কাৰণে শিক্ষক-শিক্ষয়িত্ৰী সকলে কৰা মিটিং। অসমত দৰমহা নোপোৱাৰ এটা পৰিৱেশ আছিল। সেই সময়ত মাহৰ বেছিভাগ সময়তে অসম বন্ধ, ধৰ্ণা, প্ৰতিবাদ আদি হৈছিল। শিক্ষা ব্যৱস্থাটো অচল ৰূপত আছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমত পাঁচ খন শান্তি চুক্তি কৰি-আলফা শান্তি চুক্তি, বড়ো শান্তি চুক্তি, কাৰ্বি শান্তি চুক্তি, ডিমাচা শান্তি চুক্তি আৰু আদিবাসী শান্তি চুক্তি কৰি আজি অসমলৈ শান্তি ঘূৰাই আনিছে। কেইটামান দিনৰ আগতে অসমত টকা দিলে চাকৰিৰ পৰিৱেশ আছিল। কিন্তু আজি স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে। সেয়েহে মোৰ মৰিয়ণী সমষ্টিৰ প্ৰায় পঁচিশ দিন নতুনকৈ নিযুক্তি পোৱা সকলক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহ মৰ্ম্মে গামোছা পিন্ধাইছিলো। ADRE ত অসম পুলিচ, নাৰ্ছ আৰু বিশেষকৈ শিক্ষক-শিক্ষয়িত্ৰী সকলক মই গামোছা পিন্ধাইছিলো। মই গামোছা পিন্ধোৱা চাৰিশ মান ল'ৰা-ছোৱালীৰ প্ৰায় ৫০ জনমান অতি দুখীয়া ঘৰৰ। মই আজি এটা সুন্দৰ পৰিৱেশ, বাগানৰ আদৰ্শ

অংগনবাড়ী কেন্দ্ৰ, মডেল স্কুল, দেখিবলৈ পাইছো। আমাৰ সাধাৰণ স্কুল সমূহক মডেল স্কুললৈ ৰূপান্তৰিত কৰিবৰ বাবে ৮ কোটি পৰ্য্যন্ত টকা দিয়া হৈছে। মোৰ মৰিয়ণী সমষ্টিত ৭০, ৬৫ বছৰ আগতে ৰাইজে পতা মহাবিদ্যালয় আছিল। কিন্তু বৰ্তামান চৰকাৰৰ সময়ত মই মডেল কলেজ এখন পাইছো। Science Lab, Digital Classroom প্ৰত্যেক স্কুলতে হ'বলৈ ধৰিছে। ইয়াৰ লগতে চাহ শ্ৰমিক পোষণ যোজনাৰ অধীনত বিদ্যালয়সূহে নতুন ৰূপ পাইছে। কোনো দিনেও বিদ্যালয় সমূহত ছাত্ৰ আৰু ছাত্ৰী নিৰাস নাছিল। ধৰ্তী আব্বা, বীৰ বিশ্ৰ মুণ্ডাৰ প্ৰতি সন্মান জনাই, জনজাতীয় লোকসকলৰ প্ৰতি সন্মান জনাই আমাৰ চৰকাৰে ছাত্ৰ আৰু ছাত্ৰী নিৰাস দিয়াৰ ব্যৱস্থা কৰিছিল। আমাৰ মৰিয়ণী সমষ্টিত অৱস্থিত চি কে বি মহাবিদ্যালয়ে ইতিমধ্যে NAAC ৰ A+ grade লাভ কৰিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ Autonomous University লৈ যদি ৰূপান্তৰ কৰে, তেখেত নিজেও গৈছে উক্ত মহাবিদ্যালয়খনলৈ A+ grade লাভ কৰিছে, সেয়েহে মই তেওঁক অনুৰোধ জনাইছো। শেহতীয়াকৈ আমি Hub & Spoke Model ৰ অধীনৰ skill Development ৰ TATA NALCO ত মই মৰিয়ণী সমষ্টিৰ ৬ খন বিদ্যালয়ত ইতিমধ্যে অন্তৰ্ভূক্ত হৈছে। এইটো এটা আদৰণীয় পদক্ষেপ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। Mobility van পাবলৈ ধৰিছে, scooty পাবলৈ ধৰিছে, নিযুত মইনা আঁচনি, এতিয়া বাবু আঁচনিও পাব। Mess dues এতিয়া পাইছে, মাতৃভাষাত আজি চান্তাৰী ভাষা হওঁক মিচিং ভাষাই হওঁক অন্য যিবোৰ ভাষা আছিল লগতে নতুনকৈ সংযোগ হৈছে। নিজৰ ভাষাত আজি ল'ৰা-ছোৱালী পঢ়িবলৈ সুযোগ লাভ কৰিছে। এটা আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ মৰিয়ণী সমষ্টিত ভাৰতৰ স্বাধীনতা হোৱাৰ পিছত পোন-প্ৰথমবাৰৰ বাবে যদি ডাঙৰ প্ৰতিষ্ঠান বুলি যদি ক'বলৈ যোৱা যায় আইন মহাবিদ্যালয় মৰিয়ণী সমষ্টিত পালো, ডিচেম্বৰ মাহত মুখ্যমন্ত্ৰী মহোদয়ে উদ্বোধন কৰিব লগতে Assam Women Industry Permanent Campus আমি মৰিয়ণী সমষ্টিত পালো, ডিচেম্বৰ মাহত মুখ্যমন্ত্ৰী মহোদয়ে উদ্বোধন কৰিব। মই অনুৰোধ জনাম মন্ত্ৰী মহোদয়ে যদি সেই সময়তে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয় খন বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰিব পৰা যায়, সেইখিনি পদক্ষেপ যাতে ডিচেম্বৰ মাহতে গ্ৰহণ কৰে খুব ভাল হ'ব। শেষত মই এটাই অনুৰোধ জ নাইছো অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক য'ত খিলঞ্জীয়া লোক আছে. য'ত SC, ST, চাহ বাগানৰ লোক আছে, তাত বিদ্যালয়সমূহত কৰবাত যদি অলপ relaxation দিব পাৰে। Relaxation দিব কাৰণে মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই ৪ খন Amendment Bill আনিছে আৰু দেখিছো যে যিকেইটা Amendment Bill আনিছে, সঠিক সময়ত এই বিল কেইখন অনা হৈছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটো হৈছে এটা গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ দীৰ্ঘদিনীয়া সমস্যা আছে আৰু এই দীৰ্ঘদিনীয়া সমস্যা বিলাক আমাৰ BJP নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ অহাৰ পিছত পৰ্য্যায়ক্ৰমে এই সমস্যাবিলাক সমাধানৰ ক্ষেত্ৰত বিভিন্ন সময়ত এনেধৰণৰ Amendment Bill আনিছে। তেনেধৰণে বহু সমস্যাৰো ইতিমধ্যে সমাধান হৈছে আৰু বহু সমস্যা এতিয়াও আছে। আজি যি ৪ খন Amendment Bill আনিছে। সেই Amendment Bill কেইখনত আমি লক্ষ্য কৰিছো যে এই Amendment Bill ৪

খনৰ জৰিয়তে আমাৰ শিক্ষা বিভাগৰ বিশেষকৈ একেবাৰে Primary স্কুল ৰ পৰা Higher Education লৈকে যিবিলাক সমস্যাত ভূগি আছিল সেই সমস্যাখিনিৰ ক্ষেত্ৰত বহুলাংশে সমস্যাখিনি পূৰণ হ'ব। আমি জানো যে অসমত বহুত ভেন্সাৰ স্কুল আছে, কলেজ আছে আৰু এই বেচৰকাৰী যিখিনি স্কুল, কলেজ আছে সেই স্কুল, কলেজৰ ক্ষেত্ৰত আমাৰ ২০১৭ চনৰ যি এখন শিক্ষা Act আছিল, সেই Act ৰ জৰিয়তে কিছু কঠোৰ আছিল আৰু সেইকাৰণে এইবাৰৰ যিখন Amendment Bill আনিছে সেইটো যথেষ্ট শিথিল কৰি এই বিলখন অনা হৈছে। আমি জানো যে স্কুল চৰকাৰীকৰণৰ ক্ষেত্ৰত বা কলেজ চৰকাৰীকৰণৰ ক্ষেত্ৰত ২০০৬ চনৰ আগৰ যিবোৰ স্কুল প্ৰাদেশীকৰণৰ ব্যৱস্থা লৈছিল সেইখিনিত যথেষ্ট নথি-পত্ৰ লগা হৈছিল আৰু যথেষ্ট নথি-পত্ৰ লগা হোৱাৰ বাবে বহুত স্কুল চৰকাৰীকৰণৰ পৰা বাদ পৰিছিল। সেই কথাবিলাক বহুত সময়ত বিধানসভাতো আলোচনা হৈছিল, পৰামৰ্শও দিয়া হৈছিল আৰু মন্ত্ৰীগোটৰ এটা sub-committee ও কৰি দিয়া হৈছিল যাতে এই বিষয়টো চাব পাৰে। মন্ত্ৰীগোটে গোটেই বিষয়খিনি চোৱাৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ পৰামৰ্শক্ৰমে আমি দেখিছো যে আমাৰ যিখন বিল আনিছে এই বিলৰ জৰিয়তে ০১-০১-২০০৬ চনৰ আগৰ যিবিলাক স্কুল আছিল আগতে যিমানখিনি নথি-পত্ৰ লাগিছিল, NOC লাগিছিল, permission ৰ কাগজ লাগিছিল আৰু লগতে recognization ৰ কাগজ লাগিছিল বহু খিনি নথি-পত্ৰ লাগিছিল। কিন্তু এতিয়া যিখিনি নথি-পত্ৰ বিচৰা হৈছিল তাৰ পৰা যিকোনো এখন দিলেই এতিয়া আমাৰ চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। গতিকে মই ভাবো যে এতিয়া বহুখিনি স্কুল তেনেধৰণে চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত সুবিধা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া প্ৰশ্নটো হৈছে যিখিনি বিল আনিছে, এতিয়া transfer ৰ ক্ষেত্ৰত আমি জানো যে International বাংলাদেশ border ত আমাৰ বহুত এনেকুৱা শিক্ষক-শিক্ষয়িত্ৰী আছে যিয়ে বহু বছৰৰ পৰা কাম কৰি আছে। এই Act ত আমি দেখিছো যে তেনেকুৱা remote area ত যিসকলে তেনেধৰণে শিক্ষকতাৰ কাম কৰি আছে, যদি আমাৰ female হয় তেতিয়াহ'লে ৫ বছৰ বা ৫ বছৰৰ অধিক সময় কাম কৰিছে আৰু যিসকল male হয় তেওঁলোকে যদি ৭ বছৰ বা ৭ বছৰৰ বেছি সময় কাম কৰিছে তেতিয়াহ'লে তেওঁলোকক transfer কৰাৰ ব্যৱস্থা ইয়াত লোৱা হৈছে। এইটো এটা সুন্দৰ পদক্ষেপ। ইয়াৰ ফলত নিশ্চয় যথেষ্টখিনি শিক্ষক উপকৃত হ'ব পাৰিব। তাৰোপৰি আমি দেখিছো আমাৰ Non teaching যিখিনি staff আছে কলেজতে হওঁক, হাইস্কুলতে হওঁক বা upper স্কুলতে হওঁক তেওঁলোকৰ ক্ষেত্ৰত এটা fix salary ধৰা আছে, এতিয়া যি fix salary ধৰা আছে তাৰ ৬ শতাংশকৈ বৃদ্ধি কৰি তেখেতসকলকো সকাহ দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে এই বিলৰ জৰিয়তে আৰু যিবিলাক Non-Government Educational Institution আছে, সেইবোৰৰ ক্ষেত্ৰত দেখা পাইছো যিবিলাক বেচৰকাৰী শিক্ষানুষ্ঠান তাত fees ৰ কোনো ধৰা-বন্ধা নাই। যাৰ যেনেকৈ মন তেনেধৰণে fees বিলাক লয়। এতিয়া চৰকাৰে এটা সুন্দৰ ব্যৱস্থা লৈছে যে পঞ্চায়ত এলেকাত বা আমাৰ গ্ৰাম্যাঞ্চলত যিবিলাক বেচৰকাৰী শিক্ষানুষ্ঠান থাকিব, English medium ৰ শিক্ষানুষ্ঠান, সেইবিলাকত ইতিমধ্যে ২৫ শতাংশ কম কৈ fees দি admission যাতে ল'ব পাৰে সেইটো সুবিধা কৰি দিছে আৰু তাৰ লগতে এটা কমিটি ও কৰি দিছে Fees Pay Regularity কমিটি বুলি আৰু সেই কমিটিয়ে প্ৰত্যেক বছৰে maximum কিমান fees হ'ব সেই কথাখিনি সেই কমিটিখনে নিৰ্ধাৰণ কৰি দিব, সুন্দৰ পদক্ষেপ। গতিকে মই ভাৱো যিখিনি সমস্যা আজি শিক্ষা বিভাগত হৈ আছিল, সেই সমস্যাখিনি বহুলাংশে এই বিলৰ জৰিয়তে সমাধান হ'ব। এটা কথা মাননীয় অধ্যক্ষ

মহোদয়, আমাৰ ইতিমধ্যে বহুখিনি শিক্ষক নিযুক্তি দিছে, কিন্তু আমি দেখিছো মোৰ সমষ্টিতো দেখিছো যে আমাৰ সমষ্টি বিলাকত এতিয়া এনে কিছুমান স্কুল আছে, যিবিলাকত আমাৰ বিজ্ঞানৰ শিক্ষক নাই, যিবিলাকত Maths ৰ শিক্ষক নাই, যিবিলাকত হিন্দীৰ শিক্ষক নাই, তেনেকুৱা ধৰণৰ কিছুমান শিক্ষকৰ অভাৱ মোৰ সমষ্টিত আছে। গতিকে মই ভাবো যে এই যিবিলাক স্কুলত এইবিষয় বিলাকৰ অভাৱ হৈছে এই অভাৱখিনি যদি পুৰণ কৰিব পৰা যায়, তেতিয়াহ'লে যথেষ্টখিনি সুবিধা হ'ব আৰু সেই স্কুল খনেও নিশ্চয় শিক্ষা দানত যথেষ্ট সুবিধা লাভ কৰিব। মোৰ এটা বিশেষ অনুৰোধ আছে এটা ডাঙৰ সমস্যা হৈছে আমাৰ যিবিলাক International Border ৰ কথা কোৱা হৈছে কিন্তু আমাৰ আন্তঃৰাজ্যিক সীমান্তৱৰ্তী অঞ্চল আছে, আন্তঃৰাজ্যিক সীমান্ত এলেকাত আমাৰ বহুত স্কুল আছে LP আৰু Upper School আছে। অৰ্থাৎ ME স্কুল আছে। মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো যে মোৰ দুখন স্কুল গড়ভাঙা আৰু ৰঙমালী। সেইখন LP ৰ পৰা ME স্কুললৈ উন্নীতকৰণ কৰিছে তাৰ ফলত যথেষ্ট সুবিধা হৈছে। কিন্তু আমাৰ কিছুমান এনে স্কুল আছে প্ৰাদেশীকৃত হোৱা নাই আৰু প্ৰাদেশীকৃত নোহোৱাৰ কাৰণে এটা ডাঙৰ সমস্যা হৈছে। মোৰ যিহেতু অসম মেঘালয় সীমান্তৱৰ্তী এলেকা মেঘালয়ে ইতিমধ্যে সেই অঞ্চল বিলাকক তেওঁলোকে নিজে স্কুল স্থাপন কৰাৰ লগে লগে প্ৰাদেশীকৃত কৰি দিয়ে আৰু যাৰ কাৰণে আমাৰ যিধৰণে তাত শিক্ষক এই সীমান্তবৰ্তী এলেকাত যিহেতু প্ৰাদেশীকৃত কৰা নাই তেনেধৰনে শিক্ষকেও শিক্ষকতা নকৰে। লাহে লাহে ছাত্ৰ-ছাত্ৰীও নোহোৱা হয় আৰু পৰৱৰ্তী সময়ত গৈ মেঘালয়ত স্থাপন কৰা স্কুলখনত পাঠদান কৰিবলগীয়া হয়। গতিকে মই অনুৰোধ জনাইছো যে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সহায়ত যথেষ্ট ৰাস্তা-ঘাট হৈছে কিন্তু যি ২-৩ খন স্কুল আছে সেইখিনি যদি প্ৰদেশিকীকৰণ কৰা যায় তেতিয়াহ'লে মই ভাৱো যে যিটো আগ্ৰাসনৰ মানসিকতা, সেই মানসিকতাটো যথেষ্ট পৰিমাণে হ্ৰাস হ'ব। গতিকে এই ধৰণৰ ব্যৱস্থা মোৰ সমষ্টিতে য'ত আন্তঃৰাজ্যিক সীমান্তবৰ্তী LP স্কুলবিলাক আছে, গোটেই তেনেকুৱা ধৰণৰ LP স্কুল বিলাকৰ বিশেষ ব্যৱস্থা লৈ চৰকাৰীকৰণ কৰা যায়, তেতিয়াহ'লে আমাৰ সীমান্তৱৰ্তী এলেকাৰ যিটো আগ্ৰাসন, সেই আগ্ৰাসনটো বন্ধ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰী ৰূপচিং টেৰণ।

**শ্ৰী ৰূপচিং টেৰণ, বৈঠালাংচু** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চমুকৈ ক'ম যে Provincialisation সম্পৰ্কত যিটো প্ৰস্তাৱ আনিছে,. সেইটো মোৰ ফালৰ পৰা আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছো। এটা কথা জানিব বিচাৰো। Basically Six Schedule area ত চূড়ান্ত সিদ্ধান্ত কোনে ল'ব সেইটো মই জানিব বিচাৰো। ইয়াৰ লগতে আমাৰ Elementary আৰু Secondary স্কুল বহুত আছে, সেইটো যদি নিয়মমতে হয়, তেতিয়াহ'লে কোনো স্কুল বাদ নপৰে। সেই কাৰণে পবিত্ৰ সদনত মই অনুৰোধ কৰিছো আৰু বিশেষকৈ ইতিমধ্যে ক'লেই মেঘালয়ৰ সীমান্তবৰ্তী এলেকাত বৰ্তমান elementary আৰু secondary স্কুল বহুত আছে, কিন্তু provincialise এতিয়াও হোৱা নাই। এইক্ষেত্ৰত বিবেচনা কৰি যাতে border এলেকাত provicialise স্কুল বাদ নপৰে মই তাকে কামনা কৰিছো। বিশেষ কব'লৈ মই নাযাও।
ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক আজি শিক্ষা বিভাগৰ এই বিষয়ৰ ওপৰত দুআষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইতিমধ্যে আমাৰ

বক্তা সকলে গোটেই সমস্যাবিলাকৰ কথা কৈয়েই গৈছে। মই কেৱল কেইটামান কথা কবলৈ বিচাৰিছো। আচলতে আমাৰ অসমত বিশেষকৈ মই অন্য ৰাজ্যত নাজানো, অসমত এতিয়ালৈকে যিমান শিক্ষানুষ্ঠান হৈছে বেছি ভাগ ৰাইজে পতা অনুষ্ঠান আছিল। যি সময়ত আমাৰ সেই সময়ত শিক্ষাৰ অভাৱ আছিল, বহুত দুখীয়া কৰ্মী মানুহ আছিল, জ্ঞানী আছিল, তেওঁলোকে নিজৰ গাঠিৰ ধন ভাঙি নিজৰ মাটি দান কৰি খেতিত যি দুই এপইচা উপাৰ্জন কৰে তাৰে খৰচ কৰি তাৰে শিক্ষানুষ্ঠান কৰিছিল। পৰৱৰ্তী সময়ত সেইবিলাক স্কুলে চৰকাৰী ME স্কুল হিচাপে হ'ল। কলেজ ইত্যাদি হ'ল। পৰৱৰ্তী সময়ত অৱশ্যে কেইখন মান চৰকাৰে হাইয়াৰ চেকেণ্ডাৰী কলেজ বা হাইস্কুল বনাইছিল নলবাৰী গৰ্ডন কলেজিয়েট স্কুল, কটন কলেজ, হাফলং কলেজ ইত্যাদি। কিন্তু বেছিভাগ কলেজ ৯৯ শতাংশই ৰাইজে বনোৱা। এই যে ভেঞ্চাৰ স্কুল বুলি কওঁ আমি, এই ভেঞ্চাৰ স্কুলৰ যি প্ৰৱণতা, সেইটো আজিৰ নহয়, আৰম্ভণিৰ পৰাই আছে। আগৰ পৰাই এনেকৈয়ে শিক্ষানুষ্ঠান চলাইছিল। উদাহৰণস্বৰূপে কৈছো যে মোৰ সমষ্টিৰ এখন স্কুল আছে ১৯২৩ চনত স্থাপন হৈছিল। সেইখন বৰভাগ কালাঘাই হাইচেকেণ্ডাৰী স্কুল। এইবাৰ সোণালী জয়ন্তী হ'ব। সেই সময়ত সেই সকল জ্ঞানী ব্যক্তিয়ে স্কুলবিলাক পাতিছিল আৰু শিক্ষাৰ পোহৰ দেখুৱাইছিল। গতিকে আমাৰ চৰকাৰৰ কৰ্তব্য আছে আৰু ৰাইজৰ কৰ্তব্য আছে, যিবোৰ ভেঞ্চাৰ স্কুল এতিয়াও চলি আছে যেনেকৈ নহওঁক, সেই স্কুলসমূহ চৰকাৰে ল'ব লাগে আৰু সেইসকল শিক্ষকক যিয়ে ল'ৰা-ছোৱালীক পোহৰ দেখুৱাই তেওঁলোকক আমি উপযুক্ত সন্মান দিব লাগে। এতিয়া আমি দেখিছো যে বিভিন্ন ক্ষেত্ৰত বিধায়ক সকলক, মন্ত্ৰী সকলক লগ কৰে, আমাকো বিভিন্ন সময়ত সংস্থা আহে, বিভিন্ন মেম'ৰেণ্ডাম দিয়ে। মই এই যোৱা চাৰে চাৰিটা বছৰৰ কাৰ্য্যকালত শিক্ষা বিভাগত মাননীয় মন্ত্ৰী ডাঙৰীয়া আছে, মই কিমান প্ৰশ্ন কৰিছো। যোৱাকালি আহিছে সৰ্বশিক্ষা অধীনত কাম কৰা D.El.Ed diploma উত্তীৰ্ণ ১৮৮৬ গৰাকী সংযোগী শিক্ষাকৰ্মী আছে। তেওঁলোকক tutor পদত নিযুক্তি দিব লাগে। এইবাৰ যিখন provincialise act কৰিল, মন্ত্ৰী মহোদয়ে যিটো এল. পি. স্কুলৰ UDISE ২০০৯ ত code বুলি দেখুৱাইছে তেওঁলোকে আমাক demand দিছে যে ২০১৮ আৰু ২০১৯চনৰ UDISE Code যদি plus নহয়, সেইবিলাক স্কুল provincialise নহ'ব। সেই গোটেইবিলাক মানুহ কাৰণে দুখ লাগে। তেওঁলোকে ২০-২৫ বছৰ ল'ৰা-ছোৱালীক জ্ঞানৰ পোহৰ দেখুৱাইছে। তেওঁলোকে পঢ়োৱা ল'ৰা-ছোৱালী ডাক্তৰ ইঞ্জিনিয়াৰ হৈছে। এইটো দুখ লাগে যে তেওঁলোকে পইচা নাপায় সেইসকল শিক্ষকে। গতিকে মই মন্ত্ৰী মহোদয়ক আহ্বান জনাও এই কথাবিলাক অলপ চাওক। মন্ত্ৰী মহোদয়ে response ভাল কৰে। তেখেতে কিবা থাকিলে মোক WhatsApp ও কৰে, মই ধন্যবাদ জনাইছো। যিটো ভাল কাম সেইটো ভাল বুলিয়েই ক'ম। চাৰ, এইক্ষেত্ৰত এটা কথা মোৰ নলবাৰী শিলাত এখন স্কুল আছে পূৱ বৰভাগ আঞ্চলিক স্কুল ১৯৯১ চনত স্থাপিত হৈছিল। ২০০৭ চনত recognition কিন্তু ২০১৭ চনত এজন student কমি গ'ল বেচেৰাৰ বেমাৰ হৈ সি আহিব নোৱাৰিলে, provincialise নহ'ল। শিক্ষক সকলে মোক দিনে-নিশাই কয় যে বিধায়ক পুঁজি দিয়ক। কিন্তু আমি দিম ক'ৰপৰা ? এনেকুৱা এটা অৱস্থা। ঠিক তেনেকৈ কেইবাখনো অনুষ্ঠান আছে। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম, এই ভেঞ্চাৰ স্কুলৰ যিটো সমস্যা, এখন সমিতি কৰি দিয়ক আপুনি। এতিয়া আৰু নতুনকৈ কোনো ল'ৰা-ছোৱালীয়ে কোনো ভেঞ্চাৰ স্কুল নুখুলে, খোলা নাই। এতিয়া যিখিনি নতুন চাম আছে, তেওঁলোকৰ ভেঞ্চাৰ স্কুল খোলাৰ প্ৰৱণতা নাই আৰু নুখুলেও। কিন্তু আগৰ যিখিনি সমস্যা আছে, সেইখিনি সমাধান কৰিব লাগিব। আমি এইটো অস্বীকাৰ কৰিব নোৱাৰো। যিবিলাক ভেঞ্চাৰ স্কুল

আছিল, সেইবিলাকত পঢ়িয়েই পৰৱৰ্তী সময়ত হাইস্কুললৈ ৰূপান্তৰ হ'ল চৰকাৰে ল'লে আমি আজি শিক্ষা গ্ৰহণ কৰিছো। গতিকে এইখিনি মন্ত্ৰী মহোদয়ে চাব। মই এটা কথা কওঁ যে, আমাৰ অসমত এই tutor হিচাপে বহুতক নিযুক্তি দিছিল। তেওঁলোকে দৰমহা পায় ১০ হাজাৰ ৮০০ টকা। গতিকে এইটো এটা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰক নহ'লে regular ৰ ব্যৱস্থা কৰক। মই মন্ত্ৰী মহোদয়ক কৈছো যে, মই পৰহি প্ৰশ্ন কৰিছিলো অসমত কিন্তু এতিয়া Commerce Stream টোৰ কথা বিধায়ক শ্ৰী উৎপল বৰা ডাঙৰীয়াই কৈছিল, কথাটো সঁচা। মহাৰাষ্ট্ৰত admission পাবলৈ ৯৯ শতাংশ লাগে। Commerec পঢ়িবলৈ মানুহে হাবাথুৰি খাই থাকে। অসমত science পঢ়িবলৈ আহে। সেই কাৰণে আমি commerce stream টোক গুৰুত্ব দিব লাগে আৰু commerec পাছ কৰিলে কৰবাত কিবা এটা কৰি হ'লেও খাব। GST আদিত সোমাই হ'লেও কিবাকৈ চলিব পাৰে । সেই কাৰণে মই এটা demand দিছিলো যে, আমাৰ বৰভাগ যিখন কলেজ আছে, সেইখন কলেজত মন্ত্ৰী মহোদয়ে মোক কৈছিল যে প্ৰস্তাৱ প্ৰেৰণ কৰক। বৰভাগ কলেজৰ পৰা প্ৰস্তাৱ আহিল যে ০২-৯-২০২২ চনত যিহেতু কমাৰ্চ ষ্ট্ৰিম হিচাপে ঘোষণা কৰিব লাগে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে আপুনি এইটো কৰক।

মোৰ সমষ্টিত ৩২ কোটি টকা খৰছ কৰি কালদীপত MSDP ৰ এটা ডাঙৰ building বনাইছে, সেইটো এতিয়া পৰি আছে। আমি অসমৰ যেতিয়া বিভিন্ন ঠাইত যাওঁ দেখোঁ যে স্কুল বিলাক পৰি আছে। এদিন আমি whats app video conference কৰিলো। মাননীয় মুখ্যমন্ত্ৰী মহাদয়ে কেইদিনমান আগতে নলবাৰীত ঘোষণা কৰি আহিছে যে তাত আমি এখন মডেল কমাৰ্চ কলেজ কৰিম। মাননীয় মন্ত্ৰী ডাঙৰীয়াই মোকো video conference কৰি শুধিলে যে তাত কি লাগিব? মই তেতিয়া কমাৰ্চ লাগিব বুলি কৈছিলো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই কামটো কৰিব বুলি মই আশা কৰিছো। তাৰোপৰি কেইবাখনো ভেঞ্চাৰ স্কুল আছে, সেইবোৰো মানৰতাৰ খাতিৰত সমাধান কৰক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ২০১৭ চনৰ বিলখন amendment ৰ কাৰণে আহিছে। আন কিছু বিলো আহিছে amendment ৰ কাৰণে, তাৰবাবে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। বিগত দিনত আমি শিক্ষা সংক্ৰান্তীয় সমস্যা সমাধানৰ ক্ষেত্ৰত ২০১৭ চনৰ বিলখন বাধা হিচাপে পাইছিলো। মুখ্যমন্ত্ৰীয়ে ২৪-১১-২০২৫ ত recognise,permission, NOC, affiliation যিকোনো নথি-পত্ৰ এটা থাকিলে provincialise কৰাত অসুবিধা নাথাকিব বুলি ঘোষণা কৰিছিল। এই ঘোষণাই আমাৰ ৰাজ্যখনত সিচৰিত হৈ থকা যুৱক, মই যুৱক এইকাৰণেই কৈছো যে ২০ ৰ পৰা ৪৫ বা ৫০ লৈকে যিসকল আছে তেওঁলোকে জীৱনৰ আটাইতকৈ উত্তম সময়খিনি ভেঞ্চাৰ স্কুলত কটাইছিলে। তেওঁলোকৰ যিটো দুখ বেদনা আছে, সেইটো আমি নিশ্চিতভাৱে উপলব্ধি কৰিব লাগে। এই বিলখন সংশোধন কৰিলে কিছু পৰিমাণে সুবিধা হ'ব। তাৰবাবে মাত্ৰ কেইটামান কাম কৰিব পৰা যায়।Dice ৰ যিটো ব্যৱস্থা সেইটো যদি ২০০৯-১০ নকৰি ২০১৮-১৯ কৰি দিয়ে তেতিয়া এই ভেঞ্চাৰ স্কুলৰ যিটো অভিশাপ আমাৰ ওপৰত আছে, সেইটো সমুলঞ্চে শেষ কৰাৰ এটা সুযোগ ওলাব। তাৰ পাছত যাতে ভেঞ্চাৰৰ ব্যৱস্থাটো আমাৰ ৰাজ্যখনত নাথাকে।

লগতে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত যিটো condition আছে LP school ত ৩০ ৰ সলনি যদি ২৫ জন বাধ্যতামূলক কৰে, মাধ্যমিকত ২৫ ৰ সলনি ২০ জন । মহাবিদ্যালয়ৰ ক্ষেত্ৰত আমি দেখা পাইছো, ২০১৭ চনতো আছিলে যে ২০১০ ৰ আগতে যিসকলে join কৰিছে, তেওঁলোকৰ চাকৰি শেষ কৰিম। কিন্তু এতিয়া আমি লক্ষ্য কৰিছো যে এইবাৰো ২০১০ হে ৰাখিছে। ২০১০ চন ৰাখিলে তাৰ পিছত যিসকলে join কৰিছে, তেওঁলোকৰ requisite qualification আছে, আজি মোৰে দুখ লাগিছে শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ ধেমাজি জিলাৰে এগৰাকী যুৱতীয়ে মোক ফোন কৰি জনাইছে বৰদলনি কেন্দ্ৰীয় মহাবিদ্যালৰ এই শিক্ষয়িত্ৰী গৰাকীৰ PhD আছে কিন্তু তেওঁ ২০১০ ৰ পিছত যোগদান কৰিলে। এতিয়া তেওঁলোকৰ চাকৰিটো নহ'ব। গতিকে ২০১০ চনৰ সলনি যদি ২০১৮ চন কৰে ভাল হয়। কাৰণ ২০১৭ ত যেতিয়া কৰিছিলো তেতিয়া ২০১০ চন ৰখা হৈছিল, ৭ বছৰ পাৰ্থক্য ৰখা হৈছিল। গতিকে এতিয়াও ৭ বছৰ পাৰ্থক্য ৰাখি যিহেতু আমি আইনখন ২০২৫ চনত amend কৰিম, সেইটো ২০১৮ চন কৰিলে বহু যুৱক - যুৱতীৰ চাকৰি নিয়মীয়াকৰণ কৰিব পৰা যাব। গতিকে এই ব্যৱস্থা কৰিব লাগে।

আনফালেদি এই ক্ষেত্ৰতে যিটো point -C ৰ 6 ত আছে, final examination বুলি sixth semister ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা গণনা কৰা হয়, sixth semister ত ১৫ জন ছাত্ৰ-ছাত্ৰী বাধ্যতামূলক কৰা হৈছে। এইটো পোৰাটো সম্ভৱ নহয়। তাতে আকৌ NEP ২০২০ অনুসৰি বিভিন্ন semister ত ছাত্ৰ-ছাত্ৰী সকলে ভিন ভিন বিষয় কৰাৰ সুযোগ পায়। সেয়েহে এই সংখ্যাটো ১০ লৈ হ্ৰাস কৰিব লাগে। ইয়াৰ উপৰিও, Pass Course ত থকা বিষয় সম্পৰ্কত 4th semister ৰ মান্যতা দি তাত ১০ জন ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটো মাপকাঠি হিচাপে ধৰিব লাগে কাৰণ 4th semister ৰ পাছত ছাত্ৰ-ছাত্ৰী সকলে মেজৰ বিষয় লৈ গুছি যায়। এইক্ষেত্ৰত ability enhencement course আৰু value added course ইত্যাদি বিষয়ত থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যটো যদি গণনা কৰা যায়, তেতিয়াহ'লে এই যিটো বেৰিয়াৰ আছে, এই বেৰিয়াৰটো উঠি যাব। NEP ২০২০ মতে নতুনকৈ এইটো সন্নিবিষ্ট কৰা দৰকাৰ।

সেইকাৰণে কলেজ শিক্ষকৰ ক্ষেত্ৰত joining ৰ যিটো ২০১০ চনৰ বাধা আছে, সেইটো যদি ৩১-১২-২০১৮ কৰি দিয়ে তেতিয়া আমি বহু সমস্যাৰ পৰা মুক্তি পাম আৰু এই ভেঞ্চাৰৰ অভিশাপৰ পৰাও মুক্তি পাম। মই এইখিনি কথা দৃঢ়তাৰে ক'ব খুজিছো। লগতে পৰীক্ষাৰ ৰিজাল্টৰ কথা যিটো ২০২৩-২৪ ধৰিছে এইক্ষেত্ৰত অন্তত ৬ বছৰ সামৰি তিনি বছৰ কৰক। এইটো যদি কৰা যায়, তেতিয়াহ'লে এই সুবিধাটো হ'ব। ইয়াৰ উপৰিও ৰিজাল্টৰ ক্ষেত্ৰত যিটো ৩০ শতাংশ কৰা হৈছে, সেইটো ২০ শতাংশ কৰিলে নিশ্চিতভাৱে আমি যথেষ্ট সুযোগ পাম।

আন এটা কথা, fixed salary admissible to the tutor. তেওঁলোকৰ যিটো salary ধাৰ্য্য কৰিছে সেইটো মোৰ বোধেৰে যিটো scale আছে, সেইটো যদি salary হিচাপে ধৰে, নিশ্চিতভাৱে তেওঁলোক উপকৃত হ'ব। এই মহঙা দিনত তেওঁলোকৰ পৰিয়াল চলোৱাৰ ক্ষেত্ৰত যথেষ্ট সকাহ হ'ব। এইখিনি কৰিলে যথেষ্ট সুযোগ হ'ব। আনহাতে মোৰ সমষ্টিৰ দুখন কলেজত science stream আছে, বৰনগৰ কলেজ, GLC কলেজ। বৰনগৰ কলেজত কমাৰ্চ ষ্ট্ৰিমটো তেওঁলোকে নিজস্বমতে চলাই আছে। কিন্তু এই দুয়োখন কলেজতে কমাৰ্চ ষ্ট্ৰিমটো ল'ব লাগে। এই ব্যৱস্থাটো যদি কৰি দিয়া যায়, যিটো সংশোধন হ'ব, ই আমাক যথেষ্ট সকাহ দিব।

আন এটা কথা আমি আলোচনা কৰিছিলো, তেজপুৰ বিশ্ববিদ্যালয় সম্পৰ্কত। মই তেজপুৰ বিশ্ববিদ্যালয় বিষয়টো উনুকিয়াব বিচাৰিছো। তেজপুৰ বিশ্ববিদ্যালয়খন অসম আন্দোলনৰ অসম চুক্তিৰ ভিত্তিত স্থাপিত হোৱা এখন Central University, এইটো নিশ্চিতভাৱে কেন্দ্ৰীয় চৰকাৰে চায়। কিন্তু তাৰ লগত আমাৰ এটা আবেগ জড়িত হৈ আছে। অসমৰ জনসাধাৰণে অসম আন্দোলন কৰিছিলে, কোনোবাই বিৰোধিতা কৰিছিলে, কোনোবাই শুধৰণি বিচাৰিছিলে, কোনোবাই সমৰ্থন কৰিছিলে। কিন্তু তাৰ পাছত এখন চুক্তি হ'ল যাৰ মৰ্মে তেজপুৰ বিশ্ববিদ্যালয় হ'ল। এই বিশ্ববিদ্যালয়খন এতিয়া অৰাজক অৱস্থালৈকে গৈ আছে। ছাত্ৰ-ছাত্ৰীয়ে আজি আন্দোলন কৰিছে, Vice Chancellor আজি পলাই আছে। ৭০ দিন ধৰি তেওঁ বিশ্ববিদ্যালয়ত নাই, নতুন Vice Chancellor নিযুক্তি দিয়া নাই। তাত বহু দুৰ্নীতি উত্থাপন হৈছে আৰু ছাত্ৰ-ছাত্ৰী সকল ক্ষোভিত হৈছে। এনেকুৱা এটা অৱস্থাত আমাৰ শিক্ষা বিভাগ নিশ্চিতভাৱে silent spectator হৈ থাকিব নোৱাৰে। Silent spectator হৈ থাকিলে অৱস্থা আৰু অৱনতি ঘটিব। কেনেকৈ পাৰে এই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিবাচক প্ৰচেষ্টা হাতত ল'ব লাগে নহ'লে তেজপুৰ বিশ্ববিদ্যালয়ৰ এই অৰাজক অৱস্থা আঁতৰ নহ'ব। ইয়াত দুৰ্নীতি কিদৰে হৈছে আমি আপোনলোকক দেখুৱাইছো। যিখন চকীৰ দাম ৫০০ টকা তাৰ দাম ২৫০০ টকাকৈ দেখুৱাইছে। Computer, Laptop আজি তিনিগুণ দামত তেওঁ ক্ৰয় কৰিছে। তাত দুৰ্নীতিৰ এটা ডাঙৰ nexus বাহ বান্ধিছে। সেইটো ভাঙিব লাগে। তাৰ বাবে ৰাজ্য চৰকাৰে এটা ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিলে এই অনুষ্ঠানটো আমি বচাব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে মই অসম চৰকাৰক তথা শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো । আজি শিক্ষা বিভাগৰ কেইবাখনো বিল আজি তেখেতে ইয়াত উত্থাপন কৰিছে আৰু নিশ্চয়কৈ পাৰিত ও হ'ব। তাৰ ভিতৰত ১৪ নং ত যিখন বিল আছে "Assam Education (Provincialisation of Services of Teachers and Re-organization of Educational Institutions) (amendment) Bill, 2025 আজি এই বিলখন সদনত পাছ হোৱাৰ পিছত নিশ্চয়কৈ অসমৰ শত-সহস্ৰ শিক্ষকৰ মনত জীয়াই থকাৰ প্ৰেৰনা বিচাৰি পাব আৰু তেওঁলোকে বিগত দিনত কৰি যোৱা যিমান কষ্ট, শ্ৰম আৰু সাধনা শিক্ষাৰ বিকাশ আৰু উত্তৰনৰ বাবে সেইখিনি নিশ্চয় স্বীকৃতি পাব বুলি মই আশা কৰিছো। মই আশা কৰিম এই বিলখনৰ যোগেদি বৰ্তমান সময়চোৱাত ২০০৬ চন যিটো বান্ধি লোৱা হৈছে। গতিকে ২০০৬ চনৰ আগতে যিখিনি বিদ্যালয় গঠন হৈছিল সেইখিনিৰ স্বীকৃতি প্ৰদান কৰিব লাগে। তাৰ মাজত যদি সৰুসুৰা দুই-এটা আঁসোৱাহ আছে বিশেষকৈ enrollment ৰ ক্ষেত্ৰত কেতিয়াবা হয়, কেতিয়াবা sufficient land ৰ ক্ষেত্ৰত বাধা প্ৰদান হয় গতিকে এইখিনি অলপ বিবেচনা কৰি শিক্ষকসকলক ইয়াৰ পৰা মুক্তি দিলে মই ভাল হয় বুলি ভাবিছো কাৰন বহু বাগিচা বা গ্ৰাম্য অঞ্চলত এনেকুৱা স্কুল আছে যিখিনিৰ আছলতে প্ৰয়োজন কিন্তু তাত provincialization কৰা হোৱা নাছিল। নিশ্চয়কৈ সেইখিনি এই বিলখনে cover কৰি ল'ব আৰু স্বীকৃতি প্ৰদান কৰিব। মোৰ সমষ্টিত বহুখিনি বিদ্যালয় ২০০৬ চনৰ আগতেই হোৱা এতিয়ালৈকে হোৱা নাই। তাৰ ভিতৰত Borbil High School, Garudharia High School, Padumoni High School, Sepon Chah Bagisa M.E. School, Brahmaputra Janajati M.E. School,

Swahis Bholuka Gohain & Moneswar Gohain M.E. School আৰু Borpathar M.E. School এই সাতখন বিদ্যালয় ২০০৬ চনৰ আগতেই প্ৰতিষ্ঠা লাভ কৰা কিন্তু আজি পৰ্য্যন্ত এইখিনিয়ে স্বীকৃতি লাভ কৰা নাই। সেয়ে মই ভাৱো তাত খাটি থকা যিখিনি শিক্ষক তেওঁলোকৰ জীৱনৰ এটা সীমা আছে গতিকে তেখেতসকলক স্বীকৃতি প্ৰদান কৰিলে ভাল হয়। তাৰ লগতে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ জনাইছো যে মোৰ সমষ্টিত দুখনেই মহাবিদ্যালয় আছে - Khowang College আৰু Pithubar Degree College. Khowang College ত আজিকোপতি আমাৰ Commerce Stream টো provincialised হোৱা নাই, তাত শিক্ষক সকলে বিনাবেতনেৰে বহু বছৰৰ পৰা শিক্ষাদান কৰি আছে গতিকে এইটো কেনেদৰে কৰিব পাৰি সেইটো চাব লাগে। দ্বিতীয়তে Pithubar Degree College খন ২০১৩ চনত হৈছে কিন্তু তাত থকা বুৰঞ্জী বিভাগটো enrollment ৰ দোহাৰি দি সেই সময়ত provincialized কৰা নহ'ল আৰু provincialized নকৰাৰ কাৰনে ৪জন শিক্ষকে এতিয়াও তাত governing body এ যি দিয়ে সামান্য কিবা এটা লৈ তাত কাম কৰি আছে। তাত মূল এটা hindrance হৈছে যে sufficient যি enrollment লাগে সেইটোৰ তাত অভাৱ হৈছে। Major subject টোক নধৰি যদি আমি অন্যান্য major, minor বা general subject খিনি ধৰি লওঁ তেতিয়া হ'লে কিন্তু student খিনি হয়। গতিকে সেইখিনি ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰিলে ভাল হয় বুলি মই ভাবিছো নহ'লে বহু শিক্ষকে দৰমহা চুবলৈ নোপোৱাকৈয়ে তেওঁলোকে চাকৰিৰ পৰা অৱসৰ লৈছে। মোৰ সমষ্টিৰ বহু শিক্ষকে যোৱা ৩-৪ বছৰ আগতে শিক্ষাদানৰ নামত গোটেই জীৱনৰ অমূল্য সময় দান দি অৱসৰ গ্ৰহন কৰিলে কিন্তু এটকাও দৰমহা চুবলৈকে নাপালে। সেইসকল শিক্ষকৰ শ্ৰীচৰনত মই আজি প্ৰনাম জনাইছো তেখেত সকলে দৰমহা পাওঁক বা নাপাওঁক তেওঁলোকৰ যিখিনি সেৱা অনাগত ভৱিষ্যতৰ প্ৰজন্মটোক পোহৰৰ বাট দেখুৱাবলৈ, আন্ধাৰৰ পৰা পোহৰলৈ লৈ যাবৰ বাবে তেওঁলোকে কাম কৰি গ'ল তাৰ বাবে প্ৰনাম জনাইছো আৰু পুনৰবাৰ মাননীয় মন্ত্ৰী মহোদয়ক সমগ্ৰ অসমৰ লগতে মোৰ সমষ্টিত থকা এই বিদ্যালয় কেইখন চাবৰ বাবে অনুৰোধ জনাইছো । আৰু এটা কথাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো যে ২০১৬ চনত মই প্ৰথম বাৰৰ বাবে যেতিয়া বিধায়ক হৈ আহিছিলো মোৰ সমষ্টিত চৰকাৰীকৰন হোৱা স্বীকৃতি প্ৰাপ্ত Higher Secondary School মাত্ৰ এখন আছিল আৰু সেই বিদ্যালয় খনৰ নাম আছিল Lezai High School. কিন্তু আজিৰ তাৰিখত মোৰ সমষ্টিত ১১ খনকৈ নতুন স্কুল সংযোগ কৰি দিলে, high school ৰ পৰা higher secondary লৈকে লৈ গ'ল। মই school কেইখনৰ নামকেইটা এবাৰ কৈ দিব বিচাৰিছোঃ

1. Dikhari TE Model School
2. Jokai H.S. School
3. Kalakhowa Miripather H.S. School
4. Kotoha H.S. School
5. Lezai H.S. School (এইখন আগতেই হৈ আছিল)
6. Madhupur H.S. School
7. Pathalibam H.S. School
8.Rameswar H.S. School
9. Senchowa Pukhuri H.S. School

## 10. Sepon TE Model School

এই স্কুল বিলাক এতিয়া সাংঘাটিক ধৰণে প্ৰগতিৰ যাত্ৰাত আগবাঢ়িছে, প্ৰত্যেক খন বিদ্যালয়ত ২০-৩০ গৰাকী কৈ নতুন ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ হৈ পৰিছে আৰু গাওঁৰ ল'ৰা-ছোৱালী বিলাকে তাত অধ্যয়ন কৰিবলৈ আহিবলৈ সুবিধা বিলাক পাইছে। গতিকে পুনৰ বাৰ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰি আমাৰ ৰৈ যোৱা অসুবিধা খিনি দূৰ কৰিবৰ বাবে পুনৰ বাৰ আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। এতিয়া শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (পশ্চিম কোকৰাঝাৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই শিক্ষাৰ ক্ষেত্ৰত যিখন বিল সদনত উত্থাপন কৰিলে আৰু শিক্ষাৰ লগত জৰিত থকা গোটেই সমস্যাসমূহ বিস্তৃত ভাৱে আলোচনা কৰিবলৈ যি সুবিধা প্ৰদান কৰিলে তাৰবাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো আৰু লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিছো। আজি যিখন amendment billl সদনত উত্থাপন কৰিলে এই বিলখনৰ বিষয়টো অসমৰ হাজাৰ-হাজাৰ ছাত্ৰ-ছাত্ৰী, ল'ৰা-ছোৱালী, শিক্ষক সমাজ, অভিভাৱক সকল আৰু শিক্ষা বিভাগৰ লগত জৰিত যিসকল বিষয়া-কৰ্মচাৰী আছে তেওঁলোকৰ লগত জৰিত সমস্যা সমূহ সমাধানৰ কাৰণে নিশ্চয় এটা সুযোগ প্ৰদান কৰিব। আমাৰ শিক্ষা বিভাগটো বহু সমস্যাৰে জৰ্জৰীত আৰু এই সমস্যাবোৰ সমাধান কৰিবলৈ চৰকাৰে যোৱা দিনবোৰত বহু চেষ্টা চলাইছে। কিন্তু সমস্যা সমস্যা হৈয়েই থাকি গ'ল। কিছু সমস্যা আংশিক ভাৱে সমাধান হ'ল আৰু কিছু থাকি গ'ল। আজি বহু বছৰৰ মূৰত এই চৰকাৰখনে এই বিষয়টোৰ ওপৰত বিস্তৃত ভাৱে আলোচনা কৰিবলৈ যি সুযোগ দিলে মই ভাৱো সমস্যা সমূহ সম্পূৰ্ণ ভাৱে সমাধান নহ'লেও ৮০%- ৯০% লৈকে সমাধান কৰিবলৈ এটা পদক্ষেপ ল'বলৈ চৰকাৰৰ ফালৰ পৰা চিন্তা-চৰ্চা কৰিব বুলি মই বিশ্বাস কৰো। আজিৰ এই বিলখন দুটা ভাগত আলোচনা কৰিব লগীয়া পৰ্য্যায়ত আহি পৰিছে বুলি মই ব্যক্তিগত ভাৱে অনুভৱ কৰিছো। এটা হ'ল 6th Schedule Area আৰু আনটো হ'ল Non 6th Schedule Area. কিন্তু অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই যিখন বিল সদনত উত্থাপন কৰিলে তাত গোটেই অসমৰে কথা কৈছে including 6th Schedule Area ত এই বিল খনেই প্ৰযোজ্য হ'ব । ইয়াতেই আমাৰ কেৰোণটো লাগি গ'ল আৰু ক'ব লগীয়া থাকি গ'ল বাবে আমি ইয়াত amendment বিচাৰিছো। মই যিহেতু 6th Schedule BTC Area ৰ পৰা আহিছো যিটো এটা separate arrangement under the provision of the 6th Schedule of the Indian Constitution. এই 6th Schedule BTC Area গঠনৰ মূল উদ্দেশ্য আছিল সেই অঞ্চলৰ পিছপৰা জনজাতিৰ আথ-সামাজিক, শৈক্ষিক, ৰাজনৈতিক দিশ এই গোটেই খিনিতেই তেওঁলোকক নিৰাপত্তা আৰু অধিকাৰ প্ৰদান কৰা আৰু তেওঁলোকে যাতে এই অঞ্চলটো পৰিচালনা কৰি নিজৰ জাতি, অঞ্চলৰ কাৰণে কাম কৰাৰ অধিকাৰ পায় তাৰপ্ৰতি গুৰুত্ব আৰোপ কৰিয়েই 6th Schedule BTC আমাক প্ৰদান কৰা হৈছিল। আমি ধন্যবাদ দিছো ভাৰত চৰকাৰৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া, তেতিয়াৰ উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানী, অসম চৰকাৰ আৰু আমাৰ আন্দোলনকাৰী গোটেই অসমবাসী ৰাইজ, আছুৰ পৰা আৰম্ভ কৰি অসম সাহিত্য সভা, এ জি. পি, বি.জে.পি, চি.পি.এম, কংগ্ৰেছ, চি.পি.আই অসমৰ যিমানখিনি দল আছিল সকলোৱে সৰ্ব্বসন্মতিক্ৰমে এই 6th Schedule ব্যৱস্থাপনাৰ দ্বাৰা বড়ো সমস্যা সমাধানৰ কাৰণে সৰ্ব্বসন্মতি প্ৰকাশ কৰিছিল, সহযোগ আগবঢ়াইছিল। আপোনালোক

সকলোৰে সহযোগত, সকলোৰে আশীৰ্বাদ, আপোনালোক সকলোৰে সমৰ্থনৰ কাৰণে আজি 6th Schedule ৰ এটা arrangement আমি অসমৰ ভিতৰত পাইছো। এতিয়া এই 6th Schedule এলেকাত যদি আমাৰ শিক্ষা বিভাগে আজি যিখন বিল উত্থাপন কৰিছে, তাত যদি কাৰ্য্যকৰী কৰা হয় এটা কথা আমি মনত ৰাখিব লাগিব যে ৪০ টা বিভাগৰ ভিতৰত শিক্ষা বিভাগটো fully transfer to the BTC Authority. Accord ৰ দ্বাৰা BTC Authority ক fully transfer কৰা subject আৰু BTC ৰ হাতত Legislative, Executive power constitution য়ে সম্পূৰ্ণভাৱে আমাক provide কৰিছে। ৪০ টা বিভাগ BTC Government য়ে নিজে বিচৰা ধৰণে আইন প্ৰনয়ণ কৰিব পাৰিব, Rules বনাব পাৰিব। নিজৰ এই ৪০ টা বিভাগক তেখেতসকলে সেই অঞ্চলৰ ছাত্ৰ সকলৰ কাৰণে শিক্ষা যদি হয় শিক্ষা কেনেকৈ উন্নতি কৰিব লাগে, কেনেকৈ আমি পৰিচালনা কৰিব লাগে ইয়াৰ নিয়ম-নীতি, আইন-কানুন প্ৰনয়ণ কৰাৰ সম্পূৰ্ণ ক্ষমতা 6th Schedule ৰ হাতত, BTC ৰ হাতত। তাত নে অসম চৰকাৰে হাত দিব পাৰে, নে ভাৰত চৰকাৰে হাত দিব পাৰে। এই এটা আমাৰ ক্ষমতাৰ বিকেন্দ্ৰীকৰণ। আমাৰ decentralisation of power. এইটো Constitution য়ে আমাক through 6 Schedule provission provide কৰিছে। এতিয়া আমি Education Department ৰ অসম চৰকাৰৰ যিখন বিল বা আইন সেই আইনৰ দ্বাৰা আমাৰ অঞ্চলবোৰৰ শিক্ষা বিভাগটো চলাই থকা বা চলাই অহা এইটো আমি ও দেখা পাই আছো বা আমি নিজে ইয়াত জড়িত হৈ আহিছো। কিন্তু এই ২২ টা বছৰত ভৰি দিয়াৰ পিছত আমি উপলব্ধি কৰিছো no, now we have to control the department directly from the BTC Authority because we have got the Legislative power. We can make Laws and Rules to run the department. আমাৰ ইচ্ছামতে আইন প্ৰনয়ণ কৰিব পৰা যিটো ক্ষমতা আছে, গতিকে আমি আমাৰ বিচৰা ধৰণে এখন বিল প্ৰস্তুত কৰিব পৰা এই ক্ষমতাটো এইবাৰৰ পৰা আমি exercise কৰিম, আমি ব্যৱহাৰ কৰিম আৰু অসম চৰকাৰৰ পৰা বনোৱা যি বিল সেই বিল আমাৰ অঞ্চলত কোনো প্ৰকাৰে apply হোৱাতো বা কাৰ্যকৰী কৰাতো আমি এইবাৰৰ পৰা গ্ৰহণ নকৰিম। ইয়াত আমি সংশোধনীটো আনিবও খুজিছো যে Excluding 6th Schedule BTC area এইটো হওঁক, Not including 6th Schedule BTC area. সেইটো আমি আমাৰ পৰা বিচাৰিছো। এতিয়া আজি এই শিক্ষা বিভাগত provincialised ৰ বিষয়টো লৈ আলোচনা কৰিছে। এইটো অসমৰ এটা ডাঙৰ সমস্যা। আপোনালোকে চাওঁক আমি tribal সকলে জঙ্গলে-মঙ্গলে ফুৰা মানুহ। জঙ্গলৰ গছ কাটি কাটি আমি গাওঁ পাতি থকা মানুহ। আন্দোলনৰ পিছত আন্দোলন, decades after decades বহুবাৰ আন্দোলন হৈ গ'ল। স্কুল স্থাপন কৰিবৰ বাবে আমি সময়ে নাপালো। কলেজৰ গুৰুত্ব আমি নুবুজিলো, যাৰ কাৰণে এই আন্দোলনত সকলোৰে জপিয়াই পৰিলে। শিক্ষা কাৰণে আমি গুৰুত্বই নিদিলো। লাহে লাহে আমি বুজিলো যে Human civilisation ৰ যদি উন্নতি হ'ব লাগে, সমাজত যদি reformation আনিব লাগে without education it will not be possible. গতিকে আমি শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। লাহে লাহে শিক্ষানুষ্ঠানবোৰ পতা আৰম্ভ হৈ গ'ল। L.P school প্ৰায় venture, হাইস্কুল venture, কলেজ venture এনেকৈ venture স্কুল খোলাৰ এটা বিপ্লৱ বা এটা জাগৰণ আহি গ'ল আৰু এইবিলাক এতিয়া কিন্তু Government ৰ criteria ত নপৰে। যাৰ কাৰণে ইমান বছৰ ধৰি এইবোৰ অঞ্চলত থকা হাজাৰ হাজাৰ স্কুল-কলেজ এতিয়াও venture হৈ য়ে আছে।

এইবিলাক provincialised আমি কেনেকৈ কৰিম। প্ৰচলিত চৰকাৰৰ যিটো আইন এই আইনমতে আমি কোনো প্ৰকাৰে আমাৰ অঞ্চলৰ স্কুল বিলাক অসম চৰকাৰৰ আইনৰ দ্বাৰা provincialised কৰিব নোৱাৰো। গতিকে এই অৱস্থাত এতিয়া আমাৰ ক্ষমতা আমি যদি ব্যৱহাৰ নকৰো আমাৰ যি Legislative power আছে, সেই পাৱাৰ apply কৰি provincialised কৰাৰ কাৰণে পলিচি লোৱাত যদি BTC Authority ৰ পৰা দায়িত্ব নলয় তেনেহ'লে বৰ্তমানৰ আইনৰ 1-1-2006 ৰ দ্বাৰা আমাৰ অঞ্চলৰ শিক্ষানুষ্ঠান বিলাক provincialised হোৱা অসম্ভৱ। ইয়াৰ কাৰণে আমি এতিয়া BTC ৰ যিটো Legislative power সেইটো apply কৰিব খুজিছো। এইটো apply কৰাৰ কাৰণে অসম চৰকাৰৰ পৰা directly সমৰ্থন ইয়াত থাকিব লাগিব। কিয়নো ইয়াত কেৱল ২০০৩ চনত আমি accord ত চহী কৰাৰ বাবে BTC ৰ হাতত শিক্ষা বিভাগটো দিয়া হ'ল। That means we have also totally agreed to hand over the Education Department to the BTC. গতিকে BTC ৰ support ইয়াত 100% থাকিব লাগিব। এতিয়া BTC য়ে যদি provincialised কৰাৰ দায়িত্ব লৈ BTC ৰ পৰা যদি আইন বনাব খোজে তেতিয়াহ'লে আমি কেৱল আইন হে বনাব পাৰিম। কিন্তু financial matter টো কোনে বহন কৰিব? There is no financial power in the hands of BTC. It will be impossibled for our BTC Authority to learn the Education Department without having the financial support from Assam Government. অসম চৰকাৰৰ পৰা যদি বিত্তীয় ক্ষমতাটো লোৱা নহয় আমি শিক্ষা বিভাগটোক বিল বনালেও কাৰ্য্যকৰী কৰিলেও কেতিয়াও সফল নহ'ম। গতিকে এই ক্ৰিয়াৰ দ্বাৰা provincialised কৰাই হওঁক বা transfer posting কৰাই হওঁক বা appointment দিয়াৰ কথাই হওঁক, এইবিলাক যদি আমি বাস্তৱত সফল কৰিব লাগে তেতিয়াহ'লে financial কথা যেতিয়াই আহিব তেতিয়া অসম চৰকাৰৰ পৰা সেইটো সম্পূৰ্ণ responsibility ল'ব লাগিব। কাৰণ BTC area is a part and parcel of the State of Assam. যিহেতু BTC অসমৰ ভিতৰতে আছে গতিকে অসম চৰকাৰে এই অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত উন্নতি আনিবৰ কাৰণে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই সদনত মই BTC ৰ ৩৫ লাখ ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ হৈ এটা দাবী আৰু অনুৰোধ জনাব খুজিছো যে অসম চৰকাৰৰ ফালৰ পৰা BTC ৰ শিক্ষা বিভাগটো চলাবৰ কাৰণে যিমান টকা-পইচাৰ দৰকাৰ ইয়াৰ বাবে প্ৰয়োজন হ'লে এটা special arrangment কৰি, এটা পৃথক গ্ৰেণ্ড নাম্বাৰ খুলি হ'লেও সেই গ্ৰেণ্ড নাম্বাৰত BTC ৰ শিক্ষা বিভাগ চলোৱাৰ কাৰণে যিমান টকাৰ প্ৰয়োজন হয় সেইখিনি directly grant দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি এইখন চৰকাৰে যাতে বিবেচনা কৰে। মই আৰু কথা উনুকিয়াই দিব বিচাৰিছো যে যোৱা ২০০৫ চনৰ পৰা যোৱা কালিলৈকে অতি কমেও ২০-৩০ খন বিল পাচ কৰি বিভাগবোৰ চলাবৰ কাৰণে অসম চৰকাৰলৈ প্ৰেৰণ কৰিছো। অতি কমেও ২০-৩০ টা আমি Legislation বনাই, Rules বনাই অসম চৰকাৰলৈ পঠাই দিছো। মহামান্য ৰাজ্যপালৰ assign ৰ কাৰণে। কিন্তু এতিয়ালৈকে এখনো আইন-কানুনৰ বিল ৰাজ্যপাললৈ যোৱা নাই আৰু SL আমি এতিয়ালৈ পোৱা নাই। অহা কালি যদি আমি BTC Assembly ত Education provincialisation ৰ নামৰ বিল বনাই যদি ইয়ালৈ পঠাই দিওঁ আৰু ৰাজ্যপাল ডাঙৰীয়াৰ যদি assign নাপাওঁ তেতিয়াহ'লে আমাৰ শিক্ষা বিভাগটো না ইধৰ কা, না ওধৰ কা, না ঘৰ কা হোগা। ফলত শিক্ষা বিভাগটো BTC ত পঙ্গু বিভাগ হৈ পৰিব

আৰু BTC ৰ শিক্ষা বিভাগটো blackout হৈ যাব। গতিকে আমি শিক্ষা বিভাগৰ বিল সোনকালে বনাই BTC চৰকাৰে অসম চৰকাৰলৈ প্ৰেৰণ কৰো আৰু অসম চৰকাৰৰ ফালৰ পৰা দায়িত্ব লৈ ৰাজ্যপাল ডাঙৰীয়াৰ প্ৰতি বা তেখেতলৈ প্ৰেৰণ কৰিব লাগে। সেইখিনি কৰাৰ দায়িত্ব অসম চৰকাৰৰ ফালৰ পৰা ল'ব লাগিব। এইখিনি মই বিচাৰিছো। মই শেষত এটা কথা ক'ব বিচাৰিছো যে ওদালগুৰিত আমাৰ University campus এটা আছে। আমি এই Univertsity campus টো এখন State University হিচাপে upgrade কৰাটো বিচাৰিছো। গতিকে অসম চৰকাৰৰ আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যাতে সেই বিষয়টো যাতে positively constant কৰে সেই কথাটো মই আহ্বান কৰিছো। এইখিনিকে কৈ মই মোৰ ফালৰ পৰা এটা positive সঁহাৰি বা ফলপ্ৰসু পদক্ষেপ লৈ যাতে এই অঞ্চলৰ উন্নতি কৰাত সহায় কৰে সেইখিনি অনুৰোধ কৰি সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম জ্যেষ্ঠ ।

**শ্ৰীআমিনুল ইছলাম জ্যেষ্ঠ (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো,তেখেতে এই বিলখনৰ amendment, "The Assam Education Provincialisation of Services of Teachers Re-Organisation of Educational Institutions) (Amendment) Bill, 2025" আনিলে, কাৰণ যোৱা ৫,৬ বছৰে বাৰে বাৰে মই প্ৰশ্ন উত্থাপন কৰো যে এইখন Amendment কৰিব নেকি চৰকাৰে। কৰিলে কেতিয়া কৰিব, আৰু বাৰে বাৰে কৈছে যে এইখন Amendment কৰাৰ চৰকাৰৰ লক্ষ্য নাই, বা চৰকাৰৰ পৰিকল্পনা নাই। এনকৈয়ে বাৰে বাৰে কৈ থকা হয়, কাৰণ এই প্ৰশ্নটো মই এই কাৰণে কৰো, যেতিয়া২০১৭ চনত এই বিলখন পাছ হৈছিল, তেতিয়া মোৰ তাত ৪২ টা Amendment আছিল। সেই Amendment বিলাক এটাএটা discuss কৰোতে ৰাতি ৯ টা বাজিছিল ।বৰ্তমানৰ মুখ্যমন্ত্ৰী তেতিয়া শিক্ষামন্ত্ৰী আছিল ২০১৭ চনত বিলখন পাছ কৰোতে, আৰু বহুত কেইটা Amendment মই উইড্ৰ কৰা নাছিলো। যেনেকৈ Upper primary school ত subject wise teacher, হিন্দীৰ বেলেগ, বিজ্ঞানৰ বেলেগ, আৰবিকৰ বেলেগ এনেকৈ কিছুমান আছে, যে LP School ত দুজন, চাৰিটা ক্লাছত চাৰিজন দিব লাগে। এনেকৈ কিছুমান মোৰ Amendment আছিল সেইবোৰ মই উইড্ৰ কৰা নাছিলো। তেতিয়া শিক্ষামন্ত্ৰীয়ে মোক বাৰে বাৰে কৈছিল যে আপুনি উইড্ৰ কৰক, মই কৈছিলো যে মই উইড্ৰ নকৰো এই কাৰণে, লাগিলে ডিভিজনত দিয়ক। কিন্তু শিক্ষামন্ত্ৰীয়ে ডিভিজনত দিয়াটো বিচৰা নাছিল। কাৰণ ডিভিজনত দিলে বিজেপি ৰ বিধায়ক সকলে যদি আকৌ মোৰ Amendment ৰ বিপক্ষে ভোট দিয়ে, গোটেই অসমৰ শিক্ষক সকলে চাব, যে বিজেপিৰ বিধায়ক সকলে এই Amendment ৰ বিপক্ষে ভোট দিলে। সেই কাৰণে এইটো পাছ ন'হল, নিৰ্বাচনত affect হ'ব। কিন্তু শিক্ষা মন্ত্ৰীয়ে মোক বাৰে বাৰে request কৰিছিল যে আপুনি উইড্ৰ কৰক। মই কৈছিলো উইড্ৰ নকৰো। তাৰ পাছত ৫,৬ টা মান খুব গুৰুত্বপূৰ্ণ Amendment তেখেতে কৈছিল আমি এইটো পিছৰ চৰকাৰে কৰিম। Amendment আমি চৰকাৰী ভাৱে আনিম। আপুনি উইড্ৰ কৰি লওঁক মই কৈছো, আপোনালোকে যিহেতু আনিবই, তেনেহ'লে মোৰটো মানি ললে হ'ল। তেতিয়া কৈছিল যে আমি পিছত চাই বুজি discuss কৰি আনিম আপুনি উইড্ৰ কৰি দিয়ক। মই কৈছো যে পিছত যদি আপোনালোকে নানে, তেতিয়াৰ তদানিন্তন শিক্ষা মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই কৈছিল যে মই এজন কেবিনেট মন্ত্ৰী পবিত্ৰ সদনৰ মজিয়াত মই প্ৰতিশ্ৰুতি দি আছো গোটেই অসমৰ মানুহে চাই আছে, এই কথাটো আপুনি

বিশ্বাস নকৰে মোক আমি যে Amendment আনিম। এই কথাটো ৰ ওপৰত কথাটো অৰশ্যে সঁচা এজন কেবিনেট মন্ত্ৰীয়ে পবিত্ৰ সদনৰ মজিয়াত প্ৰতিশ্ৰুতি দি আছে যে চৰকাৰী ভাৱে এইকেইটা Amendment আনিম। এই কথাত বিশ্বাস কৰি মই উইড্ৰ কৰি দিলো। উইড্ৰ কৰাৰ পিছত আজিলৈকে সেই Amendment বিলাক নাহিল। মই বাৰে বাৰে প্ৰশ্ন উত্থাপন কৰো যে বিলখন কেতিয়া Amendment কেতিয়া কৰা হ'ব। যি নহওঁক মই ধন্যবাদ জনাইছো শিক্ষা মন্ত্ৰী মহোদয়ক যে Amendment বিলখন আনিছে কিন্তু সেই Amendment বিলাক অহা নাই। যিকেইটা মই কৈছিলো সেই কেইটা অহা নাই, বেলেগ কেইটামানহে আহিছে। এতিয়া আমাৰ কথাটো হ'ল যিখিনি Amendment তেখেতে আনিছে, সেই সমস্যা বিলাক থাকিয়ে যাব। মই ভাবিছিলো যে permanently এটা solution হৈ যাওঁক, কাৰণ Venture নতুনকৈ কৰি থকা নাই । এতিয়া problem টো solve কৰি দিলে ভাল আছিল। ইয়াত Amendment যিটো দিছে যে tutor যি সকল আছে, তেওঁলোক প্ৰধান শিক্ষক, Principal, Vice-Principal, Demonstator হিচাবে তেওঁলোক elegible ন'হব, তেওঁলোকক দিয়া ন'হব। এতিয়া মোৰ প্ৰশ্নটো হ'ল এইটো দাবী বাৰে বাৰে আহি আছে, তেওঁলোক টিউতৰ জন প্ৰধান শিক্ষক হ'ব নোৱাৰিব। আজিৰ দিনটো তেওঁলোকে প্ৰধান শিক্ষকৰ কামবিলাক কৰিব লগা হৈছে। Mid Day Meal তেওঁ চলাবলগা হৈছে, Office ত Record বিলাক ডাতা বিলাক দিব লাগে। গতিকে প্ৰধান শিক্ষক হ'ব নোৱাৰিব কিন্তু কামবিলাক কৰিব লাগিব। চাৰ্টিফিকেট issue কৰিলে তেওঁ চীল মাৰি ল'ৰা-ছোৱালীবোৰক দিব লাগে, সেইটো কেনেধৰণৰ কথা হ'ল? মই এই কথাটো শিক্ষা মন্ত্ৰী মহোদয়ক কৈছো, either তেওঁক হেড মাষ্টৰ হোৱাৰ যোগ্যতা দিয়ক ন'হলে হেড মাষ্টৰৰ দায়িত্বৰ পৰা অব্যাহতি দিয়ক। কাম তেওঁ চলাব কিন্তু হেড মাষ্টৰ হ'ব নোৱাৰিব, এই কথাটো কিন্তু দৃষ্টিকটু হৈছে। তাৰ পিছত আৰু এটা কথা আছে permission, recognition, concurrence, affiliation কাৰণে যিটো ১-১-২০০৬, এইটো যেতিয়া ২০১১ চনত বিলখন আহিছিল ১-১-২০০৬ আছিল ২০১৭ চনত আকৌ বিলখন পাছ হওঁতে ১-১-২০০৬ য়ে আছিল। কিন্তু সমস্যাটো হ'ল কি, যেতিয়া সেই ১৯৯২ চনৰ পাছত ২০০৬ চনৰ মাজত বহুত দিন কিন্তু recognition বা affiliation হোৱা নাছিল, system টো বন্ধ আছিল। ২০০৬ চনৰ আগে আগে ২০05 চনত এইটো খুলি দিয়া হৈছিল। তেতিয়াৰ পৰা recognition, permission এই বিলাক হ'ব। যেতিয়া সকলো স্কুল বিলাকৰপৰা অফিচত ডাটা বিলাক জমা লৈছিল, তেতিয়া জমা লৈ তেওঁলোকে এখন এখনকৈ স্কুল কৰোতে কৰোতে কিছুমান ১-১-২০০৬ ৰ আগত হ'ল আৰু কিছুমান কাম কৰোতে কৰোতে হয়টো ১০, ১৫ দিন লাগি গ'ল। এতিয়া সেই একেলগে জমা দিয়া document, কিছুমান হয়টো আগৰ স্কুল আছিল , আগৰ পৰা চলি আছিল, document, একেলগে জমা দিছে, কিন্তু অফিচে কামবিলাক কৰোতে ১-১-২০০৬ ৰ আগত কেইটামান পৰি গ'ল আৰু পিছত কেইটামান পৰি গ'ল। আগৰখিনিয়ে পাই গ'ল কিন্তু পিছৰখিনিয়ে নাপালে। কিন্তু একে categor ৰ স্কুল, একে document জমা দিয়া। এই বস্তুটো কিন্তু এটা injustice হৈ আছে। যিহেতু একেলগে সিহতে জমা দিছিল ১-১-২০০৬ ৰ এক দুই মাহৰ আগত। অফিচে কামখিনি কৰোতে কৰোতে ১-১-২০০৬ পাৰ হৈ গ'ল। গতিকে মোৰ এইAmendment টো তেতিয়াওঁ আছিল আৰু পুনৰবাৰ মই শিক্ষা মন্ত্ৰী মহোদয়ক কৈ আছো যে যদিও এইটো আপোনালোকে আজি আকৌ Amendment ট এই কথাটো যোৰ দি কৈছে, কিন্তু যিহেতু তেওঁলোকৰ দোষ নাই, দোষটো অফিচৰ, তেওঁলোকে জমা আগতেই দিছিল কিন্তু

কামটো কৰোতে কৰোতে ১-১-২০০৬ পাৰ হৈ গ'ল। এই কথাটো বিবেচনা কৰিবলৈ মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তাৰ পাছত আৰু এটা কথা senior madrasa provincialisation Bill যিটো পাছ হৈছিল সেই আইনখন এতিয়া বাতিল কৰি দিয়া হ'ল। কিন্তু সেই আইনৰ অধীনত যিবিলাক senior madrasa qualified হৈ আছিল provincialise হোৱাৰ কাৰণে, আইনখন বাতিল কৰি দিয়াৰ কাৰণে সেই বিলাক এতিয়া প্ৰাদেশীকৰণ ন'হব। কিন্তু বাকী senior madrasa বিলাক যিবিলাক স্কুল কৰি দিয়া হ'ল আৰু যিখিনিয়ে ইতিমধ্যে criteria fulfill কৰিছে, provincialise হোৱাৰ যোগ্য হৈছিল, মোৰ বোধেৰে তেওঁলোকক কিন্তু স্কুল provincialization Act ৰ অধীনত আমি help কৰি দিব লাগে। কাৰণ তেওঁলোক একে category ত পৰি আছিল। তেওঁলোক কিন্তু যোগ্য হৈ আছি, সেই আইনৰ অধীনত। এইটো এটা অন্যায় হৈ াছে. গতিকে য'ত একদম মেজৰ যিখিনি anomalies আছে, সেইখিনি মই আঙুলিয়াই দিছো যে এইখিনি যেতিয়ালৈকে আমি সমাধান নকৰিম, দাবীটো ুউঠিয়েই থাকিব। তেওঁলোকে আমাৰ প্ৰতি অন্যায় হ'ল বুলি সদায়ে কৈ থাকিব। তাৰ পাছত এই বিলখনত আৰু এটা কথা দেখা পালো যে কলেজৰ ক্ষেত্ৰত ৩১-১২-২০১০ ৰ আগত যি সকলে জইন কৰিছে তেওঁলোকক চাকৰিত লোৱা হ'ব। প্ৰথম যেতিয়া ২০১১ চনত বিল পাছ হ'ল তেতিয়াওঁ আছিল, ৭ বছৰ চাকৰি তেওঁৰ সম্পূৰ্ণ হ'ব লাগিব। আকৌ ২০১৭ ত যেতিয়া বিলখন পাছ হ'ল তেতিয়াওঁ কৈছিল ৭ বছৰ তেওঁৰ চাকৰি সম্পূৰ্ণ হ'ব লাগিব। তাৰ মানে ২০১০ৰ ৩১ ডিচেম্বৰৰ ভিতৰত তেওঁৰ জইনিং হ'ব লাগিব। এতিয়া যিহেতু ২০২৫ ত পাছ হৈ আছে, গতিকে এতিয়াৰ পৰাও মোৰ বোধেৰে ৭ বছৰে ধৰিব লাগে। ২০১৮ হ'ব লাগে তেতিয়াহে সেই বিলৰ লগত সামজঞ্চ খাব। গতিকে এইটো ২০১০ টো ২০১৮ কৰা হওঁক। এইটো মই অনুৰোধ জনাইছো। ইয়াৰ পাছত এটা কথা আছিল যে যি সকলৰ requisite qualification নাই regular teacher হ'বলৈ তেওঁলোকৰ ক্ষেত্ৰত যদি তেওঁলোকে requisite qualification লয়, যিদিনা qualification ল'ব সেই দিনাৰ পৰাই count কৰা ন'হব, যিদিনা notification ওলাব তেতিয়াৰ পৰা তেওঁলোকক ৰেগুলাৰ কৰা হ'ব। কিন্তু notification টো কৰোতে ৫ বছৰ বা ১০ বছৰ কিমান দিন লগাব সেইটো উল্লেখ নাই। গতিকে মই ভাবো যিহেতু এটা Fix time থকা ভাল, যে তেওঁলোকে requisite qualification পোৱাৰ দিনাৰ পৰাই তেওঁক count কৰা হ'ব বা তাৰ ৩ মাহৰ ভিতৰত কৰা হ'ব, এটা Fix time নাথাকিলে মানুহখিনি বঞ্চনাৰ বলি হ'ব আৰু এটা কথা দিছে যে Regular conduct of examination তাত যিটো penaltyৰ কথা দিছে যে certificate যদি ১০ দিনত নিদিয়ে, এক মাহত যদি result নিদিয়ে, তেওঁলোকক penalty দিয়া হ'ব। এই penalty ৰ কিন্তু time boundটো দিয়া নাই। মোৰ বোধেৰে এই penalty ৰ এটা আইডিয়া দি দিব লাগিছিল যে penalty টো এই ধৰণৰ হ'ব। এইটো থাকিব লাগিছিল, তাৰ পাছত অধ্যক্ষ মহোদয় আৰু এটা দিছে Non Government Educational Institution এই বিলখনত ২৫ শতাংশ মানে চহৰৰ Non Government Institution ত কৈ গাৱৰ Institution বিলাক কম। ২৫ শতাংশ তেওঁলোকক ৰেহাই দিয়া হ'ব। কিন্তু সকলো অনুষ্ঠানৰ quality একে নহয় কিছুমানত যিটো infrastructure তেওঁলোকৰ তাত খেলাধুলাকে আৰম্ভ কৰি বিভিন্ন আন্তঃগাঠনিৰ কাৰণে তেওঁলোকৰ যিটো ব্যৱস্থাপনা তাত হয়টো অলপ Fees টো বেছি ল'ব লাগিব। কিছুমানত সেই ব্যৱস্থাটো নাই, তাত

কম ল'ব লাগিব। গতিকে গোটেই অনুষ্ঠনাটোক এটা rent ত Fees লোৱাটো মোৰ দৃষ্টিত যুক্তি যুক্ত নহ'ব। শিক্ষা মন্ত্ৰী মহোদয়ে নিশ্চয় এইটো মনত ৰাখিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিখি দি দিয়ক মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী আমিনুল ইছলাম, (মানকাচাৰ) ঃ** একেবাৰে চমুৱাই চমুৱাই কৈছো, এই Point কেইটা কোনেও Trust কৰা নাই। মই শিক্ষা মন্ত্ৰী মহোদয়ক কৈছো এইটো মনত ৰাখিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিখা দি দিব যি আছে।

**শ্ৰী আমিনুল ইছলাম, (মানকাচাৰ) ঃ** Last মোৰ Point ছাৰ, Regulation of posting & transfer কেইখন মান জিলা উল্লেখ কৰিছে তাৰ পৰা transfer সম্পৰ্কে Upload কৰিব পাৰো ৫ বছৰ বা ৭ বছৰ হ'লে। কিন্তু তেওঁলোকক যদি Mutual transfer নিদিয়ে যদি With Post transfer দিয়ে তেনেহ'লে পিচ পৰা অঞ্চলৰ শিক্ষক সকল বঞ্চিত হ'ব। আগৰ চৰ-চাপৰিৰ পৰা Post With Mutual transfer মানুহ নিদিয়ে এইখিনি অভিজ্ঞতা আমাৰ আছে। এনেকুৱা হ'লে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ**সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, আজি অসমৰ শিক্ষা বিভাগে ৪ খন Bill একেলগে আনিছে। ১খন Transfer & Posting ক লৈ সেই খন সম্পূৰ্ণ আমি বহু আলোচনা ছাগে নকৰিলেও হ'ব। যিখিনি কব লগীয়া আছে আৰু যিখিনি Amendment আছে দিছো। বাকী এখন আহিছে সংখ্যালঘু সকলৰ বিদ্যালয়কলৈ এইখন যি আহিছে, The Assam Non-Government Education Institution Regulation of Fees (Amendment Bill) 2025 তাত আগতে Minority স্কুলবিলাকৰ ক্ষেত্ৰত, স্কুল বা খৃষ্টান ল'ৰা ছোৱালী বিলাকে পঢ়া Tribal অঞ্চল বিলাকৰ যি বিলাক স্কুল। সেই স্কুল বিলাকৰ ক্ষেত্ৰত Article-30 অনুসৰি ভাৰতবৰ্ষৰ সংবিধানৰ ৩০ অনুসৰি, তেওঁলোকক বিশেষ সুবিধা প্ৰদান কৰিছিল। সেই বিশেষ সুবিধা বিলাক এতিয়া কৰ্তন কৰি দিয়া হৈছে আৰু কৰ্তন কৰি তেওঁলোকৰ গাঁৱৰ স্কুল বিলাকত the Non-Government Educational Institution falling in the Panchayat are shall charge the fees with the relaxation 25% of application admission fees and State Government shall notify the same in the Offical Gazette. গাৱৰ স্কুলবিলাক, আগতে যিবিলাক সংখ্যালঘু স্কুল, খৃষ্টান স্কুল এখন আমাৰ বহুত Tribal অঞ্চলত, বিশেষকৈ কাৰ্বি আংলং, BTAD, ডিমাহাচাওত বহুত এনেকুৱা English Medium School আছে, খ্ৰীষ্টান Missionary স্কুল। এতিয়া basically সেই খ্ৰীষ্টান Missionary School বিলাকক Target কৰি এই Bill খন অনা হৈছে, আৰু যদি এই Bill খন সচাঁকৈ Implement হয়, গাঁৱত থকা English Medium স্কুল বিলাক মৰি যাব। বেচি ভাগেই বিপদত পৰিব। সংঘাতিক ধৰণে বিপদত পৰিব। খ্ৰীষ্টান স্কুল বিলাকৰ ওপৰত Missionary School বিলাকৰ এইটো এটা direct attack. সেই কাৰণে মই ভাৱো যে গোটেই ভাৰতবৰ্ষত Article 30 ৰ অধীনত

আমাৰ Minority এলেকা বিলাকৰ যিবিলাক স্কুল এই বিলাকৰ ক্ষেত্ৰত যি ৰেহাই দিয়া হৈছে, সেই ৰেহাইটো অব্যাহত ৰাখিব লাগে। ইয়াক কেতিয়াওঁ সংশোধন কৰিব নালাগে বিশেষভাৱে আৰু আপুনি চাওকচোন এটা মুছলমান এলেকাত থকা সংখ্যালঘু এলেকাত কোনোবাই মিশ্ৰ এলেকা বুলি কৈ থাকে তাত থকা জাতীয় বিদ্যালয়, অসমীয়া মিডিয়ামৰ জাতীয় বিদ্যালয়, সেই অসমীয়া মিডিয়ামৰ বিদ্যালয়ৰ পৰা যদি এতিয়া fees 25% কমাই দিবলৈ লগে লগে মাষ্টৰক দৰমহা দিয়া পৰিমাণ কমি যাব আৰু তেতিয়া গোটেই ল'ৰা ছোৱালী বিলাক English Medium ৰ টাউনৰ স্কুল খনলৈ আহিব। এইটো অসমীয়া জাতিৰ বাবে ভাল হ'বনে বেয়া হ'ব এইটো বহুত গুৰুত্বপূৰ্ণ ঘটনা, সেইকাৰণে চৰকাৰক মই এই গোটেই বিষয়টো গভীৰ ভাৱে বিবেচনা কৰিব কাৰণে অনুৰোধ জনাইছো।

প্ৰথমতে সেই কাৰণে মই ভাৱো, ইয়াত মই এই কাৰণে কৈছো যে জাতীয় বিদ্যালয় এই যিবিলাক গাৱলীয়া স্কুলৰ কথা কৈছে, তাত জাতীয় বিদ্যালয় আৰু খৃষ্টান মিছনাৰী Institution বিলাকক ইয়াৰ আওঁতাৰ বাহিৰত ৰাখিব লাগে। অসমৰ জাতীয় বিদ্যালয় বিলাক অসমৰ জাতীয় বিদ্যালয়, শিক্ষা সংসদ আৰু কি কি সংসদ আছে তেওঁলোকৰ জৰিয়তে।

দ্বিতীয়তে আৰু এখন Bill আনিছে খুব গুৰুত্বপূৰ্ণ এইখনো, এই Bill খন আনিছে "Assam Education Provincialisation of Service of Non-teaching staff of Venture School Institution (Amendment) Bill, 2025" য'ত Therefore, the Fixed salary shall be enhance by 6% annually after completion of five years of Service ত কৈছে যে Venture school ত কাঢ়ি এই স্কুল বিলাকত কাম কৰা যি বিলাকক Fixed Salary দিয়ে, Fixed salary দিয়া বিলাকৰ 6% কৈ তেওঁলোকৰ দৰমহা বঢ়াব । মই অনুৰোধ কৰো শিক্ষা মন্ত্ৰী মহোদয়ে আপোনালোকে এতিয়াও তাৰ tutor বোৰক এতিয়াওঁ teacher কৰি দিয়া নাই। মই কেইবাবাৰো আপোনাৰলগত আৰু মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছিলো, আপোনালোকে Tutor সকলক শিক্ষক কৰি দিম কৈছিল কৰা নাই। সেই কাৰণে মই দুটা বস্তু আপোনাক অনুৰোধ কৰো ।

১ নম্বৰ যে Scale Pay আমাৰ যি সকল Tutor আছে , সেই সকলকো দিব লাগে আমাৰ যিসকল কেৰাণী আছে। Non-teaching Staff তেওঁলোককো Scale Pay দিব লাগে আৰু আমাৰ যিসকল চকীদাৰ আছে তেওঁলোককো Scale Pay দি এই বছৰ বৃদ্ধিৰ পৰিমাণ ১৫ শতাংশ কৰি দিব লাগে। Minimum 15% কৰি দিলে মোট-মুটি তেওঁলোকৰ পৰিয়াল কেইটা চলি থাকিব। মই অনুৰোধ কৰিছো যাতে বিশেষভাৱে আমাৰ অসমৰ গাঁৱৰ স্কুল বিলাক যাতে চলি থাকে। এই ব্যৱস্থাটো অসমৰ শিক্ষা মন্ত্ৰী মহোদয়ে আজি অনুমোদন জনায়। এতিয়া, আজি অনা আটাইতকৈ গুৰুত্বপূৰ্ণ Bill, "The Assam Education Provincialisation of service of teachers and re-organisation of Education and Institution Amendment Bill 2025" যিখন ২০১৭ চনৰ Bill সেই খনৰ সংশোধনৰ Bill আনিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিলখন অনাৰবাৱে শিক্ষা মন্ত্ৰীক মই ধন্যবাদ জনাইছো। বিলখন যেনেকৈ আনিছে তাৰ কাৰণে মই তেখেতক নিন্দা কৰিছো। যিধৰণে আনিছে কাম একো নহ'ব। সেই কাৰণে মই শিক্ষা মন্ত্ৰী মহোদয়ক বিশেষ ভাৱে অনুৰোধ জনাব খুজিছো।

প্ৰথমতে শিক্ষা মন্ত্ৰী মহোদয়ে, নিজে খুব ধুনীয়াকৈ ভাবি চিন্তি Union বিলাকৰ লগত কথা পাতি শিক্ষক সকলৰ লগত কথা পাতি কেইটামান সংশোধনী আনিছে। আপুনি ইতিমধ্যে গোটেই সংশোধনী কেইটা পাইছে। এই সংশোধনী কেইটা যদি কৰি দিয়ে তেতিয়া হ'লে চব বাচিব। BTAD এলেকাৰ মানুহখিনিত বাচিব। আমাৰ কাৰ্বি আংলং অঞ্চলৰ মানুহ খিনিও বাচিব, আমাৰ ডিমা হাচাও অঞ্চলৰ মানুহ খিনিত বাচিব আৰু বাকী গাৰও থকা venture স্কুল বিলাকৰ স্কুল শিক্ষক সকলো বাচিব আৰু বেচি মানুহৰ কথা নহয়, আপুনি যদি এইটো মানি লয়, মাত্ৰ ৩৫০০ শিক্ষকৰ চাকৰি নিয়মীয়া হৈ যাব। মাত্ৰ এই ৩৫০০ শিক্ষকৰ চাকৰিতো যদি নিয়মীয়া হৈ যায় Once for all চিৰজীৱনৰ কাৰণে আমাৰ Venture স্কুলৰ সমস্যাতো মহোদয় শেষ হৈ যাব। সেইকাৰণে মই অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে বিনম্ৰ ভাৱে প্ৰাথনা জনাইছো যে আজিৰ সদনত আমি সৰ্ব্বসন্মত হোৱা হোৱা নাই। আমাৰ শাসকীয় বেঞ্চৰ মানুহ বিলাক, আৰু বিৰোধী বেঞ্চৰ মানুহ বিলাক আমি চবেই ঐক্য মতত উপনীত হওঁ আহক। আৰু শিক্ষা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি আপুনি এইটো consider কৰক, মাত্ৰ কেইটামান কথা, ১ নম্বৰ কথাতো যিমানখিনি Venture School আছে সেইখিনি হয় directly গোটেইখিনি লৈ ল'ম বুলি ইয়াত লিখি দিয়ক। তেতিয়া হ'লে BTAD,আমাৰ N.C Hills, আৰু কাৰ্বি আংলং ৰ সমস্যাতো শেষ। আৰু বাকী অঞ্চলৰ সমস্যাতো শেষ, বেচি শিক্ষ কে নাপায়। বহুত মানুহক চাকৰি দিব নালাগে। খুব বেচি গোটেই খিনি ললে ৪ হাজাৰৰ পৰা ৪.৫ চাৰিহাজাৰ শিক্ষকে পাব। গোটেইখিনি স্কুল আৰু কলেজ লৈ, চাৰ, Please আজি সৰ্বসন্মতি ক্ৰমে এইটো গ্ৰহণ কৰক। যদি এইটো নকৰে চাৰ তেতিয়াহ'লে মাত্ৰ কেইটামান সংশোধনী আনিছো। এটা সংশোধনী আনিছো চাৰ page No.3 ত যিটো দিছে DISE Code upto 2009-10-হ'ব লাগিব বুলি আছে। এইটো Please Dice Code নহয়, এতিয়া UDice plus Code 2018-19 কৰিব লাগে। শিক্ষা মন্ত্ৰী মহোদয়, আপুনি বহুত জনা -শুনা মানুহ , মই জানো, শিক্ষা মন্ত্ৰী মহোদয় আপুনি গোটেই জীৱন জনতাৰ কাৰণে আন্দোলন কৰি কটাইছে মই জানো, শিক্ষা মন্ত্ৰী মহোদয় মই জানো যে আপুনি জীৱনৰ বহুত সময় অসমৰ সমাজ জীৱনৰ কাৰণে দান কৰিছে,শিক্ষা মন্ত্ৰী মহোদয় এটা অনুৰোধ আপোনাক কৰিছো আপুনি Please ৪-৫ মান শব্দ গোটেই বিলাখনত সলাই দিলে মানুহ বিলাক বাচি যাব। আপোনাৰ ওপৰতে গোটেই সমস্যাটো সমাধান আছে।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** ছাৰ, মোক চাৰিটা শব্দ ক'ব দিয়ক। Please 2 minute লাগিব তেখেতে DISE Code up 2009-10 কৈছিলে। এইটো UDice plus code হ'ব 2018-19 এইটো মই অনুৰোধ কৰিলো। Next টো অনুৰোধ কৰিলো যে Venture School Institute বিলাকৰ minimum Total allotment টো 30 জন ছাত্ৰ হ'ব

লাগে বুলি কৈছে মই সেইটো ২০ জন বুলি কৈছো আৰু 6th schedule area য'ত ২৫ জন বুলি কৈছে তাত মই ১৫ জন বুলি কৈছো, তেতিয়া হলে 6th schedule area ৰ এখনো স্কুল বাদ পৰি নাযায়। মাত্ৰ ১০ জন শিক্ষকৰ কাৰণে কিয় BTAD ৰ মানুহ খিনিক বঞ্চিত কৰিব লাগে। BTAD ত অসমীয়া স্কুল কেইখন মান আছে সেইটো কিমান গুৰুত্বপূৰ্ণ কথা। আমাৰ মেৰাপানীৰ জয়পুৰত দুখনমান অসমীয়া স্কুল আছে, আৰু কেইখন মান বড়ো মাধ্যমৰ স্কুল সেইখিনিত কিছু

সংখ্যক বড়ো মানুহ বাদ পৰে, উৰিয়ামঘাট আৰু মেৰাপানীত সেইখিনি মানুহক কিয় আমি বড়ো স্কুল এখন দিব নোৱাৰো অনুগ্ৰহ কৰি দিয়কনা। তাৰ পিছত কৈছো ২৫ জন ছাত্ৰ-ছাত্ৰীৰ ঠাইত মই ২০ জন কৈছো আৰু তাৰ পিছৰটোত মই ২০ জন কৈছো আৰু 6th schedule area ৰ ক্ষেত্ৰত ২০ জন ছাত্ৰ-ছাত্ৰীৰ ঠাইত মই ১৫ জন কৈছো। আৰু 6th schedule area ত থকা venture স্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত ২৫ জন কৈছে মই সেইটো ২০ জন কৈছো। আৰু ছাৰ, In case of a venture high school or a venture junior college or secondary school or a degree college, the concerned venture educational institutions constitute a good acadamic performence সেইটো ৩০ শতাংশ কৈছে আৰু মই ২৫ শতাংশ কৈছো। আৰু BTAD এলেকাৰ কাৰণে যিটো ২০ শতাংশ কৈছে সেইটো মই ১৫ শতাংশ কৈছো। আৰু Last এটা বাক্য কৈ মই শেষ কৰিম সেইটো হৈছে Shall have render continous service into venture institutions on or before 31-12-2010 কৈছে। এই কথাখিনি আইনখনতে লিখা আছে। ৬ বছৰৰ অভিজ্ঞতা লাগে, এতিয়া যিহেতু সংশোধন কৰিছে ছাৰ ২০২৫ ত, ৬ বছৰ গলে কিমান চন হয়, ২০১৯ চনত আমাক ২০১৯ চন নালাগে ৩১-১২-২০১৮ কৰি দিয়ক সকলো LP স্কুল, হাইস্কুল, HS স্কুল, চেকেণ্ডেৰী স্কুল, জুনিয়ৰ ক'লেজ, আৰু ক'লেজ তেতিয়া হ'লে সকলোৰে পেটৰ ভাতমুঠি মুকলি হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, হ'ব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ অধ্যক্ষ মহাশয়, মোক মাত্ৰ ১ চেকেণ্ড দিয়ক অকল BTAD ৰ বাবে।

**মাননীয় অধ্যক্ষ** ঃ ড° অমিয় কুমাৰ ভুঞা অনুগ্ৰহ কৰি আপুনি বহক তেখেতে মাত্ৰ এটা বাক্য ক'ব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ অধ্যক্ষ মহাশয়, মই শিক্ষামন্ত্ৰী মহোদয়ক হাতজোৰ কৰিছো আৰু অসম চৰকাৰক হাত জোৰ কৰিছো যে BTAD বড়ো সকল আৰু আমাৰ উত্তৰ কাছাৰ আৰু কাৰ্বি-আংলঙৰ 6th schedule area ৰ জনজাতীয় লোক সকলৰ কাৰণে এই আটাইবোৰ কথা উঠাই তাৰ council বোৰক Appointment দিবলৈ দিয়ক আৰু প্ৰাদেশীকৰণ কৰিবলৈ দিয়াৰ লগতে আমাৰ চৰকাৰে finance টো মুকলি কৰি দিয়ক।

**অধ্যক্ষ** ঃ মাননীয় সদস্য ড° অমিয় কুমাৰ ভুঞা ডাঙৰীয়া।

**ড° অমিয় কুমাৰ ভুঞা, বিহপুৰীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, নতুন অসমৰ স্বপ্ন দ্ৰষ্টা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, আৰু ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ সহযোগত যি ৪ খন শিক্ষাৰ সংশোধনীৰ বিল আনিছে যিয়ে অসমৰ শিক্ষা ব্যৱস্থাক এক নতুন দিশলৈ লৈ যাব তাৰ বাবে মই আন্তৰিক ভাৱে আঁদৰণি জনাইছো। আজি আমাৰ এজন জ্যেষ্ঠ প্ৰতিনিধিয়ে শিক্ষামন্ত্ৰী সন্দৰ্ভত যি ধৰণে বক্তব্য আগবঢ়াইছে আৰু শেহতীয়া ভাৱে মাননীয় অখিল গগৈ ডাঙৰীয়াই যি প্ৰশংসা কৰিছে তাৰ বাবে মই অতি আনন্দিত। অসমৰ প্ৰচলিত শিক্ষা ব্যৱস্থাক সময়ৰ আহ্বানত সংশোধনৰ চিন্তা কৰা পাঠ্যক্ৰম, পৰীক্ষা পদ্ধতি আদিৰ আমূল পৰিবৰ্তনৰ প্ৰয়োজন আছে। যেতিয়া শিক্ষামন্ত্ৰীয়ে বিল কেইখন ইয়াত উত্থাপন কৰিছিল নতুন নতুন বিষয় সংযোজন কৰি অসমৰ মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা ব্যৱস্থাটোক সবল ৰূপ দিয়াৰ বাবে পুনৰবাৰ ধন্যবাদ দিছো। আমি এটা সমষ্টিৰ ৰাইজৰ আৰ্শীবাদৰ মাজেৰে আমি ইয়ালৈ আহিছো সেয়েহে আমি সমষ্টি বাসীৰবাবে দুই এটা

কথা কবই লাগিব। বিশেষকৈ আমাৰ বিহপুৰীয়া সমষ্টিটো শিক্ষা, সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়া এটা অঞ্চল যদিও তাত কোনো ডাঙৰ ক'ল কাৰখানা নাই, বাগিছা নাই কোনো কয়লাৰ খনি নাই, কিন্তু মানব সম্পদ গড়াৰ এই কেইটা জ্ঞান বিজ্ঞানৰ কেন্দ্ৰ আছে, সেইকেইটা বিশেষকৈ মোৰ জনজাতীয় অধ্যুষিত অঞ্চলত ২০১৭ চনত যিখন আইনৰ সংশোধনী কৰা হৈছিল তাত ছাত্ৰ-ছাত্ৰীৰ যিটো অনুপাত সেইটো উঠা নমা হৈ থাকে। গতিকে চৰকাৰে যাতে সেই অঞ্চলৰ শিক্ষানুষ্ঠান বোৰৰ merger বা closer পৰ্য্যায়লৈ নাযায় সেইটো বিশেষ ভাৱে বিবেচনা কৰিবলৈ মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ইয়াৰ লগতে মোৰ যি ৫ খন পঞ্চায়ত আছে তাত একোখনকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপনৰ বাবে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো আৰু মই আশা কৰিছো যে অহা ১ এপ্ৰিলৰ পৰা যি নতুন শিক্ষা বৰ্ষ হব মোৰ অসম অৰুণাচল সীমান্ত ৰাজদুৱা পঞ্চায়তৰ অন্তৰ্গত উত্তৰ শিমলুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু সম্পূৰ্ণ অনুসূচীত জাতি অধ্যুস্কিত অঞ্চলৰ গাভৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়। উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়,জনপ্ৰিয় উচ্চ ইংৰাজী বিদ্যালয, উচ্চতৰ মাধ্যমিক বিদ্যালয়, পূৰ্বৰ নদুৱাৰ পঞ্চায়ত য'ত ১০০ শতাংশ জনজাতীয় মানুহেৰে পৰিপূৰ্ণ, আমাৰ মৰিদিহিং জনজাতি উচ্চতৰ বিদ্যালয় আৰু বিহপুৰীয়া সমষ্টিত বিহপুৰীয়া পঞ্চায়তত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই, গতিকে মই এই ঠাইত এখন উচ্চ ইংৰাজী বিদ্যালয় লগতে এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰিবলৈ অনুৰোধ জনাইছো। আৰু মোৰ তাত যি Polytechnic আছে তাত এটা lab সংযোজন কৰা হৈছে আৰু অসম অৰুণাচল সীমান্তত মুখ্যমন্ত্ৰীৰ নিৰ্দেশত এখন আদৰ্শ মহাবিদ্যালয় পাতিছিলো। মোৰ তাত যিহেতু মহাবিদ্যালয় আছে মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল এনেকুৱা এখন ঠাইলৈ যাবলৈ য'ত শিক্ষাৰ অনুস্থানৰ অভাৱ। গতিকে মই বিহপুৰীয়া সমষ্টিত এখন Engineering College লাগে আৰু শিক্ষা মন্ত্ৰীয়ে ভিজিট কৰিছে আৰু মই মোৰ সমষ্টিত থকা College ত বিজ্ঞান শাখাটো বিচাৰিছো আৰু শংকৰদেৱ মহাবিদ্যালয়ত বিজ্ঞান শাখাটো চৰকাৰে ঘোষণা কৰিছিল আৰু সেইটো কাৰ্য্যকৰী কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। আৰু আজি দীৰ্ঘদিনে কংগ্ৰেছে যিটো কাম কৰিব নোৱাৰিলে ২০০৬ চনৰ পৰা সেই স্কুলবোৰ ৰৈ থাকিল আজি বিজেপি আৰু মিত্ৰজোটৰ চৰকাৰে শিক্ষক সকলৰ প্ৰতি ন্যায়ৰ যিটো স্বীকৃতি দিব বিচাৰিছে তাৰ বাবে মই চৰকাৰৰ খনক আকৌ এবাৰ ধন্যবাদ জ্ঞাপন কৰিছো।

**সভাপতি,(শ্ৰী আব্দুৰ ৰশিদ মণ্ডল,বিধায়ক)** ঃ এতিয়া বিধায়ক শ্ৰী নুৰুল হুদা, আপোনাৰ ৫ মিনিট সময়।

**শ্ৰী নুৰুল হুদা** ঃ মাননীয় সভাপতি মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যি কেইখন বিল উত্থাপন কৰিছে, আলোচনা বহুত হৈছে । পৃথিৱীখনত শিক্ষাৰ এই প্ৰতিযোগিতা আমাৰ ৰাজ্যখন ফেৰ মাৰি আগুৱাই লৈ যোৱাৰ কাৰণে প্ৰত্যাহ্বান আছে আমাৰ target থাকিব লাগে যে উন্নত মানদণ্ডৰ ৰে ১০০ শতাংশ শিক্ষিত কৰি আমি কেনেকৈ আগুৱাই লৈ যাম। কিন্তু সেইটো কেনেকৈ সম্ভৱ হব সভাপতি মহোদয় আমাৰ ৰাজ্যখনৰ ২০২২ চনৰ যিখন প্ৰতিবেদন আছে তাৰ পৰা দেখা যায় যে আমাৰ ৰাজ্যখনৰ প্ৰথমিক বিদ্যালয় ৪৩৭৩ খন, প্ৰথমিক বিদ্যালয় এজনহে শিক্ষক আছে। যিবিলাক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১০০, ২০০ আৰু ২৫০ লৈকে আছে। গতিকে ২৫০,২০০,১০০ ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ত এজন শিক্ষকে শিক্ষাদান দিব নে ৰখীয়া হিচাপে থাকিব। গতিকে শিক্ষাৰ যদি এটা আমুল পৰিবৰ্তন আনিব খুজিছে চৰকাৰে তেতিয়াহলে চৰকাৰে যি অনুপাত ঘোষণা কৰিছিলে ৩০ঃ০১ সেই মতে শিক্ষক নিযুক্তি দি গুণগত মানগুৰ শিক্ষা

আমাৰ নৱ প্ৰজন্মক দিব লাগিব। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে চৰকাৰী বিদ্যালয়ত যিহেতু শিক্ষা ভাল দৰে গ্ৰহণ নহয়, আমাৰ গাওঁৰ ৰাইজে কিছুমান বিদ্যালয় স্থাপন কৰি গাওঁৰ শিক্ষিত যুৱক-যুৱতী সকলৰ দ্বাৰা স্বয়ং চালিত বিদ্যালয় পৰিচালনা কৰি আছে আৰু শিক্ষাৰ প্ৰসাৰ আৰম্ভ হৈছে। গতিকে এই খিনিতে মাননীয় শিক্ষমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম, যে আমাৰ চৰকাৰে অনুমতি দিয়া সমূহ বিদ্যালয়ক যাতে চৰকাৰী কৰণ কৰা হয়। কাৰণ যদি আমাৰ নৱপ্ৰজন্ম শিক্ষিত নহয় আমাৰ ১০০ শতাংশ মানুহ যদি শিক্ষিত নহয়, তেতিয়া আমাৰ দেশখন, আমাৰ ৰাজ্যখন কেনেকৈ আগবাঢ়ি যাব এই শিক্ষাৰ প্ৰতিযোগিতাৰ পৃথিৱী খনত আমাৰ অসম ৰাজ্যখন সদায় পিছ পৰি থাকিব। সভাপতি ডাঙৰীয়া, দুখ লগা পৰিৱেশ, আমাৰ আন্তঃগাঁথনি বিলাক ইমান দুৰ্বল কৰিছে, আন্তঃগাঁথনি বিলাকৰ কাম সম্পূৰ্ণকৈ হোৱা নাই। De-limitationৰ পিছত মোৰ সমষ্টিত অহা এখন হায়াৰচেকেণ্ডাৰী স্কুল ১৯২৭ চনত স্থাপিত হৈছে আৰু সেইখনত পূৰ্বপূৰুষ সকলে যিবোৰ খুটা লগাই থৈ গৈছিল সেই খুটা খিনিৰ তলত মাটিয়ে খাই দিছে, বেৰৰ লগত উপঙি আছে। আজি মই সেই স্কুলখন পৰিদৰ্শন কৰি মই আচৰিত হৈছো। আৰু মই তাৰ পিছদিনাই মাননীয় শিক্ষমন্ত্ৰী মহোদয়ক লগ পাই মই এখন আবেদন দিছিলো যে এই স্কুলখনৰ আন্তঃগাথনি উন্নয়ন কৰিব লাগে। আজি প্ৰায় ১০০ বছৰ গৰকা সেই স্কুল খনৰ আন্তঃগাঁথনি একেবাৰে বেয়া হৈ আছে। গতিকে যি বিলাক স্কুল আমাৰ হাই স্কুল, হায়াৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখা আছে কিন্তু বিজ্ঞানৰ শিক্ষক নাই, হিন্দী আছে কিন্তু হিন্দীৰ শিক্ষক নাই, বিষয় শিক্ষক নাই গতিকে অকল সেই আলিদঙা উচ্চতৰ হায়াৰ চেকেণ্ডাৰী স্কুলেই নহয়, আমাৰ তাত কামৰূপা চিৰজীৱনী হায়াৰ চেকেণ্ডাৰী স্কুল, জুনিয়ৰ হায়াৰ চেকেণ্ডাৰী স্কুল, কদমৰূপ টাউন হাইস্কুল, কাচমি হাইস্কুল, চকিবৰ হাইস্কুল, কাইটেঙিয়া হাইস্কুল, বৰঘুলি হাইস্কুল, সুকবাৰী হাইস্কুলকে আদি কৰি আমাৰ বিভিন্ন হাইস্কুল বা হায়াৰ চেকেণ্ডাৰী স্কুলত বহুত পদ খালী হৈ আছে যাৰ কাৰণে আমাৰ গুণগত শিক্ষাৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰী সকল বঞ্চিত হৈ আছে। গতিকে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আমাৰ স্কুল বিলাকত যি পদ খালী হৈ আছে সেই পদ বিলাক যদি অনতিপলমে নিযুক্তি দি শিক্ষাৰ প্ৰসাৰ যাতে বৃদ্ধি কৰে তাৰ কাৰণে মই অনুৰোধ জনাইছো। মোৰ সমষ্টিত দুখন মহাবিদ্যালয় আছে, এখন জুৰীয়া আৰু এখন ৰূপহী। এই ৰূপহী কলেজত বিজ্ঞান শাখা দিয়াৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সদনত আশ্বাস দিছিল আৰু ইয়াৰ ফাইল বিত্ত বিভাগত পঠোৱা বুলি আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কৈছিল যে আজি পুনৰ বাৰ অৱগত কৰিব বিচাৰিছো যে আমাৰ সেই অঞ্চলত কোনো ধৰণৰ বিজ্ঞান মহাবিদ্যালয় নাই। যাৰ কাৰণে বিজ্ঞানত পঢ়াৰ কাৰণে মন মেলা ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন ঠাইত ঘুৰিপকি আহি আকৌ সেই কলা শাখাতে শিক্ষা গ্ৰহণ কৰিব লাগে। গতিকে আমাৰ নৱপ্ৰজন্মৰ শিক্ষাৰ প্ৰসাৰৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞান শিক্ষা দিয়াৰ আমাৰ জুৰীয়া আৰু ৰূপহী দুয়োখন মহাবিদ্যালয়তে বিজ্ঞান শাখাৰ ব্যৱস্থা কৰি দিয়াৰ কাৰণে মই বিনম্ৰভাৱে অনুৰোধ জনাইছো। আমাৰ যিবিলাক গাঁৱত যি বিলাক বিদ্যালয় আছে সেই গাঁৱৰ বিদ্যালয় বিলাকৰ আন্তঃগাঁথনি একেবাৰে পুতৌ লগা। বাউণ্ডাৰী বেৰ নাই, কৰবাত পানীৰ সু-ব্যৱস্থা নাই, বিজুলী সংযোগ নাই, গৰমৰ দিনত বিজুলী সংযোগ নথকাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলে বহুত কষ্ট কৰিব লগীয়া হয়। গতিকে আন্তঃগাঁথনি সমূহ উন্নয়ন কৰাৰ লগতে বিদ্যালয় সমূহত যাতে বিদ্যুতৰ ব্যৱস্থা কৰা হয়, পানীৰ সু-ব্যৱস্থা কৰা হয় আৰু শিক্ষাৰ প্ৰসাৰৰ কাৰণে ৩০ঃ১ এই ৰেচিঅ'টো পূৰণ কৰি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ দিশত আগবঢ়াই লৈ যোৱাৰ কাৰণে যাতে ব্যৱস্থা কৰে সেই কথা কৈ অনুৰোধ জনাই যিহেতুকে মোৰ সময় কম এইখিনি আপোনাৰ

জৰিয়তে মাননীয় শিক্ষমন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, সভাপতি (পশ্চিম গোৱালপাৰা)** ঃ লিষ্টত বহু কেইজনৰ নাম আছিল যদিও চৰকাৰী পক্ষৰ ফালৰ পৰা এটা আহ্বান আছে আৰু বহুত কেইটা বিল আছে গতিকে কাৰ্টেল কৰিব লগীয়া হৈ আছে, এতিয়া জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক ৩/৪ মিনিট সময় কৰলৈ আহ্বান জনালো।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই শিক্ষাৰ ওপৰত কেইবাটাও এমেণ্ডমেন্ট বিল আনিছে, প্ৰথমতে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আজি দুটা বজাৰ পৰা অসমৰ যিটো কাৰ্যসূচী চলি আছে, এই কাৰ্যসূচীলৈ বা শিক্ষাৰ ওপৰত এমেণ্ডমেন্টৰ ওপৰত বা বিলৰ ওপৰত যি আলোচনা চলি আছে সমগ্ৰ ৰাজ্য খনে দেখি আছে চাই আছে অপেক্ষা কৰি আছে হাজাৰ হাজাৰ পৰিয়ালে, হাজাৰ হাজাৰ মানুহে অপেক্ষা কৰি আছে যে আজিৰ বিধান সভাত আলোচনাৰ পিছত চৰকাৰে, মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই কি সিদ্ধান্ত ল'ব তাৰ ওপৰত বহুতৰ ভাগ্য নিৰ্ভৰ কৰিছে। গতিকে অতিকৈ গুৰুত্বপূৰ্ণ আলোচনাত মোক অংশ গ্ৰহণ কৰাৰ সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। সময় যিহেতু আপুনি অতি কম বুলি কৈছে মই মূল পইন্টলৈ যাব বিচাৰো। মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই ইয়াত কেইবাটাও এমেণ্ডমেন্ট আনিছে, কিন্তু মোৰ প্ৰথম দাবী যে যিখিনি এমেণ্ডমেন্ট আনিছে তাতকৈ আৰু বেছি এমেণ্ডমেন্ট আহিব লাগিছিল। বহুকেইটাত এমেণ্ডমেন্ট অনা নহ'ল আৰু যিখিনি অনা নহ'ল সেইখিনি হয়তো ইয়াত তেওঁ আলোচনা নকৰিব। গতিকে তেখেতৰ প্ৰতি আহ্বান জনাও যে এটা শিক্ষাৰ ক্ষেত্ৰত সমস্যাৰ সমাধানৰ ক্ষেত্ৰত ভেন্সাৰ স্কুলৰ চিৰদিনৰ সমস্যা সমধানৰ ক্ষেত্ৰত এই এমেণ্ডমেন্টে যথেষ্ট নহয় আৰু এমেণ্ডমেন্ট হয়তো আনিব লাগিব। তেখেতৰ বক্তব্যৰ জৰিয়তে যদি সেই কথা খিনি ইয়াত উল্লেখ কৰে বা আজি এমেণ্ডমেন্টত যদিও লিখিত ভাৱে অনা নাই কথিত ভাৱে যদি সেই এমেণ্ডমেন্ট খিনি আনে শিক্ষাৰ ক্ষেত্ৰত যদি কিছু সিদ্ধান্ত লয় মই ভাৱো এটা যুগান্তকাৰী সিদ্ধান্ত হ'ব। সভাপতি ডাঙৰীয়া, মই কেইবাটাও দাবী জনাব বিচাৰি আছো। শিক্ষকৰ নিযুক্তি শিক্ষা বিভাগে ৩১-১২-২০১০ কৰিব বিচাৰিছে, তাৰ পৰিবৰ্তে ৩১-১২-২০১৮ হ'ব লাগে। দাইচ কোড ২০০৯-২০১০ৰ পৰিবৰ্ত্তে নতুন দাইচ কোড ২০১৮-২০১৯ বৰ্ষ হ'ব লাগে। সেই কাৰণে ২০১৭-২০১৮ বৰ্ষৰ পৰা দাইচ কোড বাধ্যতামূলক কৰা হৈছিল। গতিকে তাৰ আগত যদি আমি এটা তাৰ সময় সীমা ধৰি দিও ২০০৯-২০১০ হয়তো তেতিয়া বহুত স্কুল বাদ পৰি যাব। তেওঁলোকে দাইচ কোডত অহা নাছিল, যিহেতু বাধ্যতামূলক কৰি দিয়াৰ পিছত ২০১৭-২০১৮ বৰ্ষৰ পিছত ২০১৮-২০১৯ বৰ্ষ যদি বাধ্যতামূলক দাইচ কোডৰ বৰ্ষ ধৰে নিশ্চিত ভাৱে বহুত বিদ্যালয় অন্তৰ্ভূক্ত হ'ব। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰাথমিক পৰ্যায়ত ৩০ জনৰ পৰিবৰ্তে ২৫ জন কৰিব লাগে, মাধ্যমিক পৰ্য্যায়ত ২৫ জনৰ পৰিবৰ্তে ২০ জন কৰিব লাগে আৰু কলেজৰ ষষ্ঠ চেমিষ্টাৰত ১৫ জনৰ পৰিবৰ্তে ১০ জন কৰিব লাগে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২০২১ চন আৰু তাৰ পিছত Fixpay পদ প্ৰাদেশীকৃত ৩২৮৬ জন যি সকল nonteaching staff অনাশিক্ষক কৰ্মচাৰীৰ ভিতৰত ৭০৯ গৰাকী অনাশিক্ষক কৰ্মচাৰীয়ে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল আৰু ৫-০৮-২০২৫ ইং তাৰিখে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়ধীশ মহোদয়ে খণ্ডবিচাৰকৃত অসম চৰকাৰকো উক্ত কৰ্মচাৰী সকলক ৮ সপ্তাহৰ ভিতৰত পে স্কেল দিয়াৰ ৰায় প্ৰদান কৰাৰ পিছত চৰকাৰে অনাশিক্ষক কৰ্মচাৰীৰ পদ প্ৰাদেশীকৃত কৰা নাই। ২০১৮ অনুদান কৰি মাত্ৰ বাৰ্ষিক ৬ শতাংশ ইংক্ৰিমেন্ট দিয়াৰ যি ব্যৱস্থা কৰিবলৈ লৈছে সেয়া আইন বিৰোধী। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ

প্ৰতি অনুৰোধ জনাম, যে অনাশিক্ষক সকলক তেওঁলোকক পে স্কেল দিবলৈ যি নিৰ্দেশনা ন্যায়ালয়ে দিছে তাক মান্যতা দিব লাগে আৰু পদ সমূহ অসম চৰকাৰে পূৰ্ণ পৰ্য্যায়ৰ নিয়মীয়া কৰ্মআঁচনি লৈ পদোন্নতি কৰিব লাগে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ ক্ষেত্ৰত দেখা যায় যে পিএইচ ডি ডিগ্ৰীৰ ক্ষেত্ৰত, গোটেই ভাৰতবৰ্ষৰ যিকোনো বিশ্ববিদ্যালয়ৰ পৰা যাতে লব পাৰে কাৰণ সংখ্যা যথেষ্ট হ'ব, আমাৰ পিএইচ ডি ৰ সংখ্যা অসমত সীমিত, গতিকে গোটেই ভাৰতবৰ্ষৰ যি সমূহ বিশ্ববিদ্যালয় স্বীকৃতি প্ৰাপ্ত তাৰ পৰা যাতে পিএইচ ডি ল'ব পাৰে, কলেজ শিক্ষক সকলৰ ক্ষেত্ৰত সেই ব্যৱস্থা ল'ব লাগে। ইয়াত subject wise ছাত্ৰ-ছাত্ৰী সকলে মই আগতে কৈ গৈছো, ইউ জি চি ৰ যিটো মতে দৰমহা সেই দৰমহা কলেজ শিক্ষক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু জইনিং যিটো তাৰিখৰ কথা কৈছে, জইনিং তাৰিখ ৩১-১২-২০১০ চনৰ পৰিবৰ্তে সেইটো ৩১-১২-২০১২ ৰ পৰা আৰম্ভ কৰক আৰু যদি পিছুৱাই দিব পাৰে নিশ্চিতভাৱে যথেষ্টখিনি ভাল হ'ব। আমি আৰু এটা কথা উল্লেখ কৰিছো যিহেতু Senior Secondary School ৰ ক্ষেত্ৰত অসম চৰকাৰৰ তৰফৰ পৰা কোনো চৰকাৰী permissionৰ মান্যতা দিয়া নাছিল আৰু তেওঁলোকে যিহেতু কাউন্সিলৰ পৰা পাৰ্মিশ্যন লৈছিল গতিকে Senior Secondary School ৰ পাৰ্মিশ্যনৰ ক্ষেত্ৰত যি সকলে কাউন্সিলৰ পৰা লৈছিল সেই ক্ষেত্ৰত তেখেত সকলক মান্যতা দিব লাগে। যেনেকৈ Simaluguri women Senior Secondary School লগতে এনেকুৱা বহু কেইখন বিদ্যালয় ইয়াত আছে। আৰু এখন বিল ইয়াত উল্লেখ কৰিছে প্ৰাইভেট বিদ্যালয়ৰ নামভৰ্ত্তিৰ মাচুলৰ ক্ষেত্ৰত যিটো ৰেহায় দিব বিচাৰিছে গ্ৰাম্য অঞ্চলত ২৫ শতাংশ, সেইটো নগৰ অঞ্চলৰ কথা, চহৰ অঞ্চলৰ কথা কোনো উল্লেখ নাই। গতিকে যিহেতু গাঁও অঞ্চলৰ কথা ইয়াত উল্লেখ কৰিছে ৰেহাইৰ, নগৰ আৰু চহৰ অঞ্চলত প্ৰাইভেট বিদ্যালয় সমূহতো যাতে নামভৰ্ত্তি মাচুল ৰেহাই দিয়ে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ইয়াত শিক্ষক বদলীকৰণৰ কথা আহিছে, শিক্ষক বদলীকৰণত মহিলা সকলক ৫ বছৰৰ কথা কৈছে, পুৰুষ সকলক ৭ বছৰৰ কথা কৈছে। মহিলা সকলক ৩ বছৰ কৰিব লাগে, পুৰুষ সকলৰ ক্ষেত্ৰত ৫ বছৰ কৰিব লাগে। ইয়াত টিউটৰ সকলক শিক্ষকৰ মৰ্য্যাদা দিব লাগে, বিদ্যালয় সমূহত কম্পিউটাৰৰ শিক্ষা যিহেতু আজি কালি কম্পিউটাৰৰ যুগ বুলি কয়, কম্পিউটাৰৰ শিক্ষকৰ পদ বৃদ্ধি কৰিব লাগে। **অধ্যক্ষ মহোদয়, যিহেতু সময় ক'ম তথাপিও আপোনাক অনুৰোধ জনাইছো যে, মই প্ৰতিনিধিত্ব কৰা সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰ্টছ আৰু চাইন্স ষ্ট্ৰীমটো আছে । বহু দিনতে কমাৰ্চ শাখাটো খোলা হৈছিল কিন্তু ইউ ডাইচত যেতিয়া টিচাৰ সকলৰ নাম অন্তৰ্ভূক্ত কৰাৰ সময়ত বিদ্যালয় প্ৰধানে নামবিলাক অৰ্ন্তভূক্ত কৰা নাছিল যাৰ কাৰণে তেওঁলোকে দেৰীকৈ ২০২০-২১ ত ইউ ডাইচত নাম অৰ্ন্তভূক্ত কৰিছে তাৰ ফলত কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়খনক এতিয়ালৈকে কমাৰ্চ শাখা খোলা হোৱা নাই সেই ক্ষেত্ৰত মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই নিয়ম শিথিল কৰি হ'লেও ব্যৱস্থা গ্ৰহণ কৰিব লাগে । শেষত আকৌ কৈছো অসমৰ ৰাইজে নিজৰ গাঠিৰ ধন খৰচ কৰি মাটি দি সেই অঞ্চলৰ যুৱক-যুৱতীয়ে মিলি যি ভেন্সাৰ স্কুল প্ৰতিষ্ঠা কৰি শিক্ষাৰ ক্ষেত্ৰত আমাৰ ৰাইজৰ লগতে অসমখনকো আগুৱাই লৈ যাবলৈ সহায় কৰিছে । সেই সময়খিনিত চৰকাৰ তথা মাননীয় শিক্ষা মন্ত্ৰীয়ে সকলো ভেন্সাৰ স্কুল চৰকাৰীকৰণ কৰি এই সমস্যাবিলাক দূৰ কৰিব লাগে । এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো ধন্যবাদ ।**

**মাননীয় অধ্যক্ষ ঃ হ'ব , এতিয়া আৰু নালাগে । সকলোৱে একেখিনি কথাকে কৈ আছে । সময় নাই ।**

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয়, মানৱ ডেকা আৰু ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই মোবাইল উলিয়াই ভিডিঅ’ ৰেকৰ্ডিং কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত সকলো খিনিয়ে ৰেকৰ্ডিং হৈ আছে প্লিছ বহক । আপুনি বহক ... এইটো পিচত চোৱা হ’ব ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোদিত আইন ২০১৮ মতে যিখিনি স্কুল ভেঞ্চাৰ হৈ থাকিল তাৰ সংখ্যাটো আমাক শিক্ষা মন্ত্ৰী ডাঙৰীয়াই দিছিলে । নিম্ন প্ৰাথমিক ১০২৩ খন , প্ৰাথমিক বিদ্যালয় -২৩৪ , আপাৰ প্ৰাইমেৰী আৰু মাধ্যমিক বিদ্যালয় ৪০২ খন যিহেতু আমাৰ আইনখন সংশোধন কৰা হৈয়ে আছে গতিকে মানবীয় দৃষ্টিৰে হ’লেও এই বাকী থকা ভেঞ্চাৰ স্কুল কলেজসমূহ প্ৰাদেশীকিকৰণ কৰিব লাগে । যিহেতু এতিয়া আৰু নতুনকৈ ভেঞ্চাৰ স্কুল প্ৰতিষ্ঠা কৰাৰ নিয়ম নাই - পাৰ্মিশ্যনো নাই । গতিকে মানবীয় দৃষ্টিৰে চাই সকলো ভেঞ্চাৰ স্কুল প্ৰাদেশীকিকৰ- কৰিব লাগে । দ্বিতীয়তে ছাৰ, ইয়াত সকলোৰে যিখিনি কথা কৈছে মইও সেইখিনি ক’ম । ইউ - ডাইচ প্লাচ কোড ২০১৮-১৯ চন কৰিলেহে আমাৰ শিক্ষকসকল কিছু পৰিমানে লাভান্বিত হ’ব । আৰু জইনিঙ ডেট ৩১-১২-২০১০ পৰিৱৰ্ত্তে ৩১-১২-২০১৮ কৰিলেহে এক্সপ্ৰিয়েন্সটো ৭ বছৰ হ’ব আৰু বহুসংখ্যক আমাৰ শিক্ষক সমাজ উপকৃত হ’ব । আৰু তৃতীয়তে নন টিচিঙৰ ক্ষেত্ৰত কৈছো ছাৰ যেতিয়া বিদ্যালয়খিনি নল’লে যেতিয়া টিউটৰ হিচাপে লোৱা হ’ল, কেইটামান পোষ্ট লোৱা হ’ল । একেলগে কাম কৰা একেখন বিদ্যালয়তে কাম কৰা ৪ জন শিক্ষক লোৱা হ’ল ৩ জনক বাদ দিয়া হ’ল । গতিকে ছাৰ, এইটো সম্পূৰ্ণৰূপে অমানবীয় হৈছে । শিক্ষিত নিবনুৱাসকলে বহু বিভাগত এডভাৰটাইছ দিয়াৰ পিচত ইন্টাৰভিড দি চাকৰি লোৱাৰ সুযোগ পায় । কিন্তু ইতিমধ্যে তেওঁলোকৰ বহুতৰ বয়সৰ সীমা ইতিমধ্যে উকলি গ’ল । তেওলোকে এতিয়া আন কোনো ঠাইত বা কামত নিযুক্তি লোৱাৰ সক্ষম নহ’ব । সেই কাৰণে কৈছো মানবীয় দৃষ্টিৰে চাই যিখিনি ড্ৰ’প শিক্ষক আছে যিহেতু আইন সংশোধন হৈয়ে আছে , তেওঁলোককো পুনৰায় নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু ছাৰ এটা অনুৰোধ ট্ৰেন্সফাৰৰ ক্ষেত্ৰত যাতে পোষ্টবিলাক ট্ৰেন্সফাৰ নহয় । মিচুৰেল কৰি ট্ৰেন্সফাৰ হওক বা অন্য ধৰণে হওক – ধন্যবাদ ।

**শ্ৰীৰাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মই যিখিনি কথা ক’ম সদনত ইতিমধ্যে আলোচনা হৈ গৈছে । কিন্তু মোক বিভিন্নজনে ফোন কৰি থাকে যে, আমাৰ কথাখিনিও আপুনি সদনত উঠাব । এতিয়া যদি মই কথাখিনি ইয়াত উত্থাপন নকৰো - তেতিয়াহ’লে মোক ক’ব যে আপুনি আমাৰ কথা বিধান সভাত নক’লে সেই বাবে মই দুআষাৰ ক’ব বিচাৰিছো । এল পি স্কুল প্ৰভিন্সেলাইজেশ্যনৰ ক্ষেত্ৰত ক’বলৈ লৈছো - ইয়াত আগৰবাৰ যিটো প্ৰভিন্সিয়েলাইজেশ্যন কৰা হৈছিলে সেই সময়ত কিন্তু ডাইচ কোড ২০০৯-১০ ধৰিছিলে । যিখিনি স্কুল ২০০৯-১০ৰ বাহিৰত আছিল সেই গোটেইখিনিয়ে বৰ্তমান বাদ পৰি আছে এতিয়া যদি আপোনালোকে ২০০৯-১০ ডাইচ কোডটো ধৰে তেনেহ’লে এখনো স্কুল প্ৰভিন্সিয়েলাইজেশ্যনত সোমাব নোৱাৰে । প্ৰত্যোকেই এই কথাটোৰে কৈছে যে ২০০৯-১০ ডাইচ কোডটো চেঞ্জ কৰি ২০১৭- ১৮ বা এটা গ্ৰহণযোগ্য ডাইচ কোড ধৰিব লাগে বুলি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো । দ্বিতীয়তে মোৰ সমষ্টিত দুখন জুনিয়ৰ কলেজ আছে জুনুৰাৰ চৰ জুনিয়ৰ কলেজ আৰু এখন আইকাটা জুনিয়ৰ কলেজ । ছাত্ৰ- ছাত্ৰীকে ধৰি প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকে ফুলফিল কৰিছে কিন্তু সেই কলেজ দুখনৰ মাটি খিনি ৰেজিষ্টাৰ

কৰি দিয়া হৈছিল ইয়াৰ দলিলো আছে কিন্তু নামজাৰী আলপ পিচত ১-১-২০০৬ চনৰ পিচত হৈছে । যিহেতু মাটি ৰেজিষ্টাৰী কৰি লৈছে, দলিলো আছে আৰু ইতিমধ্যে দেৰীকৈ হ'লেও নামজাৰীও হৈছে গতিকে কলেজ দুখন কনচিডাৰ কৰিব লাগে । লগতে মোৰ আৰু এটা অনুৰোধ থাকিল । হায়াৰ চেকেণ্ডৰী মডেল স্কুল, হাবুজাবাদ সেইটো এৰিয়াত কোনো স্কুল বা কলেজত চাইন্স ষ্ট্ৰীম নাই গতিকে তাত চাইন্স ষ্ট্ৰীমৰ বাবে মই কেইবাবাৰো অনুৰোধ জনাইছো , আজি আকৌ এবাৰ কও এই বিষয়টো যাতে কনচিডাৰ কৰে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... মজিবুৰ ৰহমান ।

**শ্ৰীমজিবুৰ ৰহমান, দলগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয় মোক আজি সদনত শিক্ষাৰ ক্ষেত্ৰত আলোচনাৰ বাবে যি সুযোগ দিলে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো । মই প্ৰথমে মাননীয় শিক্ষা মন্ত্ৰীৰ ওচৰত ডিমাণ্ড কৰিম যোৱা ২০২১ চনত যেতিয়া প্ৰথম মই বিধায়ক হৈছিলো এই পবিত্ৰ সদনত যিদুটা ৰিকোৰেষ্ট কৰিছিলো সেই দুয়োটা ৰিকোৰেষ্ট তেখেতে মানি লৈছিল । দলগাওঁ সমষ্টিৰ কথাটো যেতিয়া মই সদনত কৈছিলো সদনে হাঁহিছিল যে দলগাওঁ সমষ্টিত কোনো কলেজ নাছিল নেকি ? মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আৰু শিক্ষা মন্ত্ৰী মহোদয়ে কথাটো গুৰুত্বপূৰ্ণভাৱে লৈছিল আৰু দলগাওঁ সমষ্টিৰ মাজ মজিয়াত পণ্ডিত দীনদায়াল কলেজ স্থাপন কৰিছে । আৰু এটা মেছেছ দিব খুজিছো সেই কলেজতে এইবাৰ ১৭০০ ষ্টুডেন্টে এডমিশ্যন লৈছে । তাত এতিয়া এটা অডিট'ৰিয়াম লাগে । ক্লাছ ৰুমৰ বাবে আৰু কিছু পুঁজি দিব লাগে । দলগাওঁ সমষ্টিতে আৰু এখন ৱমেন মডেল কলেজ হৈছে ছাৰ , খাৰুপেটীয়া কলেজৰ পিছফালে । এইখন মঙলদৈ সমষ্টিৰ বান্দিয়াত আছিল মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰাৰ পিচত তাৰ পৰা কাটি আনি খাৰুপেটীয়া কলেজৰ পিচফালে দিয়া হৈছে । মাটি দিয়া হৈছে , বিল্ডিং হৈছে , ইনফ্ৰাচষ্ট্ৰাকচাৰ ডেভ ল'পমেন্ট যথেষ্ট ভাল। ছাত্ৰী থকাৰ বাবে গাৰ্লছ হোষ্টেলো হৈছে । তাত আৰু অলপ ইনফ্ৰাচষ্ট্ৰাকচাৰ ৰ কাম কৰিবলৈ বাকী আছে তাত যদি কামখিনি কৰি দিয়ে মই সুখী হ'ম । লগতে আৰু এটা কথা ক'ম -মোৰ সমষ্টিৰ বৰুৱাঝাৰ হায়াৰচেকেণ্ডৰী স্কুল তাত ৭০০ ষ্টুডেন্ট কিন্তু মাত্ৰ ৫ জন টিচাৰ ছাৰ । বৰুৱাঝাৰ এল পি স্কুল ৩০০ ষ্টুডেন্ট কিন্তু টিচাৰ মাত্ৰ ২ জন । গতিকে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক কৰযোৰে অনুৰোধ জনালো আপোনালোকে স্কুল ইফ্ৰাচষ্ট্ৰাকচাৰ ডেভেল'পমেন্টৰ ক্ষেত্ৰত কোনো কৃপণালী কৰা নাই । বহু হায়াৰ চেকেণ্ডৰী স্কুল, বহু মাধ্যমিক স্কুল ডেভেল'প কৰিছে , আৰু যিটো ভেন্সাৰ স্কুলৰ কথা কৈ আছে এই ক্ষেত্ৰত মই মৌলানা বদৰুদ্দিন আজমল চাহাবক ধন্যবাদ নিদি থাকিব নোৱাৰো যেতিয়া অসম আৰু দিল্লীত কংগ্ৰেছী চৰকাৰ চলি আছিলে সেই সময়ত ভেন্সাৰৰ কনচেপ্টটো মাননীয়া চোনীয়া গান্ধীয়ে বুজি পোৱা নাছিল মৌলানা বদৰুদ্দিন আজমল চাহা বে ভেন্সাৰ স্কুলৰ টিচাৰসকলক ৰেলৰ ভাড়া দি দিল্লীলৈ গৈ ধৰ্ণা দিয়াৰ পিচত , বুজাই দিয়াৰ পিচত ভেন্সাৰ স্কুলবিলাক প্ৰভিন্সিয়েলাইজড কৰিছিল । এতিয়াও বহুত ভেন্সাৰ স্কুল অসমত আছে, সেইবিলাকক সমুলি শেষ কৰিবৰ কাৰণে, সেইবিলাক provincialized কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ যদি আৰু কিবা আছে, তেতিয়াহলে সেইখিনি লিখিত দিব, সেইখিনি record ত থাকবি।

এতিয়া সন্মানীয় সদস্য শ্ৰী আফাত্ত্ব উদ্দিন মোল্লা।

**শ্ৰী আফাত্ত্ব উদ্দিন মোল্লা, জলেশ্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ দিব খুজিছো এই কাৰণে যে মোৰ সমষ্টিত তেখেতে হাইস্কুল দিছে। এতিয়া কথা হ'ল যে

মোৰ যিটো বৰ্তমান সমষ্টি সেইটো ৮০ কিলোমিটাৰ দৈৰ্ঘ। সেই ৮০ কিলোমিটাৰ দৈৰ্ঘৰ সমষ্টিটোত এখন কলেজতো বিজ্ঞান শাখা আৰু বাণিজ্য শাখাৰ ব্যৱস্থা নাই। যেনে জলেশ্বৰ হায়াৰ চেকেণ্ডাৰী, পঞ্চামিতা, ৰাজমিতা, দোমেৰঘাট, তাকিমাৰি হায়াৰ চেকেণ্ডাৰী, তৰমুচা হায়াৰ চেকেণ্ডাৰী, আমবাৰী হায়াৰ চেকেণ্ডাৰী, সোণাৰী হাইস্কুল, হায়াৰ চেকেণ্ডাৰী, এইবিলাক এখনতো বিজ্ঞান আৰু বাণিজ্য শাখা নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে সোনকালে আমাৰ হায়াৰ চেকেণ্ডাৰী স্কুল বা কলেজ বিলাক বিজ্ঞান আৰু বাণিজ্য শাখা দিয়াৰ ব্যৱস্থা কৰে।

লগতে মোৰ সমষ্টিত দুখন কলেজ আছে, এখন হ'ল বৰনগৰ জুনিয়ৰ কলেজ, এখন হ'ল সোণাৰী কলেজ, এই কলেজ দুখনৰ কিছু শিথিলতা যদি এই সংশোধীন আনে, আমি এটা অনুৰোধ কৰিছো যে date of jointing টো ৩১-১২-২০১০ ৰ পৰিৱৰ্তে ৩১-১২-২-১৯ তাৰিখ হ'ব লাগে। আৰু DIAS Code ৰ যিটো সমস্যা হৈছে যে ১০, ১১ লৈ যিটো দিছে, সেইটো বঢ়াই ১৮,১৯ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য ড০ আছিফ মহম্মদ নাজাৰ।

**ড০ আছিফ মহম্মদ নাজাৰ, লাহৰিঘাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগৰ ওপৰত যি সংশোধনী বিল আনিছে, তাৰ ওপৰত দুষাৰ ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, ৫ বছৰ নিৰন্তৰ সেৱা সম্পূৰ্ণ হোৱাৰ পিছত tutor সকলক প্ৰতি বছৰে ৬ শতাংশ হাৰত বেতন বৃদ্ধি কৰাত যি প্ৰস্তাৱ অনা হৈছে। মই ভাৱো যে প্ৰত্যেক বছৰে বেতন বৃদ্ধি কৰিব লাগে। কাৰণ তেখেতসকলে প্ৰতিদিনে কাম কৰি আছে। ইয়াত ৫ বছৰ কিয় দিছে, মই ভাৱো এইটো সংশোধনী কৰিব লাগে।

ইয়াৰ উপৰিও, মাননীয় অধ্যক্ষ মহোদয়, ২০১৭-১৮ চনৰ আইন মতে এজন শিক্ষকে ৩১-১২-২০১০ চনৰ ভিতৰত যোগদান কৰা হ'ব লাগিব। কিন্তু মই ভাৱো, venture শিক্ষকসকলে date of joining ৩১-১২-২০১৮ চনলৈ কৰিব লাগে, তেতিয়া শিক্ষকসকলৰ সুবিধা হ'ব আৰু তাৰ লগতে যি U DIAS Plus আছে, আগতে DIAS Code আছিলে, DIAS Code ২০০৯-১০ নকৰি, ২০১৮-১৯ কৰিলে U DIAS Plus টো মই ভাৱো বেছি সুবিধা হ'ব আৰু ইয়াৰ ওপৰুও, মই ভাৱো যে U DIAS Plus হ'ল এটা সহায়ক date based হে, এইটো এক মাত্ৰ প্ৰমান পত্ৰ হ'ব নোৱাৰে। কাৰণ বহুত বিদ্যালয়ত শিক্ষক আছে, তেখেতসকলে দিনে ৰাতিয়েই কাম কৰি আছে, কিন্তু data নাই, গতিকে তেখেতসকল প্ৰাপ্য নহয় নেকি? মই ভাৱো শিক্ষামন্ত্ৰীয়ে যাতে এইটোৰ ওপৰত বিবেচনা কৰে।

লগতে মোৰ সমষ্টিৰ এটা কওঁ, মোৰ সমষ্টিত বিগত ৫ বছৰত মই শিক্ষামন্ত্ৰী মহোদয়ক বাৰে বাৰে অনুৰোধ কৰি আছো যে মোৰ সমষ্টিৰ উচ্চ মাধ্যমিক বিদ্যালয়ে হওঁক বা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে হওঁক, এটা বিজ্ঞান শাখা আৰু বাণিজ্য শাখাৰ প্ৰতিষ্ঠান নাই। গতিকে শিক্ষামন্ত্ৰীয়ে যাতে ইয়াৰ ওপৰত বিবেচনা কৰে তাৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যি ৩ খন বিল আজি ইয়াত অনা হৈছে, মই ভাৱো এই ৩ খন বিলৰ মুল কথা এইটোৱে যে যিসকলৰ দৰমহা ৮ হাজাৰ টকা, তেওঁলোকৰ চাকৰি কাল ৫ বছৰ হলে, ৪৮০ টকাকৈ বৃদ্ধি কৰা হ'ব। অৰ্থাৎ ৬ শতাংশ বৃদ্ধিৰ

কাৰণে এই বিধান সভাত ইমান মানুহ সমবেত হৈ, ইমান কোটি কোটি টকা খৰছ কৰি আমি ইমান ডাঙৰ সভা এখন পতাৰ প্ৰয়োজন নাছিল বুলি ভাৱো।

মাননীয় অধ্যক্ষ মহোদয়, যিসকলে ৮ হাজাৰ টকা দৰমহাত চাকৰি কৰে, তেওঁলোকৰ দৰমহাত ৪৮০ টকা বঢ়োৱা হ'ল। ইয়াত ইমান ডাঙৰ কথাটো কি? ইয়াৰ ডাঙৰ বিয়াগোম চৰকাৰ আৰু বিয়াগোম বিভাগৰ পৰা মাত্ৰ এইখিনি আশা কৰা নাছিলো। আমি দাবী কৰিছো যে শিক্ষক হিচাপে তেওঁলোকে যি scale ত দৰমহা পাব লাগে, যি Grade Pay পাব লাগে, সেইমতে তেওঁলোকক দৰমহা দিয়া হওঁক। বাকী venture স্কুলৰ বিষয়টো চিৰ দিনৰ বাবে ইতিহাসৰ পৰা মচি দিয়াৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিব লগীয়া আছিল, সেইটো যদি অন্তত আজিৰ সদনত আহিলেহেতেন, আমি দিয়া সংশোধনী খিনি যদি মানিলেহেতেন, অন্তত সেই venture স্কুল আৰু ইতিহাসত নাথাকিলেহেতেন। য'ত দৰমহাই ১০ হাজাৰ, ১৫ হাজাৰ দি আছো, ৫ হাজাৰ, ৭ হাজাৰ মানুহ খুব বেছি বাকী আছে, সেই মানুহখিনিক দি দিলে, এই আলোচনাৰ প্ৰয়োজন নাথাকিলেহেতন, বৰঞ্চ আমি ভৱিষ্যতত আমি যিখিনি এতিয়াৰ অৱস্থা হৈ আছে, তাৰ উন্নয়নৰ কাৰণে, quality education ৰ কাৰণে , নতুনত্ব সংযোজনৰ কাৰণে আমি আলোচনা আৰু চৰ্চা কৰিব সুযোগ পালোহেতেন।

মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে আন এখন transfer and posting বিলৰ জৰিয়তে মহিলাসকলৰ ৫ বছৰ আৰু পুৰুষসকলৰ ৭ বছৰ, যিটো আগতে ১০ বছৰ আছিল, সেইটো কমাই আনিব বিচৰা হৈছে। আজি চৰ চাপৰি অঞ্চল বা ধুবুৰী মানকাছাৰ অঞ্চলৰ বহু বিদ্যালয়ত দেখা গৈছে যে শিক্ষকসকলে বদলি হৈ গুছি গৈ আছে। তাত কিন্তু নতুন শিক্ষক নিযুক্তি দিয়া হোৱা নাই। যাৰ কাৰণে আমি remote আৰু difficult area ৰ শিক্ষক সকলক cadre সৃষ্টি কৰাটো বিচাৰিছো আৰু cadre সকলক কেৱল cadre হিচাপে নহয়, তেওঁলোকক special remote area ভাট্টা আমি দিব কৈছো। একেটা সময়তে তেওঁলোকক দূৰ্গম অঞ্চল থাকিবৰ কাৰণে basic pay ৰ ওপৰত যিখিনি enhancement কৰিব লাগে, সেই খিনিৰ কাৰণেও দাবী জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে ৰাজ্যত ১৬২ টা senior আৰু pre-senior Madrasa ৰৈ গৈছে, যিবোৰৰ সকলো আইনৰ লগত খাপ খুৱাৰ সকলো criteria আছিল। মাদ্ৰাছাৰ পৰা মাদ্ৰাছাসমূহক যদিও হাইস্কুল কৰা হ'ল, সেই মেৰপাকত ১৬২ খন মাদ্ৰাছা ৰৈ গৈছে। অন্তত মাননীয় অধ্যক্ষ মহোদয়, সেই মাদ্ৰাছা স্কুলখিনিক, যিখিনিক এম ই বা হাইস্কুল কৰা হৈছে, তেওঁলোকৰ ক্ষেত্ৰত যাতে বিহিত ব্যৱস্থা কৰা হয়, তাৰ বাবে মই আশা ৰাখিছো আৰু আমাৰ ভৱিষ্যতত venture স্কুলৰ সমস্যাটো সমাধান হৈ যাওঁক, মানুহৰ মুখত হাঁহি বিৰিঙক, যদি কৰবাত শিক্ষক অতিৰিক্ত হয়, তেওঁলোকক আমি rationalize ৰ জৰিয়তে স্কুলত কামত লগাব পাৰিম। ধন্যবাদ মহোদয়।

**শ্ৰী আব্দুল বতিন খণ্ডকাৰ, উত্তৰ অভয়াপুৰি** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৩ চনৰ provincialize কৰা স্কুল সমূহৰ শিক্ষকসকলে pay scale ত দৰমহা পালে। ২০২১ চনত যিসকলক provincialize কৰা হ'ল, তেওঁলোকে কিন্তু fixed pay ত দৰমহা পায়। এইটো আমাৰ ফালৰ পৰা বা বিধান সভাৰ ফালৰ পৰা বৈশম্য কৰা হোৱা নাই জানো। গতিকে সেইসকলকো আমি full pay scale দিব লাগে বুলি দাবী জনালো। যিসকলক ২০২১ চনত provincialize tutor কৰা হৈছিল আৰু যিসকলে বাদ পৰিছিল, তেওঁলোককো include কৰাৰ ব্যৱস্থা কৰিব

লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ venture যিটো শব্দ, এই শব্দটো এতিয়া অশুভনীয় হৈছে, যিহেতু ২০০৯ চনত Right to Education Act. পাছ হ'ল। গতিকে আজিৰ সময়ত venture শব্দটো থাকিব নালাগে। আজিৰ সদনত এনেকুৰা এটা resolution হ'ব লাগে, যে শিক্ষামন্ত্রীয়ে venture শব্দটো নোহোৰা কৰি দিয়ক আৰু ৩১-১২-২০১৮ চনলৈ যিমানখিনি স্কুল venture হিচাপে লোৱা হৈছে, তাত কোনো ধৰণৰ criteria নোহোৰাকৈ সকলোখিনি স্কুল provincialize কৰা হওঁক আৰু শিক্ষাৰ অধিকাৰ আইনৰ সঠিক ৰূপত ৰূপায়ন কৰাৰ বাবে এইটো এটা বিশেষ ব্যৱস্থা হ'ব বুলি আমাৰ ধাৰণা।

লগতে provincialize শিক্ষকসকল, যিসকল ২০১৩ চনৰ আছিল, তেওঁলোকে ইতিমধ্যে আন্দোলন কৰিলে যে তেওঁলোকে PPF, GPF, এইবিলাক একো পোৱা নাই। গতিকে তেওঁলোকে ভিক্ষা বৃত্তিত নামিব বুলি কৈছে। যদি  হে তেওঁলোকে ভিক্ষা বৃত্তিত নামে নিশ্চয়কৈ আমাৰ বিধান সভাই হওঁক বা চৰকাৰখনে হওঁক, আমি লজ্জিত হম। মুখ্যমন্ত্রী মহোদয়ে অর্থাৎ তেতিয়াৰ শিক্ষামন্ত্রী, তেখেতে ১০ লাখকৈ টকা দিব বুলি ঘোষণা কৰিছিল। গতিকে তেওঁলোককো এটা অনুদান দিয়াৰ ব্যৱস্থা কৰিলে ভাল হ'ব।

শেষত আকৌ ক'ব খোজে যে venture শব্দটো শেষ কৰি দিব লাগে আৰু ২০১৩ চনত যিদৰে দিছিল ২০২১ চনত provincialize কৰা সকলোকে pay scale দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্রীখলিল উদ্দিন মজুমদার ( কাটিগড়া) :** মাননীয় অধ্যক্ষ মহোদয় আমাকে কথা বলার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। আমার কাছে বিভিন্ন জায়গা থেকে ফোন আসে যে সদনে শিক্ষা ব্যবস্থা নিয়ে আলোচনা করার জন্য। শিক্ষা ব্যবস্থাকে উন্নত করা ও শিক্ষা ক্ষেত্রে বিভিন্ন সহযোগিতা করার জন্য আজ সদনে অনেক বিধায়ক অনেক গুরুত্বপূর্ণ আলোচনা করেছেন। আমার সমষ্টিতে অনেক উচ্চ শিক্ষা প্রতিষ্ঠান আছে কিন্তু তাতে দেখা যায় যে কোন কোন প্রতিষ্ঠানে Science, বা Commerce, বা Arts র শিক্ষক থাকে না। এই ধরণের বিভিন্ন সমস্যা আছে। এইসব সমস্যার মোকাবিলা করতে হবে। উচ্চমাধ্যমিক পরীক্ষার সেন্টারের যে মিটিং হয় সেই মিটিংএ যাওয়ার পরে দেখা যায় যে বিভিন্ন স্কুলে বাউণ্ডারী নাই, ক্লাশ রুম নাই এই ধরণের অনেক সমস্যা আছে। বরাক উপত্যকা বিশেষ করে বন্যাপ্রবণ অঞ্চল। বন্যা শেষ হওয়ার পরে দুই তিন মাস বিদ্যালয় বন্ধ থাকে এইসব সমস্যার জন্য। মাননীয় শিক্ষামন্ত্রীর কাছে আমার অনুরোধ যাতে বিল্ডিংএর ব্যবস্থা করা হয়। Register measurment এ ২ লাখ টাকা fund অনেক দেরী করে দেওয়া হয়। মাননীয় মুখ্যমন্ত্রী ও মাননীয় শিক্ষামন্ত্রীর কাছে আমার বিশেষ অনুরোধ থাকলো এই সব ব্যবস্থাগুলো করার জন্য। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।** এতিয়া মাননীয় সদস্য বিদ্যাছিং ইংলে ডাঙৰীয়াই ক'ব।

**শ্রী বিদ্যাছিং ইংলে,(ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মন্ত্রী মহোদয়ে যিখন বিল আনিছে, তাত মোক অংশ গ্রহণ কৰিবলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়া আৰু শিক্ষামন্ত্রী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ পিছপৰি থকা কাৰ্বি আংলং জিলাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল সমূহ এইবাৰ বিজ্ঞান শাখাত এশ শতাংশই পাচ কৰিছে। ডিফু মেডিকেল কলেজতো পাৰ্ব্বত্য এলেকা হিচাপে পঢ়াত ৰিজাল্ট বেয়া হ'ব লাগিছিল। কিন্তু তাতো প্ৰথম পৰ্য্যায়ত এম বি বি এচ এশ শতাংশই পাচ কৰিছে। লগতে মই আৰু এটা কথা ক'বলৈ

বিচাৰিছো যে মই এজন কাৰ্বি বিধায়ক হিচাপে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় জনজাতীয় মন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো যে কাৰ্বি অট'নমাছ কাউঞ্চিল সদনে গঠন কৰি দিছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুমোদন কৰিছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য সঞ্জয় কিষাণ ডাঙৰীয়াই ক'ব। আপোনাক এক মিনিট সময় দিয়া হৈছে।

**শ্ৰী সঞ্জয় কিষাণ, (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। যিটো জনগোষ্ঠীয়েমাটিৰ পট্টা পাবৰ বাবে দুশ বছৰ লাগিল, সেই একে হিচাপে আমাৰ এল পি স্কুলৰ পৰা হাইস্কুল যাবৰ বাবেও দুশ বছৰ লাগিল। বৰ্তমান চৰকাৰ দিনত এশতকৈ বেছি মডেল হাইস্কুল আমি চাহ বাগানত পালো আৰু তাত বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰি আছে, ভাল পৰিৱেশ এটা আছে। কিন্তু শিক্ষক সকল attachment থকাৰ বাবে যথেষ্ট অসুবিধা হোৱা দেখা পাইছো। সেয়েহে আপোনাৰ জৰিয়তে অনুৰোধ থাকিব যে attachment থকা শিক্ষকসকলক অতি সোনকালে বিষয় শিক্ষক হিচাপে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অসমত প্ৰায় এশতকৈ অধিক এনেকুৱাধৰণৰ হাইস্কুল আছে আৰু নতুনকৈ আৰু এশ খন হাইস্কুল নিৰ্মাণৰ বাবে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই কৈছে। সেয়ে শিক্ষাৰ ক্ষেত্ৰত এটা ডাঙৰ পৰিৰ্বতন আনিছে। মই তিনিচুকীয়া জিলাৰ বিষয়ে দুটামান কথা ক'বলৈ বিচাৰিছো যে আমাৰ যিখন কমাৰ্চ কলেজ আছে, তেওঁলোকে ইতিমধ্যে বিজ্ঞান বিভাগৰ অনুমতি পাইছে। কিন্তু শিক্ষকসকলৰ বাবে অনুমতি নোপোৱাৰ বাবে এইখিনি তাতে ৰৈ গৈছে। মই এইখিনি অতি শীঘ্ৰে কৰি আশা কৰিছো। তিনিচুকীয়াত এখন মাত্ৰ মহিলা মহাবিদ্যালয় আছে। তাতেও বিজ্ঞান শাখাৰ বাবে বহুদিন ধৰি আবেদন কৰা হৈছে। সেইয়াও যাতে অতি সোনকালে চেংশ্যন কৰিব লাগে। আমাৰ চাহ জনগোষ্ঠী মৰাণ জনগোষ্ঠীৰে পৰিপুষ্ট মাকোম কলেজ খনৰ এইবাৰ আমি অনুমোদন পাইছো। ই আমাৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি সহায়ক হ'ব। তাৰ বাবে চৰকাৰক মই ধন্যবাদ জনাইছো। কিন্তু যিজন অধ্যক্ষ আছে, তেখেতৰ সময়-সীমা দহ বছৰলৈ দিয়া হৈছে। তেখেতে বিনা বেতনেৰে সাত বছৰ পাঠদান কৰিলে। গতিকে এই বিষয়টো কিবা চিন্ত কৰিব পৰা যায় নেকি ? এইখিনি বিবেচনা কৰিবৰ বাবে আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নৰ কুমাৰ দলে ডাঙৰীয়াই ক'ব।

**শ্ৰী নৰ কুমাৰ দলে, (ঢকুৱাখানা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ শীতকালীন অধিৰেশনৰ শেষৰ দিনটোত অসম শিক্ষা প্ৰাদেশিকীকৰণৰ সম্পৰ্কত মোক ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। প্ৰথমে মই অসমৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ ধন্যবাদ জনাইছো যে এই প্ৰাদেশিকীকৰণ ব্যৱস্থাটোৰে বহু দিনৰ এটা সমস্যাৰ সমাধানৰ বাট মুকলি কৰি দিলে। যিহেতু সময় কম মই মাত্ৰ দুটামান বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিশেষকৈ প্ৰাইমাৰী স্কুলৰ প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত DISE code ৰ ক্ষেত্ৰত কিছু confusing হৈ আছে। সেইখিনি যাতে কিছু শিথিলতা আনি প্ৰাথমিক স্কুলসমহকো প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা কৰে। লগতে আমাৰ সমষ্টিত থকা পাঁচখনকৈ মহাবিদ্যালয় এইবাৰ প্ৰাদেশিকীকৰণৰ আওতাত অন্তৰ্ভূক্ত হৈছে। সোৱনশিৰি মহাবিদ্যালয়, ইউনাইটেড ডিগ্ৰী কলেজ, নৰ্থ বেংক কলেজ, ৰেগাম সোৱনশিৰি আৰু খেৰকটা মহাবিদ্যালখনো এইবাৰ এই প্ৰাদেশিকীকৰণৰ আওতাত সোমাইছে। তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু আমাৰ এই বিদ্যালয়সমূহত ২০১০ চনৰ যি নিযুক্তি বৰ্ষ হিচাপে নিৰ্ধাৰিত কৰাৰ বাবে কেইবাখনো কলেজত শিক্ষকতা কৰি থকা শিক্ষকসকলৰ নাম অহা নাই। গতিকে

আমি ২০১০ চনৰ বিষয়টো অকনমান মানৱীয়তাৰ দৃষ্টিৰে বিবেচনা কৰিব বুলি আশা কৰিছো। আপোনালোকে জানে যে খেৰকটা মহাবিদ্যালয় ১৯৯৭ চনতে প্ৰতিষ্ঠিত হোৱা অতি ভিতৰুৱা অঞ্চলৰ মহাবিদ্যালয়। আজি ৰাতিপুৱা মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ৩৬ জনৰ ৩ জনহে প্ৰাদেশিকীকৰণৰ আওতাত আহিছে আৰু ৩৩ গৰাকী অহা নাই। সেয়েহে শিক্ষা মন্ত্ৰী মহোদয়ক ২০১০ চনৰ ক্ষেত্ৰত কিছু শিথিলতা ৰাখি সকলোকে প্ৰাদেশিকীকৰণৰ আওতালৈ আনে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, দীঘলীয়া সময় ধৰি প্ৰাদেশিকীকৰণৰ যিখন সংশোধনী বিল শিক্ষকৰ বদলি কৰণ, নন টিচিং ষ্টাফ, বে-চৰকাৰী বিদ্যালয়ৰ মাচুল নিৰ্ধাৰণ সেইখন বিলৰ ওপৰতো মাননীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী উৎপল বৰা, হাফিজ ৰফিকুল ইছলাম, শ্ৰী দ্বীপায়ন চক্ৰৱৰ্তী, শ্ৰী আব্দুল ৰশিদ মণ্ডল, শ্ৰী লৰেঞ্চ ইছলাৰী, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী ৰূপজ্যোতি কুৰ্মী, শ্ৰী বিদ্যাছিং ইংলে, শ্ৰী ৰূপছিং তেৰং, শ্ৰী মনোৰঞ্জন তালুকদাৰ, শ্ৰী ৰবিৰাম নাৰ্জাৰী, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী অখিল গগৈ, শ্ৰী অমিয় কুমাৰ ভূঞা, শ্ৰী নৰুল হুদা, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী আব্দুল ৰহিম আহমেদ, শ্ৰী ওৱাজেদ আলী চৌধুৰী, শ্ৰী আফতাবুদ্দিন মোল্লাহ, শ্ৰী আছিফ মঃ নাজাৰ, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী খলিল উদ্দিন মজুমদাৰ, শ্ৰী নৱ কুমাৰ দলে, শ্ৰী সঞ্জয় কিষাণ ডাঙৰীয়াৰ গোটেখিনি কথা মই শুনিলো। আটাইকেইখন বিলৰ ওপৰতে আমি যিখিনি কৰিব বিচাৰিছো সেই বিষয়ে মই চমুকৈ কিন্তু স্পষ্টকৈ কিছু কথা জনাব বিচাৰিছো। এটা বেক গ্ৰাউণ্ড আমি সকলোৰে জনা প্ৰয়োজন। মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই উল্লেখ কৰিছে যে ২০১০ চনৰ পূৰ্বে ১৯৭৪ চনত প্ৰাদেশিকীকৰণ হৈছিল। ১৯৭৪ চনৰ পিছত এটা বৃহৎ সময় ধৰি অসমত প্ৰাদেশিকীকৰণ হোৱা নাছিল। অসমৰ চৰকাৰে সেই সময়ত কিয় প্ৰাদেশিকীকৰণ কৰিব পৰা নাছিল? কি পৰিস্থিত সেই সময়ত প্ৰাদেশিকীকৰণৰ কোনো বিল বিধান সভাত অহা নাছিল সেইটো এটা গৱেষণাৰ বিষয়। মই ভাৱো যে আপোনালোকে এই বিষয়ে গৱেষণা কৰিব। আমাৰ কোনোবা বিশ্ববিদ্যালয়েও এই বিষয়ে গৱেষণা কৰিব লাগে যে দীৰ্ঘ সময় ধৰি কিয় প্ৰাদেশিকীকৰণৰ বিল অহা নাছিল? ২০১১ চনত আহিল আৰু ২০১৩ চনত সেই আইনৰ অধীনত প্ৰাদেশিকীকৰণ হ'ল। ইয়াৰ পিছত High Court ত কিছু গোচৰ হ'ল আৰু গোচৰৰ পিছত সেইখন আইন প্ৰত্যাহাৰ কৰি ২০১৭ চনত আজি যিমান আইন আমি সংশোধন কৰিব লৈছো, সেইখন ২০১৭ চনত গ্ৰহণ কৰা এখন আইন। ২০১১ আৰু ২০১৭ চনৰ মাজত ৫-৬ বছৰৰ gap আৰু ২০১৭ চনৰ আইনখন কাৰ্য্যকৰী হ'ল ২০২১ চনত । ২০২১ চনত কাৰ্য্যকৰী হোৱাৰ পিছত দীৰ্ঘ সময় নহয় ৫ বছৰৰ ভিতৰতে আমি ইয়াৰ সংশোধনী বিলখন আনিছো। অৰ্থাৎ বিষয় সমূহ ভেঞ্চাৰ স্কুলৰ যিবিলাক সমস্যা আছে, সেই সমস্যাৰ আমি এটা স্থায়ী সমাধানৰ বাবে যিমান খৰতকীয়াকৈ কৰিব পৰা যায়, সিমান খৰতকীয়াকৈ সমাধানৰ ফালে লৈ গৈ আছো। সমস্যাটো জটিল। কেইটামান figure আপোনালোকক দিব বিচাৰিছো আৰম্ভণিতে-

অসমত গাওঁ আছে ২৬,০০০। বিদ্যালয় আছে সৰ্বমুঠ চৰকাৰী, বেচৰকাৰী, ভেঞ্চাৰ এই সকলোখিনি যোগ কৰিলে ৫৫,১৯৮ খন Class-1 ৰ পৰা Class-12 লৈ। তাৰমানে প্ৰায় প্ৰতিখন গাওঁৰ বিপৰীতে ২ খনকৈ বিদ্যালয় আছে। ইয়াৰ ভিতৰত আটাইতকৈ বেছি কোন শ্ৰেণীৰ, আমি যদি আমাৰ যিটো শিক্ষা, এটা প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা আৰু এটা উচ্চ শিক্ষা। বিদ্যালয় শিক্ষাত প্ৰাথমিক শিক্ষা শিতানত কিমান বিদ্যালয় আছে, ইয়াতে সৰ্বাধিক ৩৯,৭৩৭খন বিদ্যালয়।

তাৰ মানে ২৬০০০ গাঁৱৰ বিপৰীতে অকল L.P, M.E বা U.P school এ আছে ৩৯,৭৩৭খন। মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই যি ধৰণে কৈছে যে অকল ৩,৫০০ জন শিক্ষক-শিক্ষয়িত্ৰী আছে ভেঞ্চাৰ স্কুলত, তেওঁলোকৰ সমস্যাৰ সমাধান কৰিব লাগে। সেই কথাটো সত্যৰ ওপৰত আধাৰিত নহয়। ৪০০০ তকৈ অধিক বিদ্যালয়ে আছে, যি নিজকে ভেঞ্চাৰ বুলি পৰিচয় দিছে। ৪০০০ তকৈ অধিক বিদ্যালয়ে আছে, তেনেহ'লে প্ৰাদেশীকৰণ হ'বলৈ হ'লে শিক্ষকৰ সংখ্যা ৩,৫০০ হ'ব নোৱাৰে। এই যিটো backdrop, এই backdrop ত আমি এটা কথা বিচাৰ কৰিব লাগিব যে ১৯৭৪ চনৰ পৰা ২০১১ চনলৈ এই gap টোৰ মাজত কিছু গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ভাৰতবৰ্ষৰ গোটেই শিক্ষা ব্যৱস্থাত হৈছে। সেই গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ ভিতৰত এটা হ'ল যে এই সময়ছোৱাৰ ভিতৰত আমাৰ শিক্ষক, শিক্ষয়িত্ৰী, বিদ্যালয় তাৰ তথ্য প্ৰণালীবদ্ধভাৱে সংগ্ৰহ কৰাৰ বাবে এটা Data base নিৰ্মাণ কৰাৰ প্ৰক্ৰিয়া ১৯৯৪-৯৫ চনতে আৰম্ভ হৈছিল। এইটো আজি আহি আহি ২০০১ চনত এটা নিৰ্দ্দিষ্ট ৰূপ পাইছে, যাক আমি Dise Data বুলি কওঁ। এই সময়খিনিৰ ভিতৰতে শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনত Parliament ত গৃহীত হৈছে। এতেকে ২০১১ চনত যেতিয়া প্ৰাদেশীকৰণ আইন প্ৰথম আহিছিল, এই প্ৰাদেশীকৰণ আইনত ইয়াৰ আধাৰত কেইটামান কথা আহিছে। মূল কথাটো হ'ল আজি এই আইনখন আপোনালোক সকলোৱে কৈছে যে ০১-০১-২০০৬ এইটো Amendment কৰি সলনি কৰিব লাগে। কিন্তু ০১-০১-২০০৬ এই চনটো ক'ৰ পৰা আহিল, এই চনটো কিয় আহিল। ০১-০১-২০০৬ চনটো অহাৰ মূল কাৰণটোৱে হ'ল ২০০৬ চনত এইখন বিধানসভাত "Assam Non-Government Educational Institutional Bill" পাচ কৰিছে। বিল খন পাচ কৰি কৈছে যে কোনো বিদ্যালয় আজিৰ তাৰিখৰ পৰা আৰু নতুনকৈ খুলিব নোৱাৰে unless permitted by the Government under this Non-Government Educational Institutional Act. তাৰ মানে ০১-০১-২০০৬ চনৰ পিছত কোনোবাই যদি বিদ্যালয় খোলে, তেওঁ private বিদ্যালয় হিচাপে খুলিব লাগিব। তেওঁ ভেঞ্চাৰ বুলি খুলিব নোৱাৰে সেইকাৰণে আৰু ০১-০১-২০০৬ চন লগত Elementary ৰ কাৰণে আৰু এটা কথা আহিল যে আমি এই ০১-০১-২০০৬ আধাৰ কৰি আমি বিদ্যালয়সমূহ প্ৰাদেশীকৰণ কৰিম, কিন্তু কোনজন শিক্ষকক কৰিম, কোনজন শিক্ষকক নকৰিম তাৰ তথ্য আমি ক'ৰ পৰা পাম। তাৰ তথ্য পাবৰ কাৰণে আমাক এটা ব্যৱস্থা লাগিল যদিও Dise ২০০১-০২ চনৰ পৰা আৰম্ভ হৈছে আৰু এই Dise আহি আহি ২০১২-১৩ চনত Udise হৈছে। কাৰণ elementary ত Dise আছিল, Secondary ত Dise নাছিল, Secondary ৰ বাবে আছিল Semist, Secondary education MIS আৰু Elementary education ৰ Dise, এই দুইটাক সমন্বিত কৰি Udise কৰা হ'ল ২০১২-১৩ চনত। যিটো আহি সম্পূৰ্ণৰূপে online আৰু realtime কৰিলে। Online আৰু realtime কৰি ২০১৮-১৯ চনত তাক আমি Udise হিচাপে last প্ৰৱৰ্ত্তন কৰিলো। ০১-০১-২০০৬ ভিত্তী বৰ্ষ কৰি আমি বিদ্যালয়ৰ কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীক provincialization কৰিম। তেওঁলোক যে বিদ্যালয়খনত আছিল বা নাছিল তাৰ প্ৰমাণটো আমি ক'ৰ পৰা পাম। এই প্ৰমাণটো নিৰ্ধাৰণ কৰা হ'ল যে ০১-০১-২০০৬, এইটো ২০১১ চনতে ঠিক হৈছে মাইলৰ খুটাটো। ২০০৬-০৭ ৰ Dise Data আমাৰ লগত আছে। কিন্তু যিহেতু এই Non-Government Education আইনখন পাচ কৰা হৈছে, গতিকে এই ২০০৬-০৭, ২০০৭-০৮ টো ৰেহাই আৰু ২০০৯-১০ টো ধৰা হ'ল ২০০৯-১০ৰ data থাকিবলৈ। ২০০৯-

১০ ৰ যি data থাকিব লাগিব সেইটো L.P আৰু M.E School ৰ ক্ষেত্ৰত। কাৰণ Dise ত টো Secondary School নাছিল, তেতিয়াহ'লে Secondary ৰ কি হ'ব। Secondary ৰ কাৰণে Secondary বিদ্যালয়ৰ ক্ষেত্ৰত permission দিয়া recognition দিয়া এটা ব্যৱস্থা আছে। যিটো recognition ৰ ওপৰত ভিত্তি কৰি Secondary স্কুল পুনৰ তেওঁলোকে SEBA ত register হ'ব লাগে। Higher Secondary হ'লে Assam Higher Secondary Council ত register হ'ব লাগে। অৰ্থাৎ Secondary স্কুলৰ শিক্ষকৰ verification ৰ কাৰণে প্ৰথমতে Directorate of Secondary Education ৰ পৰা দিয়া স্বীকৃতি বা অনুমতি, দ্বিতীয়তে Higher Secondary ৰ Data আছে আৰু তাৰ Data ৰ continuity টোৰ কথা আছে আৰু সেইকাৰণে L.P, M.E ৰ কাৰণে ২০০৯-১০ চনৰ data গ্ৰহণ কৰা হ'ব আৰু Secondary ৰ কাৰণে তেওঁলোকক বিদ্যালয় শিক্ষা বিভাগৰ পৰা দিয়া অনুমতি বা recognition লগতে যেতিয়াৰ পৰা Udise হ'ল, সেই Udise ৰ continous data ওপৰত ভিত্তি কৰি চলি আহিছো ব্যৱস্থাটোত। মহাবিদ্যালয় এখন যেতিয়া প্ৰতিষ্ঠা হয়, এই ক্ষেত্ৰত মহাবিদ্যালয়ত affiliation দিয়ে University য়ে। সেই affiliation ৰ ওপৰত concurence দিয়ে, উচ্চ শিক্ষা বিভাগে আৰু ২০১৭ চনৰ যিখন আইন সেই ২০১৭ চনৰ আইন খনত এই concurence টো ০১-০১-২০০৬ চনৰ আগৰ হ'ব লাগিব, এইটো ২০১৭ চনৰ আইন খনত আছে। এতিয়া এই বছৰ আমি কি কি সংশোধনী কৰিব বিচাৰিছো, সেইখিনি যদি আমি চাওঁ Directorate of Education য়ে দিয়া permission দিয়া বা Directorate of Higher Education য়ে দিয়া permission বা concurence সেই শব্দকেইটাৰ ঠাইত আমি কৈছো ০১-০১-২০০৬ সেইটো ঘাইখুটা। সেই ২০১৭ চনৰ provincialization ৰ প্ৰধান খুটাটোৱে হ'ল ০১-০১-২০০৬ আৰু এই ০১-০১-২০০৬ চনটো যিটো ২০১১ চনত আৰম্ভ হৈছে, ২০১৩ টো একে আছিল, ২০১৭ টো একে আছে, আজি আমি ২০২৫ ত আহি ০১-০১-২০০৬ এইটো ২০১১ চনত আৰম্ভ হৈছে ২০১৩ চনতো এইটোৱে আছিল ২০১৭ চনতো আছিল আৰু আজি আমি ২০২৫ চনত আহি ইয়াক আমি ০১-০১-২০০৬ ৰাখিছো। কিন্তু যিটো concurrence কথা কোৱা হৈছিল, যিটো recognition ৰ কথা কৈছিল তাত আমি কৈছো যদি directorate, চৰকাৰে অনুমতিও দিছিল, আমি তাক গ্ৰহণ কৰিলো। যদি NOC হিচাপেও দিছিল আমি তাক গ্ৰহণ কৰিম। যদি affiliation, Higher Secondary SEBA বা Higher Secondary Education Council তেতিয়াৰ তেওঁলোকেও যদি affiliation দিছিল, বিশ্ববিদ্যালয়েও যদি affiliation দিছিল, সেই গোটেইখিনি আমি গ্ৰহণ কৰিম। এই amendment টো অনা হৈছে আৰু ইয়াৰ ফলস্বৰূপে বহুখিনি বিদ্যালয় উপকৃত হ'ব, তেওঁলোক provicialisation ৰ আওতাৰ ভিতৰলৈ আহিব। Secondary Education ত যোৱাবাৰৰ এটা চৰ্ত আছিল যদি হাইস্কুল হয়, তেতিয়াহ'লে Class IX ৰ permission লাগিব। কিন্তু আমাৰ যিটো transition phase বিদ্যালয় শিক্ষাৰ, সেই transition ত এটা সময়ত class VIII টো High School আছিল। কিন্তু শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনত আহি গ'ল, শিক্ষাৰ অধিকাৰ আইনে ক'লে যে upto class VIII elementary, class IX পৰাহে Secondary, High School. Class IX, X হে High School. গতিকে আইনখনে বিচাৰিলে যে হাইস্কুলখন provicialisation ৰ আওঁতাৰ ভিতৰলৈ আহিবলৈ হ'লে class IX ৰ permission লাগিব। কিন্তু আমাৰ প্ৰায় একাংশ বহু বিদ্যালয় প্ৰায় ৩ শতকৈ

অধিক বিদ্যালয়ত IX ৰ permission নাই। কাৰণ তেওঁলোকৰ দিনত Class VIII আছিল high school. গতিকে তেওঁলোকৰ হাতত ০১-০১-২০০৬ চনৰ আগতেই লাভ কৰা Class VIII ৰ permission আছিল। আমি সেইটো ইয়াত সন্নিবিষ্ট কৰিছো যে হাইস্কুলৰ ক্ষেত্ৰত Class VIII ৰ permission থাকিলেও হ'ব, IX ৰ permission থাকিলেও হ'ব। ইয়াৰ জৰিয়তে বহুতখিনি স্কুল আমাৰ ইয়াৰ আওতাৰ ভিতৰলৈ আহি যাব। এটা সময়ত LP School class IV লৈকে আছিল। পিছত শিক্ষাৰ অধিকাৰ আইনৰ অধীনত class V লৈকে LP হ'ল। সেই কাৰণে আমি LP school ৰ ক্ষেত্ৰত কৈছো যে Class IV ৰ permission থাকিলেও হ'ব Class V ৰ permission থাকিলেও হ'ব। যিকোনো এটা permission থাকিলে হ'ব। গতিকে এইখিনি মই ভাৱো যে যুক্তি সংগত কথা আৰু এইখিনি আমি যদি নকৰো, ইয়াত যদি ডাঙৰ সংশোধনী আনিবলৈ যাওঁ, তেনেহ'লে ঘৰৰ যিটো মূল খুঁটা, যিটো মূল আধাৰ, মূল ভেঁটি, সেই ভেটিটোৱে লৰচৰ হৈ যাব। ইয়াৰ ফলস্বৰূপে অজস্ৰ কেছ হ'ব। ০১-০১-২০০৬ এইটো change কৰাৰ লগে লগে যিখিনি provincialised হ'ল বা যিখিনি বঞ্চিত হ'ল ২০২১ চনত বহুত court case সৃষ্টি হৈ যাব। গতিকে ০১-০১-২০০৬, ত যিটো ২০২১ চনৰ যিটো provicialisation কৰিছো তাৰ লগত আমি মানদণ্ডটো cut of year টো একে ৰাখিছো। অন্য যি স্বীকৃতি বিচাৰিছো তাত আমি কিছু শিথিলতা আনিছো। আন এটা গুৰুত্বপূৰ্ণ amendment আছে, সেইটো হ'ল মাটি। যোৱা সময়খিনিত শিক্ষক সংগঠন বিলাকৰ লগত, বিদ্যালয় প্ৰতিনিধি সকলৰ লগত মই বহু আলোচনাত বহিছো। বহু বিদ্যালয়ে সকলো চৰ্ত পূৰণ কৰিছে, কিন্তু মাটিৰ কাগজ নাই। কিয় মাটিৰ কাগজ নাই কৈছে যে, আমাৰ গাওঁখন, আমাৰ স্কুলখন NC (Non-Cadastral) Village ত পৰে। Non-Cadastral village servey হোৱা নাই। মই মাটিৰ কাগজ ক'ৰপৰা পাম? বহুত বিদ্যালয় আছে, যোৱাকালি ইয়াত যিখন বিল পাছ হ'ল যে চাহ বাগিচাৰ লাইন অঞ্চলত মাটিৰ পট্টা দিয়া হ'ব। কাৰণ গোটেই বাগানৰ মাটি মালিকৰ। স্কুল আছে, মালিকে মাটিৰ পট্টা নিদিয়ে। স্কুলে সেই মাটিৰ কাগজখন বাগানৰ মেনেজাৰে NOC খন লিখি নিদিয়ে। যাৰ কাৰণে provincialtion আইনৰ অধীনত চাহ বাগিচাৰ অঞ্চলত থকা এখনো বিদ্যালয় provincialisation নহ'ল। কাৰণ তেওঁলোকৰ বাকী চৰ্ত পুৰণ কৰিলো, কিন্তু মাটিৰ কাগজ নাই। বহুত গাওঁ আছে, ঢেকীয়াজুলী, ধেমাজি, কোকৰাঝাৰ, ফৰেষ্ট এলেকাতো আছে। Forest area ত মাটিৰ পট্টা নাই। এইবাৰ আমি যি কাৰণে সংশোধনী আনিছো যে স্কুলখন ০১-০১-২০০৬ চনৰ আগৰ পৰাই আছিল। NC land ত আছে। DC য়ে কাগজখন লিখি দিলে, DC য়ে প্ৰমাণিত কৰিব লাগিব যে পট্টা নাই সঁচা কিন্তু এই বিদ্যালয়খন NC village ত ০১-০১-২০০৬ চনৰ আগৰ পৰা থকাটো সঁচা সেইটো DC য়ে লিখি দিলে, আমি তাকেই মাটিৰ পট্টা বুলি ধৰি লৈ provincialisation ৰ আওতাৰ ভিতৰলৈ আনিম। চাহ বাগিছাৰ অঞ্চলত এতিয়াটো আইন হ'লে মাটিৰ পট্টাই পাব। কিন্তু বাগানৰ মেনেজাৰে ০১-০১-২০০৬ চনৰ আগত আছে, বাগানৰ মেনেজাৰে যদি লিখি দিয়ে এই বিদ্যালয়খন ০১-০১-২০০৬ চনৰ আগৰ পৰা আছে, তেতিয়াহ'লে তেওঁলোকে সেই বিদ্যালয়খনো আওঁতাৰ ভিতৰলৈ আহিব। বহু জনজাতীয় বিদ্যালয় প্ৰদেশীকৰণৰ আওতাৰ পৰা বাহিৰত থাকি গ'ল। কাৰণ তেওঁলোক forest area ত আছে। এতিয়া আমি কৈছো যে Forest Right Act 2006, সেই Forest Right Act ৰ অধীনত সেইবিদ্যালয় খন ০১-০১-২০০৬ চনৰ আগৰ পৰা আছে বুলি DFO ৰ certificate দিব লাগিব। DFO ই সেই certificate খন দিয়াৰ পিছত সেই বিদ্যালয় সমূহো

আওতাৰ ভিতৰলৈ আহিব। মই ভাবো যে এইটো গুৰুত্বপূৰ্ণ amandment. এই গুৰুত্বপূৰ্ণ amendment খনে বহুতক সহায় কৰিব। মহাবিদ্যালয়ৰ ক্ষেত্ৰত আজি আপোনালোক বহুতেই উল্লেখ কৰিছে যে আমাৰ commerce stream হোৰা নাই। আমাৰ বিদ্যালয়খন provincialised, মহাবিদ্যালয়খনৰ provincialised Art stream টো provincialise কিন্তু Commerce stream টো provincialised হোৰা নাই। দুই এজন মাননীয় বিধায়কে এইটো উল্লেখ কৰিছে যে মোৰ Econoomics Department টো থাকি গ'ল। কলেজ provincialised হ'ল, ৫টা department provincialsed হ'ল, কিন্তু Economics Department টো থাকি গ'ল। যদি কোনো এখন মহাবিদ্যালয়ৰ কোনো এটা department ৰ এজনো শিক্ষক যদি কেতিয়াও ইয়াৰ আগৰ কোনো আইনত provincialised হোৰা নাই এইবাৰ সেই department টো provincialisation আওতাৰ ভিতৰলৈ আহিব। অৰ্থাৎ department provincialised কৰাৰ ব্যৱস্থা এইবাৰ এই আইনখনত সংশোধনীটোত কৰা হৈছে। কলেজখন provincialised, কিন্তু stream টো provincilised নহয়। কোনোবা এটা steam arts টো provincialised কিন্তু commerce টো provincialised নহয়। এতিয়া commerce টো provincilisation ৰ কাৰণে এই আওতাৰ ভিতৰত আহিব। আমাৰ মাত্ৰ চৰ্ত এটাই যে ০১-০১-২০০৬ চনৰ আগত হয় NOC থাকিব লাগিব, নহ'লে তেওঁলোকৰ permission থাকিব লাগিব নহ'লে university ৰ affiliation টো থাকিলেও আমি লম। Concurrence ত আমি insist নকৰো। বিশ্ববিদ্যালয়ে যদি প্ৰমাণিতভাৱে affiliation দিছে, ০১-০১-২০০৬ চনৰ আগত তেনেহ'লে department ৰ provincialisation ৰ ব্যৱস্থাও ইয়াত আছে। Subject Department একেটাই কথা । Subject বা department ৰ provincialisation ৰ ব্যৱস্থাও এই আইনত আছে আৰু stream provincialisation ব্যৱস্থাটো ইয়াত সন্নিবিষ্ট হৈছে।

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, কলেজৰ permission ৰ দিনা গোটেইকেইটা department য়ে নাপায়। কোনোবাই হয়তো ২০০৭, ২০০৮, ২০০৯ ত লৈছে এইবিলাক বাদ পৰিছে। যদি ২০১০ চনৰ আগত যদি teacher consider কৰিছে অন্তত কলেজৰ ক্ষেত্ৰত এই department বিলাক যদি ২০১০ চনৰ আগত permission concurrence পাইছে। সেইখিনি consider কৰিলেহে তেখেতসকল বাচিব।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ মূল কথাটো মই change কৰিব নোৱাৰো। মই কৈছো recognisionৰ কথা, affiliation ৰ কথা। Affiliation must be on or before 01-01-2006. এই খুটাটো সলনি কৰিবলৈ হ'লে ২০১১ চনলৈ ঘূৰি যাব লাগিব। সেইটো এটা দীঘলীয়া বিতৰ্ক হ'ব, আলোচনা হ'ব। কেতিয়াবা সময় পালে সেইটো মই আলোচনা কৰিবৰ কাৰণে প্ৰস্তুত। মই কৈছো যে বিষয়টো এতিয়া Apply কৰিব পাৰি।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, Establish বা permission ৰ ক্ষেত্ৰত যিটো Dice 2009-10 আছে সেইটো ২০১৮-১৯ কৰি দিব লাগে। দ্বিতীয়তে, যিটো ৩১-১২-২০১০ বুলি কৈছে সেইটো ----interruption-----

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ অখিল গগৈ ডাঙৰীয়া, আপুনি পঢ়াশুনা কৰা মানুহ। মোৰ কথাখিনি

শুনি লওঁক আৰু logic বিলাক অলপ বুজিবলৈ চেষ্টা কৰক। সংবিধানটো এনেকুৱা নহয় যে এই খুটিটো খুলি তাত লগাই দিয়ক। মই আইনৰ আধাৰত নীতি সংগত কথা কৈ আছো। ভাৰতবৰ্ষৰ পাৰ্লিয়ামেণ্টে পাচ কৰা Right to Education Act ৰ আধাৰত কৈ আছো। মই ২০১১ চন নহয়, ১৯৭৪ চনৰ legacy draw কৰি কথাখিনি কৈ আছো। প্ৰমাণ কৰিবই লাগিব যে তেওঁ কৰ্মৰত আছিল। যদি আপোনালোকে কয় যে এই প্ৰমাণৰ condition বিলাক আঁতৰাই দিয়ক, তেতিয়া কাইলৈ লাখ -লাখ মানুহে আবেদন কৰিব। মই এইটো বস্তু স্পষ্ট কৰি দিছো যে অধ্যক্ষ মহোদয়, Department ত subject provincialization ৰ ব্যৱস্থা আছে কলেজৰ ক্ষেত্ৰত আৰু stream provincialization ৰ ক্ষেত্ৰতো ব্যৱস্থা আছে। Stream provincialization ৰ ব্যৱস্থা টো হায়াৰচেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰতো আমি কৰিব বিচাৰিছো। বহুত স্কুল আছে যিসকলৰ Arts stream টো provincialize. কিন্তু তেওঁলোকে ভেঞ্চাৰ মুডত Science stream টো চলাই আছে। এতিয়া সেই Science stream টো এই আওঁতাৰ ভিতৰত আহিব। তাৰবাবে তেওঁলোকে চিন্তা কৰিব নালাগে। Condition মাত্ৰ এটাই যে তেওঁলোকৰ স্বীকৃতি বা তেওঁলোকৰ অনুমতি বা affiliation 01-01-2006 ৰ আগত থাকিব লাগিব। সেইটোৰ ক্ষেত্ৰত মই অসহায়।

অন্য এটা গুৰুত্বপূৰ্ণ কথা, ৩১-১২-২০১০ ৰ যিটো dead line ৰ কথা কৈছে, সেই তাৰিখটো যোৱাবছৰ আইনখনত আছিল। মই যোৱা পৰহিৰ প ৰা বিভিন্ন শিক্ষক সংগঠন, বিভিন্ন শিক্ষানুষ্ঠান আৰু বিভিন্ন বিধায়কৰ লগত এই কথাখিনি আলোচনা কৰিছিলো যে এই ৩১-১২-২০১০ তাৰিখটো শিথিল কৰিব লাগে আৰু ৭ বা ১০ বছৰ service period fixed কৰিব লাগে। আপোনালোকৰ এই কথাখিনিত যুক্তি আছে। কাৰণ মই স্বীকৃতিত compromise কৰা নাই। সেইটো ০১-০১-২০০৬ য়ে থাকিব লাগিব। গতিকে এই joining date ৰ কথাটো মই একে আষাৰে নাকচ কৰা নাই। কিন্তু আমি মই ইয়াক গ্ৰহণো কৰিব নোৱাৰো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** এইটো কৰি দিয়ক।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** আপুনি সংসদীয় পৰিক্ৰমা একো নাজানে যেতিয়া মনে মনে থাকক। প্ৰশাসন কেনেদৰে চলে আপুনি নাজানে। ভাৰতবৰ্ষৰ legal system আপুনি নাজানে, FRBM Act নাজানে, আপুনি পঢ়াই নাই। যিহেতু আপুনি নাজানে, মই আপোনাক বুজাবলৈ চেষ্টা নকৰো। এই দফাটোৰ সংশোধনী হ'লে ইয়াৰ legal implication কি আছে, ইয়াৰ financial implication কি আছে, ই ২০২১ চনত provincilization process টোকে disturb কৰি দিব নেকি ? সেই কথাখিনি মোৰ বিভাগে অধ্যয়ণ কৰিব লাগিব আৰু আজি মই পবিত্ৰ সদনত স্পষ্টভাৱে কম যে মোৰ বিভাগে এই ৩১-১২-২০১০, এই joining date টোৰ amendment হ'ব পাৰে নেকি, এই কথাটো positively পুনৰ বিবেচনা কৰিব। প্ৰয়োজন সাপেক্ষে ফেব্ৰুৱাৰীত পুনৰ amendment আহিব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপোনালোকৰ কাৰ্য্যকাল শেষে হ'ল আৰু, আজি আপোনালোকে এইটো কৰি দিব পাৰে, সেইটোকে নকৰে।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** অসমীয়াত এষাৰ কথা আছে যে অবুজনক বুজোৰা আৰু ঢেৰুৰা ঠাৰি সিজোৰা একে। গতিকে মই এইটো প্ৰশ্নৰ উত্তৰ নিদিওঁ। তেখেতক বুজোৰাৰ অপচেষ্টা মই নকৰো।

-----সদনত হুলস্থুল------

অধ্যক্ষ মহোদয়, ইয়াৰ আগতে কেইবাবাৰো এই পবিত্ৰ বিধান সভাত কৈ গৈছে, আজি মই পুনৰ দোহাৰিব বিচাৰো। শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনত পাচ হোৱাৰ পাছত ২০১০ চনত NCT ৰ বিশেষ notification বাহিৰ হৈছে যে TET, DLED নহ'লে শিক্ষক হ'ব নোৱাৰে। শেহতীয়াকৈ Supreme Court ৰ order এটাও ওলাইছে যে TET বাধ্যতামূলক। গতিকে provincialization ৰ জড়িয়তে যিটো নিযুক্তি, এই নিযুক্তিত যিসকল কৰ্মৰত শিক্ষক ৰ TET, DLED নাই, তেওঁলোকক আমি শিক্ষক হিচাপে নিযুক্তি দিবই নোৱাৰো। গতিকে tutor বুলি এটা শব্দ সৃষ্টি কৰি তেওঁলোকক নিযুক্তি দিয়া হ'ল, এটা condition লৈ যে তেওঁলোকে ৫ বছৰৰ ভিতৰত TET, DLED আয়ত্ব কৰিব লাগিব। কিন্তু ৫ বছৰৰ ভিতৰত যদি তেওঁলোকে TET, DLED আয়ত্ব নকৰে, তেতিয়াহ'লে তেওঁলোক tutor হিচাপে থাকি যাব আৰু যদি আয়ত্ব কৰে তেওঁলোকক teacher লৈ উন্নীত কৰা হ'ব। এই বছৰ আমি এটা amendment আনিছো যে এই ৫ বছৰৰ সময়সীমাটো আমি আৰু দুবছৰৰ কাৰণে বৃদ্ধি কৰি দিছো। এই tutor সকলে যদি দুবছৰৰ ভিতৰত TET, DLED আয়ত্ব কৰিব পাৰে তেওঁলোকক শিক্ষকৰ পদলৈ উন্নীত কৰিম। বহু সংখ্যকক আমি ইতিমধ্যে শিক্ষকলৈ উন্নীত কৰিছো। মহাবিদ্যালয়ৰ যি প্ৰৱক্তা আছে, তেওঁলোকৰ ক্ষেত্ৰতো UGC guideline মতে NET, SLAT থাকিবই লাগিব আৰু NET, SLAT টো যদি তেওঁলোকে আয়ত্ব কৰে, তেওঁলোকক আমি assistant professor লৈ উন্নীত কৰিম। এই দফাটো এই বছৰো প্ৰযোজ্য হ'ব। এই সংশোধিত আইনৰ অধীনত যিসকল নতুনকৈ provincialize হ'ব, তেওঁলোকৰ ক্ষেত্ৰতো এই নীতিটোৱে প্ৰৱৰ্তিত হ'ব। তাত কোনো শিথিলতা আমি কৰিব পৰা অৱস্থাত নাই। কাৰণ ই কেন্দ্ৰীয় আইন শিক্ষাৰ অধিকাৰ আইনৰ দ্বাৰা, UGC guideline ৰ দ্বাৰা এইটো নিয়ন্ত্ৰিত। মাননীয় কিছু বিধায়কে উত্থাপন কৰা এটা প্ৰশ্নৰ মই স্পষ্টীকৰণ দিবলৈ বিচাৰিছো যে হয় আমি এতিয়া স্কুল provincialization কৰা নাই। আমি স্কুল provincialize নকৰো কিন্তু আমি post provincialize কৰিম। ইয়াৰ কাৰণ এটাই যে ৫৫০০০ বিদ্যালয় আমাৰ আছে সেইকাৰণে নতুনকৈ আৰু আমি বিদ্যালয়ৰ সংখ্যা নবঢ়াওঁ, base school ৰ concept সৃষ্টি কৰি যিসকলৰ চাকৰি provincializ কৰা হৈছে তেওঁলোকক base school ত দায়িত্ব দিয়া, তেওঁলোকক নিযুক্তি দিয়া। লগতে এই provision টো আগতেও আছিল আৰু আমি এতিয়াও ৰাখিছো যে যদি আন্তঃ গাঁথনি ভাল, সঁচাকৈ যদি enrollment আছে, ছাত্ৰ-ছাত্ৰী আছে সেইখনক আমি self base school হিচাপে স্বীকৃতি দি চলাই লৈ যাম। গতিকে self base school ৰ ব্যৱস্থাটো থাকিব। মাদ্ৰাচাৰ কথাটো কোৱা হৈছে। যিসকলে ইতিহাসটো জানে তেওঁলোকে এই কথাটোও জানে যে অসমত মাদ্ৰাচাৰ provincialization ৰ act বেলেগ আছে আৰু সাধাৰণ বিদ্যালয়ৰ provincialization ৰ আইন বেলেগ আছে। মই জনাত মাদ্ৰাচাৰ provincialization last ২০১৪ চনত হৈছে আৰু ২০২০ চনত মাদ্ৰাচাবোৰ convert কৰি দিয়া হ'ল general school লৈ। গতিকে যি তাৰিখত এই মাদ্ৰাচাবোৰ সাধাৰণ স্কুল হ'ল, মাদ্ৰাচা প্ৰতিষ্ঠা হোৱাৰ তথ্য ল'বলৈ এতিয়া আমাৰ হাতত কোনো document নাই। এইটো এটা সম্পূৰ্ণৰূপে বেলেগ বিষয় কাৰণ এই আইন খনৰ continuation হ'ল 1974 ৰ

provincialization আইন, তাৰপিছত ২০১১ চনৰ provincialization আইন তাৰ ধাৰা। মাদ্ৰাচাটো এটা সম্পূৰ্ণৰূপে বেলেগ ধাৰা। মাদ্ৰাচাৰ ধাৰাটো হ'ল ২০১৪ চনত মাদ্ৰাচাৰ provincialization হ'ল, ২০২০ চনত মাদ্ৰাচা সমূহ convert হ'ল। গতিকে converted school আৰম্ভণিটো আমি ২০২০ য়েই ধৰিম আৰু ২০২০ ধৰিলে তেওঁলোকে ১-১-২০০৬ ৰ condition টো fulfill নকৰে। কিন্তু বেছি সংখ্যক নহয় কিছু সংখ্যক মাদ্ৰাচা venture হিচাপে convert হ'ল।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** যদি মাদ্ৰাচা এখনক স্কুললৈ convert য়েই কৰিব নোৱাৰি তেনেহ'লে তাতেই ৰাখিব লাগিছিল। যদি ছাৰ convert হৈছে তেনেহ'লে joining টো আপুনি কিয় ২০২০ ধৰিব। যেতিয়াৰপৰা আৰম্ভ হৈছে সেইটো ধৰিব লাগিছিল।

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** এইখন ২০১৭ চনৰ আইন। মাদ্ৰাচা provincialization ৰ আইন বেলেগ আছিল আৰু general school provincialization ৰ আইন বেলেগ আছিল।

**ড° ৰফিকুল ইছলাম (জনিয়া) ঃ** আপুনি ঠিকেই কৈছে ছাৰ, যেতিয়া ২০১১ ত আইন অনা হ'ল, ২০১৩-১৪ ত হ'ল, স্কুলখিনি ২০১৩ ত হ'ল, মাদ্ৰাচাখিনি ২০১৪ ত হ'ল। এবছৰ late যায়। আকৌ যেতিয়া ২১ ত আপুনি কৰিব, এই যিখন মাদ্ৰাচা বিল repeal কৰা হ'ল তাৰ আগে আগে যেতিয়া ২০২১ চনত tutor নিযুক্তি দিলে স্কুলৰ খিনিক, মাদ্ৰাচাখিনিৰ বেলেগকৈ ফাইল বনালে। যিসকলক কামখিনি দিছিল তেওঁলোকে গোটেইখিনি কাম scrutinize কৰি ফাইল বনালে মাদ্ৰাচাৰ লগত, ইতিমধ্যে bill repeal হ'ল। তেখেতসকলৰ গোটেই data খিনি ২০০৬ চনৰ আগৰ all condition fulfill কৰা সকলোখিনি মাননীয় মন্ত্ৰী মহোদয় আপোনাৰ বিভাগত আছে। সেইকাৰণে আমি কৈছো যে যিহেতু repeal হোৱাৰ কাৰণে ঠাণ্ডা অৱস্থাত গুচি গ'ল। Otherwise সেই কামখিনি কৰা আছে। ২০০৬ ৰ আগৰ সকলো fulfill কৰা আছে। Please, এইটো consider কৰক।

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** আপুনি মোক এইখিনি লিখি দিব, মই এইখিনি examine কৰিম। কিন্তু এইখনৰ আঁওতাৰ ভিতৰত মাদ্ৰাচা নপৰে।

এতিয়া মই অন্য এটা কথালৈ আহো যিটো হ'ল 6th Schedule Area ৰ বিষয়। 6th Schedule ৰ education টো completely transferred subject, ই কাৰ্বি-আংলঙেই হওঁক, ডিমা হাচাওয়েই হওঁক বা BTC য়েই হওঁক। আজিৰ তাৰিখত 6th Schedule District ত council এ নিযুক্তি দিয়ে, শিক্ষকৰ transfer অসম চৰকাৰে কৰিব নোৱাৰে। BTC ৰ পৰা শিক্ষক এজন যদি আমি নগাঁওলৈকে transfer কৰিব বিচাৰো council ৰ NOC লাগিব কাৰণ without NOC আমি transfer দিব নোৱাৰো আৰু নগাঁৰৰ শিক্ষক এজন যদি আমি কোকৰাঝাৰলৈকে transfer কৰিব বিচাৰো তেতিয়াও আমাক council ৰ NOC লাগিব। High School, Higher Secondary School ৰ শিক্ষকৰ নিযুক্তিও council য়েই দিয়ে। এতেকে provincialization is also one kind of appointment. Fresh নিযুক্তি বিলাক council য়ে দিয়ে সেইকাৰণে মই BTC administration আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো আলোচনা কৰিছো। যিহেতু BTC ৰ situation/পৰিৱেশটো বেলেগ গতিকে তেওঁলোকৰ requirement বোৰো বেলেগ। এইক্ষেত্ৰত আমি অসম চৰকাৰে সম্পূৰ্ণৰূপে সহযোগিতা কৰিম। হয় council এ এখন বেলেগ আইন আনক নহ'লে council ৰ হৈ আমি এখন বেলেগ আইন আনো কিন্তু BTC ৰ সমস্যাখিনি আমি

এটা বেলেগ আওঁতাত চাব লাগিব। এইখন আইনৰ আওঁতাৰ ভিতৰত আমি BTC ৰ গোটেইখিনি venture school ৰ সমস্যা সমাধান কৰিব পৰা অৱস্থাত নাই। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অনুমতি সহকাৰে আপোনালোকক, BTC বাসী ৰাইজক জনাওঁ যে BTC ৰ venture school ৰ সমস্যা সমাধানৰ বাবে আমাৰ চৰকাৰ বদ্ধপৰিকৰ আৰু আমি BTC পৰিষদৰ লগত পূৰ্ণ সহযোগিতা কৰিম যে BTC ৰ যি শান্তি চুক্তি, সেই শান্তি চুক্তিৰ ধাৰা ৬.৩ অনুযায়ী এই অঞ্চলৰ venture school সমূহ provincialize কৰাৰ বাবে আমি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিম। Legislation লাগিব, সেই legislation BTC ৰ legislation ও হ'ব পাৰে বা অসম চৰকাৰৰো হ'ব পাৰে। It will be special legislation কাৰণ ত্ৰিপাক্ষিক চুক্তি এখনৰ ধাৰা এটা ৰূপায়ণ কৰাৰ কথাটো ইয়াত জড়িত হৈ আছে আৰু ৰূপায়ণ কৰিবৰ বাবে আমি বদ্ধপৰিকৰ।

**শ্ৰী দুৰ্গাদাস বড়ো, (কলাইগাঁও) ঃ** BTC ৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** চৰকাৰ মাৰ্চ মাহলৈকে আছে । গতিকে ফেব্ৰুৱাৰী মাহৰ অধিবেশনত উঠাব বুলি কৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি please বহক। চৰকাৰ চলিয়েই থাকিব।

**ড° ৰণোজ পেগু, মন্ত্ৰী ঃ** অখিল গগৈ ডাঙৰীয়াই মোৰ আগৰ কথাখিনি নুশুনিলে যেন পাইছো। মই কৈছো যে মই আপোনাক বুজাবলৈ চেষ্টা নকৰো কাৰণ অবুজনক বুজোৱাৰ অপচেষ্টা মই নকৰো।

ইয়াৰ পিছৰ কথাটো হ'ল যে আমি minimum এটা enrolment বিচাৰিছো আৰু পৰীক্ষাত এটা minimum pass percentage বিচাৰিছো আৰু এই minimum enrolment আৰু pass percentage sixth schedule district ৰ বাবে ৰেহাই দিছিলো। আজি মই এই সম্পৰ্কত কোনোবাই amendment আনিব বুলি ভাবিছিলো কিন্তু কোনেও নানিলে। আপোনালোকে এটা general amendment আনিছে যে enrollment টো ৰেহাই দিব লাগে । General ভাৱে ৰেহাই দিবলৈ আমাৰ অসুবিধা আছে কাৰণ এইটো ২০২১ চনতো প্ৰযোজ্য আছিল। মই এটা চৰকাৰী amendment আনিছো কেৱল 6th Schedule য়েই নহয়, 6th Schedule ৰ লগতে অনুসূচীত জাতি, অনুসূচীত জনজাতি, চাহ বাগিচা অঞ্চল বা আদিবাসী অঞ্চলতো এই ৰেহাইটো দিবলৈ সংশোধনীটো আনিছো। দফা .....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এইটোত কিন্তু মই নিজেও সংশোধনী আনিছো। মোৰ যিকেইটা amendment আছিল তাৰে ৩০ টো ২০, ২৫ টো ১৫.....(interrupted).....বিধানসভাত মিছা ক'ব নালাগে। ....(interrupted).......................মই সংশোধনী আনিছিলো।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** গোটেই অসমৰ কাৰণে কৰিছে ভাল কথা........ (interrupted)..

**মাননীয় অধ্যক্ষ ঃ** please, reply টো complete কৰিবলৈ দিয়ক।

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই তেখেতক নুবুজাওঁ আৰু তেখেতৰটোও মই নুশুনো।

আমি এই amendment টো আনিছো দফা ২/৩/৪ wherever the word 6th Schedule Area appears it will be substituted by 6th Schedule areas or SC or ST or Tea Tribe or Adibasi Areas বুলি replace হ'ব আৰু মই

ভাৰো  পিছপৰা অঞ্চলৰ ৰাইজ ইয়াৰ দ্বাৰা উপকৃত হ'ব।

**ড° ৰফিকুল ইছলাম (জনিয়া) ঃ** অধ্যক্ষ মহোদয়, এইটো এটা ভাল amendment আনিছে কিন্তু এটা request কৰিম যে ইয়াত অলপ area বাদ পৰি যাব। আপোনালোকে জানে যে চৰ-চাপৰি অঞ্চল ৬ মাহ পানীৰ তলত থাকে। আপুনি চৰ-চাপৰিৰ কথা কোৱা নাই। যিখিনি আনিছে 6th Schedule Area, অনুসূচীত জাতি-জনজাতিৰ প্ৰায় ৬০% এলেকা আহিব। গতিকে গোটেই অসমৰ বাবে সমান কৰি দিলে ভাল হ'ব।

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** চৰ-চাপৰি এলেকাত enrolment ৰ কোনো কথা নাই।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** অনুসূচীত জাতি-জনজাতীয়  এলেকা, আদিবাসী এলেকা - এইবিলাকত  differenciate কৰোতে অলপ অসুবিধা আহিব। পিছত আপুনি আকৌ এখন ৰুল উলিয়াব লাগিব। তাতকৈ আপুনি as a whole কৰি দিয়ক।

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** এইখন  আইনৰ অধীনত অসম চৰকাৰে rules বনাব পাৰে। গতিকে rules ত এইবোৰ আহি যাব। এইটো define কৰক.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** সংখ্যাটো দিয়া আছে, কেৱল সংখ্যাটো সলনি কৰি দিব লাগে। সেই সংখ্যাটো সলনি নকৰি এনেই টুপি পিন্ধাই থাকিলে কি হ'ব!

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এখন বিধেয়ক আনিছো যে- যি সকল non-teaching staff, মাননীয় বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইনে কোৱাৰ দৰে ৮০০০ নহয় আৰু আমাৰ যিখিনি Tutor আছে তেওঁলোকৰ দৰমহা যিটো Fixed Pay কৰা হৈছিল, এই Fixed pay টো দুবছৰৰ পিছতেই বৃদ্ধি হৈছে। আজি তেওঁলোকৰ পঞ্চম বছৰৰ পিছত তেওঁলোকৰ যি দৰমহা হৈছে তাক 6% প্ৰতি বছৰে এতিয়াৰ পৰা আৰু আমি আইন সংশোধন কৰিব নালাগে, প্ৰতিবছৰে ৬ শতাংশ কৈ বাঢ়ি যাব। Non Teaching Staff খিনিৰো বাঢ়ি যাব আৰু Teaching staff খিনিৰো ৬ শতাংশ কৈ বাঢ়ি যাব। সেইটো এই দুয়োটা সংশোধনীতে আছে। এতিয়া মই আহো transfer আইনখনলৈ। এই আইনখনত দুটা কথা আছে। প্ৰথমটো হ'ল transfer ৰ কাৰণে আবেদন কৰিবলৈ eligibility. আমাৰ শিক্ষক সকলৰ কেডাৰটো জিলা ভিত্তিক কেডাৰ। গতিকে inter-district transfer নহয়। Inter-district transfer কৰাৰ এটা instrument হৈ গ'ল Teacher Transfer আইনখন। যিখন ২০১৭ চনত পাচ হৈছিল আৰু তাত কোৱা হ'ল যে কোনো এজন শিক্ষকৰ ১০ বছৰ যদি সম্পূৰ্ণ হৈছে তেওঁ বদলিৰ কাৰণে আবেদন কৰিব পাৰে। কিন্তু আবেদনখন approved কৰা হ'ব নে নহয়, তাৰ কাৰণে বেলেগ এটা কনডিশ্যন আছে যে TTR disturb  হ'ব নোৱাৰিব। যাৰ কাৰণে যোৱা সময়খিনিত আমি এই আইনখনৰ অধীনত সৰ্ব্বমুঠ ৪২ হাজাৰ শিক্ষকক online এটা portal ৰ যোগেদি বদলি কৰিবলৈ সক্ষম হৈছো। তেওঁলোকৰ ১০ বছৰ হৈ গ'লে লগে লগে তেওঁলোক transfer হৈ যাব নোৱাৰে, replacement দিব লাগিব আৰু replacement দিব নোৱাৰাৰ কাৰণে transfer approved হোৱাৰ পিছতো এক-ডেৰ বছৰ ধৰি চাউথ শালমাৰা, মানকাছাৰ, ধুবুৰী আদি জিলাত শিক্ষক সকলক ৰিলিজ দিয়া হোৱা নাছিল।  আমি replacement দি হে তেওঁলোকক বদলি কৰিছো। সেই কনডিশ্যনটো এতিয়াও থাকিব আৰু শিক্ষকৰ বদলিৰ ক্ষেত্ৰত আমি এতিয়া মাত্ৰ যিসকল মহিলা শিক্ষয়িত্ৰী আছে তেওঁলোকে  পাঁচ বছৰ সম্পূৰ্ণ হ'লে পাঁচ বছৰতে আবেদন কৰিব পাৰিব। পুৰুষ শিক্ষকৰ ক্ষেত্ৰত তেওঁলোকৰ ১০ বছৰৰ ঠাইত এতিয়া ৭ বছৰ সম্পূৰ্ণ হ'লে আবেদন কৰিব পাৰিব। আবেদন গ্ৰহণ কৰিবলৈ হ'লে আমি TTR টো চাই

ল’ব লাগিব। অৰ্থাৎ আমি replacement দিব পাৰিব লাগিব। এইক্ষেত্ৰত মই পৰহি এইটো ঘোষণা কৰিছিলো যে আমি চৰ-চাপৰি বা দুৰ্গম অঞ্চলৰ কাৰণে এটা বেলেগ কেডাৰ কৰিব পাৰো নেকি? সেই কথাটো আমি চিন্তা কৰি আছো। মাইন’ৰিটি অঞ্চলৰ কিছুমান বিদ্যালয়ৰ কথা আপোনালোকে উল্লেখ কৰিছে। আমি সকলোবিলাক হাইয়াৰ চেকেণ্ডাৰী স্কুলকে পৰ্য্যায়ক্ৰমে আধুনিকীকৰণ, নৱীকৰণ, নতুন বিল্ডিং নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে প্ৰায় ৪০০ স্কুলত আমি ২০০০ কোটি টকাৰ জৰিয়তে নতুন বিদ্যালয় গৃহ নিৰ্মাণ বিভিন্ন ঠাইত হৈ আছে। ইয়াত শাসক-বিৰোধীৰ সমষ্টি বুলি কোনো কথা নাই। সকলো জিলাত আমি নতুন বিদ্যালয় নিৰ্মাণ কৰিছো। সকলো সমষ্টিত আমি নতুন বিদ্যালয় নিৰ্মাণ কৰাৰ কাৰণে কাৰ্য্যসূচী লৈছো। গতিকে আলিটাঙনি ওচমানিয়া বিদ্যালয়ো বিধায়কে দিব, আমি পৰৱৰ্ত্তী পৰ্য্যায়ত সেইবিলাক বিদ্যালয়ো নৱীকৰণ, নতুন বিল্ডিং নিৰ্মাণ কৰণৰ ফালে সেই বিদ্যালয় বিলাককো লৈ যাম। ইয়াৰ পিছত মই আৰু এখন আইনৰ কথালৈ আহো। সেইখন হ’ল মাচুল নিৰ্দ্ধাৰণ। প্ৰাইভেট স্কুল বিলাকৰ মাচুল বৃদ্ধিক লৈ বা বহুত বেছি মাচুল তেওঁলোকে কৰে বুলি সেই বিদ্যালয় সমূহৰ পৰা সময়ে সময়ে আমি অভিযোগ পাই থাকো। গতিকে Fees Regulatory Authority এখন কৰা হৈছে। Fees Regulatory Authority খনৰ য’ত এগৰাকী জাজ চেয়াৰমেন হিচাপে থাকিব, এজন Chartered Accountant থাকিব, তাত এজন Educationist থাকিব আৰু তাত প্ৰাইভেট বিদ্যালয়ৰ প্ৰতিনিধিও থাকিব। আমি upper limit টো fix কৰিলো। আমি কিমান maximum হ’ব পাৰে আৰু সেইটো ফিজ নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে তেওঁলোকৰ আন্তঃগাঁথনি, তেওঁলোকৰ বিভিন্ন সা-সুবিধা এই গোটেই কথাবিলাক চোৱা। এতিয়া আমি সহজভাৱে এটা কামেই কৰিব বিচাৰিছো যে যিখিনি গাঁৱৰ প্ৰাইভেট স্কুল আছে যেনে- জাতীয় বিদ্যালয়, UNacademy, শংকৰ দেৱ শিশু নিকেতন। তাৰ মাজতেই কৰ’বাত কৰ’বাত মিছনেৰী স্কুল আছে। এই বিদ্যালয়বোৰৰ ক্ষেত্ৰত আমি ২৫ শতাংশ ৰেহাই দিছো। অৰ্থাৎ তাৰ মাচুল ২৫ শতাংশ কম হ’ব। Upper limit টো ২৫ শতাংশ কম হ’ব। গাঁৱৰ ল’ৰা-ছোৱালী যিখিনি ব্যক্তগত খণ্ডৰ স্কুলত পঢ়ে তেওঁলোক তাৰ পৰা উপকৃত হ’ব। কোনোবাই কৈছে যে corporate sector ক সুবিধা দিবৰ কাৰণে এইবিলাক কাম কৰিছে। আপোনালোকে দুই-এটা corporate sector ক মাতি আনক। মই তেওঁলোকক আদৰণি জনাম। ক’ৰ corporate sector য়ে ইয়াত বিদ্যালয় পৰিচালনা কৰিছে? ব্যক্তিগত খণ্ডৰ স্কুলবোৰ হ’ল জাতীয় বিদ্যালয়, শংকৰ দেৱ শিশু নিকেতন, UNacademy। ব্যক্তিগত খণ্ডৰ কিছু খ্ৰীষ্টান মিছনেৰী চলি আছে। দ্বিতীয়টো দফা হৈছে ভাৰত বৰ্ষৰ সংবিধানৰ Article-3 ত এটা বিশেষ ব্যৱস্থা আছে যে মাইন’ৰিটি স্কুল বুলি কোনোবাই খুলিব পাৰে আৰু সেইটো মাইন’ৰিটি সম্প্ৰদাই পৰিচালনা কৰিব আৰু তাত মূল কথাটো হ’ল স্কুলখনৰ পৰিচালনাৰ ক্ষেত্ৰত চৰকাৰে হস্তক্ষেপ কৰিব নোৱাৰিব। Administrastion ত কোনেও হস্তক্ষেপ কৰিব নোৱাৰিব। অসমত ২৭৮ খন মাইন’ৰিটি স্কুল আছে। গোটেইখিনি খ্ৰীষ্টান মিছ’নেৰী স্কুল। মুছলিম মাইন’ৰিটিৰ মাজত মাইন’ৰিটি স্কুল নাই। কৰ’বাত এখন-দুখন আছে যদি হয়তো মই মিচ কৰিব পাৰো। মই যেতিয়া তালিকাখন চাইছো মেজৰিটিয়েই খ্ৰীষ্টান মিছনেৰী স্কুল। এতিয়া তেওঁলোকে এই Fees Regulatory Authority ৰ পৰা আঁতৰি থাকে। তেওঁলোকে আমাক কয় যে আমি মাইন’ৰিটি স্কুল আপোনালোকে হস্তক্ষেপ কৰিব নোৱাৰে। কিন্তু মই খুচৰি চাই দেখিলো যে Supreme Court য়ে ইতিমধ্যে কেইবাটাও গোচৰত ৰাইদান কৰিছে যে Fees Regulatory Authority ৰ অধীনত এই মাইন’ৰিটিৰ স্কুল ও অন্তৰ্ভুক্ত হ’ব। কাৰণ এইটো তেওঁলোকৰ

প্ৰসাশনৰ বাবে হস্তক্ষেপ কৰা নাই। তেওঁলোকৰ মেনেজমেন্টত আমি হস্তক্ষেপ কৰা নাই। কিন্তু equal justice ছাত্ৰ-ছাত্ৰী সকল অধিকাৰ, তেওঁলোকৰ সুবিধাক আমি জাষ্টিচ দিব লাগিব। তেওঁলোক যাতে high fees ৰ স্বীকাৰ নহয়। সেইকাৰণে তেওঁলোকক ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। Fees Regulatory ত দুটা কথাই আছে যে Teacher Transfer ৰ যিখিন আইন সেইখনত কেৱল ৫ আৰু ৭ বছৰৰ কথা আছে। Non Teaching Staff ৰ ক্ষেত্ৰত তেওঁলোকে Teaching Staff ৰ নিচিনাকৈ তেওঁলোকৰ দৰমহা 6% increament পাব। এই কথাখিনিক লৈ এই তিনিখন আইন আছে। আৰু মূল যি provincialisation আইন, এই আইনৰ যি মূল ঘাই খুটা ১-১-২০০৬ তাক আমি সলনি কৰিব নোৱাৰো। 9,10 Dise Document ৰ আধাৰত Document verification হ'ব তাক আমি সলনি কৰিব নোৱাৰো। ৩১-১২-২০১০ মই সদনক প্ৰতিশ্ৰুতি দিছো যে এই বিষয়টো পৰৱৰ্ত্তী পৰ্য্যায়ত মই পৰীক্ষা কৰি চাম। মই Legal Opinion, Finance ৰ opinion সকলোখিনি লৈ ইয়াৰ সকলোখিনি implecation চোৱা-চিতা কৰি প্ৰয়োজন সাপেক্ষে মই আকৌ আহিম। এইটোক লৈ কোনেও চিন্তা কৰিব নালাগে। এইখিনি আমি সহৃদয়তাৰে সমাধান কৰিব বিচাৰো। আমি অসমত ভেঞ্চাৰ স্কুলৰ সমস্যা চিৰদিনৰ বাবে মীমাংসা কৰাৰ কাৰণে সংকল্পবদ্ধ। তাৰকাৰণে আমি আৰু এই সংশেধনী যিখন আইন, এই আইনখনৰ জৰিয়তে এটা বৃহৎ step আমি ল'বলৈ সক্ষম হ'ম। সকলোৰে সহায়-সহযোগিতা কামনা কৰি মই মোৰ বক্তব্য ইয়াতেই সামৰণি মাৰিছো আৰু এই বিলখন পাচ কৰিবৰ কাৰণে সকলোকে অনুৰোধ জনালো। ধন্যবাদ।

**ডº ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা বস্তু ক্লিয়াৰিফিকেশ্যনৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিম। ১-১-২০০৬ ৰ আগৰ কিছু শিথিলতা আনিছে, তাত বহুত স্কুল সোমাই যাব। কথাটো ঠিকেই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি specific কথাটো কওঁক।

**ডº ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১-১-২০০৬ ত তেখেতে এটা reference দিছে। ১-১-২০০৬ ত এখন বিল পাচ হৈছিল ইয়াৰ পিছত ভেঞ্চাৰ স্কুল খুলিব নালাগে বুলি। তেখেতে কৈছে যিহেতু আমি মানি লৈছো। মোৰ knowledge ত তেনেকুৱা নাই। তেতিয়াৰ কংগ্ৰেছ চৰকাৰে যদিও কৰিছিল, লাগিলে কৈ দিয়ক যে কংগ্ৰেছে কৰিছিল আমি এইটো অলপ নামানিলো। সাধাৰণতে আমাৰ বিৰোধীৰ কথা নামানে। এই হিচাপে ও যদি ১-১-২০০৬ টো ১০ লৈকে যাব পাৰে, যিহেতু ১০ লৈকে শিক্ষকে জইন কৰিলে আপুনি এইটো মানি লৈ আছে। তেনেকুৱা নহয়, এটা চৰকাৰে আনিছিল, সেইটো consider কৰাৰ কাৰণে অনুৰোধ ৰাখিছো। ১-১-২০০৬ টো তাৰে। তাৰ কাৰণে Govt. ৰ amendment টো সংবিধানত সংশোধন হৈ আছে। মন্ত্ৰী মহোদয় যথেষ্ট অনুভৱী। ছাৰ, কলেজৰ ক্ষেত্ৰত যিহেতু ১-১-২০০৬ ৰ আগত কলেজখন হৈছে, এইটো আমি কৰিছো। কৰিলে কৰিব নকৰিলেটো আমাৰ উপায় নাই।

সদনত হুলস্থুল ।

**মাননীয় অধ্যক্ষ ঃ** please sit down. মাননীয় সদস্যসকল, please. এতিয়া আমি বিলখন পাছ কৰিম।

সদনত হুলস্থুল ।

**ডº ৰফিকুল ইছলাম, জনীয়া ঃ** আপুনি কৈছে যিটো, joining ৰ ১০ আছিল। শিথিল কৰা মন আপুনি মেলিছে ধন্যবাদ, যদি ৭ বছৰ বা ১০ বছৰ কাম কৰিলে লয়, তেতিয়াহ'লে বিভাগটো যদি

দুই বছৰ পাছত খুলিছে, তাৰ পাছটো ১৫ বছৰ হয়। গতিকে এইটো আপোনালোকে পাৰে, আৰু ১৩ ত যিখিনি স্কুল লৈছিল, তেতিয়াওঁ NCT আছিল, Education Act, 2009 আছিল। তেখেত সকলে যিটো স্কেল পাইছিল, ১৩ ত লোৱা খিনিয়ে, ২১ ত লোৱাখিনিয়ে এই NCT হোৱাৰ পাছটো যিহেতু তাত টেট নাছিল তেখেত সকলৰ কাৰণে, তেখেত সকলক যিটো স্কেল পে দিছিল সেইটো ২১ ত হোৱা টিউটৰ সকলকো সেই স্কেল পে টো দিব পাৰে। non-teaching is staffৰ কাৰণে কোনো qualification নাই up to Librarian লৈকে, ৩য়, চৰ্থ শ্ৰেণীলৈকে এই সকলে full salary যিটো পাই তেখেতসকলে এইখিনিও দিব পাৰাৰ ব্যৱস্থা আছে, মই ভাবো এই বস্তুখিনি বিবেচনা কৰিব লাগে। মই লিখি দিম আপুনি বস্তুটো চাই ল'ব মাদ্ৰাছাখিনিও কনচিদাৰ কৰিব ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয় মোৰ ইয়াত অলপ ক'ব লগা আছিল, যিহেতু আমি amendment আনিছিলো, সংক্ষেপে অলপ ক'ব বিচাৰিছো।

সদনত হুলস্থুল।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে কোনেও অধ্যক্ষৰ কথা নুশুনে নিজৰ মতে কৈ থাকে। হাউচখন ৰুল নোহোৱাকৈ চলে নেকি? সকলোৰে যি ইচ্ছা তাকে কৰে, কি কাগজ লৈ আহিছে আপোনালোকে? হাউচত কাগজ লৈ আহিবই নোৱাৰে। কাগজ লৈ কিয় আহিছে আপোনালোকে ? বিধান সভাখনত হুলস্থুল কৰিব আহিছে, এনেকুৱা হ'ব নেপায় নহয়।

(সদনত AIUDFৰ বিধায়ক সকলে হাতত প্লে কাৰ্ড লৈ ভেঞ্চাৰ স্কুলৰ শিক্ষকক ন্যায় দিয়ক শ্ল' গানেৰে সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে)।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে এইবোৰ কিয় লৈ আনিছে? মই মজিবুৰ ৰহমান ডাঙৰীয়াক suspend কৰিলো।

............সদনত হুলস্থুল..........

**মাননীয় অধ্যক্ষ** ঃ মই যি সকলে হাতত বেনাৰ ফেষ্টুন লৈ আহিছে, সকলোকে suspend কৰিলো। যাৰ হাতত বেনাৰ ফেষ্টুন আছে, সকলোকে suspend কৰিছো। বিধান সভাত intentionally বিধান সভাক আক্ৰমণ কৰিবলৈ আহিব নালাগে। গনতান্ত্ৰিক ভাৱে এইটো আক্ৰমণ। কোনো বিধান সভাৰ ৰুলত নাই, মানুহে ঘৰত plan কৰি আহি ইয়াত আলোচনাত intentionally হুলস্থুলীয়া পৰিবেশ কৰিব।

..........সদনত হুলস্থুল..........

(হাতত প্লে কাৰ্ড ফেষ্টুন লৈ হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰা AIUDFৰ বিধায়ক সকলক বিধান সভাৰ মজিয়াৰ পৰা উলিয়াই দিয়া হয়)।

**মাননীয় অধ্যক্ষ** ঃ বহক, সকলো বহক।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কেইবাটাও amendment আছিল ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আপুনি একেবাৰতে সকলোখিনি ক'ব নে?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম** ঃ মাননীয় অধ্যক্ষ মহোদয়, সকলো amendmentৰ ওপৰতে কম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ discussion ত এই amendment বিলাকত উল্লেখ কৰিছিলো। এইটো ভিত্তিবৰ্ষ লৈ মাননীয় মন্ত্ৰী মহোদয়ে যিটো যুক্তি দিছে, Non - Government Educational Intitutional Act 2007 ত ban কৰা বুলি কৈছে। মই ভাবো যে, মোৰ হাতত এইখন আছে। মই কিন্তু পোৱা নাই । ক'ত এইটো নিষেধ কৰা

আছে যে কোনো ধৰণৰ স্কুল খুলিব নোৱাৰিব। ইয়তে Non - Government Educational Intitution কেনেকুৱাকৈ পৰিচালনা কৰা হ'ব সেই বিষয় আছে। কিন্তু ban আছে বুলিএইখন Act ত মই পোৱা নাই, তাৰ উপৰিও বিভাগে ১-১-২০০৬ চনৰ পিছতো permission, recognision ক'ৰবাত ক'ৰবাত দিছে, অফিচৰ ৰেৰ্কডত আছে। Ban থাকিলে বিভাগে নিদিলেহেতেন। যাৰ কাৰণে এটা জলন্ত সমস্যা গোটেই অসমখন পুৰি আছে। এই সমস্যা স্থায়ী সমাধানৰ কাৰণে আমি এই date টো আমি পিছুৱাবলৈ কৈছিলো কাৰণ ২০১১ চনৰ ৫ ছেপ্তেম্বৰতহে প্ৰথম অসমৰ মানুহে আপোনাৰ বিভাগে গম পালে যে এখন স্কুলৰ বা কলেজ প্ৰতিষ্ঠা কাৰাৰ কাৰণে এই terms & condition লাগে। আমি এনেয়ে কথাটো কোৱা নাই,৫-৯-২০১১ ৰ আগত ৭৪ ৰ পিছত যিহেতু এই কথা বিলাক discussion ই হোৱা নাছিল। গতিকে ৫-৯-২০১১ shall be taken as the based year এইখিনি date লৈকে যিমানবিলাক স্কুল কলেজ প্ৰতিষ্ঠা হৈছে গোটেই খিনি প্ৰভিঞ্চিয়েলাইজ কৰাৰ কাৰণে যি এমেণ্ডমেন্টৰ প্ৰয়োজন সেইখিনি বিচাৰিছিলো ছাৰ। ইয়াৰ পিছত যিটো ডাইচকোডৰ অসুবিধা। ডাইচকোড জেনেৰেট হ'ল ২০১২ চনত। তেতিয়া mandatory হোৱা নাছিল। ডাইচকোড mandatory কৰা হ'ল ২০১১ চনৰ Act ত। ২০১১ চনৰ Act ত যেতিয়া mandatory কৰা হৈছে, সেই বিষয়টো ২০১২ চনৰ পৰা affective কেনেকৈ হয়। সেই কাৰণে ইয়াৰ affective টো ১৭, ১৮ ৰ পৰা affectiveness বিচাৰিছো যিটো ডাইচকোডৰ ক্ষেত্ৰত। তাৰ পিছত joining ৰ ক্ষেত্ৰত আপোনালোকে যিটো ধৰিছে, মই ভাবিম যে provincialisation যেতিয়া হ'ব তাৰ পৰা আপোনালোক ৭ বছৰ বা ১০ বছৰ ল'ব পাৰে। যেতিয়া যিদিনাখন যিটো institution, provincialisation হ'ব, আগে পিছে যিটো system কৰা হয়, যেতিয়া provincialisation কৰাব তাৰ আগৰ ৫ বছৰ ১০ বছৰ আপুনি লৈ লওঁক। যদি ২৫ত provincialisation হয় তাৰ পৰা ১০ বছৰ লৈ লওঁক, যদি ২৬ ত হয় তাৰ পৰা ১০ বছৰ back কৰক, ২০১০ ৰ পৰা যদি affectiveness দিয়া হয়, সেইটো তাৰিখৰ আগত যিবিলাকে জইন কৰিছে তেওঁলোকক service provincialisation কৰা হ'ব, সমস্যা ছাৰ সমাধান ন'হব। আমি সমস্যাৰ সমাধান বিচাৰিছো। আমি আপোনাক ধন্যবাদ দিছো এই এমেণ্ডমেন্ট বিলটো অনাৰ কাৰণে, সমস্যা সমাধান কৰাৰ কাৰণে আপোনাৰ আন্তৰিকতা চাইছো। আমি যিবিলাক active মানুহ আছে, তেওঁলোকৰ পৰাও শুনিছো, আপুনি যত্ন কৰি আছে, কিন্তু সেই reflaction টো এমেনমেন্ট বিল কোনো এখনতে পোৱা নাই। ইয়াৰ পিছত যিটো আহিছে Non-Government Educational Institution ক্ষেত্ৰত আপুনি যিটো কৈছে সেইটোত মই corporate, সেই হাজাৰ কোটিৰ ক্ষেত্ৰত তেওঁলোকক কোৱা নাই কিন্তু গুৱাহাটীৰ surrounding ত ডাঙৰ ডাঙৰ টাউনৰ মাজত যিবিলাক ১শ কোটি ২শ কোটি টকা ইনভেষ্ট কৰি যিবিলাক স্কুল আছে তাত Fees relaxation টো বিচাৰিছিলো। গাওঁ অঞ্চলত যিবিলাক Private Educational Institution আছে তাত দুখীয়া ল'ৰা ছোৱালীবিলাকৰ দায়বদ্ধতাৰ কাৰণে সেইবিলাক কৰি আছে। তাত ইমান ধৰণৰ ব্যবসায় হোৱা নাই। ব্যৱসায় হৈছে চহৰৰ যিবিলাক স্কুল আছে সেইবিলাকৰ। সেইবিলাকৰ আপোনালোকে relaxation দিয়া নাই। সেই relaxation টো আমি বিচাৰিছিলো। আপোনাৰ যিটো transfer ৰ ক্ষেত্ৰত আমি হয়তো ৫ বছৰ ঠাইত ৩ বছৰ কৈছো, ৭ বছৰ ঠাইত ৫ বছৰ কৈছো। সেইবোৰ সিমানো ডাঙৰ কথা নহয়। কিন্তু জিলাত যেতিয়া উল্লেখ হৈছে যেতিয়া আইনত particular কেইটামান জিলাৰ কথা উল্লেখ কৰা হৈছে তেতিয়াহে

আপত্তি কৰিছে। সেই কথাখিনি relaxation কৰা কথা আমি আশা কৰিছো। আৰু যিহেতু প্ৰত্যেকে বিৰোধী পক্ষত দেখা পাইছো আপত্তি হৈছে সমস্যাৰ সমাধান হোৱা নাই। সেইকাৰণে আজি সেই বিলটো লৰালৰিক পাঁচ নকৰি half day time লৈ লওক। Stake Holder বিলাকৰ লগত আলোচনা কৰক। Stake Holderৰ যিখিনি upgrade আছে গোটেইখিনি প্ৰতিফলন ঘটাই এটা ভালকৈ আপোনালোকে credit লওঁক। আমি পাৰা নাই। বহুত আগতে সেই সমস্যাতো সমাধান হ'ব লাগিছিল। ১০ বছৰ, ১৫ বছৰ, ২০ বছৰ যে Venture School, Venture College ত কাম কৰি কিছুমান retired হ'ল আৰু কিছুমান মৰি গ'ল......

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম) ঃ-** গতিকে আজি ল'ৰালৰিকৈ এই বিলখন পাঁচ নকৰি লাগে Special One-Day Session লৈ লওক Education Department ৰ ওপৰত। যাৰ কাৰণে Once for All এই শিক্ষাৰ জড়িয়তে সমস্যা সমাধানৰ কাৰণে আমি যি ৪ টা Amendment আনিছিলো, আচলতে ৬ টা Amendment আছে। দুটা হয় University ৰ ক্ষেত্ৰত মই কোৱা নাই। লিখিত ভাৱে তেওঁলোকে অনা নাই।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। Hon'ble Minister reply দিব।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম) ঃ-**ছাৰ, just ১ মিনিত দিব। Hon'ble Minister ছাৰ, গোটেই অসমৰ কথা কোৱা মাজতে যদি মই নিজৰ এলেকাৰ ওপৰত অলপ কথা কৈ নাযাও মোৰ purpose টো নহ'ব। কাৰণ যিটো সমষ্টিত মই বিধায়ক হৈ আছো, হয়তো মই ২০২৬ ৰ পৰা বিধায়ক হৈ আছো। তেওঁলোকৰ Sonari College শিক্ষকেও গম পায় মই কিমান বাৰ কৈছো। চহৰ অঞ্চলত একমাত্ৰ কলেজ গোৱালপাৰা জিলাত সকলোৰে criteria fulfill কৰে। হয়তো কিবা অলপ defect থাকিব পাৰে। Baida College বৃহত্তৰ জনজাতীয় অঞ্চলত একমাত্ৰ Baida College খন। গোৱালপাৰা কলেজ বৃহত্তৰ এলেকাৰ Science stream কোনো কলেজ নাই Higher Secondary নাই। এইটো বৰ্তমানৰ মুখ্যমন্ত্ৰী তেখেতক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ-** হ'ব ধন্যবাদ। সেইখিনি আপোনালোকে speech টো ক'লে। Please আৰু এই Amendment ৰ ওপৰত ক'ব নালাগে। Already আপোনালোকে বক্তব্য ৰাখিলে। Hon'ble Minister reply দিব।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম) ঃ-** গোৱালপাৰা কলেজৰ Infrastructure, সকলো faculty আছে ।

**মাননীয় অধ্যক্ষ ঃ-** Debate যাব নালাগে Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ইত্যাদি )ঃ-** Sonari College ত কি শিথিলতা বিচাৰিলে? কি কৰিলে হ'ব?

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (গোৱালপাৰা )**ঃ- Provincialises দি দিয়ক ছাৰ, সেই গোটেইখিনি আছে, কৰবাত আছে যদিও মই নাজানো । মই জনামতে গোটেখিনি আছে ছাৰ। Science Stream দিয়া হ'ল।

**মাননীয় অধ্যক্ষ** ঃ- হ'ব । যি আছে আপুনি লিখিত আকাৰে দি দিব। ঠিক আছে, ধন্যবাদ।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (গোৱালপাৰা )**ঃ- গোৱালপাৰা College খন Autonomous University লৈ Upgradation বিচাৰি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ইত্যাদি )**ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰবিত্ৰ সদনৰ যোগেদি মই Sonari College ৰ যিসকল প্ৰৱক্তা আছে তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিলো যে তেওঁলোকৰ বিধায়কে কি কৰিলে Sonari College খন Provincialised হ'ব সেই কথাটো মই সুধিছো তেখেতে কব পৰা নাই। Baida College ৰ কাৰণে কি Relaxation বিচাৰিছে আপুনি ক'ব পৰা নাই, আপুনি-আপোনাৰ home-work কৰা নাই, আৰু এইটো মই Sonari College আৰু Baida College.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)**ঃ- ছাৰ, এইটো ভাল হোৱা নাই। এইটো তেনেকৈ কৈছে বেয়া কথা হৈছে।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (গোৱালপাৰা )**ঃ- অধ্যক্ষ মহোদয়, মোক সময় নিদিয়ে। যদি মোক সময় দিয়ে মই গোটেখিনি কথা ক'ব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ বহক। Please বহক। Already আগতেও আপুনি ১৫ মিনিট ক'লে আৰু একেটা কথাতে লাগি থাকিলে কেনেকৈ হ'ব। অলপ কথাবিলাক পইণ্ট বাই পইণ্ট ক'ব লাগে।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)**ঃ ছাৰ, সিমান বিলাক Amendment আনা হ'ল, কমচেকম এটা Amendment টো মানি ল'ব লাগিছিল। ইমান Discuss কৰি আমাৰ কি লাভ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া কাম চৰকাৰে কৰিব মই কি কম। আপোনালোকে মোকহে কৈ থাকে। সেইকাৰণে reply দিবলৈ দিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)**ঃ- ছাৰ, আপুনি অকনমান কৈ দিয়ক। আপোনাৰ জৰিয়তে ক'ব

লাগিব। এটাও মানা নাই ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** মইতো কৈছো, Minister reply দিব। ২ নং দফাত সংশোধনী প্ৰস্তাৱ আছে। এটা চৰকাৰী সংশোধনী প্ৰস্তাৱ, ইয়াৰ পিছত মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া লগতে সহযোগী হাফিজ বচিৰ আহমেদ তেখেত নাই, শ্ৰী অখিল গগৈ। গতিকে আপোনালোকে আপোনালোকৰ সংশোধনীৰ প্ৰস্তাৱ উঠাই ল'বনে?

**শ্ৰী অখিল গগৈ ,বিধায়ক (শিৱসাগৰ)ঃ** - আকৌ মোক ক'বলৈ নিদিলে ছাৰ।

**মাননীয় অধ্যক্ষ ঃ**- নাই নাই এতিয়া কোৱা নাই। আপুনি মুভ কৰিব নেকি? এতিয়া উঠাই ল'লে যদি লৈছে? যদি নলয় থতাপিও কোনো কথা নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ছাৰ, মই ক'বলৈ খুজিছো।

**মাননীয় অধ্যক্ষ ঃ**- নালাগে নালাগে, এতিয়া কথাতো একে হ'ব। সেইকাৰণে উঠাই নলয় তেখেতে।

যিসকলে অখিল গগৈৰ সংশোধনী প্ৰস্তাৱৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'নহয় সপক্ষে', 'নহয় সপক্ষে', 'নহয় সপক্ষে'

অখিল গগৈৰ সংশোধনী প্ৰস্তাৱটো নাকচ হৈ গ'ল

এতিয়া কংগ্ৰেছৰ ফালৰ পৰা ক'ব।

**শ্ৰী অখিল গগৈ, (সিৰসাগৰ)ঃ**- ছাৰ, আমাক Division লাগে। ছাৰ ভোট হ'ব।

**মাননীয় অধ্যক্ষ ঃ**- শ্ৰী দেৱব্ৰত শইকীয়া।

------সদনত হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ**- মই নাকচ কৰিলো গোটেই হাউচৰ আগত। Majority য়ে যি ক'ব এইটোৱে হ'ব।

------সদনত হুলস্থূল------

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ**- ছাৰ Division টো দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ**- নাই নাই নহ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ফালৰ পৰা সংশোধনী প্ৰস্তাৱটো Withdraw কৰা নহয়, কিন্তু আমাক Division দিলে ভাল পাম ছাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ-আমি** Division বিচাৰিছো, it should be re-

corded. এটা amendment মানা নাই আমি কেনেকৈ মানিম। ছাৰ Division হওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ছাৰ, Division হওঁক। ভোট হ'ব, ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে Division, House Close. চব দৰ্জা মাৰা কোনেও বাহিৰত যাব নোৱাৰে কোনেও সোমাব নোৱাৰে। No MLA can go outside, no MLA can come inside.Please sit down. অখিল গগৈৰতো নাই, অকল কংগ্ৰেছৰ ওপৰত হ'ব। LOPৰ ওপৰত হ'ব। Digital Voting হ'ব। ১৫ মিনিট ৰখিব লাগিব, Digital হ'ব তেতিয়া Voting নিজৰ নিজৰ চিটৰ পৰাই ভোটতো দিব পাৰিব। Screen ত openly চব দেখা পাব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ছাৰ, চৰকাৰী বিলাকে সদনত নতুনকৈ সোমাই আছে। চব এটা এটাকৈ সোমাই আছে ছাৰ ।

------সদনত হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ-** সকলোৱে বহি যাওঁক। সকলোৱে নবহিলে মই কেনেকৈ জানিম ।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ)ঃ** ছাৰ, আপুনি আপোনাৰ কথাটো ৰাখক।

------সদনত হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া মোৰ কথাটো শুনক। আপোনালোকে Division বিচাৰিছে। অখিল গগৈ আপুনি বহক , আপোনাৰ ইয়াত কোনো কাম নাই। আৰু কোনো কাম নাই যদি গুচি যাওক।
**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মই কেনেকৈ গুচি যাব পাৰিম ছাৰ। আপোনাৰ কথাটোৰ মূল্য ৰাখক ছাৰ। আপুনি নিজে কৈছে কোনো সোমাব নোৱাৰে। ৫ জন সোমাইছে ছাৰ। দৰকাৰ হ'লে CCTV চাইলওঁক।
**মাননীয় অধ্যক্ষ ঃ** মোৰ কথাটো শুনক। আপোনালোকে division বিচাৰিছে। আপুনি ব'হক নহলে গুছি যাওঁক। আৰু কোন সোমাইছে মই কেনেকে গম পাম। মই ভাৱো ভোট দানৰ ব্যৱস্থাটো কাগজত বা digital ত নকৰি থিয় হৈ হাত দাঙিলে আৰু সেইটো গণ্তি কৰিলে হ'ব।
**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** এই কেইজন এইমাত্ৰ সোমালে। গতিকে সদনৰ গৰিমা ৰক্ষা কৰি তেখেত সকলক ওলাই যাবলৈ ক'লে ভাল হয়। (হুলস্থুল)
**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** আপুনি কলেই হ'ব নেকি সোমোৱা বুলি। (হুলস্থুল)
**মাননীয় অধ্যক্ষ ঃ** Misbehave নকৰিব। (হুলস্থুল) (বিৰোধী সদস্য সকলে অধ্যক্ষৰ সন্মুখলৈ যায়) মইটো লগে লগে ঘোষণা কৰিছো যে কোনো সোমাব নোৱাৰে আৰু ওলাব নোৱাৰে এই সময়খিনিৰ বাবে। (হুলস্থুল) সকলোৱে নিজৰ নিজৰ আসনত বহক। (হুলস্থুল)

(কংগ্ৰছ দলে সদন ত্যাগ কৰিলে)

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি হুলস্থুল নকৰিব। এতিয়া শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী কিন্তু তেখেত সকল অনুপস্থিত যিহেতু সদন ত্যাগ কৰিছে। এতিয়া চৰকাৰী সংশোধনী

আছে । মাননীয় মন্ত্রী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই সংশোধনী বিধেয়কৰ দফা নং ২ ত সংশোধন প্ৰস্তাৱ কৰো যে, Wherever the word " Sixth Schedule Areas" appear shall be substituted by "Sixth Schedule or SC or ST or Tea Tribes or Adaivasi areas".

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল চৰকাৰী সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, চৰকাৰী সংশোধনী প্ৰস্তাৱ টো গ্ৰহণ কৰা হ'ল। দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া দফা নং ৩ চৰকাৰী সংশোধনী প্ৰস্তাৱ এটা আছে আৰু শ্ৰী লৰেন্স ইচলাৰী, শ্ৰী দূৰ্গা দাস বড়ো, শ্ৰী দেৱব্ৰত শইকীয়া, হাফিজ বচিৰ আহমেদ, শ্ৰী অখিল গগৈৰ সংশোধনী আছে। শ্ৰী লৰেন্স ইচলাৰী, শ্ৰী দূৰ্গা দাস বড়ো উপস্থিত আছে বাকী খিনি অনুপস্থিত। এতিয়া আপোনালোকে এইটো উঠাই লবনে?

**শ্ৰী দূৰ্গা দাস বড়ো,বিধায়ক** ঃ আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী লৰেন্স ইচলাৰী।

**শ্ৰী লৰেন্স ইচলাৰী, (কোকৰাঝাৰ পূব)** ঃ উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া চৰকাৰী সংশোধনী আছে। মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, I hereby propose that Section 3 of the Amendment Bill wherever the word " Sixth Schedule Areas" appear shall be substituted by "Sixth Schedule or SC or ST or Tea Tribes or Adaivasi areas".

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল আৰু দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া ৪ নং দফাত শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী হাফিজ বচিৰ আহমেদ আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেওঁলোক অনুপস্থিত। চৰকাৰী সংশোধনী প্ৰস্তাৱ এটা আছে মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ Hon'ble Speaker Sir, I hereby propose that in Section 4 of the Amendment Bill wherever the word " Sixth Schedule Areas" appear shall be substituted by "Sixth Schedule or SC or ST or Tea Tribes or Adaivasi areas".

**মাননীয় অধ্যক্ষ** ঃ মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো, যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, প্ৰস্তাৱ টো গৃহীত হ'ল আৰু দফা নং ৪ বিধেয়ক খনৰ অংশ হ'ব যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ৪ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া ৫ আৰু ৬ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই, সেয়েহে

দফা নং ৫ আৰু ৬ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে, দফা নং ৫ আৰু ৬ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া ৭ নং দফাত সংশোধনী প্ৰস্তাৱ আছে শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী হাফিজ বচিৰ আহমেদ কিন্তু তেওঁলোক অনুপস্থিত । সেয়েহে দফা নং ৭ বিধেয়ক খনৰ অংশ হব ।যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে, দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া দফা নং ৮ ত শ্ৰী হাফিজ বচিৰ আহমেদ কিন্তু তেওঁলোক অনুপস্তিত। সেইহে দফা নং ৮ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ৮ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া দফা নং ৯ ত কোনো সংশোধনী প্ৰস্তাৱ নাই, সেইয়েহে দফা নং ৯ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ৯ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া ১০ নং দফাত সংশোধনী প্ৰস্তাৱ শ্ৰী হাফিজ বচিৰ আহমেদৰ কিন্তু তেওঁলোক অনুপস্থিত । সেইহে দফা নং ১০ বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ১০ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া দফা নং ১১ আৰু ১২ ত কোনো সংশোধনী প্ৰস্তাৱ নাই, সেইয়েহে দফা নং ১১আৰু ১২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয সপেক্ষে, দফা নং ১১আৰু ১২ বিধেয়ক খনৰ অংশ হ'ল। দফা নং ১, অধীনিয়ম সুত্ৰ, দীৰ্ঘ শিৰোনামাত আৰু অনুসুচীত কোনো সংশোধনী নাই। গতিকে প্ৰশ্নটো হ'ল দফা নং ১, অধীনীয়ম সুত্ৰ, দীৰ্ঘ শিৰোনামাত আৰু অনুসূচী বিধেয়ক খনৰ অংশ হব। যি সকল সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে, দফা নং ১, অধীনিয়ম,সুত্ৰ দীৰ্ঘ শিৰোনামাত আৰু অনুসুচী বিধেয়ক খনৰ অংশ হ'ল। মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই 'The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) (Amendment) Bill, 2025. খন পাৰিত কৰণৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওঁক। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন চৰকাৰী সংশোধনী সহ পাৰিত কৰা হ'ল।

সন্মানীয় সদন কোনোতো আৰু নাই প্ৰায়, এতিয়া আমাৰ যিখিনি আছে আপোনালোকৰ যদি concern হয় মই ভাৱো গোটেই বিলৰ নামটো কৈ একেবাৰতে মুভ কৰিলে, সকলো অনুপস্থিত যিসকলে সংশোধনী দিছিল, গতিকে একেবাৰতে শিক্ষাৰ বাকী থকা বিল খিনি মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে আপোনাৰ **কাৰ্য্যসূচী নং** ১৩, ১৫, ১৬, ১৭ আৰু ১৮ এই পাঁচখন আৰু বিল আছে, এই পাঁচখন বিল একেবাৰতে নাম লৈ পাছ কৰক।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Non-Govern-

ment Educational Institutions (Regulation of Fees) (Amendment) Bill, 2025.

'The Assam Elementary and Secondary School Teachers (Regulation of Posting and Transfer) (Amendment) Bill, 2025.

The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2025.

The Azim Premji university Bill, 2025.

আৰু The North Eastern Regional Institute of Mangaement (NERIM) University Bill, 2025 বিবেচনাৰ বাবে সনদত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল এই গোটেই বিল খিনি বিবেচনাৰ বাবে লোৱা হওঁক, যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া Clause by clause আমি বিবেচনা কৰিম, কিন্তু যিহেতু এমেণ্ডমেন্ট মোভ কৰা সকল অনুপস্থিত গতিকে মই একেবাৰতে আপোনালোকক মোচনটো আনি দিব খুজিছো যে পাঁচ খন বিল Clause by clause একেবাৰতে তাত কোনো এমেণ্ডমেন্ট নাই, এমেণ্ডমেন্ট কৰা সকল অনুপস্থিত, সেয়েহে সকলো Clause বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে সকলো দফা বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Non-Government Educational Institutions (Regulation of Fees) (Amendment) Bill, 2025.

'The Assam Elementary and Secondary School Teachers (Regulation of Posting and Transfer) (Amendment) Bill, 2025.

The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2025.

The Azim Premji university Bill, 2025.

আৰু The North Eastern Regional Institute of Mangaement (NERIM) University Bill, 2025 পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওক যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু গোটেইখিনি বিল খন পাৰিত কৰা হ'ল।

এতিয়া **কাৰ্যসূচী নং ১৯**। মাননীয় মন্ত্ৰী শ্ৰীঅতুল বৰা।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Agricultural Produce and Livestock Marketing (Promotion and Facilitation) (Amendment) Bill, 2025. বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে The Assam Agricultural Produce and Live-

stock Marketing (Promotion and Facilitation) (Amendment) Bill, 2025.খন বিবেচনাৰ বাবে লোৱা হওঁক, যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়ক খন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব, দফা নং ২ ৰ পৰা ১৩ লৈ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ২ ৰ পৰা ১৩ লৈ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২ ৰ পৰা ১৩ লৈ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১৪ ত সংশোধনী প্ৰস্তাৱ আছে,মাননীয় সদস্য হাফিচ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকল, তেখেত অনুপস্থিত, সেয়েহে দফা নং ১৪ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১৪ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়মৰ সূত্ৰ, আৰু দীৰ্ঘ শিৰোনামাৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়মৰ সূত্ৰ, আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ অধিনিয়মৰ সূত্ৰ আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে The Assam Agricultural Produce and Livestock Marketing (Promotion and Facilitation) (Amendment) Bill, 2025. খন পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওক, যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ২০। মাননীয় মন্ত্ৰী শ্ৰীকেশৱ মহন্ত।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই The Assam District Land Tribunal Bill, 2025 খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে The Assam District Land Tribunal Bill, 2025 খন বিবেচনাৰ বাবে লোৱা হওঁক, যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়ক খন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব, দফা নং ১ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীহাফিচ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকল, তেখেত অনুপস্থিত, সেয়েহে দফা নং ১ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই

ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল। আপোনালোকে উঠাই লব?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংশোধনীটো আছিল, এনেকুৱা তাৰ লগত মই কৈ যাব বিচাৰিছো যে আমি দেখা পাইছো যে বৰ্তমান চৰকাৰে প্ৰশাসনক জনসাধাৰণৰ ওচৰলৈ লৈ গৈ আছে যাৰ কাৰণে সম জিলাৰ সৃষ্টি কৰা হৈছে। এইটো ভাল লক্ষণ, আমি চৰকাৰৰ পদক্ষেপক ধন্যবাদ জনাইছো, এই ক্ষেত্ৰত যিহেতু ৰাজহটো এটা সাংঘাটিক serious বস্তু আৰু বৰ্তমান চৰকাৰৰ কাৰণে serious হোৱা দেখা পাইছো, মই ভাল পাইছো, serious হোৱাটো ভাল। Tribunal ৰ ক্ষেত্ৰত দেখা গৈছে যে এই Tribunal যিহেতু জিলা ভিত্তিত নহয় কেইবাখনো জিলাক লগ লগাই যদি এটা Tribunal কৰা যায়, যথেষ্ট কষ্ট হ'ব আৰু ৰাজহৰ ইচ্ছু বিলাক দুখীয়া মানুহৰ লগত সম্পৰ্কীত হয়। গতিকে ইয়াত আমাৰ এমেণ্ডমেন্টটো আছিল এটা বা তাতকৈ অধিক যিখন জিলা সেইটো নকৰি in each and every district আমি এমেণ্ডমেন্ট বিচাৰিছো।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ)** ঃ ছাৰ, এইখিনিত মোৰ এটা কবলৈ আছে land tribunal যিটো কথা গতিকে land tribunalৰ সেই concept ত আজি আমি এই land tribunalটো চৰকাৰে যিটো কৰিব বিচাৰিছে আমি ভাৰো সেইটো অত্যন্ত effective কৰি তাত কিছু পলিচি মুভ কৰিব লাগে আৰু সেই পলিচিৰ আধাৰত, কাৰণ এই পলিচিটো আমি দেখিছো বহুত defective হৈ আছে। বৰ্তমান চৰকাৰে আজিও নগাওঁ জিলাৰ বৈঠামাৰীত উচ্ছেদ চলি আছে, আৰু মাননীয় উচ্চতম ন্যায়লয়ে কালি এটা অৰ্ডাৰ দিছে যে ১২ তাৰিখে পৰৱৰ্তী হিয়াৰিং তাৰিখ আৰু ১২ তাৰিখলৈকে স্পষ্ট নিৰ্দেশ দিছে তাত উচ্ছেদ বন্ধ ৰাখিব লাগিব। কিন্তু চৰকাৰে দেখিছো উচ্চতম ন্যায়লয়কো অৱহেলা কৰি আজি তাত উচ্ছেদ চলাই দিলে। গতিকে য'ত নগাওঁ জিলাত ডি চি য়ে পত্ৰ পাইছে আৰু উচ্চতম ন্যায়ালয়ে ১২ তাৰিখলৈ strictly বন্ধ কৰিছে যে no any course of action will be taken there গতিকে যদি আমাৰ পলিচি ঠিক নাথাকে আৰু এনেকৈ কাম বিলাক হৈ থাকে আৰু যদি তাত চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ violate কৰি যদি এই বিলাক উচ্ছেদ কৰো, তেনেহ'লে এই land tribunal ত কি কাম কৰিব আমাৰ পলিচিটো কি হ'ব এই কথাটো আমি বুজি পোৱা নাই। গতিকে প্ৰথমতে চৰকাৰে পলিচিটো ঠিক কৰিব লাগিব আৰু আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা কথাটো গুৰুত্ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি ঃ মাননীয় অধ্যক্ষ মহোদয় আমি যিখন বিল আনিছো, এই ক্ষেত্ৰত তেখেতসকলৰ ব্যাখাটোৰ ক্ষেত্ৰত ক'ব বিচাৰিছো - ইয়াত ৭ টা চেকশ্যনত ৯ টা এমেণ্ডমেন্ট আছে। যদি আপুনি তেখেতেসকলক একেলগে ক'বলৈ দিয়ে মই এটা এটাকৈ একেবাৰতে উত্তৰ দিম।**

**মাননীয় অধ্যক্ষ ঃ ঠিক আছে, একেবাৰতে কৈ লওক।**

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ, অভয়াপুৰ উত্তৰ** ঃ **ছাৰ, প্ৰধানকৈ,** 8 (A) **আৰু** 8 (B) **দুয়োটাতে আছে।** A **ত যিটো কমপ্লেইন কৰাৰ কথা কোৱা হৈছে - এটা আপিল এণ্ড ৰিভিজন আৰু এটা কমপ্লেইন। ছাৰ, কমপ্লেইনটো যদি যধে-মধে হৈ যায় তেনেহ'লে ট্ৰাইবেলৰ ডেফিনেশ্যন নাথাকিলেতো ঝামেলা হ'ব। কমপ্লেইন কোনে কৰিব পাৰিব সেইটো ৰুলত**

**হয়তো ক্লেৰিফাই কৰিব লাগিব । আৰু এটা ছাৰ,** 8 (B) **ত ৯০ দিনত ডিচপোছ কৰাৰ কথা কোৱা হৈছে - কিন্তু ৯০ দিন হ'লে,** justice hurried- Justice burried **বুলি** যিটো **এটা কথা আছে, তাত প্ৰপাৰ জাষ্টিছ দিয়াটো টান হ'ব নেকি ছাৰ, গতিকে এইটো ১২০ দিন কৰিলে ভাল হ'ব । এইটো এটা এমেণ্ডমেন্ট দিয়া হৈছে অধ্যক্ষ মহোদয়। আৰু** এটা **ছাৰ, আপিলৰ ক্ষেত্ৰত কোৱা হৈছে যিটো** Tribunal order **মানে হাইকোৰ্টতো** restriction imposed **কৰা হৈছে । গতিকে** 10 (2) **ত হাইকোৰ্টতো কিছুমান ক্ষেত্ৰত আমি আপিল কৰিব নোৱাৰিম তেনেকুৱা এটা** Bar **দিয়া হৈছে । গতিকে কোনোবাই যদি হাইকোৰ্টতো আপিল কৰিব নোৱাৰে সেইটো** Natural justice **ৰ** against **যাব । গতিকে ট্ৰিবুনেলৰ অৰ্ডাৰ হাইকোৰ্টত আপিল কৰাৰ** provision **টো অপেন ৰাখিব লাগে** In all Cases **আৰু** এটা **ছাৰ, এটা** 12 **নম্বৰত আছে, কোনো** Officer, good faith — এইটোত Tribunals Chairman or Members **ৰ ক্ষেত্ৰত আমি গুড ফেইথৰ কথাটো বিবেচনা কৰাটো ঠিক** আছে কিন্তু Officer ৰ বিৰুদ্ধেও আমি ক'তো অভিযোগ কৰিব নোৱাৰিম, সেই আইনৰ আওতাত। গতিকে Officer যদি bias হৈ যায়, কেতিয়াবা যদি কোনোবা influence হৈ বেলেগ ফালে গতি কৰে, বা আজি কালি কিছুমান ক্ষেত্ৰত দেখা যায় যে, পইছা পাতিৰ কথা চলে বা অন্যান্য কথাও চলে, অন্যান্য দিশতো ইনফ্লুৰেন্স হ'ব পাৰে Officer সকল। গতিকে, Officer সকলক যিকোনোধৰণৰ Action পৰা ৰেহাই দিয়া হৈছে গতিকে ইয়াত Section 12 ত Tribunal or its Member তাত Officer যিটো শব্দ আছে, এই Officer শব্দটো মোৰ বোধেৰে Delete কৰিব লাগে ছাৰ । আৰু Section 14 নম্বৰত এটা Amendment দিয়া হৈছে ছাৰ, সেই একেটা কথা Reveiw কৰা যিটো ক্ষমতা Tribunal ৰ নিজৰ Order টোৰ- তাৰ কাৰণে মাত্ৰ ৩০ দিন দিয়া হৈছে ছাৰ, এইটো ৬০ দিন দিলে ভাল হব ছাৰ । এইখন আইন বা যিকোনো এটা অনুষ্ঠান হ'বলৈ হলে, বাস্তৱসন্মত হ'ব লাগিব। গতিকে এইখিনি যদি ঠিক কৰা হয় তেনেহলে It will be more practicable নহলে এইটো Theoritical হ'ব, বাস্তৱত Implementaion নহ'ব। আমাৰ অনুভৱ কৰা কথাটো Amendment হিচাপে ডাঙি ধৰিছো এতিয়া আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক বিবেচনা কৰিবলৈ কথাটো উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আৰু কাৰোবাৰ ক'বলগীয়া আছে নেকি, একেবাৰতে ক'ব ।-

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, গোৱালপাৰা (পূৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই যিটো কথা কৈছে একেই । ৰিপিট নকৰিলেও হ'ব

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰীভাস্কৰজ্যোতি বৰুৱা, তিতাবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যি, Ethnic Community ৰ কথা আজি পাতিছো তেখেতসকলৰ Rights সদায় সুৰক্ষিত কৰিব লাগে । তেওলোকৰ মাটি সুৰক্ষিত হ'ব লাগে । এইটো মই অভিমত ব্যক্ত কৰিছো । এটা কথা আজি মই উল্লেখ কৰিব খুজিছো যে, যিখিনি আজি Land protection ৰ কথা কৈছো Tribal Tribunal ৰ কথা কৈছো ,যিটো আমাৰ Power decentrlised কৰা হৈছে এইটো খুব ভাল কথা , কিন্তু কথা হৈছে যে, ইয়াৰ পিচতো দেখা যায় , আমাৰ যিটো এটা লেণ্ড গ্ৰেভিং এটা চক্ৰ আছে , এই চক্ৰটোৱে আমাৰ এথনিক মানুহবিলাকৰ হাতৰ পৰা বিভিন্নধৰণে মাটিবোৰ দখল কৰি আছে । ট্ৰাইৰেলে যিখিনি সুবিধা পায়, তেওলোকক টকা পইচা দি, প্ৰলোভন ইত্যাদি দি মাটিৰ পৰা তেওঁলোকক বঞ্চিত কৰা কৰা হয় । গতিকে এই ক্ষেত্ৰত এই সুৰক্ষাটো কেনেকৈ চৰকাৰে দিব তাৰ এটা ব্যৱস্থা

যদি কৰে তেতিয়া ভাল হ'ব , নহ'লে এই ট্ৰাইৱেলৰ মাটি কেতিয়াও সুৰক্ষিত নহয়। বিভিন্ন চক্ৰই বিভিন্ন সময়ত - বিভিন্ন উপায়েৰে তেওঁলোকৰ এই মাটিবিলাক অধিকাৰ কৰিব । এতিয়া হাইৰে দি যাওঁতে আপুনি দেখিব যে , মেক্সিমাম ঠাইতে মাটিবিলাক আমাৰ ট্ৰাইবেল মানুহৰ পৰা লৈ বেলেগে বেলেগ জাতিৰ মানুহ তাত গৈ সোমাইছে । গতিকে এই প্ৰটেকশ্যনটো অতি জৰুৰী । এই কথাষাৰ মই উল্লেখ কৰি মোৰ বক্তব্য সামৰিছো ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** অনাৰে বল্ মিনিষ্টাৰ ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আটাইকেইটা সংশোধনীৰে উত্তৰ দিম যাম । বিলখনৰ যিটো spirit এই কথাটোৰ লগত সংশোধনীখিনিৰ বৰ বেছি সামঞ্জস্য মই দেখা নাই । এই বিলখন কিহৰ কাৰণে অনা হৈছে ? এই বিলখন অনা হৈছে - যে, Tribal, Belt , Block ত থকা সমস্যাবিলাক ক্ষিপ্ৰতাৰে সমাধান কৰাৰ বাবে - ইয়াৰ আগতে Tribal, Belt , Block বিলাকৰ ক্ষেত্ৰত যিবিলাক সমস্যা উদ্ভৱ হৈছিল , সেই সমস্যাবিলাক সমাধানৰ বাবে জিলা আয়ুক্তৰ কাৰ্য্যালয়ত যিকোনো গোচৰ বা অভিযোগ মানুহে দিব পাৰিছিল । সেইমতে যিখন ১৮৮৬ চনৰ Land Revenue Regulation Act, তাত এটা দফা আছিল ১৬৯ - এই দফাটো মতে দায়িত্ব ডিচিক দিয়া হৈছিল । কিন্তু ডিচিৰ ইমান Over burden যে, তেওঁলোকে এই কথাটো সমাধান কৰিবলৈ যাওঁতে , যাক যেনেকৈ জাষ্টিছ দিব লাগে বিলম্ব হৈছিল বা পৰা নাছিল । ডিচিৰ তাত যদি এই কেচটো কেনেবাকৈ সমাধান নহয় তেতিয়া হ'লে Revenue Board ত যায়, তাৰ পিচত হাইকোৰ্টত যায় গতিকে আমাৰ এটা commitmnt আছিল , কমিটমেন্টৰ ক্ষেত্ৰত ট্ৰাইৱেল - বেল্ট এণ্ড ব্ল'ক বিলাকক আমি সুৰক্ষিত কৰিব লাগে আৰু সুৰক্ষিত কৰাৰ স্বাৰ্থত আমি এটা সুকীয়া ব্যৱস্থা কৰিব লাগে । গতিকে সেইধৰনে আমাৰ যিখন জাষ্টিছ বিপ্লৱ শৰ্মা কমিটি - তাত আমাক এটা ৰিক'মেণ্ডেশ্যন দিছিল - Situation of allienation of Land in Tribal Belt and Blocks made in violation of provision of chapter 10 of Assam Land Revenue Regulation 1886 have been discussed in Chapter-4 year in above on the basis of such consideration the Committee recommends that Land Tribunal be established at the Dristrict Level for deciding such issues in accordance with Law. Such Tribunal should be mend by competent Judicial officers and officers have been having experienced in matter partaining to the Assam Land Revenue and Regulation, 1886 . এইটো যিটো বিপ্লৱ শৰ্মা কমিটিৰ ৰিক'মেণ্ডেশ্যন, তাৰ ভিত্তিত আৰু আমাৰ যোৱা বাজেটত বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যেতিয়া বাজেট ঘোষণা কৰিছিল , তেতিয়া তাত এটা ঘোষণা আছিল -I announced at Tusk Force or suggesting suitable legislative provision for seting up a Land Tribunals at the District level with respect to complaint regarding violation of provisions of Chapter 10 and Assam Land Revenue Regulation, 1886 . We shall be placed Bill in The Assembly in September, 2025. চেপ্টেম্বৰৰ সলনি নবেম্বৰত আমাৰ চেশ্যনটো হোৱা কাৰণে আমি নবেম্বৰ চেশ্যনত - As per commitment of The Budget speech আমি আজি এই বিলখন আনিছো । গতিকে মই অকনমান বিলখনৰ পাৰম্ভনিটো

কৈ লৈছো আৰু এই কথা কিয় কৰিব লগীয়া হৈছে, যে যেতিয়া ১৮৮৬ চনত যিখন The Assam Land and Revenue Regulation হৈছিল, সেইখনত ১৯৪৭ চনত এই chapter ১০ ত অন্তৰ্ভুক্ত হৈছিল। আমি যিটো chapter ১০ ৰ কথা ইয়াত এতিয়া বিলখনৰ মুল কথা হিচাপে কৈ আছো। গতিকে chapter ১০ টো সেই সময়ত হৈছিল, কি কৰিবলৈ হৈছিল protection of backward classes। এই বিলখনৰ chapter ১০ য়ে backward class ৰ কাৰণে যিটো protection, tribal belt & block তাৰ মতে গঠন হ'ল।

মই এই ক্ষেত্ৰত দুই এটা কথা উনুকিয়া যাব খুজিছো, যে ইয়াৰ প্ৰস্তুতিটো ১৯৪৫ চনতে ঠিক হৈছিল, তাৰ আগতে chapter ১০ ৰ পূৰ্বে ১৯২০-২১ চনত এটা লাইন system আছিল। লাইন system টোৰে আমাৰ যিবিলাক মানুহ ইয়াত প্ৰৰজন হোৱা বা বেলেগ বেলেগ tribe ৰ মানুহ, তেওঁলোকক এটা separate allotment দিবলৈ চাইছিল, কিন্তু সেইটো কৃতকাৰ্য্যতা নহ'ল, নোহোৱাৰ কাৰণে তাৰ সলনি Tribal belt and block টো আনিব লগীয়া হ'ল।

তাৰ পিছত কি হ'ল যে ৫০ শতাংশৰ বেছি থকা যি বিলাক Tribal লোক ঠাই বা restricted যিখিনি class, তেতিয়া আমি Tribal belt & block আমি তেতিয়া গঠন কৰো। এই মৰ্মে আমি গোটেই কথাখিনি আজিৰ দিনটোত চেষ্টা কৰিছো, যে Tribal belt & block ক সুৰক্ষিত কৰিবলৈ এতিয়া থকা যিটো আইনৰ ব্যৱস্থা, সেই আইনৰ ব্যৱস্থাৰে আমি সুৰক্ষিত কৰিব পৰা নাই আৰু বহুত Tribal belt & block encroachment হৈছে। সেই কাৰণে আজিৰ দিনটোত এই protected class ত যাতে আৰু অধিক সুৰক্ষিত কৰিব পাৰো, সেই কাৰণে ইয়াক আমি এটা Quasi judicial ব্যৱস্থালৈ আনিবলৈ বিচাৰিছো, আৰু এই ধৰণে আমি আনিবলৈ বিচাৰি, এই যিখন আজি বিল, এই বিলখন আজিৰ এই পবিত্ৰ সদনৰ মজিয়াত উত্থাপন কৰি এখন district level land tribunal কৰিবলৈ বিচাৰিছো, এই Land Tribunal খন আমি যেনেকৈ ভাৰিছো আলোচনা কৰোতে সকলো মাটি বাৰীৰ কাৰণে নহয়। এই Land Tribunal খন অকল Tribal Belt & Block ত সুৰক্ষিত কৰিবলৈ। গতিকে এই Land Tribunal খন অকল Tribal Belt & Block ত আৰু যিখিনি restricted class তাৰ ভিতৰত থাকিব, তেওঁলোকক সুৰক্ষিত কৰিবলৈ, গতিকে আমি এই ক্ষেত্ৰত বিল খনৰ যিটো গতি, যিটো ধাৰা, এই ধাৰাটো মই কৈ লৈছো।

এতিয়া ইয়াত ৭ টা দফাত সংশোধনী আনিছে সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী আব্দুল বাতিন খণ্ডকাৰ আৰু শ্ৰী দেৱব্ৰত শইকীয়া, দুয়োটাতে দেৱব্ৰত শইকীয়া আছে, আৰু তেওঁলোকে ৭ টাৰ ভিতৰত ৯ টা সংশোধনী আনিছে। গতিকে মই প্ৰতিটো সংশোধনীৰ বিষয়ে তেখেতসকলে যি উত্থাপন কৰিলে, তাৰে মই সদনত উত্তৰটো দি যাবলৈ বিচাৰিছো।

প্ৰথমতে কৈছে যে one or more, এই শব্দটো ইয়াৰ পৰা আঁতৰাব লাগে। তাৰ মাতে প্ৰতিখন জিলাত একোখনকৈ Tribunal হ'ব লাগে। আমি কৈছো যে কৰবাত এখনো হ'ব বা কৰবাত দুখন জিলা মিলাই কেতিয়াবা কৰবাত হ'ব পাৰে। এই কথাটো হ'ল কি সকলো জিলাতে Tribal Belt & Block নাই। সকলো জিলাতে যিহেতু Tribal Belt & Block নাই, তেতিয়া হলে যিকেইখন জিলাত আছে, সেই জিলাতে Tribunal খন গঠন হ'ব। তেনেকৈ এই আইনখনে এতিয়ালৈকে কভাৰ কৰা নাই Sixth Schedule area। Sixth Schedule area ত এই আইনখন আজি পাছ কৰিলেও তাত প্ৰজোয্য নহ'ব। এই আইনখন যিহেতু Sixth Schedule area প্ৰযোজ্য নহয়, তেতিয়া Tribal Belt & Block থকা জিলা - বিশ্বনাথ,

ধেমাজি, গোৱালপাৰা, কামৰূপ (গ্ৰাম্য), কামৰূপ (নগৰ), লখিমপুৰ, মৰিগাওঁ, নগাওঁ, হোজাই, শোনিতপুৰ, তিনিচুকীয়া, ১১ খন জিলা এতিয়ালৈ বাছি উলিয়াইছো আৰু পৰৱৰ্তী সময়ত এই আইনখনত সুবিধা দিয়া আছে, আইন সংশোধন নকৰাকৈ আমি অন্য জিলাতো আৰু আপোনালোকে কোৱা ধৰণে কাৰণে আমি লাগিলে Tribunal বঢ়াব পাৰিম। গতিকে এই বিষয়টো each district বুলি য'ত Tribal Belt & Block য়ে নাই, তাত এখন Tribunal গঠন কৰি থোৱাৰ কোনো প্ৰয়োজন নহ'ব। গতিকে মই বিষয়টো তেওঁলোকক অৱগত কৰিলো।

দ্বিতীয় কথাটো Section 8 (a) ত যিটো আনিছে, ইয়াত দিছে যে এটা complaint বুলি থকা শব্দ উঠাই দিব লাগে। Section 8 (a) ত যিটো complaint ৰ কথাটো কলে, কথাটো এনেকুৱা যে ইয়াত আমি মুল আইনখনত যিকেইটা কথা কৈছিলো, তাৰ মানে repeal ৰ কথা কৈছিলো, মানে মুল আইনখন আমি কোৱা আছিল যে Circle Officer order বা DC ৰ order এইবিলাক লৈও Tribunal যোৱাৰ সুবিধা আছে। তাৰ লগতে পোনো পোনে যদি কোনোবাই complaint লৈ যায়, সেইটোও প্ৰজোয্য হ'ব। এতিয়া তেখেতসকলে কৈছে যে পোনে পোনে complaint লৈ যাব নালাগে। Circle Officer বা DC ৰ কিবা order ত যদি তেওঁলোকে সন্তুষ্টি নহয়, সেইটো লৈ যাব লাগে। এতিয়া আমি সকলোকে এইটো অধিকাৰ দিবলৈ বিচাৰিছো, যেনেকৈ যিকোনো এখন কোৰ্টক নিজে নিজে পোনে পোনে কোনো order ৰ ভিত্তিত নহয়, পোনে পোনে যাব পাৰে, পোনে পোনে যোৱা complaint শব্দটো ৰাখিছো। complaint শব্দটোৰ অৰ্থ এইটো। গতিকে এইটো লৈ তেখেতসকলে বেছি সন্তুষ্টি হ'ব লাগে যে যিকোনো নাগৰিকে, পোনে পোনে গৈ তাত complaint দিব পাৰে।

তাৰ পিছত যিটো আনিছে, section 8 (b), সন্মানীয় সদস্য আব্দুল বাতিন খাণ্ডকাৰ আৰু দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ পৰা আহিছে। ইয়াত তেখেতসকলে কৈছে যে আমি disposed কৰিবলৈ যিটো সময় দিছো, সেইটো আমি ৯০ দিন দিছিলো, ৩ মাহৰ ভিতৰতে disposed কৰিব লাগে। তেখেতসকলে দিছে যে ৪ মাহৰ ভিতৰত disposed কৰিব লাগে। এই গোটেই উদ্দেশ্যটোৰে আছিল যে ৩ মাহৰ সলনি হয়তো ২ মাহ। এতিয়া আমি কবলৈ বিচাৰিছো যে এইটো আমি fast track court ৰ নিচিনা খুৱা খৰতকীয়াকৈ কৰিবলৈ বিচাৰিছো। গতিকে এই আমি যাতে কোনো পধ্যেই পলম নহয়, আমি ৪ মাহৰ সলনি কেছ এটা লৈ গলে, ৩ মাহতে যাতে নিস্পত্তি কৰি দিয়ে, কাৰণ সেই কোৰ্টখনৰ বেলেগ কাম নাই, অকল Tribal Belt & Block ৰ সমস্যা বিলাক সমাধান কৰা। গতিকে তেখেতসকলে যিকোনো কেছ ৯০ দিন কিয়, তাতকৈ সোনকালে কৰি দিব পাৰিব বুলি আমি ভাৰিছো। গতিকে এই কোৰ্টখনত ৯০ দিন অনাৰ কাৰণে নাগৰিকক আমি justice দিছো বুলি ভাৰিছো। Tribal লোক সকলক আমি justice দিছো বুলি ভাৰিছো।

ইয়াৰ পিছৰ কথাটো হ'ল যে সন্মানীয় সদস্য আব্দুৰ ৰশিদ মণ্ডল আৰু দেৱব্ৰত শইকীয়াৰ পৰা আহিছিল, এইটো সংশোধনীত appeal ৰ কথাটো আহিছিল। ইয়াত appeal ৰ কথাটো আহিল যে District Land Tribunal ত যিটো appeal ৰ কথা ক'লে তাত আমি কৈছো যে ইয়াত appeal ৰ composition টো এনেকুৱা যে অৱসৰ প্ৰাপ্ত এজন জিলা ন্যায়াধীশ বা অৱসৰপ্ৰাপ্ত অতিৰিক্ত জিলা ন্যায়াধীশ যাৰ বয়স ৬৩ বছৰৰ কম হ'ব বা ৬৫ বছৰলৈ তেখেতৰ কাৰ্য্যকাল থাকিব সেই ব্যক্তিজনক আমি যেতিয়া ন্যায়াধীশ হিচাপে দিও তেওঁৰ সম পৰ্য্যায়ৰ জিলা ন্যায়াধীশ এজনক তেওঁ appeal কৰিবলৈ যোৱাটো আমি ইয়াত দিয়া নাই। আমি দিছো

যে ইয়াত যদি নিষ্পত্তি নহয়, তেখেতে গৈ উচ্চ ন্যায়ালয়ত appeal কৰিব পাৰিব। আমি এই ব্যৱস্থাটো তাত ৰাখিছো। গতিকে আমি তাৰ বিষয়টো এজন জিলা ন্যায়াধীশে দিয়া ৰায়টো আন এজন sitting জিলা ন্যায়াধীশক গৈ কোৰ্টত দিব নালাগে। আমি ভাবিছো এই ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধা নহয়। কাৰণ আমি এইটো ভালকৈ open ৰাখিছো। তেওঁ পোনে পোনে হাইকোৰ্টলৈ appeal কৰিবলৈ যাব পাৰে আৰু এটা কথা যে আমাৰ section-10 (II) ৰ এই দফাটোত দুটা সংশোধনী আহিছে। এটা মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াৰ আৰু শ্ৰী আব্দুল বতিন খণ্ডকাৰ আৰু আনটো সংশোধনী আছিল মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াৰ। আমাৰ বিৰোধী দলৰ দলপতি মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াদেৱৰ একেটা section তে একেটা বিষয়তে দুটা বেলেগ বেলেগ সংশোধনী আছে। এই কথটো দুই ধৰণৰ আছিল। এটা হৈছে-section-10 (II) ৰ ক্ষেত্ৰত এইটো আছে যে ইয়াত আমি যিটো দিছো সেই দফাটোত আছিল যে তেখেতসকলে যিটো ৰায় দিব, সেই ৰায়টো হৈছে-shall be final. এই শব্দটো তেখেতসকলে উঠাই তাৰ সলনি shall not be final বুলি কৰিব কৈছে। এই বিষয়টো এনেকুৱা যে যিকোনো এখন কোৰ্টত যেতিয়া ৰায় দিব সেইয়া Lower Court হওঁক, District Court ই হওঁক, হাইকোৰ্টেই হওঁক তেওঁলোকৰ মানত সেইটো ফাইনেল। এপীল কৰিব লাগিলে তেওঁ উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়লৈ যাব পাৰে। কোনো আইনত যেতিয়া এটা ৰায় আহে তাত shall not be final বুলি লিখা থাকিব নোৱাৰে। কাৰণ কোৰ্টৰ মৰ্য্যদা হিচাপে তেওঁলোকৰ কাৰণে সেইটো ফাইনেল। মই যদি সন্তুষ্ট নহয় মই পুনৰ আবেদন কৰিম। গতিকে shall not be final.....

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পঃ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এটা এনেকুৱা বাক্য আছিল যে shall not be final and shall be reviewed or scrutinized by the High Court or Supreme Court.

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, (দুৰ্য্যোগ আৰু ব্যৱস্থাপনা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আইন খনৰ বেলেগ দফাত সন্নিৱিষ্ট হৈ আছে। আপুনি যিটো কথা লিখিছে shall be reviewed or scrutinized by the High Court or Supreme Court. ইয়াৰ বেলেগ দফাত implied হৈ আছে। আমি বেলেগ দফাত এইটো লিখি থৈছো যে তেওঁ High Court লৈ গৈ আবেদন কৰিব পাৰে। তেওঁ তৎক্ষণাত High Court ত যোৱাৰ বাবে এইটো প্ৰভিজন দিয়াই আছে। যিটো বাক্য আপুনি লিখিছে, সেইটো আন দফাত দিয়াই আছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পঃ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে যে 10 (I) AB ত কথাটো স্পষ্ট আছে। কিন্তু 10 (II) ত High Court ত গৈ restrict কৰা হৈছে যে High Court লৈ গৈ আবেদন কৰিব নোৱাৰে। ইয়াত restrict কৰা হৈছে।10 (I) A and B ত দিয়া হৈছে যে High Court from any original or appellate order passed by the District Land Tribunal, High Court ত যাব পাৰিব। কিন্তু 10 (II) ত দিয়া হৈছে যে Exercise in this regard to orders related to periodically settle land and order passed by on appeal under clause-(A) i.e. previous clause of sub-Section-(I) shall be final. ইয়াত restriction কৰা হ'ল যে তেখেত High Court লৈ যাব নোৱাৰিব। ইয়াৰ অৰ্থটো এনেকুৱাকৈ আহিছে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, (দুৰ্য্যোগ আৰু ব্যৱস্থাপনা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,Section-

10 (I) ৰ এনেকুৰা অৰ্থ ক'ত আহিছে?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পঃ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Section-10 (I) ৰ A and B আৰু Section-II পঢ়িলে এনেকুৰা এটা conception আহে। সেই কাৰণে Section-10 (II) delete কৰিব লাগে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, (দুৰ্য্যোগ আৰু ব্যৱস্থাপনা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো পঢ়িছে an appeal shall lie under this Act to the District Land Tribunal from any original order passed by the Officer including the District Commissioner এইটো 'A' ত আছে। তাৰ পিছত High Court from any original or appellate order passed by the District Land Tribunal, এইটো স্পষ্টকৈ আছে।

**শ্ৰী আব্দুল বতিন খণ্ডকাৰ, (পূঃ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Section-10 (II) ত গৈ এইটো অলপ contradict হ'ল। এইটো delete হ'লে ভাল হ'ব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পঃ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৰা হ'ব পাৰে যে আমাৰ conception টো ভুল হ'ব পাৰে। Language টো এনেকুৰা আছিল যে except in regard of II order relating to periodically settle land. মাননীয় অধ্যক্ষ মহোদয়, periodically settle land ৰ বাহিৰে বাকী অৰ্ডাৰৰ ক্ষেত্ৰত appeal নচলিব বুলি ইয়াত কোৱা হ'ল। Section-A ত appeal ত দিলে। কিন্তু Sub-Section-II ত আহি periodically settle land ৰ বাহিৰে বাকী যি অৰ্ডাৰ দিব তাত সেইটোৱেই ফাইনেল। তাত appeal ৰ ব্যৱস্থা নাই। আমি এই অৰ্থটোৱেই বুজিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, (দুৰ্য্যোগ আৰু ব্যৱস্থাপনা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত নাই বুলি ক'ত লিখা আছে?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পঃ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Section-10 (I) ৰ A and B appeal ৰ কথাটো স্পষ্ট আছে। কিন্তু Section-10 (II) ত আহি ম্যাদী মাটিৰ কথা কৈ আছে। ইয়াত ট্ৰাইবেল বেল্ট আৰু ব্লকৰ কথা হৈ আছে। ইয়াত Section-(II) কেনেকৈ আহিব? হয় এপীল একেবাৰে বন্ধ কৰি দিব লাগে। 10 (I) B ত অনুমতি দিলে আকৌ 10 (II) ত বন্ধ কৰি দিলে। এইটো Self contradictory. ইয়াত অলপ ভুল বুজাবুজি হৈ আছে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, (দুৰ্য্যোগ আৰু ব্যৱস্থাপনা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, periodically settle land ৰ ক্ষেত্ৰত 10- A and B টো পঢ়ি আপুনি কি বুজি পাইছে? মইতো ঠিকেই বুজি পাইছো।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (পূঃ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে Tribunal order টো High Court ত যাব পাৰে বুলি 10 (I) ৰ A and B ত কৈ দিলে। কিন্তু Sub-Section-II ত ক'লে যে যাব পাৰিব except in regard to orders relating to periodically settle land and order passed on appeal under clause-A of Sub-Section-I shall be final. কাৰণ বাকীবিলাকতো যাব নোৱাৰে। সেইটো restriction impose কৰা হৈছে। আমি এই কথাটোৱেই কৈছো যে 10 (I) ৰ A and B ৰ লগত 10 (II) ৰ Contradiction আছে। এই কথাটো আমি বুজি পোৱা নাই।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, (দুৰ্য্যোগ আৰু ব্যৱস্থাপনা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

আপোনালোকে 10 (II) টো delete কৰিবলৈ কৈছে। এই ব্যৱস্থাটোৰে জিলা আয়ুক্ত বা আন নিম্ন বিষয়াৰ দ্বাৰা জাৰি কৰা আদেশৰ বিৰুদ্ধে appeal ৰ ক্ষেত্ৰত যিটো ন্যায়াধীকৰণৰ আদেশসমূহ তাত চূড়ান্ত কৰিছে। কেৱল পৰ্য্যায়ক্ৰমে নিষ্পত্তি কৰা ভূমিৰ সৈতে জড়িত আদেশৰ বাহিৰে ইয়াৰ জৰিয়তে পুনৰাবৃত্তি appeal ৰোধ কৰি দ্ৰুত নিষ্পত্তি নিশ্চিত কৰা হৈছে আৰু বিধেয়কত ইতিমধ্যে জিলা ভূমি ন্যায়ীকৰণৰ দ্বাৰা জাৰি কৰা আদেশৰ বিৰুদ্ধে মাননীয় উচ্চ ন্যায়ালয়ৰ ওচৰত ব্যৱস্থা আছে। এই যিটো 10(II) section টো আপোনালোকে delete কৰিব কৈছে, সেইটো কৰিবলৈ হ'লে জিলাৰ যিখন Tribunal সেইখনৰ ক্ষমতাটো হ্ৰাস কৰা হ'ব।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী ঃ** 10.(I).a ত ইতিমধ্যে তেওঁলোকে যিটো order দিলে সেইটো appeal কৰিব পাৰিব বুলি High Court ত 10(b) ত দি দিলে।..........**১.৫৭** মিনিট) আমি বুজি পোৱা নাই। বুজাই দিলে ভাল হ'ব। কিন্তু contradiction লাগিছিল, restriction imposed কৰা হৈছে, ক'ত কৰিব পাৰিব, ক'ত কৰিব নোৱাৰিব, High Court ত যোৱাটোও যদি restriction থাকে, তেনেহ'লেটো অসুবিধা হৈ যাব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** 10 ৰ যিটো আপোনালোকে দুটা Amendment দিছে, এতিয়া 10(I) ত জিলা আয়ুক্ত আৰু জিলা ভূমি ন্যায়ীকৰণকে ধৰি সকলো বিষয়াৰ দ্বাৰা প্ৰদান কৰা যিকোনো ভুল বা appeal আদেশৰ বিৰুদ্ধে জিলা session ন্যায়াধীশৰ ওচৰত সংযোজন কৰিব লাগে। এইটো কথা আপোনালোকে আনিছে নহয় জানো ?

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী ঃ** চাৰ, গোটেই section টো delete কৰাৰ কথা কোৱা নাই। 10(II) ত কৈছো, য'ত appeal ত যোৱাৰ কাৰণে restriction imposed কৰা হৈছে। সেই sub-section টো delete কৰিব কৈছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** আপোনালোকৰ সংশোধনী এইটোৰে আহিছে, Sub-section 10(II) shall be deleted আৰু এটা কথা কওঁ শুনি লওঁক, আব্দুল ৰশিদ মণ্ডল ডাঙৰীয়া আপুনি ইয়াত লগাই দিছে যে এইটো final হ'ব নালাগে।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** হয়, এইটো final হ'ব নালাগে। Appeal কৰিব পৰা অৱস্থাত থাকিব লাগে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** আৰু এটা মই ৰহস্যজনক কথা কওঁ যে শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াই দুয়োটাতে চহী কৰিছে।

**শ্ৰী দেবব্ৰত শইকীয়া, নাজিৰা ঃ** চাৰ, appeal যদি কৰাৰ ব্যৱস্থা নাথাকে,কেনেকৈ হ'ব? সেইগতিকে যেতিয়া এইটো final বুলি কৈছে, final বুলি জনাৰ পিছত appeal ত যাব লাগিব। এটা section ত appeal ৰ ব্যৱস্থা নাই।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** চাৰ, এইটো ব্যৱস্থাত High Court ত appeal কৰাৰ যিটো সুবিধা আছে, সেইটো দিয়া আছে। এই ব্যৱস্থাটোৰে জিলা আয়ুক্ত আৰু আন নিম্ন বিষয়াৰ দ্বাৰা জাৰি কৰা আদেশৰ বিৰুদ্ধে appeal ৰ ক্ষেত্ৰত জিলা ভূমি ন্যায়াধীকৰণৰ আদেশ সমূহ চূড়ান্ত কৰে। এই বিষয়টো আপোনালোকে ভালদৰে চাই লওঁক। ইয়াৰ জৰিয়তে পুনৰাবৃত্তি appeal ৰোধ কৰি গোচৰ নিস্পত্তি কৰাৰ নিশ্চিত কৰা হৈছে। তাৰমানে যিখিনি কথা তলৰ circle বা District এ দিছে, সেইটো ইয়াতে চূড়ান্ত হৈছে। Circle য়ে যদি দিছে, DC য়ে যদি দিছে, তাত যদি periodically পট্টা দিয়ে, সেইটোৰ যদি নিস্পত্তি কৰিব লাগে, সেইটো নিস্পত্তি Land Tribunal তে আদায় হ'ব। আমি সেইটোহে কৈছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** চাৰ, কিন্তু 10(II) টোত কৈছে যে above shall be final. Final ৰ অৰ্থ হ'ল তেতিয়াহ'লে appeal ত নাযাব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** নহয়, যিখিনি কথা তেওঁলোকৰ ওচৰত আহি appeal কৰিছিল, সেইখিনিহে আমি final বুলি কৈছো আৰু বিধেয়ক খনত ইতমধ্যে জিলা ভূমি ন্যায়াধীকৰণৰ দ্বাৰা জাৰি কৰা আদেশৰ বিৰুদ্ধে মাননীয় উচ্চ ন্যায়ালয়ৰ ওচৰত appeal ৰ ব্যৱস্থা আছে। এইটো delete কৰিলে এই খনৰ ক্ষমতাটো নাথাকিব।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো ব্যাখ্যা দিছে, প্ৰথম appeal ৰ যিটো Sub-section সেইটো ঠিকে আছে। মই যিখিনি সংশোধনী আনিছিলো, আপুনি ব্যাখ্যা দিছে সেইখিনি ঠিকে আছে, কিন্তু Sub-section II ত It shall be final, এই তিনিওটা word ৰ বাক্যটোৰ অৰ্থ এনেদৰে বুজিছো যে periodical settlement টোৰ বাদে যিমানবিলাক order দিব except the periodical settlement. বাকী যিমানবিলাক order Tribunal য়ে দিব, সেই order বিলাকেই চুড়ান্ত। District Tribunal এ periodical settlement ৰ উপৰিও আৰু judgement দিব পাৰে। সেই judgement সমূহৰ ওপৰতো review হ'ব নোৱাৰে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মানুহে appeal কৰিব পাৰে, writ petition ও কৰিব পাৰে। যিকোনো কথা এটাত আপুনি যদি appeal কৰিব পৰা নাই, তেতিয়াহ'লে High Court writ petition কৰিব পাৰে। তাত কোনো বাধা নাই।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী ঃ** যদি High Court ত দিয়া হৈছে appeal কৰাৰ ৰাস্তাটো তেতিয়াহ'লে restriction কিয়?

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** প্ৰথমতে এটা কথা কৈছিলো যে এখন Court ৰ কাৰণে সেই order টো final আৰু সেই আইন খনত বেলেগ দফাত ভালকৈ দিয়া আছে। সকলো কথাই High Court ত appeal কৰিব পাৰিব, তাত কোনো বাধা নাই।

**মাননীয় অধ্যক্ষ ঃ** এওঁলোকৰ confusion টো লৈ reply দিয়ক।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** এতিয়া আপোনালোকে এখন আইন পাচ কৰিব, আপোনালোকে দিয়া order টোক আমি shall not be final বুলি লিখি দিম নেকি?

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Tribunal ত each and every order if required আমি High Court ত appeal কৰিব পাৰিম নে নাই 10(II) ধাৰাটো থাকিলে সেইটো specific ক'লে হ'ল।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** ইয়াত সকলো কথাই appeal কৰিব পাৰিব। যিকোনো Judgement ৰ appeal কৰিব পাৰিব। ইয়াত distinctly লিখা আছে আৰু এইটো কেতিয়াও আইন প্ৰস্তুত হ'ব নোৱাৰে যে এখন District Leval Court ৰ যিকোনো এটা Judgement High Court ত যাব নোৱাৰিব, Supreme Court ত যাব নোৱৰিব।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰি)ঃ** হয় চাৰ লগত আমি একমত। সেই কাৰণে 10 (2)Section টো উঠাই দিলে আপোনাৰ কথাটো প্ৰতিপন্ন হ'ব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ 10 (2)Section টো উঠাই দিব লগা নাই। ইয়াৰ বিষয়েও মই আপোনালোকক ভালকৈ ব্যাখ্যা দিছো।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পূৱ গোৱালপাৰা** ঃ চাৰ, আপুনি যিটো কৈছে, appeal চলিব, মই

section 16 ৰ sub section (2) ৰ sub clause (B) ত quote কৰিছো আপুনি দিয়া act খনত। Any action taken order made or other act and things done by any officiating or purporting to act under the acts reappeal shall be valid and shall be deemed always to have been to valid and shall not be fault in question in any Court on the ground of incompetency of the officer to act under acts should built.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ বাকী কেইটা মই কৈ আছো। আপোনালোকে Section 12 ত আনিছে।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে original bill চাওঁক।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পূৰ গোৱালপাৰা** ঃ চাৰ এইখন original.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ বাকী কেইটা মই কৈ লৈছো। বাকীকেইটা হৈছে আপোনালোকে যিটো section-12 ত তাত officer যিজন আছে তেওঁক আমি যিটো protection দিছো সেইটো আপোনালোকে উঠাই দিবলৈ কৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পূৰ গোৱালপাৰা** ঃ চাৰ, কিমান related. অফিচাৰে ভুল কৰিলেও তাৰ ওপৰত কোনো action নহ'ব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ Tribunal খন এখন retired district judge আৰু officer জন হ'ব তেওঁক assist কৰিবলৈ। তেওঁ judicial part টো তেওঁ share নকৰে। তেওঁক judicial ৰায়ৰ কাৰণে কেনেকৈ responsible কৰিম?

**মাননীয় অধ্যক্ষ** ঃ আপুনি continue কৰক। আপোনাৰ reply টো বুজাই দিয়ক।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পূৰ গোৱালপাৰা** ঃ চাৰ, Tribunal ৰ judgement টো যদি ভুল কৰে, আমি appel কৰিব নোৱাৰিম বা দোষী অফিচাৰ জনৰ বিপক্ষে ক'ব নোৱাৰিম। এই ব্যৱস্থা যদি আইনত থাকে, কোনো court য়ে সেই appeal accept কৰিব নোৱাৰিব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰীয়ে কৈছে কৰিব পাৰিব। কৰবাত sentence language ত যদি বুজি পোৱাত গণ্ডগোল হৈছে ঠিক কৰি ল'ব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পূৰ গোৱালপাৰা** ঃ চাৰ Court can be beyond the court abide by law or act.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ Judge জনৰ ৰায়ৰ ওপৰত appeal কৰিব পাৰিব। Judge জনক বা তাত থকা মানুহক আমি responsible কৰিব নোৱাৰো নহয়। তেওঁক আমি কি ধৰণে শাস্তি দিব পাৰিম? এইটো আইনত ক'তো লিখা নাথাকে। অফিচাৰ জনক আপোনলোকে যিটো কৰিব কৈছে, অফিচাৰে কৰাৰ কোনো যুক্তিয়ে নাই। Next ত আপোনালোকে যিটো কৈছে যে আমি কৈছো এইটো in good faith. আপোনালোকে কৈছে good faith ৰ সলনি আপোনালোকে লিখিব লাগে wilfully or vested interest. কোনোবা আইনত wilfully or vested interest কোনোবা আইন প্ৰণয়নত লিখা আছে নেকি? আমি এটা court ৰায় wilfully or vested interested এই শব্দটো লিখি আইন এখন কেনেকৈ প্ৰণয়ন হ'ব। আমি সদায় ক'ব লাগিব যে এইটো এটা legal language যে court ৰ এইটো ৰায় judge জনে আমাক in good faith দিছে। তেওঁ আত্মবিশ্বাসেৰে দিছে।

**মাননীয় অধ্যক্ষ** ঃ এইটো হৈছে। মন্ত্ৰী ডাঙৰীয়াই যিটো ক'ব পিছত amendment টো accept কৰে নে নকৰে, সেইটো ঠিক কৰিব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ Section-14 ত আপোনালোক কৈছে যে ৩০ দিনৰ সলনি ৬০ দিন হ’ব লাগে। ইয়াৰ আগতেও মই কৈ আহিছো যে এইটো আমি খুব খৰতীয়াকৈ কৰিব বিচাৰিছো আৰু এইখন court ৰ ক্ষেত্ৰত কোনো বেলেগ কেছ নাথাকে। গতিকে কেৱল Tribal Belt and Block ৰ কেছ থাকিব। গতিকে এইখন court ক আমি ৩০ দিনৰ সলনি ৬০ দিন সময় দিয়াৰ কথা নাহে। গতিকে এইখিনি মই আপোনালোকৰ ওচৰত দাঙি ধৰিলো। Appeal যিটো কথা কৈছো মই আকৌ কৈছো appeal can be filed by any agreed person again any order of any tribunal to the Hon’ble High Court. এইটো সকলোতে implied কথা। সেইটোত আৰু ক’তো restrction নাই। গতিকে এই কথাটো ক’তো উঠাই লোৱাৰ প্ৰশ্নটো নাহে। মই এই গোটেইখিনি কথা আপোনাক ব্যাখ্যা দিলো। মাননীয় অধ্যক্ষ মহোদয়, আইনখন কি অৰ্থত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোনটো commitment ত এই আইনখন আনিব দিছে আৰু বিশেষকৈ আমাৰ যিসকল জনজাতীয় লোক, জনজাতীয় লোক সকলক সুৰক্ষিত কৰিবৰ কাৰণে জনজাতীয় লোক সকলৰ মাটি-বাৰী সুৰক্ষিত হ’বৰ কাৰণে তৎকালীনভাৱে ন্যায় পাবৰ কাৰণে এই District Tribunal জিলা ভূমি ন্যায়াধিকৰণ যিখন আমি এতিয়া উত্থাপন কৰিলো District Land Tribunal Bill 2025. গতিকে মই উত্তৰখিনি দিলো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ইতিমধ্যে আমি বাকী অংশ পাৰ কৰিছো। এতিয়া দফা নং-৩ ত সংশোধনী প্ৰস্তাৱ আছে, শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু সহযোগী সকল, আপোনালোকে এইটো উঠাই ললে নে?

**আব্দুল ৰশিদ মণ্ডল, পূৱ গোৱালপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটাত অসুবিধা নাই আমি যিটো দিছিলো।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে গোটেইতো উঠাই লওঁক।

**আব্দুল ৰশিদ মণ্ডল, পূৱ গোৱালপাৰা** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিন কথা কৈছে আশা কৰিছো যে যিটো rule frame হ’ব, সেই কথাখিনি সন্নিবিষ্ট হ’ব। এইখিনি আশা কৰি withdraw কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ Withdraw কৰিছে?

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী** ঃ চাৰ, মোৰখিনি মই কৈছো 10 (2) যিটো appeal আৰু restriction এই আইনখনত বুজা যায় rule ত যাতে এই কথাখিনি clear থাকে in case of appeal there is no restriction.

**মাননীয় অধ্যক্ষ** ঃ এইটো clear হৈ লওঁক একেলগে বহি। মই ভাবো দুয়োফালে কোনো negative নাই।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী** ঃ চাৰ, তেখেতে যিটো কৈছে, protection দিয়াৰ কাৰণে মুখ্যমন্ত্ৰীৰ কথা, কংগ্ৰেছ দলেহে tribal belt and block ত ইমান দিলে দি আহিছে গতিকে আমিও tribal belt and block সুৰক্ষিত হোৱাতো বিচাৰো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। withdrwal কৰি ললে প্ৰস্তাৱটো হ’ল যে দফা নং- ৩ বিধেয়কখনৰ অংশ হ’ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ৩ বিধেয়কখনৰ অংশ হ’ল। দফা নং-৪ ৰ পৰা ৭ লৈ সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে দফা নং-৪ পৰা ৭ লৈ বিধেকখনৰ অংশ হ’ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ

সপক্ষে  দফা নং-৪ পৰা ৭ লৈ বিধেকখনৰ অংশ হ'ল। দফা নং- ৮ সংশোধনী প্ৰস্তাৱ আছে শ্ৰীদেৱব্ৰত শইকীয়া আৰু সহযোগী এইটো উঠাই ললে, সেয়েহে দফা নং-৮ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ৮ বিধেয়কখনৰ অংশ হ'ল। দফা নং-৯ ত সংশোধনী প্ৰস্তাৱ নাই।  দফা নং-৯ বিধেকখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ৯ বিধেয়কখনৰ অংশ হ'ল। দফা নং-১০ ত  সংশোধনী প্ৰস্তাৱ আছে । শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু শ্ৰীআব্দুল বাতিন খন্দকাৰে এইটো উঠাই ললে। সেয়েহে দফা নং-১০ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক, মই ভাবো দফা নং-১০ বিধেয়কখনৰ অংশ হ'ল। দফা নং-১১ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰস্তাৱ টো হ'ল যে ১১ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ১১ বিধেয়কখনৰ অংশ হ'ল। দফা নং-১২ বিধেয়কখনৰ সংশোধনী প্ৰস্তাৱ  আছে। শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু শ্ৰীআব্দুল বাতিন খন্দকাৰে এইটো উঠাই ললে। সেয়েহে দফা নং-১২  বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ১২ বিধেয়কখনৰ অংশ হ'ল। দফা নং-১৩ বিধেয়কখনৰ সংশোধনী প্ৰস্তাৱ  নাই। প্ৰস্তাৱটো হ'ল যে  নং-১৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ১৩ বিধেয়কখনৰ অংশ হ'ল। দফা নং- ১৪ বিধেয়কখনৰ সংশোধনী প্ৰস্তাৱ আছে। শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী তেখেত সকলে উঠাই ললে। সেয়েহে দফা নং-১৪  বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ১৪ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৫ ৰ পৰা ১৬ ত সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে দফা নং ১৫ ৰ পৰা ১৬ ত সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে দফা নং ১৫ আৰু ১৬ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- ক্পিক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৰো হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ১৫ আৰু ১৬
বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- ক্পিক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৰো হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মন্ত্ৰী পাচ কৰাৰ কাৰণে উত্থাপন কৰক।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে “The Assam District Land Tribunal Bill, 2025” পাৰিতকৰণৰ বাবে লোৱা হওক।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ’ল যে বিধেয়য়ক খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ’ল আৰু আৰু বিধেয়কখন পাৰিত কৰা হ’ল।

এতিয়া মাননীয় মন্ত্ৰী মহোদয় । আপোনাৰ Item N0-21.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Registration (Assam Amendment) Bill, 2025" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সদনত প্ৰস্তাৱটো ভোটদানৰ বাবে ৰাখিলো । প্ৰশ্নটো হ’ল "The Registration (Assam Amendment) Bill, 2025" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত কৰা হ’ল।

এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ’ব।
২ ৰ পৰা ৯ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই।
প্ৰশ্নটো হ’ল যে ২ ৰ পৰা ৯ নং দফা লৈকে বিধেয়কখনৰ অংশ হ’ব।
যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
২ ৰ পৰা ৯ নং দফা লৈকে বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১ অধিনিয়ম, সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ’ল যে দফা নং ১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ

হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে “"The Registration (Assam Amendment) Bill, 2025" পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে বিধেয়য়ক খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Item N0-22. মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Indian Stamp Assam(Amendment)Bill, 2025. সদনৰ বিবেচনাৰ কাৰণে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল "The Indian Stamp Assam(Amendment)Bill, 2025 খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ব।

২ ৰ পৰা ৬ লৈ কোনো কোনো সংশোধনী প্ৰস্তাৱ নাই।
প্ৰশ্নটো হ'ল যে ২ ৰ পৰা ৬ নং দফা লৈকে বিধেয়কখনৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
২ ৰ পৰা ৬ নং দফা লৈকে বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম, সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে,
দফা নং ১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Indian Stamp Assam(Amendment)Bill, 2025. সদনত পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়য়ক খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।
যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বি পক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ সন্মানীয় উদ্যোগ বিভাগৰ মন্ত্ৰীৰ হৈ "The Assam Jan Vishwas (Amendment of Provisions) Bill, 2025" খন বিবেচনাৰ বাবে লোৱাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নেটো হ'ল "The Assam Jan Vishwas (Amendment of Provisions) Bill, 2025" খন বিবেচনাৰ বাবে লোৱা হওঁক।
যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বি পক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে, হয়ৰ  সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।
এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ব।
দফা নং ২ আৰু ৩ ত কোনো কোনো সংশোধনী প্ৰস্তাৱ নাই।
প্ৰশ্নটো হ'ল যে  ২ আৰু ৩ বিধেয়ক খনৰ অংশ  হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২ ৰ পৰা ৩ বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ অনুচীত সংশোধনী প্ৰস্তাৱ আছে। শ্ৰী অখিল গগৈ। আপুনি প্ৰস্তাৱটো উত্থাপন কৰিনে নে উঠাই ল'ব?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, মই গোটেইখিনি প্ৰস্তাৱ উঠাই লৈছো। সোনকালে জনজাতিকৰণৰ যিটো প্ৰস্তাৱ আছে, সেইটো আনিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়াই তেখেতৰ সংশোধনী উঠাই ল'লে। প্ৰশ্নটো হ'ল যে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম, সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ১ অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে প্ৰস্তাৱ উত্থাপন কৰো যে ""The Assam Jan Vishwas (Amendment of Provisions) Bill, 2025" খন সদনত পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।
যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Item No-24. মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই " Report of the Committee of Group of Ministers to Examine and Suggest on the different aspects of Reservation of Six(6) Communities in the State."প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** ছাৰ, এইখনৰ ওপৰত আলোচনা হ'ব নেকি?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, এইখনৰ ওপৰত আলোচনা হ'ব লাগে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** এইখনৰ ওপৰত আলেচনা কৰিবলৈ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া report টো lay কৰিছে, আপোনালোকে report টো চাই লওক, ভৱিষ্যতে কেতিয়াৱা আলোচনা হ'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** বিধানসভাত উঠাইছে কিয়? যদি বিধানসভাত উঠাইছে তেন্তে আলোচনা হ'ব লাগিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** ছাৰ, আলোচনা কৰিব পাৰিলে ভাল লাগিল হয়।

**মাননীয় অধ্যক্ষ ঃ** ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ নিৰ্দ্ধাৰিত হ'ব লগীয়া সদস্যৰ সংখ্যা আৰু আবেদনকাৰী প্ৰাৰ্থীৰ সংখ্যা শ্ৰী ৰবিৰাম নাৰ্জাৰিৰ সৈতে বাকী সদস্যসকলক কাৰ্য্যকৰী সদস্য হিচাপে নিৰ্বাচন হোৱা বুলি ঘোষণা কৰিলো।

সন্মানীয় সদস্যসকল, ৰিপৰ্'ট এতিয়া দাখিল হে হ'ব, গতিকে কোনটো basis ত আলোচনা কৰিব পাৰে। সকলোৱে ৰিপৰ্'টটো পঢ়ি লওঁক আৰু যদি এনেকুৱা ধৰণৰ পৰিস্থিতি আহে যে আপোনালোকে এই বিষয়টো আলোচনাৰ বিষয় বুলি ভাৱে কাৰণে সেইটো Group of Ministers ৰ Report. আমাৰ concern হ'বৰ কাৰণে আৰু সকলোৱে পঢ়িবলৈ এই ৰিপৰ্'টটো lay কৰিছে। এইটো আমি একো কৰিব নোৱাৰো.......

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** আমাক জনজাতিকৰণৰ ওপৰত আলোচনা লাগে।............

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ত পিছত কথা পাতিব পাৰিব।

সন্মানীয় সদন, যোৱা ২৫ নৱেম্বৰ তাৰিখে আৰম্ভ হোৱা অসম বিধান সভাৰ শীতকালীন অধিৱেশন ৫ দিনীয়া চৰকাৰী তথা বে-চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল ।

অধিৱেশনৰ প্ৰথম দিনৰ পৰাই বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ অধীনত ৰাজ্যখনৰ

জ্বলন্ত সমস্যাসমূহৰ লগতে এটা সভাস্থগিত প্ৰস্তাৱকে ধৰি বহু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়।

অধিৱেশনৰ কালছোৱাত ৮ খন নতুন বিধেয়ককে ধৰি সৰ্বমুঠ ৩৩ খন গুৰুত্বপূৰ্ণ বিধেয়কৰ লগতে অসম বিনিয়োজন (নং III) বিধেয়ক, ২০২৫ আলোচনাৰ অন্তত পাৰিত কৰা হয় । তদুপৰি, চলিত অধিৱেশনত দুখন বে-চৰকাৰী বিধেয়ক উত্থাপিত হোৱাৰ লগতে আন এখন বে-চৰকাৰী বিধেয়ক বিবেচনাৰ অন্তত অগ্ৰাহ্য কৰা হয় ।

এইবাৰ অধিৱেশনত বিধায়িনী সমিতিসমূহৰ উপৰিও কেইবাখনো চৰকাৰী প্ৰতিবেদন আৰু ৰাজ্য চৰকাৰৰ ভালেসংখ্যক গুৰুত্বপূৰ্ণ বিভাগীয় প্ৰতিবেদন, অধিসূচনা ইত্যাদি দাখিল কৰা হয় ।

এইবাৰৰ অধিৱেশনত ৰাষ্ট্ৰীয় তথা ৰাজ্যিক প্ৰেক্ষাপটৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰসঙ্গ, যেনে- ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উপলক্ষে জাৰি কৰা এশ টকা মূল্যৰ এক স্মাৰক মুদ্ৰা উন্মোচনেৰে ৰাষ্ট্ৰই তেখেতৰ প্ৰতি আগবঢ়োৱা যথোচিত সন্মান প্ৰদৰ্শন আৰু নুমলীগড়ত দুটা গুৰুত্বপূৰ্ণ উদ্যোগৰ শুভ উদ্বোধন আৰু শিলান্যাসেৰে ৰাজ্যৰ ঔদ্যোগিক ক্ষেত্ৰখনক নতুন গতি প্ৰদান কৰাৰ বাবে — এই ঘটনাৰাজিৰ মুখ্য পৃষ্ঠপোষক তথা কৃতিত্বৰ প্ৰধান অংশীদাৰ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীকে আদি কৰি সংশ্লিষ্ট সকলো পক্ষৰে অধ্যক্ষৰ আসনৰ পৰা শলাগ লৈ অভিনন্দন জ্ঞাপন কৰা হয় ।

লগতে, এই আসনৰ পৰাই ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰখনত দেশ তথা ৰাজ্যখনক গৌৰৱান্বিত কৰা সকলোলৈকে অভিনন্দন জ্ঞাপন কৰা হয় ।

এই অধিৱেশনৰ কালছোৱাত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

সদৌ শেষত অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি বিধান সভা অধিৱেশনৰ লগত জড়িত চৰকাৰী বিষয়া-কৰ্মচাৰী সকলৰ লগতে বিধান সভা সচিবালয়ৰ সচিব তথা সমূহ বিষয়া-কৰ্মচাৰী, প্ৰচাৰ মাধ্যমৰ বন্ধুসকলকে আদি কৰি সকলো পক্ষলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি আগন্তুক পবিত্ৰ বৰদিন, ইংৰাজী নৱবৰ্ষ আৰু মাঘ বিহুৰ আগতীয়াকৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ। ধন্যবাদ।

সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়।

( শেষত অসমৰ জাতীয় সংগীত বাজি উঠে আৰু সকলোৱে একেলগে ঠিয় হৈ জাতীয় সংগীত পৰিৱেশন কৰে।)